# সঙ্গম

একবিংশতিতম আৰু দ্বাবিংশতিতম সংখ্যা

## বাৰ্ষিক আলোচনী, ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষ

## সুৰেন দাস মহাবিদ্যালয়, হাজো



তত্বাৱধায়ক ঃ ৰাজীৱ দাস
সম্পাদক ঃ মহিদুল ইছলাম
২০১৬-১৭ বৰ্ষ

তত্বাৱধায়ক ঃ জয়ন্ত কুমাৰ দাস
সম্পাদিকা ঃ ৰঞ্জুমা বেগম
২০১৭-১৮ বৰ্ষ

# সম্পাদনা সমিতি


ড° প্ৰবীণ চন্দ্ৰ দাস
উপদেষ্টা


ড° অঞ্জনা শৰ্মা
উপদেষ্টা


ড° হিৰণ্য কুমাৰ শৰ্মা
সভাপতি


ৰাজীৱ দাস
তত্বাৱধায়ক


জয়ন্ত কুমাৰ দাস
তত্বাৱধায়ক


মহিদুল ইছলাম
সম্পাদক


ৰঞ্জুমা বেগম
সম্পাদিকা


মুনীন্দ্ৰ দাস
সদস্য


ড° ৰঞ্জু ঠাকুৰীয়া
সদস্যা


মন্মী কাকতী
সদস্যা


সবিতা কলিতা
সদস্যা


ভাৰতী মেধি
সদস্যা


মখতাৰ হুছেইন
সদস্য


অনিৰুদ্ধ মেধি
সদস্য


জেছমিন চুলতানা
সদস্যা


হিমাশ্ৰী বেজবৰুৱা
সদস্যা


শশাংক শিখৰ চৌধুৰী
সদস্য


ড° পৰমানন্দ ৰাজবংশী
সভাপতি

Dr. Paramananda Rajbongshi
President




।। চিৰ চেনেহী মোৰ ভাষা জননী।।

## অসম সাহিত্য সভা

মুখ্য কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

ASAM SAHITYA SABHA
HEAD OFFICE : CHANDRAKANTA HANDIQUE BHAWAN, JORHAT

### শুভবাৰ্তা



কামৰূপ জিলাৰ অন্তৰ্গত সুৰেণ দাস মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'সঙ্গম' প্ৰকাশ কৰিব বুলি জানিবলৈ পাই মই আনন্দ অনুভৱ কৰিছোঁ। এয়া সঁচাকৈ মহাবিদ্যালয়খনৰ প্ৰশংসনীয় পদক্ষেপ।

আমি জানো যে মূলতঃ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে, সাহিত্য চৰ্চাৰ মঞ্চৰূপে চিহ্নিত হয় মহাবিদ্যালয়সমূহৰ মুখপত্ৰত। শিক্ষক-শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলৰ কলমেৰে নিগৰা সাহিত্য প্ৰতিভাৰ অমল স্বাক্ষৰ বহন কৰিবলগীয়া মুখপত্ৰই ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঁজালি মেলা নতুন চিন্তাই স্বকীয় সাহিত্যৰ সেউজী পথাৰখন চহকী কৰিব বুলি মই পৰম আশাবাদী।

অসমৰ জাতীয় জীৱন আৰু অসমীয়া ভাষাসহ অন্যান্য খিলঞ্জীয়া ভাষাৰ মহা সংকটত চিৰজাগ্ৰত প্ৰহৰী হিচাপে নিজ কৰ্তব্য সম্পাদন কৰিবলৈ বিনম্ৰ আহ্বান জনাই মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মুখপত্ৰখনি জাকত-জিলিকা ৰূপত প্ৰকাশ হোৱাৰ আন্তৰিক শুভাঞ্জলি নিবেদিছোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

*দিনাংক ঃ ১৬ আগষ্ট, ২০১৯ খ্ৰীষ্টাব্দ*

*(ড° পৰমানন্দ ৰাজবংশী)*
*সভাপতি*
*অসম সাহিত্য সভা*


ঠিকনা ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, অসম সাহিত্য সভা, গুৱাহাটী-৭৮১০০১, দূৰভাষ-৯৮৬৪০-৪৯৭৮২
Address : Bhagawatiprasad Baruah Bhawan, Asam Sahitya Sabha, Mobile : 98640-49782
e-mail : paramanandarajbongshi1@gmail.com

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Dr. Mridul Hazarika
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (F
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com



## MESSAGE

I am happy to learn that Suren Das College, Hajo is going to publish its Annual College Magazine entitled "*SANGAM*" very soon. College Magazine is an important publication which provides scope for contributors to work on a creative platform. I believe that the college should take initiative to encourage students in developing creative skills beyond regular curriculum. I appreciate the efforts being made in publication of the magazine.

I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date : 07.08.2019

**( Mridul Hazarika )**

Address :Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam 781014 Phone : 0361 257 0412 Web : www.gauhati.ac.in

## অধ্যক্ষৰ শুভেচ্ছাবাণী



সুৰেন দাস মহাবিদ্যালয়, হাজোৰ ২০১৬-১৭ আৰু ২০১৭-১৮ বৰ্ষৰ বাৰ্ষিক আলোচনী 'সংগম'খনি (একত্রে) প্রকাশ কৰিবলৈ ওলোৱা বুলি জানি পৰম আনন্দিত হৈছোঁ। বাৰ্ষিক মুখপত্ৰখন শিক্ষানুষ্ঠান এখনৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক প্ৰতিভা বিকাশৰ এক প্ৰামাণ্য দলিল।

আশা কৰোঁ, এই বছৰেকীয়া আলোচনীখনে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য কৰ্মৰ সাৰুৱা ক্ষেত্ৰখনত নিজকে মনোনিৱেশ কৰাত অনুপ্ৰেৰণা যোগাব।

জয়তু সুৰেন দাস মহাবিদ্যালয়, হাজো

(ড° হিৰণ্য কুমাৰ শৰ্মা)
অধ্যক্ষ
সুৰেন দাস মহাবিদ্যালয়, হাজো

# সম্পাদকীয়

জয় জয়তে সুৰেন দাস মহাবিদ্যালয়ৰ পৰম পূজনীয় শিক্ষাগুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ দায়িত্ব লৈ গৌৰৱ অনুভৱ কৰিছোঁ। মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত কৰি এইখিনি সুবিধা দিয়াৰ বাবে আমি ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

সাহিত্য হৈছে জাতিৰ সভ্যতা আৰু সংস্কৃতিৰ প্ৰতিচ্ছবি জাতীয় জীৱনৰ চিন্তা, আবেগ-অনুভূতি আদি সাহিত্যৰ মাজেদিয়েই প্ৰতিফলিত হয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰা, ভাৱ-অনুভূতি আদিৰো পৰিৱৰ্তন হয় আৰু সাহিত্যতো পৰিৱৰ্তিত চিন্তাধাৰাৰ বাস্তৱ প্ৰতিফলন হয়। মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনীখন হ'ল মহাবিদ্যালয়খনৰ মুখপত্ৰস্বৰূপ। ইয়াতেই ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশ হয়।

মহাবিদ্যালয়ৰ আলোচনী এখন সম্পাদনা কৰা কামটো যথেষ্ট কষ্টকৰ। এনে দায়িত্ব বহন কৰাত কিমান দূৰ সফল হৈছোঁ নাজানো। বিভিন্ন লিখনিৰে আলোচনীখন সমৃদ্ধিশালী কৰি তোলা সকলো লোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত মাননীয় অধ্যক্ষ ডঃ হিৰণ্য কুমাৰ শৰ্মাদেৱক আন্তৰিক কৃতজ্ঞতা জনালোঁ। আলোচনীখন সম্পাদনা কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ লগতে নানা দিহা-পৰামৰ্শ দিয়া তত্ত্বাৱধায়কদ্বয় ৰাজীৱ দাস ছাৰ আৰু জয়ন্ত কুমাৰ দাস ছাৰৰ লগতে মহাবিদ্যালয়ৰ সকলো শিক্ষকবৃন্দক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত আমাৰ কাৰ্যকালত হোৱা ভুল-ত্ৰুটিৰ বাবে আকৌ এবাৰ সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো আৰু সুৰেন দাস মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ তথা তত্ত্বাৱধায়কসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

'জয়তু সুৰেন দাস মহাবিদ্যালয়'
জয় আই অসম
ধন্যবাদেৰে

মহিদুল ইছলাম
সম্পাদক (২০১৬-১৭ বৰ্ষ)

মিছ ৰঞ্জুমা বেগম
সম্পাদিকা (২০১৭-১৮ বৰ্ষ)

# সঙ্গম

## সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী

**২০১৬-২০১৭ আৰু ২০১৭-২০১৮ বৰ্ষ**

একবিংশতিতম আৰু দ্বাবিংশতিতম সংখ্যা

# SANGAM

## SURREN DAS COLLEGE MAGAZINE

**SESSION : 2016-2017 & 2017-2018**

**Vol. : 21st & 22nd**


তত্ত্বাৱধায়ক ঃ ৰাজীৱ দাস
সম্পাদক ঃ মহিদুল ইছলাম
২০১৬-২০১৭
Prof. in-Charge : Rajib Das
Editor : Mahidul Islam
2016-2017

তত্ত্বাৱধায়ক ঃ জয়ন্ত কুমাৰ দাস
সম্পাদিকা ঃ ৰঞ্জুমা বেগম
২০১৭-২০১৮
Prof. in-Charge : Jayanta Kr. Das
Editor : Ranjuma Begum
2017-18

# সঙ্গম

সুৰেন দাস মহাবিদ্যালয় বাৰ্ষিক আলোচনী
২০১৬-২০১৭ আৰু ২০১৭-২০১৮ বৰ্ষ

**সম্পাদনা সমিতি**

উপদেষ্টা ঃ ড° প্ৰৱীণ চন্দ্ৰ দাস
ড° অঞ্জনা শৰ্মা
সভাপতি ঃ ড° হিৰণ্য কুমাৰ শৰ্মা
তত্বাৱধায়কদ্বয় ঃ ৰাজীৱ দাস
ঃ জয়ন্ত কুমাৰ দাস
সম্পাদকদ্বয় ঃ মহিদুল ইছলাম
ঃ ৰঞ্জুমা বেগম
শিক্ষক সদস্য ঃ মুনীন্দ্ৰ দাস
ড° ৰঞ্জু ঠাকুৰীয়া
মন্মী কাকতী
সবিতা কলিতা
ভাৰতী মেধি
মখতাৰ হুছেইন
অনিৰুদ্ধ মেধি
ছাত্ৰ সদস্য ঃ জেছমিন চুলতানা
হিমাশ্ৰী বেজবৰুৱা
শশাংক শিখৰ চৌধুৰী



বেটুপাত অলংকৰণ ঃ বিষ্ণু কোঁৱৰ
অলংকৰণ ঃ বিপুল পাটৰ

**মুদ্ৰণ ঃ**
ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাইভেট লিমিটেড,
৭ লাচিত লেন, ৰাজগড়, গুৱাহাটী-৭

সুৰেন দাস মহাবিদ্যালয় ছাত্ৰ একতা সভাৰদ্বাৰা প্ৰকাশিত আৰু
সৰ্বস্বত্ব সংৰক্ষিত আৰু মহিদুল ইছলাম আৰু ৰঞ্জুমা বেগমৰ দ্বাৰা সম্পাদিত

আলোচনীখনত সন্নিৱিষ্ট হোৱা লেখনিসমূহৰ মতামত লেখকৰ নিজা। তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।



## শ্ৰদ্ধাঞ্জলি

যিসকল প্ৰয়াত কৃতবিদ্য মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু বিৰল ত্যাগৰ বিনিময়ত হাজো অঞ্চলৰ লেখত ল'বলগীয়া অন্যতম শিক্ষানুষ্ঠান সুৰেন দাস মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে আৰু কৰ্মৰত অৱস্থাতেই আমাৰ মাজৰপৰা হেৰাই যোৱা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰয়াত বিনোদ চন্দ্ৰ দাসৰ লগতে বিগত সময়ছোৱাত আমাৰ মাজৰপৰা হেৰাই যোৱা ছাত্ৰ-ছাত্ৰী, কৱি, সাহিত্যিক, শিক্ষাবিদ তথা সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত সকলোকে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

সম্পাদনা সমিতি

# পৃষ্ঠা-সম্ভাৰ



## প্ৰবন্ধ

Our Expectations from Higher Education–Dr. Dayananda Pathak ।।১১।।
অসমত অসমীয়াৰ সংজ্ঞা — নৃপেন্দ্ৰ কুমাৰ ভাগৱতী ।। ১৫।।
শিক্ষাৰ অধিকাৰ ঃ উদ্দেশ্য আৰু কিছু প্ৰাংসগিক চিন্তা— ড° ৰীপিমা বুজৰবৰুৱা ।। ১৯।।
হোমেন বৰগোহাঞিৰ উপন্যাসত জীৱনৰ বিয়লি বেলা— ড° ৰঞ্জু ঠাকুৰীয়া ।। ২৩।।
মাৰ্ক্সবাদ আৰু বিষ্ণুৰাভা— সবিতা কলিতা ।। ২৭।।
গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি— হীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য ।। ২৯।।
নাৰী নিৰ্যাতন ঃ এক চমু অৱলোকন— ড° মীনা কুমাৰী দেৱী ।। ৩১।।
সাংস্কৃতিক সমন্বয়ৰ থলী ঃ হাজো — দিপংক নাৰায়ণ ঠাকুৰীয়া ।। ৩৪।।
পদ্মনাথ গোহাঞিবৰুৱা আৰু তেওঁৰ সৃষ্টিৰাজি— জাহ্নৱী দাস ।। ৩৬।।
চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত মানৱতাবাদ — জুমী বৰ্মন ।। ৩৮।।
সুৰেন দাস মহাবিদ্যালয়ৰ মনত পৰা দিনবোৰ— দ্বিজেন ভৰালী ।। ৪২।।
আজিৰ সমাজত নাৰী — দীপামণি ভৰালী হাটখোৱা ।। ৪৪।।
কাটিং আৰু টেইলৰিং— ধৰিত্ৰী দাস ।। ৪৬।।
মানৱসেৱা— আব্দুল গণিখান চৌধুৰী ।। ৪৮।।
সমাজ আৰু যুৱ প্ৰজন্ম — শিখৰজ্যোতি দাস ।। ৪৯।।
সমাজ আৰু যুৱ প্ৰজন্ম — আজিজুৰ ৰহমান ।। ৫১।।
বৰ্তমান সমাজত অন্ধবিশ্বাস— ইমদাদ আহমেদ ।। ৫৩।।
ভাৰতবৰ্ষৰ সংবিধান আৰু নাগৰিকত্ব— নুৰভানু খাতুন ।। ৫৪।।
সমাজ গঠনত যুৱ প্ৰজন্মৰ ভূমিকা— জ্যোতিৰাণী বৰ্মন ।। ৫৬।।
সংগীত আৰু মানৱ জীৱন — চুইটি তালুকদাৰ ।। ৫৭।।
লুইত কিৰণ — জেহেৰুল ইছলাম ।। ৫৯।।
ইন্দিৰা মিৰি ঃ এক সংগ্ৰামী সত্তা — ৰেখাৰাণী কলিতা ।। ৬১।।

## গল্প

খিৰিকীৰ সিপাৰে— ভৰেশ কুমাৰ চৌধুৰী ।। ৬৫।।
পদ্মিনী — শিখৰজ্যোতি দাস ।। ৬৭।।
আত্মহত্যা— নন্দিতা তালুকদাৰ ।। ৬৯।।
নিঃসংগতা— সুনীতা মেধি ।। ৭০।।
তিনি বান্ধৱীৰ জীৱন কাহিনী— বৰ্ণালী দাস ।। ৭১।।
অশৰীৰী— ভূমিতা কুমাৰ ।। ৭২।।
অতীতলৈ এভূমুকি — হিৰকজ্যোতি কলিতা ।। ৭৬।।
এজাক ধুমুহা— দুলুমণি বৰ্মন ।। ৭৭।।
মৰমৰ চকুলো — মাৰ্জিনা বেগম ।। ৭৯।।

## কবিতা


জনক নন্দিনী—জুমী বৰ্মন।। ৮৩।।
সংশয় —আনিচা আজমী।। ৮৪।।
মা—কমেলা খাতুন।। ৮৪।।
ব্যংগ কবিতা — মইনুল হ'ক ।। ৮৫।।
হিন্দু-মুছলমান— শ্বমেলা খাতুন ।। ৮৫।।
হিন্দু আৰু মুছলমান— ভূমিতা কুমাৰ।। ৮৬।।
এখন নেদেখা নদীৰ সিপাৰে— কংগনা কলিতা।। ৮৬।।
অনুভৱ— দিশাৰাণী দাস।। ৮৭।।
আস্থা— শিখৰজ্যোতি দাস।। ৮৭।।
মই আৰু মোৰ কবিতা— জানমণি তালুকদাৰ।। ৮৮।।
কুঁহিপাত— খাইৰুল ইছমাইল।। ৮৮।।
মেঘে সলালে পোছাক— নিকুমণি কলিতা।। ৮৯।।
প্ৰত্যাশা— দুলুমণি বৰ্মন।। ৮৯।।
মোৰ প্ৰেম আধৰুৱা— পল্লৱী দাস।। ৯০।।
সুগন্ধি পখিলা— হীৰকজ্যোতি কলিতা।। ৯০।।
বিশ্বাস — মিণ্টু দাস।। ৯১।।
জীৱন — ৰঞ্জুমা বেগম।। ৯১।।
ফাগুন— ইমদাদ আহমেদ।। ৯২।।
মাথোঁ তোমাৰ বাবে — আজম দেৱান।। ৯৩।।
প্ৰেয়সী — নাৰ্গিছ বেগম।। ৯৪।।
অনুভৱ — চামচুদ্দিন আহমেদ।। ৯৪।।
মুখবোৰ উৰলি গৈ তেজৰ ফুলনি হ'ল— ৰিতুমণি বেগম।। ৯৫।।
মৰম— চামচুদ্দিন আহমেদ।। ৯৫।।
মই কিৰণ দিম—জেহেৰুল ইছলাম।। ৯৬।।
হেৰোৱা সপোন— জুনুৱাৰা বেগম।। ৯৬।।
অন্ধকাৰ আইনাখনি — নিশামণি কলিতা।। ৯৭।।
কাক যাঁচো কৃষ্ণচূড়া — বৰ্ণালী দাস।। ৯৭।।
অসুখী — নুৰভানু খাতুন।। ৯৮।।


## ইংৰাজী বিভাগ


Organisational Activities at Local Level in Promoting English – Dr. A. A. Hussain || ১০১||
Growth of Higher Education in Assam after Independance – Dr. Binapani Talukdar || ১০৪||
Sankardeva and Philosophy of Egalitarianism– Dr. Ramen Medhi|| ১০৭||
Bio-resources of North-Eastern Region of India: Its Conservation
and Proper Utilization– Dr. Binita Das|| ১১২||
Philosophy of Srimanta Shankardeva And His Neovaishnavism:
A Philosophical Study – Satyajit Kalita|| ১১৪||
Role of Sardar Vallabh Bahi Patel in the Integration of India– Reema Parbin|| ১১৯||




## বিবিধ শিতান


List of First Class Holders || ১২৩||
মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল || ১২৪||
ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিবেদন || ১২৭||
List of Present Faculty Members & Staff || ১৩৭||
মহাবিদ্যালয়ৰ আলোচনীসমূহৰ তত্বাৱধায়ক আৰু সম্পাদকসকলৰ তালিকা || ১৪০||




# প্ৰবন্ধৰ শৰাই



# Our Expectations from Higher Education

✍ **Dr. Dayananda Pathak**

Are we expecting too much from higher education? Or has it failed our expectations? Has it failed our craze for empowerment for a specific work or profession? Do we really search for enlightenment and a holistic world-view? Cannot we integrate both and proceed further? In fact, do we expect anything beyond a degree and white color job or profession? We have seen in our life that degree, bereft of deep study and methodical knowledge, has in most cases clicked the jackpot. Knowledge without degree has all along been a non-starter. Our concept of higher education has not provided any entry to that kind of idea. Knowledge without degree is also not recognized by the society.

Growing unemployment amongst the graduates and postgraduates has practically accelerated the speed and craze for higher education. Instead of seating at home as an educated unemployed our unfortunate and non-employable graduates have no other option but to carry on their craze for university degrees at all costs with the belief that at one point of time they are sure to get their aspirations dully clicked. Only a miniscule section of the youths have genuine interests for acquiring knowledge necessary for a specific profession. Perhaps none is seen to have been preoccupied with enlightenment. It is, however, an agreed reality that higher education has already become a crowded chamber although about 10% people have access to higher education. Percentagewise, the higher education sector presents a dismal and frustrating scenario. Youths constitute 65% of our population. The prosperity of the country depends on the effectiveness of those youths. While, the effectiveness of the youths depends on the education imparted to them in the higher education sector. This does not negate and minimize the importance of elementary and secondary level education. But higher education, well beyond the plus-two level, decides the future life of the young people. Higher education is the centre-stage of education as a whole. Even to provide the best teachers to the elementary level we need to invigorate teaching technology in the centers of higher education. Higher education, however, comprises of humanities, science and technology, and professional studies. Professional education beyond plus-two level is also a part of higher education, although the regulatory authorities are different from profession to profession.

Education imparted to the students for specific course or profession imparted through higher education has not assured them an opportunity to utilize their latent and acquired resources. For that matter they cannot be held responsible. For that our national policies are responsible. Our higher education planners are also no less responsible. Our accusation

is clear, because the kind of higher education we are imparting has not made our graduates employable and self-dependent. The nation needs something different, while the educations received by our graduates are something different, if not totally useless. This part of higher education needs to be thoroughly addressed and remedial steps taken. There is another tragic dimension of our higher education. It has isolated our graduates from their own moorings. The large majority of our graduates have developed a tendency to remain isolated from their family and society. This estrangement may be considered to be an inevitable corollary of modern education.

Higher education has not been able to give a moral orientation to our youths. The overall criminality in multiple forms and faces that has gripped a major section of our educated youths, presents a farcical picture of our kind of higher education. It is also a fact that moral orientation cannot be called an exclusive resort only for higher education sector. Lack of moral framework or humanism has marked our system from elementary to secondary and from secondary to tertiary. In fact, holistic education cannot be left exclusively to any single sector. Our domestic, familial and social situations have enough combustible stuffs to explode anyone`s moral balloon. The result is known to us.

Education imparted to the students hardly makes any sense in the changed context. Our corporate sector requires manpower with specialized know-how and do-how. During the last seven decades we have not taken that aspect very seriously. Nor have the universities shown any special concern. The universities are prisoners of their own acts and statutes, rules and regulations. Any new move to get out of those negativities is not an easy task. Our universities have by the time have developed an ivory-tower mindset without any concern for down-to-earth issues like employability of their own graduates. The universities are also least concerned regarding the relevance of their own degrees and diplomas in the changed social situations. The relevance factor requires constant overhaul and revaluation.

The MHRD appears to have risen from long slumber. It has directed all the universities to redesign their academic programs in consultation with the industrial houses to suit the requirements of the latter. We have been hearing expressions like the university-industry relations since long. This relation has not gone beyond financial dimension. The academic aspects are exclusively left to the universities.

The MHRD`s directives may create new problems for the universities. These problems will be more internal and less external. What will happen to the existing departments? Some of the departments may have working truck with industries. But majority of the departments cannot maintain any relationship with the industrial houses. The humanity departments cannot be expected to have any working relationship with the industrial houses except of course in matters like communication skill, public relation issues, industrial psychology and all that. Most of our universities are having traditional subjects. Even the science departments are deplorably unscientific. Modern science and technology have not been able to penetrate our universities except in some exceptional cases. For example, the universities of Assam are still far away from modern ideas. They are allergic to change. However, some of the private universities of the state have gone for new academic programs, but their prime interests lie in money-spinning. Instead of going in for new innovations they are seen to design a new program from out of two or three old programs. New ideas presuppose creative talents having free and unhindered working condition. The teaching faculties in those institutions are more like white-color slaves, and less like inspiring facilitators. The employability factor in those universities is still a far cry. In reality those institutions are more like academic shops, and less like centers of higher learning.

The MHRD`s directives may have some feeble impact over the city-based universities and colleges. But the rural colleges will remain untouched. Seventy percent of India is still in the rural domain. They are yet to feel the presence of industrialization. In their cases the university-industry truck is impossible. What will be fate of the graduates of these universities and colleges?





Regional imbalances in terms of industrializations will also have newer problems. A state like Assam is industrially backward. Even the existing industries are seen to count their days. A good number of small and medium scale industries have breathed their last due to bureaucratic inertia, political vagabondage and syndicated robbery. Most of the dead industries were led by inept and unpatriotic politicians. So, in Assam university-industry reciprocity is unthinkable. What is possible in the states like Andhra Pradesh, Karnataka, Tamil Nadu, Gujarat, Punjab, Haryana and Maharashtra is not possible in a state like Assam, Tripura, Sikkim, and Arunachal Pradesh. These regional imbalances get reflections in the academic programs of the concerned universities.

Research is an important part of higher education. This part is simply taken for granted. The research activities undertaken by our researchers leading to M.Phil and PhD degrees have contributed very little to the domain of fundamental scholarship. Only about 5% researchers are genuinely interested in their research projects. In most cases, the contents of an article are fattened to look like a thesis. This situation is authored by the UGC. The PhD degree holders are given three advance increments, while the M.Phil degree holders are likewise given one advance increment apart from other benefits at the first entry level. As a result, the gate-crashing for research degrees, if not for research findings and original observations, has become a well-sighted phenomenon. The private universities are well ahead in this degree selling rituals. Very recently the UGC has put a spanner on the marketing of PhD degrees. Only the permanent faculties are allowed to act as research guides. Private universities are seen to be allergic to permanent staffing pattern.

What about the state -funded universities? As regards their research activities, their qualitative contributions are also dismal. Every academic department is under heavy pressure from PhD degree aspirants. Most of the PhD dissertations are devoid of original thinking. Only a handful few are genuine researchers. The large majority is interested only in copy-paste practices. For that matter, the universities are forced to go for digitally contrived authentication tests of the dissertations before their submissions by the students. All these eventualities speak volumes about the degenerative processes that our research activities are seen to undergo.

The recruitment processes in the colleges and universities are also not free from disputes. In the majority of the cases the university departments prefer their own 'chosen people' instead of going in for impartial and dispassionate choice of new recruits. In some cases the recruitee is chosen first, and subsequently, official formalities are designed later. The UGC has introduced NET and SLETS as preconditions for recruitments for the colleges and universities. But the system has not improved teaching and research in the colleges and the universities. NETs and SLETS are also regulated by caste factors. Under the situations a large number of brilliant students are being brushed aside by the broomsticks of caste factors. As a result, in most cases brilliant students are made to eat humble pie under the constitutional umbrella. What is saddening, our kind of higher education has not been able to transcend the frontiers of casteism. In reality, we are sustaining the ancient and medieval practices of casteism under a new garb. Thereby, we are mediocretising the standard of higher education. The height of higher education is also largely compromised, and we are losing our place and position in the list of top-ranking world class universities.

Our teachers are more mindful in their APIs rather than in class room performances. The APIs earn them specific numerical scores, but class room performances do not earn them anything. So why should they spend their time and energy on class room teachings? The new generation teachers are bugged by this kind of profit and non-profit considerations. How to evaluate a good teaching? This is excluded from our evaluative system. Under our system a good teacher and a 'bad one' cannot be differentiated. They are treated at par. As a result, serving the hungry students with junk foods has become the normal practice for a section of teachers. Such issues always go unnoticed.

Allergy to change has become an endemic in the higher education sector. Syllabic changes ought to have been regular features. But most of the departments are allergic to change because they want to remain unchanged even under changed context. Course contents ought to be annually changed to accommodate new researches and findings. Some of the teachers are interested only in prescribing their own books in the course syllabi. Change of course contents may make their books irrelevant. Introduction of add-on courses has become only eyewash. In this regard, the universities and colleges cannot be shot pointblank. It is difficult to find appropriate faculties for those programs. Besides, very few people are interested to join as guest faculties with humiliating honorarium. Students, by and large, are also not interested in those add-on programs. Instead, they prefer internet surfing in their desperation for digital foods. Globalization has brought in some fundamental changes in our attitude to life. In the process, our attitude to education has also changed. Our universities and colleges are seen to promise not to speak, not to hear, and not to see the realities prevailing around them in order to maintain the dignity and sanctity of their institutions. Are we ready to keep pace with time or to make ignoble submission to the forces that we cannot overpower? It is high time; we reassess our expectations from higher education - either upgrade or downsize. ❑

ড° দয়ানন্দ পাঠক এগৰাকী বিশিষ্ট শিক্ষাবিদ, আগশাৰীৰ লেখক, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী আৰু সুৰেন দাস মহাবিদ্যালয়, হাজোৰ প্ৰাক্তন অধ্যক্ষ





# অসমত অসমীয়াৰ সংজ্ঞা

✍ নৃপেন্দ্ৰ কুমাৰ ভাগৱতী

অসমত অসমীয়া জাতি আৰু ভাষাৰ সাংবিধানিক, প্ৰশাসনিক আৰু আইন বিষয়ত ৰক্ষা কবচৰ নিমিত্তে অসমীয়াৰ সংজ্ঞা বিষয়ত আলোচনা হৈছে। ঐতিহাসিক বুলি আবেগবিহ্বল হৈ উল্লাসিত হোৱা অসমৰ এক বৃহৎ জনসংখ্যাৰ স্বস্তিৰ নিশ্বাস 'নিষ্পত্তিৰ সোঁৱৰণী পত্ৰ' অন্য নামে 'অসম চুক্তি'ৰ ছয় নং অনুচ্ছেদত অসমত অসমীয়া মানুহ, অসমীয়া ভাষাৰ ৰক্ষা কবচ আৰু অৰ্থনৈতিক উন্নয়ন সন্দৰ্ভত বৰ্ণনা কৰা হৈছে এইদৰে— 'Safeguard and Economic Development : Constitutional, Legislative and Administrative Safeguards as may be appropriate shall be provided to protect, preserve and promote the culture, social, linguistic identity and heritage of the Assamese people'. চুক্তি সম্পাদনকাৰী আৰু স্বাক্ষৰকাৰীসকল আছিল সদৌ অসম ছাত্ৰ সন্থাৰ হকে সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত, সাধাৰণ সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকন, অসম গণ সংগ্ৰাম পৰিষদৰ হকে বিৰাজ শৰ্মা, ভাৰত চৰকাৰৰ হকে গৃহ সচিব আৰ ডি প্ৰধান, অসম চৰকাৰৰ হকে মুখ্য সচিব পি পি ত্ৰিবেদী। চুক্তি সম্পাদিত হৈছিল ভাৰতৰ প্ৰয়াত প্ৰধান প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত। চুক্তিৰ তাৰিখ আছিল ভাৰতবৰ্ষৰ এটা ঐতিহাসিক দিন; ১৯৮৫ চনৰ পোন্ধৰ আগষ্ট। ভাৰতীয় গণতন্ত্ৰৰ শাসনৰ গাদীত থকা কংগ্ৰেছ দলৰ চৰকাৰে স্বস্তিৰ নিশ্বাস কাঢ়িছিল। বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰা সাত বছৰীয়া অসম আন্দোলনৰ পৰিসমাপ্তি হৈছিল। অসমবাসীৰ অবৈধ বুলি বিবেচিত তদানিন্তন অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত অসমৰ কংগ্ৰেছ চৰকাৰে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল 'হাই কমাণ্ডৰ' নিৰ্দেশত। সোণৰ অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে অসম গণ পৰিষদ দলে ছাত্ৰ, শিক্ষক, বুদ্ধিজীৱী আৰু সমাজ কৰ্মীৰ সমন্বয়ত 'অসম চুক্তি'ক মূলধন হিচাপে লৈ অসম ৰাজ্যৰ শাসনৰ বাঘজৰী হাতত লোৱাৰ কথা কাৰো অবিদিত নহয়। চুক্তি সম্পাদনকাৰী পক্ষত থকা সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ সন্মিলিত শক্তি অসম গণ পৰিষদ দল ব্যৰ্থ হ'ল অসমত অসমীয়া জাতি আৰু ভাষাৰ সাংবিধানিক সুৰক্ষা প্ৰদান, আইন প্ৰণয়ন আৰু বিধিগত প্ৰচলনত। ব্যৰ্থ হ'ল অসমৰ প্ৰাদেশিকৃত চৰকাৰ (অসম গণ পৰিষদ আৰু ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ চৰকাৰ)।

ত্ৰিশ জুন ২০১০ চনৰ 'দৈনিক অগ্ৰদূত'ৰ সম্পাদক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত কনকসেন ডেকাই সম্পাদকীয় স্তম্ভত লিখিছে— 'হীনমন্যতা আৰু সংকীৰ্ণ মানসিকতাৰ হেতুকে অসমীয়া সমাজে বাৰে বাৰে পিছলি লুটিবাগৰ খাব লগা হৈছে। অকল সিয়ে নহয়, তাৰ ফলস্বৰূপে শাখা-প্ৰশাখা মেলি বাঢ়ি অহা অসমীয়া সমাজখনৰ বিকাশো বাধাপ্ৰাপ্ত হৈছে। সদৌ অসম ছাত্ৰ সন্থাই আমাৰ কাৰ্যকালত অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰাৰ দায়িত্ব অসম সাহিত্য সভাৰ ওপৰত অৰ্পণ কৰিছিল। সুদীৰ্ঘ কাল ধৰি ছাত্ৰ সন্থাটোৱে গ্ৰহণযোগ্য হোৱাকৈ অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰিব পৰা নাছিল। প্ৰকৃতপক্ষে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰাৰ সময়ত এই প্ৰসংগ অনাটো যে মাৰাত্মক ভুল হৈছে সেইটো ইতিমধ্যে প্ৰমাণিত হৈছে। সুদীৰ্ঘ পঁচিশ বছৰে যাৰ সংজ্ঞা নিৰূপণ কৰাটোৱে সম্ভৱ হোৱা নাই তেনে এটা বিষয় চুক্তিত সন্নিৱিষ্ট কৰাটো যুক্তিসংগত নাছিল। ইয়াৰ কাৰণ জাতিৰ সংজ্ঞা শিথিল; ইয়াক কটকটীয়া বান্ধোনৰ ভিতৰত ৰাখিব নোৱাৰি।'

বাৰেবৰণীয়া জাতি-গোষ্ঠী আৰু সম্প্ৰদায়ৰ সংমিশ্ৰণ আৰু সমন্বয়ত ঘাত-প্ৰতিঘাত নেওচি গঢ় লোৱা অসমীয়া জাতি আৰু ভাষা সাংবিধানিক সুৰক্ষাৰ নামত 'অসমীয়া'ৰ সংজ্ঞা বিচাৰিব যোৱাতো এটা মাৰাত্মক ৰাজনৈতিক চাতুৰি আৰু কূটিল কৌশলৰ বাহিৰে অন্য নহয়। প্ৰতিজন অসমীয়াৰ বোধগম্য হোৱা উচিত। অসম চুক্তিৰ অসমীয়া প্ৰতিনিধি আৰু অসমৰ থলুৱা চৰকাৰেই ইয়াৰ বাবে দায়ী। 'অসমীয়াৰ' সংজ্ঞা বিচাৰ আৰু নিৰ্ধাৰণ কৰিব যোৱা যুক্তি সাম্প্ৰতিক কালত প্ৰাসংগিক বুলি মনে নধৰে।

এই বিষয়টোৱে অসম বিভাজন হোৱাত সহায়ক হ'ব পাৰে। বিষয়টো, বুদ্ধিজীৱী, জাতি আৰু সাহিত্যৰ কাণ্ডাৰীসকলে হৃদয়ংগম কৰি সময়োচিত পদক্ষেপৰ বাবে আগবাঢ়ি আহিব লাগে বৃহত্তৰ অসমীয়া সমাজখনৰ স্বাৰ্থত। বৰ্তমানৰ অসমভূমি আৰু প্ৰাচীন কামৰূপ-অসম ৰাজ্যৰ মাজত বিস্তৰ পৰিৱৰ্তন ঘটিল। দানৱ, কিৰাট আৰু অসুৰ বংশী ৰজা মহীৰঙ্গ, দানৱ, জিতাৰি বংশী ৰজা ধৰ্মপাল, পালবংশী ব্ৰহ্মপাল, বাৰভূঞা, খেন বংশী, আহোম, কোচ, কছাৰীয়ে প্ৰাচীন কামৰূপ তথা অসম ৰাজ্য শাসন কৰাৰ কথা ইতিহাস প্ৰমাণসিদ্ধ। 'কামৰূপত পোন প্ৰথমে মহীৰঙ্গত দানৱ খ্ৰীঃ পুঃ ১৭০০ চনত ৰজা হয়।' (দ্ৰষ্টব্য ঃ অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত পদ্মনাথ গোহাঞি বৰুৱাৰ অসমৰ বুৰঞ্জী; দ্বিতীয় খণ্ড আধ্যা- ১, পৃঃ ৮)

'দৈনিক অগ্ৰদূত'ৰ মাননীয় সম্পাদকে (৩০-৬-২০১০)ত লিখিছে— 'বিভিন্ন জনগোষ্ঠীৰ উপৰি বাহিৰৰ পৰা আগমন হোৱা ব্ৰাহ্মণ, কায়স্থ আৰু এচাম ইছলাম ধৰ্মীও আছে। এইদৰে বিভিন্ন সময়ত এই ভূমিলৈ আগমন হোৱা লোকসকলৰ সমন্বয়তে অসমীয়া জাতি সত্তা গঢ়ি উঠিছে। ভাৰতীয় যিদৰে উমৈহতীয়া নাম, তেনেদৰে অসমীয়াও তেনে এটা নাম।'

'অসমীয়া' শব্দৰ অৰ্থ চন্দ্ৰকান্ত অভিধানত দিয়া আছে এইদৰে— 'অসমীয়া ঃ অসম দেশৰ, অসম দেশত হোৱা বা চলা, Assamese, born or produced in Assam.

অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি, কলা আৰু কৃষ্টিক সংস্কাৰিত কৰি নতুনত্বৰে বিধৌত কৰি বিশ্বৰ চানেকী কৰোতা, অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ ভক্তি আন্দোলন গঢ়োতা সমন্বয়ৰ সেঁতু কায়স্থ কুলৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমৰ ভূমিত জন্ম হ'লেও তেৱাৰ পূৰ্বপুৰুষসকল অসমৰ নাছিল। ঠিক সেইদৰে অসমত বৈষ্ণৱ ধৰ্মৰ নৱ-বিধা ভক্তি তত্বৰ উদ্ভাৱক, প্ৰচাৰক, সংগঠক, সংস্কাৰক, সত্ৰ-সংস্কৃতিৰ বাটকটীয়া বিপ্ৰ মহাপুৰুষ শ্ৰীশ্ৰীদামোদৰদেৱৰ যদিওবা অসমতেই জন্ম, তেৱাৰো পূৰ্বপুৰুষসকল আছিল অসমৰ বাহিৰৰ। কমতেশ্বৰ দুৰ্ল্লভ নাৰায়ণ (১২৯৫-১৩৩০খ্ৰীঃ) আৰু গৌৰেশ্বৰ ধৰ্মনাৰায়ণৰ বিশেষ বন্ধুত্ব সূত্ৰে কনৌজৰ পৰা শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীদামোদৰদেৱৰ পূৰ্বপুৰুষসকলক অসম ভূমিলৈ ৰাজ অনুগ্ৰহত আনি বৰ্তমান নগাঁও জিলাৰ বৰদোৱা, কামৰূপ জিলাৰ ৰত্নেশ্বৰগ্ৰাম (হাজো-অভয়পুৰ) আৰু মৰিগাওঁ জিলাৰ নলচা গাৱঁৰ কোবাইকটাত বসতি কৰিব দিছিল।

অসমত সৰ্বপ্ৰথম 'জয়মতী' কথাছবি নিৰ্মাণেৰে ভাৰতীয় চলচ্চিত্ৰ জগতত পদাৰ্পণ কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম অসমত হ'লেও তেওঁৰ পূৰ্বপুৰুষসকল অসমৰ নাছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল বাংলাদেশৰ ঢাকা চহৰত। তেওঁৰ পূৰ্বপুৰুষসকল আছিল অসমৰ ভূমিপুত্ৰ। শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভাৰ চিনাকি আছিল অসমীয়া হিচাপে। অসমীয়া জাতিয়ে কোনো কালে পাহৰিব নোৱাৰিব তেৱা সৱক।

'অসমীয়া ভাষা অতি পুৰাতনীয় ভাষা। কামৰূপত আৰ্য বসতি স্থাপিত হোৱা দিনৰে পৰা অসমীয়া ভাষাৰ সৃষ্টি হোৱা বুলি ধৰিব লাগে। অতি পুৰণি কালত গোটেই আৰ্যবৰ্তত সংস্কৃতৰ পৰা ওলোৱা প্ৰাকৃত ভাষা চলিছিল; পিচত সেই ভাষাৰ পৰা হিন্দীকে আদি কৰি ভালেমান ভাৰতীয় ভাষাৰ সৃষ্টি হয়; পুৰণি অসমীয়া ভাষাও তাৰে এটা ঠাল বিশেষ। কালক্ৰমত হিন্দী, কাশ্মীৰী, ব্ৰজাৱলী, অসমীয়া আৰু অসমৰ আদিবাসী বিলাকৰ ভাষাৰ শব্দৰ সৈতে মিহলি অসমীয়া ভাষাই বৰ্তমান গঢ় লৈছে। তথাপি এতিয়াও ইয়াত শতকৰা ৬৩টাকৈ সংস্কৃতমূলক শব্দ ৰৈছে। অসমীয়া ভাষাত থকা সংস্কৃত শব্দ হিন্দী আৰু কাশ্মীৰী ভাষাৰ সংস্কৃত শব্দৰ লগত বেছি মিলে আৰু বংগ ভাষাৰ বহুকালৰ পূৰ্বেই অসমীয়া ভাষাৰ শব্দৰ সৃষ্টি হয়। (উৎস ঃ পদ্মনাথ গোহাঞি বৰুৱাৰ- অসমৰ বুৰঞ্জী- পৃঃ ৫)

অসমৰ বড়ো ভাইসকলে অসমীয়া ভাষাৰ পৰিৱৰ্তে ৰোমান লিপি ব্যৱহাৰ কৰি, অসমীয়া জাতি আৰু ভাষা সত্তাৰ পৰা নিলগাই স্বকীয় সত্তাৰে প্ৰতিষ্ঠিত কৰিব বিচাৰিছে কেৱল প্ৰতাৰণাৰ উপলব্ধিৰ নিমিত্তে। ভাৰতীয় সনাতন ধৰ্মৰ পৰম্পৰাগত নীতিৰ পৰিৱৰ্তে বড়ো ভাইসকলৰ এক বুজন সংখ্যকে খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰিছে মিছনেৰীসকলৰ প্ৰভাৱত। অসমত অসমৰ থলুৱা চৰকাৰেই ইংৰাজী ভাষা বিস্তাৰৰ লগতে প্ৰকাৰন্তৰে ধৰ্মান্তৰিত হোৱাৰ পথ সুগম কৰি দিছে বুলি কোৱাৰ যুক্তিও আছে।

তিৱা সাহিত্য সভাৰ সভাপতি গণেশ সেনাপতি ডাঙৰীয়াই তেওঁৰ মাতৃভাষা অসমীয়া বুলি কৈছে যদিও তেওঁ অসমীয়া নহয় বুলি প্ৰকাশ পোৱা কথা ফাকিয়ে (দ্ৰঃ দৈনিক অগ্ৰদূত- ৩০-৬-২০১০ ইং) স্বকীয় মৰ্য্যদাৰ ইংগিত বহন কৰে।

১৯৬০ চনত অসমত ভাষা আন্দোলন হৈছিল। আন্দোলনৰ উদ্দেশ্য আছিল অসমত 'অসমীয়া' ৰাজ্য ভাষা হ'ব লাগে। স্বাধীন ভাৰতবৰ্ষৰ অসমৰ শান্তিৰক্ষা বাহিনী (অসম পুলিচ)ৰ গুলীত ৪-৭-১৯৬০ তাৰিখে নিঃশেষ হৈছিল এক মেধা সম্পন্ন ছাত্ৰৰ জীৱন। নিহত হৈছিল ৰঞ্জিত বৰপূজাৰী। অসমৰ ৰাইজে আন্দোলনকাৰীসকলৰ বিশেষকৈ ছাত্ৰসকলৰ উদ্যোগত শ্বহীদ ঘোষণা কৰিছিল ৰঞ্জিত বৰপূজাৰীক। আন্দোলনৰ বল আৰু প্ৰভাৱৰ গুণে অসম চৰকাৰ বাধ্য হৈছিল ৰাজ্যভাষা আইন গ্ৰহণ কৰিবলৈ। ১৯৬০ চনত 'অসমীয়া' ৰাজ্য ভাষা আইন গ্ৰহণ কৰিলে সঁচা কিন্তু সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা, ভাষা আইনখন প্ৰচলন পিচে নহ'ল। অসমীয়াৰ হাতত অসমীয়া জাতি আৰু ভাষাৰ প্ৰতাৰণাৰ উদাহৰণ ইয়াতকৈ কি থাকিব পাৰে বাৰু?



আমাৰ উপলব্ধি; অসমৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী, কেন্দ্ৰীয়, অৰ্ধ-কেন্দ্ৰীয়, উদ্যোগ-কাৰবাৰ, ব্যৱসায়-বাণিজ্যৰ নাম ফলকত অসমীয়া, হিন্দী, ইংৰাজী ভাষাৰ লগতে স্বায়ত্তশাসিত অঞ্চলৰ স্বীকৃত প্ৰধান থলুৱা ভাষাটোৰ ব্যৱহাৰ হ'ব লাগে। অৰ্থাৎ চতুৰ্ভাষিক ভাষা প্ৰয়োগ আৰু ব্যৱহাৰত সমন্বয়ৰ দিশত এখোজ আগুৱাব পৰা যাব বুলি ভবাৰ থল আছে। এই দিশত অসম চৰকাৰ আৰু অসম সাহিত্য সভাই অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। অসমৰ থলুৱা চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিছে অসম আৰু অসমীয়াৰ ভৱিষ্যৎ। প্ৰয়োজন সদিচ্ছা আৰু বাস্তৱ ৰূপায়ণৰ আন্তৰিকতাপূৰ্ণ ইতিবাচক পদক্ষেপ। তাহানিৰ আজান ফকীৰৰ জিকিৰ আজি অসমীয়া লোক সংগীতৰ অংগ। ইছলাম ধৰ্মী আজান-ফকীৰক ধৰ্ম সম্প্ৰদায়, জাতি আৰু ভাষাই বান্ধি ৰাখিব পৰা নাই। হিন্দু-মুছলমানৰ সাৰ্বজনীন নাম 'আজান ফকীৰ'। আজান ফকীৰ কোন দেশৰ মানুহ বুলি প্ৰশ্নৰ অৱতাৰণা কৰিলে সতকাই এটাই উত্তৰ যে হাড়ে-হিমজুৱে ভাষা-কৃষ্টিত নিভাজ অসমীয়া আছিল ফকীৰ চাহেব।

বৃত্তিগত অসমীয়া জাতিৰ প্ৰভূত পৰিৱৰ্তন আৰু বিকাশ সাধিক হোৱাত সাম্প্ৰতিক কালত অসমীয়াৰ সংজ্ঞা নিৰ্ধাৰণ কৰিব খোজা পদক্ষেপে অসমীয়া সমাজখনত আউল লগোৱাৰ সম্ভাৱনা প্ৰকট। সময় থাকোতে এইদিশত যথোচিত প্ৰতিকাৰৰ বাস্তৱসন্মত ব্যৱস্থা গ্ৰহণ কৰি অসমৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত ব্যৱহাৰিক পদক্ষেপৰ প্ৰয়োজন। প্ৰয়োজন বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ মানসিকতা। প্ৰয়োজন ইতিবাচক চিন্তাৰ, সদ্ভাৱনা, সংহতি আৰু সমন্বয়ৰ। নিজে অসমত জন্মগ্ৰহণ কৰি অসমীয়া ভাষাতে শিক্ষা গ্ৰহণ কৰি আই-পিতা, মা-দেউতা সম্বোধনৰে স্বকীয় পৰিচয় ৰাখি, নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুওৱাৰ পিচত পিতাক 'ডেডী' আৰু মাক 'মামী' সম্বোধন কৰাসকলৰ সংজ্ঞা কি হ'ব সময়েহে ক'ব।

অসম বিধান সভা তথা অসম চৰকাৰ খিলঞ্জীয়া অসমীয়াৰ ৰক্ষা কৱচ সম্পৰ্কত মুঠেই সচেতন নহয়। গা এৰাদি দায়সৰা পদ্ধতি পৰ্য্যায়ক্ৰমে বছৰৰ পিছত বছৰ চলি অহাটো অসমৰ সৰ্ব্বসাধাৰণে দেখিছে। ১৯৮৫ চনৰ পৰা এই পৰ্যন্ত ত্ৰিশ বছৰে অসম চুক্তিক লৈ কেৱল কুটিল ৰাজনীতিৰ বাহিৰে বাস্তৱ সন্মত ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। অসমৰ প্ৰতিটো সম্প্ৰদায়, গোষ্ঠী, অনুষ্ঠান আৰু ৰাজনৈতিক দল সকলোৰে যদি উদ্দেশ্য দেশ সেৱা হয় তেনেহলে সমস্যা সমাধান নোহোৱাৰ কাৰণ কি?

এই বছৰ (২০১৫ চনৰ মাৰ্চ মাহ) অসম বিধান সভাত অসমীয়াৰ সংজ্ঞা বিষয়ত হোৱা আলোচনা তাৎপৰ্যপূৰ্ণ। অসম চৰকাৰৰ আওকণীয়া মনোভাৱ সুস্পষ্ট। অসমৰ স্বাৰ্থ ৰক্ষাত সংকল্পবদ্ধ বিৰোধী দল সমূহৰ 'অসমীয়াৰ সংজ্ঞা' সম্পৰ্কত একমত হোৱাৰ মানসিকতা বাধাগ্ৰস্থ।

অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত প্ৰণৱ গগৈ ডাঙৰীয়াই বিষয়টো হস্তক্ষেপ কৰি সৰ্বদলীয় বৈঠকৰ পোষকতা কৰিছে। অসমৰ ৰাজনৈতিক দল আৰু জাতীয় সংগঠন সমূহৰ মতামত সাপেক্ষে 'অসমত অসমীয়াৰ সংজ্ঞা' বিষয়ত এটা সহমত গ্ৰহণ কৰিবলৈ তৎপৰ হোৱাত আশাৰ ৰেঙণী ওলাইছে।

অসম চৰকাৰ অসমৰ খিলঞ্জীয়াৰ স্বাৰ্থৰক্ষাৰ বাবেহে দায়বদ্ধ। অসমত 'আমি অসমীয়া' বুলি কোৱাৰ মানসিকতা নোহোৱাৰ মূল কাৰণেই হৈছে সমূহীয়া মাতৃভাষা এক নোহোৱাৰ মূল কাৰণ; যাৰ ফলত সৃষ্টি হৈছে বিভাজনমুখী সংগ্ৰাম। আহি পৰিছে অসমৰ অখণ্ডতাৰ প্ৰতি ভাবুকি।

'১৯৫০ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতৰ সকলো ৰাজ্যৰ লোকপিয়লৰ অধ্যক্ষ (census superintendent) সকলৰ সভাত লোকপিয়লৰ তথ্য সংগ্ৰহৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহ বিবেচনা কৰি এটা প্ৰশ্নৰ নিশ্চয়তা নিৰ্ণয়ৰ বাবে তেতিয়াৰ অসম, মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্যৰ চৰকাৰলৈ প্ৰেৰণ কৰিছিল তাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে খিলঞ্জীয়া মাটি ভোগ দখল সম্পৰ্কীয় প্ৰশ্ন প্ৰস্তুত কৰিছিল এনেদৰে— আপুনি অসমৰ খিলঞ্জীয়া লোক হয়নে? এই ক্ষেত্ৰত খিলঞ্জীয়াৰ সংজ্ঞা দিছিল এনেদৰে— 'Indigenous Person of Assam means a person belonging to the state of Assam and speaking the Assamese language or any tribal dialect of Assam, or in the case of Cachar the langauge of the region. অৰ্থাৎ যিসকল লোকে অসমত বাস কৰি আছে আৰু অসমীয়া ভাষা বা জনজাতীয় দোৱানত কথা কয় বা কাছাৰ জিলাত যিসকল লোকে সেই অঞ্চলৰ ভাষা কয়, সেই সকলেই অসমৰ খিলঞ্জীয়া। এই সংজ্ঞাটো যিহেতু অসম চৰকাৰেই যুগুত কৰি গ্ৰহণ কৰিছিল আজি ৬৫ বছৰে তাৰ বিৰোধিতা হোৱা নাই। তেনে ক্ষেত্ৰত এই সংজ্ঞাৰ বিপৰীতে অসমীয়া কোন বা অসমীয়াৰ সংজ্ঞাৰ

প্ৰয়োজনীয়তা অনুভৱ নহয়। অসমীয়াৰ সংজ্ঞা বিচাৰি ৰাজনীতিকসকলে দিবলৈ বিচৰা ধাৰণা কেৱল ৰাজনৈতিক চাতুৰী যেন বোধ হয়। সেয়েহে এইসকল লোকৰ বাবেই অসম চুক্তিৰ অধীনৰ ৬ নম্বৰ দফা অনুযায়ী সাংবিধানিক ৰক্ষাকৱচ হ'ব লাগে, যিসকলক ১৯৫০ চনতেই অসম চৰকাৰে খিলঞ্জীয়া হিচাপে স্বীকৃতি দিছে। অন্যথাই সাংবিধানিক সুৰক্ষাৰ বাবে সুদীৰ্ঘ ৩০ বছৰ হেৰুওৱাৰ পিছত আৰু বহুত হেৰুৱাব লাগিব।' (অসমীয়াৰ সংজ্ঞা বনাম খিলঞ্জীয়াৰ সংজ্ঞা— শ্ৰীঅবনী বৰঠাকুৰ, দৈনিক অসম ২৩/৩/২০১৫ পৃঃ- ৪)

অসমত 'অসমীয়াৰ সংজ্ঞা' সন্দৰ্ভত 'খিলঞ্জীয়া' প্ৰসংগ আহি পৰিছে। খিলঞ্জী, খিলঞ্জীয়া শব্দৰ অৰ্থ ঃ— চিৰদিনীয়া; লৰচৰ নকৰি স্থায়ীভাবে থকা; বহুকাল একে ঠাইতে থকা মানুহ; living at a place permanently. ২। প্ৰাচীন মানুহ; ancient. ৩। বহু পুৰুষে ভোগ কৰা মাটিবাৰী; occupied or possessed for many generations. (চন্দ্ৰ কান্ত অভিধান)

গাদী দখলৰ আশাত, কেৱল ভোটৰ স্বাৰ্থত বিদেশী নাগৰিকক মূলধন হিচাপে গণ্য কৰিবলৈ যাওতে প্ৰকৃতপক্ষে খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থত ব্যাঘাত জন্মিছে। কিছু সচেতন লোকে বিষয়টো উত্থাপন কৰাটো সময়োচিত কাৰ্য্য বুলি বিবেচিত হৈছে।

মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশত অসমত নাগৰিক পঞ্জী উন্নীত কৰণৰ ব্যৱস্থা চলিছে। অসমৰ সৰ্বাংগীণ স্বাৰ্থত নাগৰিক পঞ্জী প্ৰস্তুত হ'ব লাগে। নাগৰিক পঞ্জীৰ ভিত্তি বছৰ ১৯৫১ চনৰ ভোটাৰ তালিকাক প্ৰামাণ্য দলিল হিচাবে গ্ৰহণ কৰিব পাৰিলেই খিলঞ্জীয়া অসমীয়াৰ সংজ্ঞা আপোনা আপুনি ওলাই পৰিব। সমস্যাৰ ওৰ পৰিব। ৰাজনীতি আৰু সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত থাকি দেশ সেৱা কৰাৰ চানেকী ওলালেহে মাতৃভূমিৰ সেৱা হ'ব; দোহাৰিবৰ প্ৰয়োজন নাই। ❑

নৃপেন্দ্ৰ কুমাৰ ভাগৱতী এগৰাকী সাহিত্যিক পেঞ্চনাৰ আৰু সভাপতি, মণিকূট সাহিত্য সমাজ, হাজো





# শিক্ষাৰ অধিকাৰ

## উদ্দেশ্য আৰু কিছু প্ৰাসঙ্গিক চিন্তা

✍ ড° ৰীপিমা বুজৰবৰুৱা
সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

*বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্।*
*বিদ্যা ভোগকৰী যশঃ সুখকৰী বিদ্যা গুৰুণাং গুৰুঃ।*
*বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰং দৈৱতম্।*
*বিদ্যাৰাজসু-পূজিতা ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।।*(ভৰ্তৃহৰি)

অতীজৰেপৰা ভাৰতত বিদ্যাশিক্ষাই গুৰুত্ব লাভ কৰি আহিছে। অৱশ্যে অতীতৰ শিক্ষা ব্যৱস্থা বৰ্তমানৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাতকৈ বেলেগ আছিল। সেই সময়ত শিষ্যই গুৰুগৃহত থাকি বিদ্যা শিক্ষা লাভ কৰিছিল আৰু শিক্ষাৰ অন্তত এটা সুন্দৰ আৰু সফল জীৱন-যাপনৰ বাবে উপযুক্ত হৈ ঘৰলৈ উভতি আহিছিল। শিক্ষিত আৰু জ্ঞানী লোকসকলক সেই সময়ত যথেষ্ট সন্মান কৰা হৈছিল। মনু সংহিতাত উল্লেখ কৰা হৈছে যে বয়স আৰু সম্পদৰপৰা মানুহে সন্মান আৰু জ্যেষ্ঠতা লাভ নকৰে, জ্ঞানদ্বাৰাহে কৰে।

বৰ্তমান সময়তো শিক্ষাৰ গুৰুত্ব ক্ৰমাগতভাৱে বাঢ়ি অহা পৰিলক্ষিত হয়। প্ৰত্যেকজন নাগৰিকে যাতে শিক্ষা লাভ কৰিব পাৰে, সেই উদ্দেশ্যে ৰাষ্ট্ৰযন্ত্ৰয়ো বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। স্বাধীনতাৰ পিছত ১৯৫০ চনৰ ২৬ জানুৱাৰীৰপৰা কাৰ্যকৰী হোৱা ভাৰতৰ সংবিধানৰ চতুৰ্থ অধ্যায় অৰ্থাৎ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি অংশত ১৪ বছৰ বয়সলৈ সকলো শিশুক বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰক নিৰ্দেশনা দিয়া হৈছে। শিক্ষাৰ অধিকাৰ প্ৰকৃততে প্ৰত্যেক ব্যক্তিৰ উল্লেখযোগ্য মানৱ অধিকাৰ। উচ্চতম ন্যায়ালয়ে মোহিনী জৈন গোচৰত (১৯৯২) শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে গ্ৰহণ কৰা উচিত বুলি উল্লেখ কৰি মত প্ৰকাশ কৰিছিল যে 'ভাৰতীয় সভ্যতাই শিক্ষাক এটা ধৰ্মীয় কৰ্তব্য হিচাপে গণ্য কৰি আহিছে। ভাৰতত শিক্ষাক কেতিয়াও পণ্য হিচাপে গণ্য কৰা হোৱা নাই।' উন্নিকৃষ্ণণ গোচৰত উচ্চতম ন্যায়ালয়ে ভৰ্তৃহৰিৰ নীতি শতকৰ এই প্ৰবন্ধৰ আৰম্ভণিতে উদ্ধৃত কৰা শ্লোকটো উল্লেখ কৰি শিক্ষাৰ গুৰুত্ব আৰু তাৎপৰ্যৰ কথা দোহাৰি শিক্ষাক সংবিধানৰ ২১ নং অনুচ্ছেদৰ জীৱনৰ অধিকাৰৰ অংশ হিচাপে মৌলিক অধিকাৰ হিচাপে ঘোষণা কৰিছিল। ইয়াৰ পিছত ভাৰতৰ সংবিধানৰ ২০০২ চনৰ ৮৬ তম সংশোধনী অনুসৰি ২১A অনুচ্ছেদত শিক্ষা বিষয়টো অন্তৰ্ভুক্ত কৰি শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে। এই অনুচ্ছেদ অনুসৰি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰ মৌলিক অধিকাৰ। মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ ফলত সকলো শিশুৰ বাবে শিক্ষাৰ সুবিধাৰ ব্যৱস্থা কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ ওপৰত ন্যস্ত হয়। সেইবাবেই সংসদত ২০০৯ চনত শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনখন (The Right of Children to Free and Compulsory Education Act.) গৃহীত হয় আৰু ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ পিছত আইনখন ২০১০ চনৰপৰা কাৰ্যকৰী হয়। এই আইন অনুসৰি শিশুৰ প্ৰাথমিক শিক্ষাৰ বাবে প্ৰত্যক্ষ (বিদ্যালয়ৰ মাচুল) বা পৰোক্ষভাৱে (পাঠ্যপুথি, ইউনিফৰ্ম, দুপৰীয়াৰ আহাৰ, যাতায়াতৰ ব্যৱস্থা) পৰিয়ালে কোনো ধৰণৰ খৰচ বহন কৰিবলগীয়া নহ'ব। শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ উপৰি সংবিধানৰ ৫১ A অনুচ্ছেদত থকা মৌলিক কৰ্তব্যসমূহত আন এটা সংযোজন কৰি ৬-১৪ বছৰ বয়সৰ শিশুক শিক্ষাৰ সুবিধা প্ৰদান কৰাতো পিতৃ-মাতৃ বা অভিভাৱকৰ মৌলিক কৰ্তব্য বুলি উল্লেখ কৰা হৈছে।

এইদৰে দেখা যায় যে অতি প্ৰাচীন কালৰেপৰা এতিয়ালৈকে ভাৰতত শিক্ষাক যথেষ্ট গুৰুত্ব দি অহা হৈছে আৰু সকলোৱে শিক্ষা লাভ কৰাৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। কিন্তু শিক্ষানো প্ৰকৃততে কি, ইয়াৰ উদ্দেশ্য বা লক্ষ্য কি আৰু এই উদ্দেশ্য সাধন কৰাত বা লক্ষ্যত উপনীত হোৱাত বৰ্তমানৰ শিক্ষা ব্যৱস্থা সফল হৈছে নে নাই সেই বিষয়ে কিছু পৰ্যালোচনা কৰাৰ প্ৰাসংগিকতা আহি পৰিছে।

শিক্ষা বুলিলে কি বুজা যায় সেই বিষয়ে সৰ্বসন্মত সিদ্ধান্ত পোৱা নাযায় যদিও বিভিন্ন পণ্ডিতে আৰু মনীষীয়ে শিক্ষাৰ বিষয়ে তেওঁলোকৰ নিজস্ব ধাৰণা প্ৰকাশ কৰিছে। তেওঁলোকৰ বেছিভাগেই শিক্ষাক শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ আহিলা হিচাপে গণ্য কৰিছিল। স্বামী বিবেকানন্দৰ মতে, 'Education is the manifestation of divine perfection, already existing in man. We must have life-building, man making, character making assimilation of ideas... We want that education by which character is formed, strength of mind is increased, the intellect is expanded, and by which one can stand on one's own feet.' মহাত্মা গান্ধীয়ে কৈছিল যে, 'By education I mean an all round drawing out of the best in the child and man-body, mind and spirit.' এৰিষ্টটোলে মত পোষণ কৰিছিল যে, 'Education, to be complete, must be human, it must include not only the training of the intellect but the refinement of one's heart and the discipline of the spirit. No education can be regarded as complete if it neglects the heart and the spirit.'

শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়েও বিভিন্ন পণ্ডিতৰ অভিমত আৰু বিভিন্ন আয়োগৰ প্ৰতিবেদনৰ পৰা কিছু আভাস পোৱা যায়। কোঠাৰী আয়োগৰ (১৯৬৬) প্ৰতিবেদনত শিক্ষাৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰা হৈছিল যে— বৃত্তিগত শিক্ষাৰ জৰিয়তে সংস্থাপন আৰু উৎপাদন বৃদ্ধি কৰা, সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতি স্থাপন কৰা, আধুনিকীকৰণ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰা, সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ কৰ্ষণ কৰা। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা আঁচনিৰ (National policy on Education) প্ৰতিবেদন অনুসৰি শিক্ষাৰ মূল লক্ষ্য আৰু উদ্দেশ্যসমূহ হৈছে—

আৰ্থ-সামাজিক মংগল আৰু ব্যক্তিৰ দক্ষতা আৰু সৃজনীশীলতাক গুৰুত্ব দিয়া; ব্যক্তিৰ শাৰীৰিক, বৌদ্ধিক আৰু নন্দনতাত্ত্বিক বিকাশ সাধন কৰা; বিজ্ঞানসন্মত মনোবৃত্তি আৰু গণতান্ত্ৰিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ কৰ্ষণ কৰা; পাৰ্থিৱ, সামাজিক, প্ৰযুক্তিগত, অৰ্থনৈতিক আৰু সাংস্কৃতিক পাৰিপাৰ্শ্বিকতাৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা, আত্মবিশ্বাসৰ বিকাশ সাধন কৰা, শাৰীৰিক পৰিশ্ৰম আৰু শ্ৰমৰ মৰ্যাদাৰ বিষয়ে সুস্থ মনোভাৱৰ বিকাশ সাধন কৰা, ধৰ্মনিৰপেক্ষতা আৰু সামাজিক ন্যায়ৰ বিষয়ত দায়বদ্ধতা সৃষ্টি কৰা, ৰাষ্ট্ৰীয় সন্মান, সংহতি আৰু বিকাশৰ বাবে আত্মোৎসৰ্গ কৰা।

❖ বিভিন্ন দিশত জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰা।

❖ সংস্থাপনৰ বাবে জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰা।

❖ সমাজ ব্যৱস্থাৰ লগত ছাত্ৰ-ছাত্ৰীৰ সংহতি স্থাপন কৰা।

❖ মানুহৰ মাজত বৈষম্য আঁতৰ কৰি সকলোৰে বাবে সমান সুযোগ-সুবিধাৰ সৃষ্টি কৰা।

❖ শুদ্ধ আৰু অশুদ্ধ বিচাৰ কৰা ক্ষমতাৰ বিকাশ সাধন কৰা। ১৯৯০ চনৰ ৰামমূৰ্তি প্ৰতিবেদনতো শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰা হৈছে—

❖ শিক্ষাই শক্তিশালী জ্ঞানৰ গাঁথনিৰ ব্যৱস্থা কৰিব লাগিব আৰু জ্ঞানৰ জৰিয়তে ব্যক্তিৰ সৰলীকৰণ কৰিব লাগিব।

❖ শিক্ষাই ছাত্ৰ-ছাত্ৰীক জীৱনৰ বাবে প্ৰয়োজনীয় বিভিন্ন দক্ষতা আৰু কৌশল আহৰণৰ বাবে সুবিধা প্ৰদান কৰিব। এনে দক্ষতা আৰু কৌশলে পিছলৈ নিৰ্দিষ্ট বৃত্তি বাছি লোৱাত সহায় কৰিব।

❖ বিভিন্ন কাৰ্য আৰু সিদ্ধান্ত গ্ৰহণত প্ৰভাৱ পেলাব পৰাকৈ মূল্যবোধৰ পোষণ আৰু কৰ্ষণ কৰিব।

❖ ছাত্ৰ-ছাত্ৰীক সমাজ পৰিৱৰ্তনৰ বাহক হ'ব পৰাকৈ সৰলীকৰণ কৰিব আৰু এইদৰে ৰাষ্ট্ৰীয় ঐক্য আৰু অখণ্ডতাৰ সহায়ক হ'ব।

বিভিন্ন পণ্ডিতৰ অভিমত আৰু আয়োগৰ প্ৰতিবেদনসমূহ বিশ্লেষণ কৰি শিক্ষাৰ অৰ্থ আৰু লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে এটি থূল-মূল আভাস পাব পৰা যায়। শিক্ষা হৈছে এক শৃংখলাবদ্ধ জীৱনজোৰা ধাৰাবাহিক প্ৰক্ৰিয়া। ই ব্যক্তিৰ আচৰণৰ সংশোধন কৰি ব্যক্তিত্বৰ বিকাশ সাধন কৰে। প্ৰত্যেক ব্যক্তিৰ জীৱনৰ কিছুমান লক্ষ্য আৰু উদ্দেশ্য থাকে। শিক্ষাই এই উদ্দেশ্য সাধন কৰাৰ আৰু লক্ষ্যত উপনীত হোৱাৰ আহিলা হিচাপে কাম কৰে। মানুহৰ ইচ্ছা, আচৰণ, কাৰ্য, দক্ষতা আদিক শিক্ষাই সমাজে বিচৰা ধৰণে গঠনমূলকভাৱে প্ৰশিক্ষিত কৰে। শিক্ষাই ব্যক্তিৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, নন্দন তাত্ত্বিক, নৈতিক, অৰ্থনৈতিক, আধ্যাত্মিক আদি সৰ্বাংগীণ বিকাশৰ ওপৰত গুৰুত্ব দিয়ে। তদুপৰি ব্যক্তিৰ পাশৱিক প্ৰবৃত্তিসমূহ দমন কৰি আত্মসংযমী হোৱাৰ ফলত ই ব্যক্তিক সময়ৰ পৰিৱৰ্তনৰ লগ খাপ খুৱাই আভ্যন্তৰীণ গুণৰাশিক বিকশিত কৰি আৰু পৰিমাৰ্জিত কৰি ব্যক্তিক পূৰ্ণ প্ৰস্ফূটিত হোৱাত সহায় কৰে। এইদৰে শিক্ষা হৈছে এক বহুমুখী প্ৰক্ৰিয়া আৰু ই ব্যক্তিৰ জ্ঞান আহৰণৰ, বৃত্তি গ্ৰহণৰ, চৰিত্ৰ গঠনৰ, বৈজ্ঞানিক আৰু গণতান্ত্ৰিক মনোবৃত্তিৰ বিকাশ সাধনৰ আৰু সৰ্বাংগীণ উৎকৰ্ষ সাধনত আহিলা হিচাপে কাৰ্য কৰে। শিক্ষাই ব্যক্তিক সংস্কাৰ সাধন কৰি প্ৰকৃত অৰ্থত সংস্কৃত কৰি তোলে।





গতিকে মানুহৰ জীৱনত শিক্ষাৰ প্ৰয়োজনীয়তাক কোনো কাৰণতেই অস্বীকাৰ কৰিব পৰা নাযায় আৰু অতীতৰ গুৰুকুল ব্যৱস্থাৰপৰা এতিয়াৰ শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰালৈকে ভাৰতবৰ্ষত শিক্ষাক যি গুৰুত্ব প্ৰদান কৰা হৈছে তাৰ কাৰণো সহজে অনুমান কৰিব পৰা যায়। শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দি সকলোৱে শিক্ষা লাভ কৰিব পৰা ব্যৱস্থা কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। কিন্তু লগতে বৰ্তমান শিক্ষা ব্যৱস্থাই শিক্ষাৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্য সাধন কৰিব পাৰিছে নে নাই, সেই বিষয়ে উপযুক্ত চিন্তা-চৰ্চা কৰাৰো প্ৰয়োজন আছে। বৰ্তমান সামগ্ৰিক পৰিস্থিতি বিশ্লেষণ কৰি চালে দেখা যাব যে তথাকথিত আধুনিক শিক্ষাই ব্যক্তিক বৰ্তমানৰ বিশ্বায়নৰ যুগৰ বজাৰ অৰ্থনীতিৰ লগত খাপ খোৱা মানৱতাহীন ধন ঘটা যন্ত্ৰতহে পৰিণত কৰিছে। এনে শিক্ষাই প্ৰতিযোগিতাত তিষ্ঠি থাকি যি কোনো প্ৰকাৰে নিজক প্ৰতিষ্ঠা কৰাত গুৰুত্ব দিয়ে। এনে ব্যৱস্থাত আনৰ বাবে চিন্তা কৰাৰ সময় আৰু ইচ্ছা কাৰোৱেই নাথাকে। পূৰ্বৰ তুলনাত বৰ্তমান সমাজত শিক্ষিত লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি হোৱাৰ পিছতো সমাজখন অধিক উন্নত হোৱাৰ পৰিৱৰ্তে সমাজত দুৰ্নীতি, অন্যায়, অবিচাৰ, নিষ্ঠুৰতা আদিৰ প্ৰকোপ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। শিক্ষাৰ প্ৰসাৰৰ পিছতো সামাজিক বিশৃংখলতা, অসহিষ্ণুতা আদিৰ প্ৰাদুৰ্ভাৱে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সাধন নোহোৱাটোকে প্ৰতিপন্ন কৰে।

বৈদিক যুগৰ ভাৰতীয় শিক্ষা পদ্ধতিলৈ লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ত ছাত্ৰৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক এই আটাইবোৰ দিশৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়া হৈছিল। শিষ্যক পাৰ্থিৱ শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষা প্ৰদান কৰা হৈছিল আৰু শিষ্যই ব্ৰহ্মচৰ্য জীৱন যাপন কৰিবলগীয়া হৈছিল। ব্ৰহ্মচৰ্যৰ জৰিয়তে চিন্তা, কথা আৰু কাৰ্য অৰ্থাৎ মন, বাক আৰু শৰীৰ এই আটাইবোৰতে সুশৃংখলা আৰু সংযম ৰক্ষাত গুৰুত্ব দিয়া হয়। শিষ্যসকলে গুৰুগৃহত কঠোৰ শৃংখলাবদ্ধ জীৱন যাপন কৰিবলগীয়া হৈছিল। শিষ্যই ৰিপুসমূহ জয় কৰিবলগীয়া হৈছিল। অধিক টোপনি, এলাহ, খং, অহংকাৰ, আড়ম্বৰপূৰ্ণ জীৱন-নিৰ্বাহ আদি ত্যাগ কৰিব লাগিছিল। শিষ্যই সুন্দৰ পৰিৱেশত আদৰ্শ গুৰুৰ তত্ত্বাৱধানত শিক্ষা লাভ কৰিছিল আৰু এনে শিক্ষাই তেওঁলোকৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক গুণৰাশি বিকশিত কৰিছিল। কঠোৰ শৃংখলা, আত্মসংযম, আত্মউপলব্ধি, সত্যবাদিতা আদিৰ মাজেৰে শিষ্যসকলে উচ্চ-চিন্তা আৰু আদৰ্শৰ শিক্ষা লাভ কৰিছিল। শিক্ষাগ্ৰহণ শেষ হোৱাৰ পিছত সমাজলৈ উভতি যোৱা সময়ত গুৰুৱে সমাৱৰ্তন ভাষণ প্ৰদান কৰি শিষ্যক পাৰিবাৰিক আৰু সামাজিক কৰ্তব্যৰ বিষয়ে সচেতন কৰি বিদায় দিছিল। তেনে ভাষণত গুৰুৱে শিষ্যক সত্য কথা ক'বলৈ, ধৰ্ম আৰু কৰ্তব্যৰপৰা বিচলিত নহ'বলৈ, পিতৃ, মাতৃ, গুৰু আৰু অতিথিক দেৱতাৰ দৰে শ্ৰদ্ধা ভক্তি কৰিবলৈ, বিনয়ী হ'বলৈ আৰু অসৎ কাৰ্যৰপৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছিল। এনেদৰে শৃংখলাবদ্ধ জীৱন-যাপন কৰি আৰু সুশিক্ষা লাভ কৰি ছাত্ৰসকলে পিছলৈ গাৰ্হস্থ্য জীৱনত প্ৰৱেশ কৰিলেও পাৰ্থিৱ প্ৰলোভনত পথভ্ৰষ্ট হোৱা নাছিল। এইদৰে প্ৰাচীন ভাৰতৰ শিক্ষাই ছাত্ৰৰ সৰ্বাত্মক বিকাশ সাধন কৰি শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সাধন কৰিছিল আৰু সুস্থিৰ সামাজিক বাতাবৰণৰ সৃষ্টি কৰিছিল।

ইয়াৰ বিপৰীতে, সাম্প্ৰতিক সময়ৰ শিক্ষাই ছাত্ৰৰ সৰ্বাত্মক বিকাশৰ পৰিৱৰ্তে কেৱল বৌদ্ধিক বিকাশত গুৰুত্ব দি অকল জীৱিকা উপাৰ্জনৰ বাবেহে উপযুক্ত কৰি তুলিছে। সেইবাবে বৰ্তমান উচ্চ ডিগ্ৰীধাৰী লোকৰ সংখ্যা বৃদ্ধি হ'লেও প্ৰকৃত অৰ্থত শিক্ষিত লোকৰ অভাৱ হৈছে আৰু মূল্যবোধৰ অৱক্ষয় হৈ সামাজিক বিশৃংখলতা আৰু অস্থিৰতা বৃদ্ধি পাইছে। শিক্ষাই কেৱল কিছুমান বিষয়ৰ তথ্যৰ যোগান ধৰিলে আৰু দক্ষতা বৃদ্ধি কৰিলেই নহ'ব, ই প্ৰকৃত অৰ্থত জ্ঞান প্ৰদান কৰিব লাগিব আৰু জীৱনৰ প্ৰকৃত উদ্দেশ্য অনুধাৱন কৰাত সহায় কৰিব লাগিব। প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষ সাধনৰ ফলত ব্যক্তিয়ে বিশ্ব ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰণ কৰাৰ শিক্ষা আহৰণ কৰিছে, এটা চুইচ টিপি পৃথিৱী ধ্বংস কৰাৰ কৌশল আয়ত্ব কৰিছে, কিন্তু আত্মনিয়ন্ত্ৰণ, আত্মসংযম, দয়া, ক্ষমা, সহনশীলতা আদিৰ জ্ঞান আহৰণ কৰিব নোৱৰাৰ ফলত পৃথিৱীত হত্যা, হিংসা, লালসা, স্বাৰ্থপৰতা, নিৰ্দয়তা আদিৰ প্ৰাদুৰ্ভাৱ ঘটিছে।

বৰ্তমান পাৰ্থিৱ শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষা, মূল্যবোধৰ শিক্ষা, মানৱ অধিকাৰৰ শিক্ষাৰ অতি প্ৰয়োজন হৈছে। এইবোৰ কেৱল একোটা বিষয় হিচাপে অধ্যয়ন নকৰি সকলোধৰণৰ পাঠ্যক্ৰমৰ ওতঃপ্ৰোত অংশ হিচাপে ৰখা প্ৰয়োজন। বৃহদাৰণ্যক উপনিষদত প্ৰজাপতি ব্ৰহ্মাই দেৱতা, মানৱ আৰু দানৱক প্ৰদান কৰা তিনিটা শিক্ষা-দাম্যত (নিজকে দমন কৰা, আত্মসংযমী হোৱা), দত্ত (দান কৰা) আৰু দয়ধ্বম্ (দয়া কৰা) প্ৰত্যেক ব্যক্তিয়ে আহৰণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। প্ৰত্যেক ব্যক্তিৰ মাজতেই দৈৱিক, মানৱিক আৰু দানৱিক প্ৰবৃত্তি আছে যদিও দানৱিক প্ৰবৃত্তিসমূহৰ প্ৰাধান্যৰ ফলত সমগ্ৰ পৃথিৱীতে অস্থিৰতাই বিৰাজ কৰি আছে। প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ দানৱীয় প্ৰবৃত্তিসমূহ দমন কৰি দৈৱিক আৰু মানৱীয় প্ৰবৃত্তিৰ উৎকৰ্ষ সাধন

কৰিব পাৰিলেহে আমি মানুহৰ বসবাসৰ বাবে উপযোগী পৃথিৱী এখন লাভ কৰিব পাৰিম আৰু তেতিয়াহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সাধন হ'ব। শেষত ড সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে আমিও আশা কৰিব পাৰো যে, 'What we need today is the education of the whole man-physical, vital, mental, intellectual and spiritual.' ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। Introduction to constitution of India. Dr. Durga Das Basu.

২। My India : The India Eternal, Swami Vivekananda

৩। President Radhakrishnan's speeches and writings.

৪। The Philosophical and Sociological Foundations of Education– Bhatia and Bhatia

৫। Fundamentals of Sri Sathya Sai Educare, Vol. I & II.

৬। বেদৰ পৰিচয় ঃ ড° যোগীৰাজ বসু

৭। উপনিষদ, ধেনু ঃ দিবাকৰ গোস্বামী।





# হোমেন বৰগোহাঞিৰ উপন্যাসত জীৱনৰ বিয়লি বেলা

✍ **ড° ৰঞ্জু ঠাকুৰীয়া**
সহকাৰী অধ্যাপিকা,
অসমীয়া বিভাগ

আধুনিক অসমীয়া উপন্যাস জগতৰ এগৰাকী সু-প্ৰতিষ্ঠিত উপন্যাসিক হ'ল হোমেন বৰগোহাঞি। হোমেন বৰগোহাঞিৰ উপন্যাসৰাজিত মানৱ জীৱনৰ বিভিন্ন সমস্যা, সমাজ ব্যৱস্থাৰ বিভিন্ন কেৰোণ, মানৱ মনৰ পুংখানুপুংখ বিশ্লেষণৰ লগতে আধুনিক উপন্যাসৰ বিভিন্ন ধাৰাৰ প্ৰতিফলন ঘটিছে। বৰগোহাঞিদেৱে নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাবোৰকে তেওঁৰ প্ৰায়কেইখন উপন্যাসত ব্যক্ত কৰিছে জেম চজয়ছ বা ডি.এইচ. লৰেন্সৰ ৰীতিৰে। বৰগোহাঞিদেৱক বাৰুকৈ প্ৰভাৱান্বিত কৰিছে জন ষ্টুৱাৰ্ট মিল, বড়িলেয়াৰ জা-পল-চাৰ্ট্ৰে, ছিগমণ্ড ফ্ৰয়ড, এলবাৰ্ট মৰাভিয়া, এলবেয়াৰ কেমু, টলষ্টয়, ভল্টেয়াৰ, চৈয়দ আব্দুল মালিক, দেৱকান্ত বৰুৱা আদিৰ লেখনিয়ে।

হোমেন বৰগোহাঞিদেৱৰ উপন্যাসত মানৱ জীৱনৰ বিচিত্ৰ ৰং ৰূপ প্ৰতিফলিত হৈছে। নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত মানুহৰ শৈশৱ কালটোক স্পষ্ট ৰূপত তুলি ধৰিছে 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসত। শৈশৱ কালৰ হুবহু বৰ্ণনাৰে 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ ভিতৰতে এখন অগতানুগতিক উপন্যাস। শৈশৱ কালৰ চিত্ৰনেৰে 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখন যেনেদৰে এখন ব্যতিক্ৰমধৰ্মী উপন্যাস, ঠিক তেনেদৰে মানুহৰ বাৰ্ধক্য জীৱনৰ অসহনীয় যন্ত্ৰণাৰ লগতে নৈতিক মূল্যবোধৰ চিত্ৰ অংকনেৰে 'অস্তৰাগ' অসমীয়া উপন্যাস জগতৰ এক বিস্ময়কৰ সৃষ্টি। বৰগোহাঞিদেৱে তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'ধুমুহা আৰু ৰামধেনু'ৰ দ্বিতীয়খণ্ডত 'অস্তৰাগ' উপন্যাসখনত লিখাৰ পটভূমি সম্পৰ্কে এনেদৰে কৈছে— "কেবাটাও জীৱনৰ মৰ্মন্তুদ কৰুণ পৰিণতি দেখাৰ বা শুনাৰ দুৰ্ভাগ্য মোৰ হৈছে যিবোৰক অৱলম্বন কৰি মই 'অস্তৰাগ' নামৰ উপন্যাস লিখিছো। (ধুমুহা আৰু ৰামধেনু, পৃষ্ঠা ঃ ১৯৭)

মানৱ জীৱনৰ এক কৰুণ তথা নিৰ্মম সত্য হ'ল বাৰ্ধক্য। জন্মিলে যেনেকৈ মানুহ মৰিবই লাগিব, ঠিক তেনেকৈ যৌৱনৰ দুৰন্ত গতিৰে গৈ থাকোতে এদিন ক'ব নোৱাৰাকৈ মানুহ থমকি ৰ'ব লগা হয় বাৰ্ধক্যৰ নিকৰুণ অৱস্থাত। বাৰ্ধক্য মানৱ জীৱনৰ এনেকুৱা এটা অৱস্থা য'ত মানুহ জীয়াই থাকিও মৃতপ্ৰায়। 'অস্তৰাগ' উপন্যাসখনৰ নামটোৱে এই ব্যঞ্জনাখিনিকে যেন প্ৰতিফলিত কৰিছে। আবেলি মাৰ যাব ধৰা বেলিটো যেনেকৈ চাক্ষুষ দৃষ্টিৰে ৰংথিনিহে দেখা যায়, কিন্তু তাৰপৰা কোনো উত্তাপ পোৱা নাযায়, ঠিক তেনেদৰে মানৱ জীৱনবো বাৰ্ধক্য কালটোত মানুহ বৈ থাকে সিপাৰৰপৰা অহা ডাকৰ অপেক্ষাত, উশাহ-নিশাহ লৈ মাথো বাছি থাকে, জীয়াই থকাৰ কোনো স্পৃহা বা জীৱনৰ চঞ্চল গতি এই কালছোৱাত দেখা নাযায়।

যুদ্ধোত্তৰ যুগৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থাই ভাৰতৰ লগত অসমৰো যৌথ পৰিয়াল ব্যৱস্থাৰ ওপৰত আঘাত হানে। অসমৰ অৰ্থনীতি, ৰাজনীতি, সামাজিক বাতাবৰণ সকলোতে দ্ৰুত পৰিৱৰ্তন আহিল। কৃষিভিত্তিক সমাজ লাহে লাহে উদ্যোগ ভিত্তিক সমাজলৈ পৰিৱৰ্তিত হ'বলৈ ধৰিলে। এটা আত্মসৰ্বস্ব মনোবৃত্তিয়ে অসমৰ সমাজৰ গাঁঠনিটো ভাগি-ছিগি চুৰমাৰ কৰিলে। যৌথ পৰিয়াল ভাগি একক পৰিয়ালৰ সৃষ্টি হ'ল আৰু মানুহ ঢাপলি মেলিলে চহৰলৈ। আমাৰ অৰ্থহীন শিক্ষা ব্যৱস্থা আৰু প্ৰতীচ্যমুখী মানসিকতাই আমাক গাঁৱৰ সহজ-সৰল পৰিৱেশৰপৰা আঁতৰাই

আনি নগৰৰ ব্যক্তিকেন্দ্ৰিক আৰু জটিল পৰিৱেশত সংস্থাপিত কৰিলে। আধুনিক পৰিৱৰ্তিত ব্যৱস্থাত উচ্চ শিক্ষা লৈ বা অৰ্দ্ধশিক্ষিত হৈ পুতেকবোৰে নিজৰ ল'ৰা-তিৰোতা লৈ কৰ্মক্ষেত্ৰৰ দোহাই দিয়েই হওক বা অৰ্থনৈতিক তাড়নাতেই হওক চহৰত থাকিব লগা হোৱাত গাঁৱত থকা বুঢ়া মাক-বাপেকবোৰৰ নিজান চেলত বন্দী কয়দীৰ নিচিনাকৈ মৃত্যুৰ ক্ষণ গণাৰ বাহিৰে যেন আন একো উপায় নাই। আধুনিক অৰ্থসৰ্বস্ব আৰু ব্যক্তিকেন্দ্ৰিক পৰিয়াল ব্যৱস্থাত বাৰ্ধক্য কিমান ভয়াৱহ আৰু কৰুণ অৱস্থা তাক মৰ্মে মৰ্মে উপলব্ধি হয়। হোমেন বৰগোহাঞিৰ 'অস্তৰাগ' আৰু 'পিতা-পুত্ৰ' পঢ়ি উঠি। প্ৰজন্ম ব্যৱধান আৰু বাৰ্ধক্যৰ সমস্যাটোক সাৰ্থকভাৱে ৰূপায়িত কৰা উপন্যাস অসমীয়া সাহিত্যত আৰু কেইখনমান আছে। এইক্ষেত্ৰত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'জন্মান্তৰ', শীলভদ্ৰৰ 'গধূলি', ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'অন্তৰীপ', দেবেন্দ্ৰ নাথ আচাৰ্যৰ 'অন্যযুগ', 'অন্যপুৰুষ' আদিৰ নাম ল'ব পাৰি।

হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ'ত ৰূপায়িত হৈছে স্বাধীনোত্তৰ কালৰ অসমৰ উৱলি যোৱা অৰ্থব্যৱস্থা, অৰ্থহীন উচ্চ শিক্ষাৰ অন্তঃসাৰ শূন্যতা, নীতিভ্ৰষ্ট-আদৰ্শভ্ৰষ্ট এচাম উশৃংখল যুৱকৰ লগতে পৰিৱৰ্তিত সমাজত এখন ঘৰ ধৰি ৰাখিবলৈ চেষ্টা কৰা বুঢ়া এজনৰ কৰুণ কাহিনী। এসময়ৰ আঢ্যৱন্ত অভিজাত পৰিয়ালৰ মুৰব্বী বুঢ়া শিৱনাথ। শিৱনাথৰ তিনি পুত্ৰ— গৌৰীনাথ, লক্ষ্মীনাথ আৰু কালীনাথ। নিজকে আধুনিক শিক্ষাৰে শিক্ষিত বুলি ভবা গৌৰীনাথে বাপেকৰ অমতত নিজৰ পছন্দমতে বিয়া-বাৰু কৰাই ঘৰৰপৰা আতৰত থাকে। ঘৰৰ প্ৰতি বুঢ়া মাক-বাপেকৰ প্ৰতি তেওঁ কোনো কৰ্তব্যবোধ অনুভৱ কৰা নাই। ইফালে লক্ষ্মীনাথ পৰিৱৰ্তিত সমাজত তাল মিলাই চলিব নোৱৰা আৰু ভাল নৈতিক শিক্ষাৰ অভাৱত বিপথে পৰিচালিত হৈ মদ, জুৱা, নাৰীৰ মাজত জীৱনৰ কিবা মাদকতা বিচাৰি পোৱা লক্ষ্যভ্ৰষ্ট, আদৰ্শভ্ৰষ্ট আধুনিক সমাজৰ এচাম উশৃংখল যুৱকৰ প্ৰতিনিধি। কালীনাথ হ'ল মধ্যপন্থী। কালীনাথে সমাজ ব্যৱস্থাৰ এটা আমূল পৰিৱৰ্তন বিচাৰে, কিন্তু তেওঁ তেওঁৰ বন্ধু সৌমিত্ৰৰ নিচিনাকৈ সেই পৰিৱৰ্তন সন্ত্ৰাসৰ জৰিয়তে বা সশস্ত্ৰ সংগ্ৰামৰ জৰিয়তে আহিব বুলি নাভাবে। তেওঁৰ মন এফালে অতীতৰ পৰম্পৰাগত সমাজৰ নৈতিক দিশটোৰ প্ৰতি আৱদ্ধ, আনফালে সাময়িক পৰিৱৰ্তনৰ কোৱাল বতাহতো আক্ৰান্ত। পৰিৱৰ্তিত সমাজৰ এই কু-পৰিৱেশে আৱৰি ধৰিছে মহঘুলি গাঁও। বুঢ়া শিৱনাথ যেন দ্বিতীয় মহাসমৰে বিধ্বস্ত কৰা পৃথিৱীখনৰ শেষ স্তম্ভ। শিৱনাথ নিজৰ ঠাইত অলৰ-অচৰ। আহিব ধৰা পৰিৱৰ্তনক তেওঁ মানিব নোখোজে। যাৰ বাবে তেওঁ অপমানিত হ'ব লগা হৈছে উচ্চ শিক্ষিত পুত্ৰৰ হাতত। প্ৰজন্মৰ ব্যৱধানৰ লগতে আমাৰ আদৰ্শহীন ফোপোলা শিক্ষা ব্যৱস্থাও আমাৰ নৈতিকতাৰ স্খলনত সহায় কৰিছে। যাৰ চিকাৰ হ'ব লগা হৈছে শিৱনাথৰ নিচিনা বহু বুঢ়া পিতৃ-মাতৃবোৰে। উপন্যাসখনত শিৱনাথৰ মানসিক যন্ত্ৰণা, চিৎকাৰ বৰ কৰুণ আৰু হৃদয় বিদাৰক— "এই অপমান সহিবলৈ তুমি মোক কিয় জীয়াই ৰাখিছা। প্ৰভু? কি পাপত তুমি মোক এই নৰক যন্ত্ৰণা ভোগাইছা? এই মুহূৰ্ততে পৃথিৱী বিদীৰ্ণ কৰি তুমি মোক জীৱন্তে সমাধিস্থ কৰিব নোৱাৰানে?" (পিতা-পুত্ৰ)

পুত্ৰৰ হাতত লাঞ্ছিত এয়া কেৱল শিৱনাথৰে আৰ্তনাদ নহয়; বৰ্তমান আধুনিক সমাজত নিজৰ আদৰ্শক ধৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক গৰাকী বুঢ়া মাক-বাপেকৰ আৰ্তনাদ। পৰম্পৰাগত এখন সমাজত মানুহ বুঢ়া হৈ বহুদিন বাচি থকাতো এটা গৌৰৱৰ বিষয় বুলিহে পৰিগণিত হৈছিল। পো-বোৱাৰি নাতি-নাতিনীৰ সৈতে পৰিৱেষ্টিত হৈ থকা এটা পৰিয়ালত বৃদ্ধাৱস্থাই শাৰীৰিকভাৱে কিছু পীড়া দিলেও মানসিকভাৱে কিন্তু ই পীড়া দিব নোৱাৰে। ঘৰখনৰ আটাইৰে মৰম-স্নেহ পৰিচৰ্যাৰ মাজত দিন কটাই বুঢ়াকালত মানুহে এই পৃথিৱীখনক নতুনকৈ ভাল পাবলৈহে আৰম্ভ কৰে। কিন্তু তাৰ বিপৰীতে বৰ্তমান আমাৰ আধুনিক সমাজ জীৱনত বাৰ্ধক্যটো এটা ভয়াৱহ সমস্যা হিচাপে দেখা দিছে। হোমেন বৰগোহাঞিৰ 'অস্তৰাগ'ত আধুনিক যুগৰ ব্যস্ত মানৱ প্ৰফেচাৰ দিলীপ সন্মুখীন হৈছে তেওঁৰ দেউতাকৰ বাৰ্ধক্যৰ পৰিপ্ৰেক্ষিতত আধুনিক সমাজ জীৱনত বাৰ্ধক্যৰ সমস্যা। দিলীপৰ মানত বাৰ্ধক্যৰ কৱলত পৰা দেউতাকৰ শাৰীৰিক আৰু মানসিক পীড়াই যথেষ্ট কষ্ট দিছে। এই কষ্ট তেওঁৰ মনত দুগুণ হৈছে যেতিয়া তেওঁৰ সাধ্যানুসাৰে দেউতাকৰ এই কষ্ট লাঘৱ কৰাত ব্যৰ্থ হৈছে। দ্বিতীয়তে, আধুনিক মানুহৰ পাৰিবাৰিক সমস্যা বাঢ়ি যোৱাত মানুহৰ বাৰ্ধক্য কালটো আৰু বেছি বেদনাদায়ক আৰু পীড়াদায়ক হৈ পৰাটোৱে দিলীপৰ মনত অধিক বেদনাৰ সঞ্চাৰ কৰিছে লগতে বাৰ্ধক্যৰ প্ৰতি এটা চৰম ঘৃণা আৰু বিদ্ৰোহৰ মনোভাৱ তেওঁৰ জাগি উঠিছে। দিলীপে এনেকুৱা মানসিক অন্তৰ্দ্বন্দ্বত ভুগি থাকি তাৰ উপশম বিচাৰি তেওঁৰ এডভোকেট বন্ধু কাৰ্তিক বসু আৰু চন্দ্ৰৰ ওচৰ চাপিছে। দুয়ো বন্ধুৰ লগতে ড° শৰ্মাৰ মানৱ জীৱনৰ বাৰ্ধক্য কালটোৰ কিছুমান বাস্তৱ তথা সাৰগৰ্ভ কথাই সাময়িকভাৱে দিলীপৰ মনক আশ্বস্ত কৰিলেও দিলীপ সম্পূৰ্ণভাৱে চিন্তা মুক্ত হ'ব পৰা নাই।

উপন্যাসখনত আজিৰ যুগৰ দিলীপৰ দেউতাক আৰু বলৰাম ঠিকাদাৰৰ দৰে মানুহবোৰৰ অৱস্থা অতি দুখ লগা হিচাপে দেখুওৱা হৈছে। জীৱনৰ ডিঙাখন সিপাৰৰ ঘাট পোৱাৰ সময়তে এওঁলোকৰ একো আশা কৰিবলৈ নাই, নতুন কিবা এটা কৰি নিজকে ব্যস্ত ৰাখিবলৈ তেওঁলোক অপাৰগ, অক্ষম। কোনো নাই তেওঁলোকক





এষাৰি সাদৰি মাত দিবলৈ। গোটেই জীৱনটো তেওঁলোকে উছৰ্গা কৰিলে আপোন দেহৰ সন্তানলৈ, কিন্তু নিজৰ জীৱনৰ একেবাৰে শেষ দিনকেইটা তেওঁলোকে থাকিব লগা হ'ল মৃত্যুদণ্ডেৰে দণ্ডিত নিজান চেলত অপেক্ষা কৰি থকা কয়দীৰ নিচিনাকৈ। মৃত্যুৰ কাৰণে অপেক্ষা কৰি থকাৰ বাহিৰে তেওঁলোকৰ যেন একো কৰিবলগীয়া নাই।

উপন্যাসখনত আধুনিক সমাজৰ পাৰিবাৰিক গাঁঠনিত আৰু আধুনিক নগৰীয়া জীৱন পদ্ধতিতহে বৃদ্ধা অৱস্থাৰ নিঃসংগতা আৰু শুশ্ৰূষাহীনতাৰ সমস্যাটোক স্পষ্টভাৱে দেখুওৱা হৈছে। দিলীপৰ বৃদ্ধ পিতৃয়ে যেতিয়া বাধ্যত পৰি গাঁও এৰি দিলীপৰ লগত নগৰৰ ঘৰলৈ আহিছে, তেতিয়া পো-বোৱাৰী, নাতি-নাতিনীৰ লগত থাকিও তেওঁ গভীৰ নিসংগতাবোধত ভুগিছে। বুঢ়াই নগৰলৈ অহাৰ পিছত উপলব্ধি কৰিছে— "বাৰ্ধক্য যেন আধুনিক মানুহৰ চকুত এটা অপৰাধ।" দিলীপহঁতৰ ওচৰৰ বুঢ়া-বুঢ়ীহালৰ ঘৰলৈ গৈ তেওঁৰ উক্ত ধাৰণা বেছি দৃঢ় হৈছে— "আজিকালি বহুত মানুহে কোনোবা ল'ৰালৈ ছোৱালী বিয়া দিয়াৰ আগতে ল'ৰাৰ ৰূপ, গুণ, স্বভাৱ, চৰিত্ৰ, উপাৰ্জন আদি বংশ পৰিচয় বিচৰাৰ লগতে আৰু এটা কথা বিচাৰ কৰিবলৈ আৰম্ভ কৰিছে সেইটো হ'ল ল'ৰাৰ বুঢ়া মাক-বাপেক আছে নেকি? বৃদ্ধা অৱস্থাত এনেবোৰ উপলব্ধিয়ে দিলীপৰ দেউতাকক শেষত বেলেগ ধৰণে ব্যাধিগ্ৰস্ত কৰিছে, যাক চিকিৎসা বিজ্ঞানৰ ভাষাত কোৱা হয় "ছেনাইল ডিমেনছিয়া" বুলি। ইয়াৰ ফলত স্মৃতিভ্ৰংশ হয়, চিন্তাশক্তি অৱক্ষয় হয়। শেষত মানসিক বিকৃতি বা উন্মাদ অৱস্থাৰ সৃষ্টি হয়। এই অৱস্থা জীৱনৰ এক কৰুণ অৱস্থা। উপন্যাসখনত ড° শৰ্মাৰ কথাৰ মাজেৰে নাট্যকাৰ ইবচেন, এমাৰছন আদি মনিষীৰ এই ৰোগগ্ৰস্ত হৈ জীৱনৰ শেষত কি পুতৌ লগা অৱস্থা হৈছিল তাৰ অতি বাস্তৱ আৰু বেদনাদায়ক বৰ্ণনা দিয়া হৈছে। লগতে দিলীপৰ অভিজ্ঞতালব্ধ মথুৰা পণ্ডিতৰ জৰিয়তেও এই শোক লগা কৰুণ অৱস্থাক আৰু প্ৰকট কৰি দেখুওৱা হৈছে। একালৰ গাঁৱৰ সকলোৰে নমস্য সভা শুৱনি পুৰুষ 'নায়মাত্মা বলহীনে নলভাঃ" উপদেশেৰে উদ্দীপ্ত কৰা মথুৰা পণ্ডিতক বাৰ্ধক্যই পণ্ডিতনীৰ ভাষাত "এটা গছৰ মূঢ়া"ত পৰিণত কৰিছে।

উপন্যাসখনত আজিৰ যুগত বাৰ্ধক্য সমস্যাটোৰ এটা কৰুণ কাৰণ হিচাপে দেখুৱাইছে "জেনেৰেশ্যন গেপ"ক। দিলীপৰ বৃদ্ধ দেউতাক আৰু দিলীপৰ সন্তানৰ মাজত যিটো পুৰুষৰ ব্যৱধান, সেইটোৰ বাবেও দিলীপৰ দেউতাক নিসংগহীনতাত ভুগিছে। তাৰ উপৰি কৰ্মব্যস্ততাৰ লগতে উচ্চ শিক্ষাই গাঁৱৰ প্ৰতি মানুহৰ এটা অনীহাৰ মনোভাৱেই আজিৰ যুগত মানুহৰ বাৰ্ধক্যৰ সমস্যাক অধিক জটিল কৰি তুলিছে। উপন্যাসখনত কাশীৰাম পণ্ডিতৰ জৰিয়তে এই কথাটোকে ক'ব বিচৰা হৈছে। আজিও পূৰ্বৰ গাঁৱলীয়া সমাজ পদ্ধতিয়ে থকা চহা লোক এজনৰ পৰিয়ালত বাৰ্ধক্যৰ সমস্যা ইমান উৎকট ৰূপত দেখা নাযায়। বৃদ্ধ কাশীৰাম পণ্ডিতৰ তিনিটা ল'ৰাৰ কোনোটিয়েই দিলীপৰ দৰে উচ্চ শিক্ষিত হৈ গাঁও এৰিবলগীয়া নহ'ল। পৰম্পৰাগত গাঁৱলীয়া পদ্ধতিতে আৰু গাঁৱতে থকা তেওঁৰ পুতেক-বোৱাৰীয়েকহঁতে সেয়েহে তেওঁক মৰম-স্নেহ, শুশ্ৰূষা কৰিবলৈ সক্ষম হয়। কাশীনাথ পণ্ডিতৰ নিজৰ ভাষাত "হাকিম মনচুপ হ'ব পৰা হ'লে সিহঁতো নিশ্চয় সুখী নহ'লহেঁতেন, কিন্তু কপালত নাছিল কাৰণে সিহঁতে বোপা ককাৰ বৃত্তিটোকে ধৰি গাঁৱৰ মাটি কামুৰি থাকিবলগীয়া হোৱাত বুঢ়াকালত মোৰ সুখ হৈছে।" গাঁৱৰ বলোৰাম ঠিকাদাৰৰ পুতেকহঁত ডাক্তৰ, ইঞ্জিনিয়াৰ হৈ গাঁৱৰ ঘৰ এৰি বিলাত ফেৰাত হৈ বিদেশত থকাত বুঢ়াৰ মৰিশালী যেন ঘৰখনত মৃত্যুৰ বাবে বাট চাই থকাৰ বাহিৰে আৰু একো নোহোৱা অৱস্থালৈ আঙুলিয়াই দি পণ্ডিতে কৈছে— "আমাৰ দিনৰ বুঢ়া কাল এনেকুৱা নাছিল, মানুহে মৰিবলৈ ভয় কৰিছিল। কিন্তু বুঢ়া হ'বলৈ ভয় কৰা নাছিল, এতিয়া যুগৰ পৰিৱৰ্তন এনেকৈ হ'ব ধৰিছে যে মানুহে মৃত্যুতকৈ বুঢ়া কালকহে বেছি ভয় কৰা হৈছে।"

সিপাৰলৈ যোৱাৰ ডাকৰ অপেক্ষা কৰি বিচনাত পেচাবৰ সৈতে লেটি লৈ শুই থকা বাপেকৰ কাষত বহি দিলীপে উপলব্ধি কৰিছে বৃদ্ধ অৱস্থা আৰু মৃতুৱে কাকোৱেই কেতিয়াও ক্ষমা নকৰে, ই আহিবই। ডেকাকালত আটাইতকৈ বেগী ঘোঁৰাটোত উঠি আকাশলৈ চেকুৰ মাৰিব খোজা দিলীপৰ কল্পনাৰ ৰাজকোঁৱৰ তেওঁৰ দেউতাকে আজি নিজৰ পেচাব আৰু বিষ্ঠা লেটিলৈ বাৰ্ধক্যৰ নিৰ্মম হাতোৰাৰ আঁচোৰত ক্ষত-বিক্ষত হৈ পৰি আছে। মৃত্যুমুখী দেউতাকৰ দৰে প্ৰৌঢ়তাৰ কাষ চপা দিলীপো অসহায়। দিলীপৰ দেউতাকে বিচাৰে পুতেক নাতি-নাতিনীৰ প্ৰাণৰ পৰশ। দিলীপে বিচাৰে তেওঁ তেওঁৰ দেউতাকৰ প্ৰতি থকা কৰ্তব্য আৰু দেউতাকৰ আজন্ম আত্মদানৰ প্ৰতিদান দিবলৈ। কিন্তু আধুনিক কৰ্মব্যস্ত দিলীপ আৰু তেওঁৰ পুত্ৰ পৰিবাৰে দেউতাকৰ প্ৰতি থকা কৰ্তব্য আৰু দেউতাকৰ আজন্ম আত্মদানৰ প্ৰতিদান দিবলৈ। কিন্তু আধুনিক কৰ্মব্যস্ত দিলীপ আৰু তেওঁৰ পুত্ৰ পৰিবাৰে দেউতাকৰ প্ৰতি থকা কৰ্তব্যখিনি ঠিকমতে কৰিব নোৱাৰে বা পৰা নাই। তাতেই প্ৰজন্মৰ ব্যৱধানৰ সমস্যাৰ বাবে আমাৰ পৰম্পৰাগত সমাজত "ককা আৰু নাতি ল'ৰা"ৰ মাজৰ যিটো মৰম, কোমল মধুৰ সম্পৰ্ক সেইটো চহৰত বাস কৰা দিলীপৰ পুত্ৰ কন্যা আৰু দিলীপৰ দেউতাকৰ মাজত হৈ উঠা নাই। এইখিনিতে কবি নৱকান্ত বৰুৱাৰ এটি কবিতাৰ পংক্তিলৈ মনত পৰিছে য'ত তেওঁ আশা কৰিছে বৰ্তমানৰ মানুহৰ শান্তি কেৱল পৰম্পৰাগত সমাজ ব্যৱস্থাতহে

পোৱা যাব। মানুহে শান্তি বিচাৰি পাব তাতেহে—

"আমাৰ কাৰণে যদি শান্তি আছে আশা আছে
চিৰ শিশু মানুহৰ মহামূঢ়তাত
তামোলৰ পিকসনা আইতাৰ
জধলা চুমাত।"

আধুনিক সমাজ ব্যৱস্থাই, আধুনিক পৰিৱৰ্তনমুখী নতুন প্ৰজন্মৰ বাবে যেন আজি আমাৰ সমাজত বাৰ্ধক্যৰ সমস্যাৰ এটা ভয়াৱহ সমস্যাৰূপে দেখা দিছে।

বৰগোহাঞিদেৱে 'অস্তৰাগ' উপন্যাসখনত কেৱল বাৰ্ধক্য সমস্যাটো প্ৰকট কৰি দেখুওৱা নাই। ইয়াত 'বাৰ্ধক্য আৰু মৃত্যু'ক এক বিশেষ দৃষ্টিভংগীৰে অংকন কৰা হৈছে। ইয়াত বাৰ্ধক্যক এক মানৱ জীৱনৰ অংশ হিচাপে ক'ব বিচৰা হৈছে। ড° শৰ্মাই দিলীপক বাৰ্ধক্য অবিহনে মৃত্যু মানৱৰ কাৰণে এক অসহনীয় যন্ত্ৰণা বা অধিক বেদনাদায়ক হ'লহেঁতেন বুলি বুজনি দিছে। বাস্তৱ দৃষ্টিৰে চালেও এই কথাটো ওলাই পৰে। ডেকা কালত হঠাৎ দুৰ্ঘটনাত পতিত হৈ কাৰোবাৰ মৃত্যু হ'লে, সেই মৃত্যু হয় অতিকৈ বেদনাদায়ক আৰু ক্ষতিকাৰক। কিন্তু জীৱনৰ সকলো কৰ্তব্য শেষ কৰি যেতিয়া বাৰ্ধক্য কালত উপনীত হৈ কোনোবাই চিৰ বিদায় লয়, সেই মৃত্যু সিমান বেদনাদায়ক নহয়। গতিকে ড° শৰ্মাৰ সৈতে একমত হৈ আমিও ক'ব পাৰো যে মৃত্যু অবিহনে যিদৰে মানৱ জীৱন আমনিদায়ক এক অন্তহীন যাত্ৰাত পৰিণত হ'ব, ঠিক তেনেদৰে বাৰ্ধক্য অবিহনে মৃত্যুও হ'ব এক নাৰকীয় যন্ত্ৰণা।

বৰগোহাঞিদেৱে ব্যক্তিগত অভিজ্ঞতালব্ধ কাহিনীকে তেওঁৰ উপন্যাসৰাজিত অংকন কৰিছে তেওঁৰ অনন্য সাধাৰণ দৃষ্টিভংগীৰে। উপন্যাসিকৰ নিজত্ব জীৱন দৰ্শন যিমান মহৎ হয়, তেওঁৰদ্বাৰা বিৰচিত উপন্যাস কলাও সিমান মহৎ শিক্ষা কৰ্মৰূপে পৰিগণিত হয়। বৰগোহাঞিদেৱৰ ক্ষেত্ৰতো এই কথাটো প্ৰযোজ্য। বৰগোহাঞিদেৱৰ মহৎ জীৱন দৰ্শনৰ পৰিচয় তেওঁৰ উপন্যাস ৰাজিত প্ৰতিফলিত হৈছে। মানৱ দৰদী এইগৰাকী উপন্যাসিকৰ মানৱ জীৱনৰ প্ৰতি, বিশ্ব প্ৰকৃতিৰ প্ৰতি থকা অগাধ প্ৰেম 'অস্তৰাগ'ৰ লগতে 'পিতাপুত্ৰ', 'সুবলা', 'মৎস্যগন্ধা' আদি উপন্যাসত প্ৰকাশ পাইছে। ক্ষণভংগুৰ এই ক্ষুদ্ৰ জীৱনক মানুহে মহত্বৰ জীৱনলৈ পৰিগণিত কৰিব পাৰে। মানৱ জীৱন ক্ষণভংগুৰ হ'লেও প্ৰকৃতি চিৰন্তন। মৃত্যুৰ পিছত এই অনন্ত জগতৰ মাজতে মানুহ জীয়াই থাকিব পাৰে অনন্ত কাললৈ। এনে ধাৰণাৰ প্ৰতিফলনে বৰগোহাঞিদেৱৰ উপন্যাসৰাজি অসমীয়া সাহিত্যত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ❑







# মাৰ্ক্সবাদ আৰু বিষ্ণুৰাভা

✍ সবিতা কলিতা
সহকাৰী অধ্যাপিকা
দৰ্শন বিভাগ

মাৰ্ক্সবাদৰ লগত বিষ্ণু ৰাভাৰ সম্পৰ্ক ব্যাখ্যা কৰাৰ আগতে বিষ্ণু ৰাভাৰ জীৱন সম্পৰ্কে কিছু আলোচনা কৰাটো নিশ্চয়কৈ প্ৰয়োজনীয়। অসমৰ সমাজ জীৱনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰা ব্যক্তিসকলৰ ভিতৰত শংকৰদেৱৰ পিছতেই ৰাভাদেৱে বিশেষ স্থান দখল কৰি আছে। সংস্কৃতিৰ স'তে মানুহৰ সম্পৰ্ক আৰু শোষণৰ বিৰুদ্ধে শিল্পীৰ কৰিবলগীয়া কৰ্তব্যবোধৰ কথা ৰাভাদেৱে তেওঁৰ কৰ্মৰ মাজেৰে বিশ্লেষণ কৰি নিজকে নতুন অসমৰ খনিকৰৰূপে প্ৰতিষ্ঠা কৰি গৈছে।



১৯০৯ চনৰ ৩১ জানুৱাৰীত ঢাকা মহানগৰীৰ সেনা ছাউনীত ৰাভাদেৱৰ জন্ম হৈছিল। মাক গেথীবালা ৰাভা আৰু পিতৃ গোপাল চন্দ্ৰ ৰাভা। পিতৃ আছিল দ্বিতীয় আসাম ৰাইফলছ বাহিনীৰ চুবেদাৰ মেজৰ। ৰাভাৰ যিহেতু ঢাকাত জন্ম হৈছিল সেয়েহে তেওঁ তাতেই বাংলা ভাষাত শিক্ষা আৰম্ভ কৰিছিল। কিছুদিন উৰ্দুভাষাতো অধ্যয়ন কৰিছিল। তাৰ পিছত তেজপুৰত শিক্ষা আৰম্ভ কৰে। এইদৰে বিভিন্ন ঠাইত পঢ়া-শুনা কৰি ১৯৩১ চনত তেওঁ ছাত্ৰ জীৱনৰ সামৰণি মাৰে।

মাৰ্ক্সবাদে ৰাভাদেৱৰ জীৱনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰাই নহয় তেওঁৰ উদ্‌ভ্ৰান্ত জীৱনলৈ সুস্থিৰতাও কঢ়িয়াইছিল। প্ৰথম পত্নীৰ মৃত্যুৰ পিছত তেওঁৰ চঞ্চল তথা উদ্‌ভ্ৰান্ত জীৱনলৈ গাম্ভীৰ্যতা কঢ়িয়াই আনিছিল মাৰ্ক্সবাদী মতাদৰ্শৰ কমিউনিষ্ট কৰ্মী আৰু নেতাসকলৰ সাহচৰ্যই। ৰাভাৰ জীৱনৰ এক ব্যাপক অংশ ৰাজনীতিয়ে দখল কৰি আছে। ৰাজনীতিত তেওঁৰ অৱস্থিতি বিভিন্ন লেখনিৰ জৰিয়তে ঠিক কৰি গৈছে। তেওঁৰ ৰাজনৈতিক লেখনিবোৰৰ প্ৰধান হ'ল— 'সমাজতন্ত্ৰবাদ হ'লে কি লাভ', 'মে' দিৱস', 'ছোচিয়েলিষ্ট সমাজ আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য', 'ডাইলেকটিক', 'ৰাজনীতি', 'বিপ্লৱ', 'লেনিন', 'আন্তৰ্জাতিক', 'মাৰ্ক্সীয় অৰ্থনীতি' আদি ৰাভাৰ ৰাজনীতিৰ প্ৰধান আদৰ্শই আছিল মাৰ্ক্সবাদ। যাৰ বাবে পিতৃৰ শ শ বিঘা মাটি দুখীয়া কৃষকৰ মাজত বিলাই দি নিজৰ মাজত থকা মানৱীয়তা আৰু দেশপ্ৰেমিক তথা সাম্যবাদী আদৰ্শ দাঙি ধৰিছিল। ৰাভাই দুখীয়া ৰাইজৰ মাজত নিজকে বিলীন কৰি দি সুখ অনুভৱ কৰিছিল। ১৯৪৫ চনৰপৰা ৰাইজৰ মাজত জপিয়াই পৰি বহু সভা-সমিতিযোগে ৰাইজৰ প্ৰতি থকা কৃতজ্ঞতা জ্ঞাপন কৰিছিল। তেতিয়াৰপৰাই ভাৰতৰ বিপ্লৱী সাম্যবাদী দলৰ লগত একাত্ম হৈ ৰাইজক মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তি নিয়োগ কৰিছিল। কমিউনিষ্ট পাৰ্টিত যোগদান কৰাৰ পিছত ৰাভাৰ জীৱনলৈ ৰাজনৈতিক দুৰ্যোগৰ প্ৰবল ধুমুহা আহিছিল। চৰকাৰী ৰোষৰ বলি হৈ ৰাভাই আত্মগোপন কৰিবলগীয়া হৈছিল।

মাৰ্ক্সবাদত দীক্ষিত কমিউনিষ্ট পাৰ্টিৰ হৈ ৰাইজৰ বাবে সংগ্ৰাম কৰা ৰাভাই তেওঁৰ ৰচনাৱলীত উল্লেখ কৰিছে যে কৃষক বনুৱাৰ

মুক্তিৰ মূলমন্ত্ৰ আছে সাম্যবাদী দৰ্শনত। এই সাম্যবাদী দৰ্শনৰ প্ৰথম পদক্ষেপ হ'ল সমাজতন্ত্ৰবাদ। সমাজতন্ত্ৰবাদ সম্পৰ্কত ৰাভাৰ ব্যাখ্যা আছিল— "সমাজতন্ত্ৰবাদ হ'লে ৰাইজৰ হাতত চৰকাৰ, কাৰখানা আদি আহিব। যি ধনীয়ে দুখীয়াক দুখ কষ্ট দিয়ে সেই ধনীক ৰাইজে নিজৰ চৰকাৰৰ সহায়ত নিজৰ পঞ্চায়ত ৰাইজৰপৰা নোহোৱা কৰিব। কাৰখানাবোৰক ধনীৰ হাতৰপৰা কাঢ়ি লৈ কাৰখানাৰ সহায়ত ৰাইজে কম সময়ত বেছি বস্তু উৎপাদন কৰিব পাৰিব। তাৰ ফলত সুখে-শান্তিৰে থাকিব পাৰিব, মানুহৰ দৰে ভাবিবলৈ আজৰি পাব" কালমাৰ্ক্সৰ প্ৰসংগ টানি আনি ৰাভাদেৱে লিখিছে যে "সমাজতন্ত্ৰই সকলোকে পিটি সমান কৰি দিব, প্ৰত্যেকৰেই প্ৰয়োজন আৰু ব্যক্তিগত জীৱন সমান সমান আৰু এক কৰি দিব এনে ধাৰণা ভুল। সমতা বুলি কওতে মাৰ্ক্সে ইয়াকেই বুজাইছে যে সমাজত শ্ৰেণীবিভাগ লোপ পাব। মাৰ্ক্সবাদে মানুহ বা মানুহৰ সমাজক প্ৰকৃতিৰ অংশ বুলিহে বিচাৰ কৰে।

বিষ্ণুৰাভাৰ সৃষ্টিৰাজিৰ মাজত প্ৰকাশ পোৱা চিন্তা চেতনা আৰু বৌদ্ধিক জাগৰণৰপৰা বুজিব পাৰি যে তেওঁ মাৰ্ক্সবাদ অতি গুৰুত্ব সহকাৰে অধ্যয়ন কৰিছিল। সাম্যবাদী দৰ্শনেই আছিল তেওঁৰ ৰাজনৈতিক দৰ্শন। ভাৰতৰ স্বাধীনতা আন্দোলনত ৰাভাদেৱে সহযোগ কৰিছিল কিন্তু সেই আন্দোলন পৰিচালনা কৰিব বিচাৰিছিল সাম্যবাদী আদৰ্শেৰে।

১৮১৮ খৃষ্টাব্দত জাৰ্মানীৰ এক উচ্চ বংশত জন্মগ্ৰহণ কৰা কাৰ্লমাৰ্ক্সে পৃথিৱীৰ ইতিহাসৰ সমুদ্ৰ মন্থন কৰি জগতত যি নতুন বৈপ্লৱিক আৰু বৈজ্ঞানিক চিন্তাৰ প্ৰবাহ বোৱাই দি নিপীড়িত অৱহেলিতসকলৰ মুকুতিৰ পথৰ সম্ভেদ দি গ'ল, সেই দলিত পীড়িতসকলৰে দৰদীস্বৰূপে ৰাভাদেৱে জীৱনত অশেষ কষ্ট ভূগিলে, গীত ৰচিলে, নাটক কৰিলে।

মাৰ্ক্সীয় দৰ্শনত গভীৰ আস্থা থকা বিপ্লৱী বিষ্ণুপ্ৰসাদে কাৰ্লমাৰ্ক্সৰ লগতে বিভিন্ন মাৰ্ক্সীয় দাৰ্শনিকসকলৰ লেখা অধ্যয়ন কৰি সুপণ্ডিত হৈ উঠিছিল। তেওঁ অনুভৱ কৰিছিল আৰু প্ৰাণেৰে উপলব্ধি কৰিছিল যে বৈষম্যৰ ভাব সমাজৰপৰা দানৱীয় শোষণ, অত্যাচাৰ, উৎপীড়ন আদি ধ্বংস কৰিব নোৱাৰিলে, সাংস্কৃতিক সমাজ এখনৰ পাতনি কেতিয়াও হ'ব নোৱাৰে। সত্য, সুন্দৰ আৰু সাম্যৰ পূজাৰী ৰাভাদেৱ আৰু তেওঁৰ অনুগামী নিপীড়িত, নিৰ্যাতিত, উপবাসী, কাৰাবাসী, অন্নহীনৰ বাবে প্ৰকৃত মুকুতি-ভুকুতি আৰু প্ৰগতিৰ বাবে যি সপোন দেখিছিল সেই সপোনকেই বাস্তৱত ৰূপ দিবলৈ জঁপিয়াই পৰিছিল বিপ্লৱৰ অগ্নিশিখাত। তেওঁৰ সাহিত্য, সংগীত, কলা সকলোতে সাম্যবাদৰ মহান আদৰ্শ ৰূপায়িত হৈছে। মানুহৰ মাজত উচ্চ-নীচ, ভেদা-ভেদ তেওঁ কোনোদিনেই দেখা নাপালে, জনগণৰ মাজত দেখা পালে কলা-কৃষ্টিৰ সাত সমুদ্ৰৰ প্ৰবাল মণি-মুকুতা।

মাৰ্ক্সবাদ সৰ্বহাৰাৰ জীৱন সম্পৰ্কীয় কেৱল অনুভূতি আৰু আৱেগ নহয়, নৈতিকতাৰ উত্তেজনা নহয় নাইবা কিছুমান সিদ্ধান্তও নহয়। ই হৈছে এটা পদ্ধতি পৃথিৱীক বুজিবৰ বাবে আৰু পৃথিৱীক পৰিৱৰ্তন কৰাৰ বাবে। মাৰ্ক্সবাদৰ ভিত্তিত যদিও বিজ্ঞান ইয়াৰ উৎস, কিন্তু হৃদয়হে আচল। মাৰ্ক্সে কৈছিল, "পৃথিৱী" সমস্ত পৃথিৱীখনেই মানুহৰ; যি মানুহে উৎপাদন কৰে। সামগ্ৰিকভাৱে চাবলৈ গ'লে মানুহৰ আত্মা হৈছে সৰ্বহাৰা মানুহৰ জীৱনৰ দুখ যাতনা। ❑





# গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি
## (Five Laws of Library Science)

✍ হীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য,
গ্ৰন্থাগাৰিক

ড° শিয়ালী ৰামমৃত, ৰংগনাথক ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ বুলি কোৱা হয়। তেখেতে ইউনিৰ্ভাচিটি অব লণ্ডন স্কুল অব্ লাইব্ৰেৰিয়ানশ্বিপপৰা গ্ৰন্থাগাৰ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰে। লণ্ডনত থকা কালত তেখেতে বিভিন্ন গ্ৰন্থাগাৰ পৰিদৰ্শন কৰে আৰু তাত দেখা নীতি আৰু ব্যৱহাৰিক দিশসমূহ কেনেকৈনো মূল সূত্ৰৰে সাধাৰণ ৰূপ দিব পাৰি তাৰ চিন্তাত নিমগ্ন হয়। এই পৰ্যবেক্ষণ আৰু চৰ্চাৰ ফলস্বৰূপে ১৯২৮ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰিক হৈ থকা কালতে তেখেতে গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি প্ৰণয়ন কৰে। এই পঞ্চবিধি হ'ল—

১। গ্ৰন্থ ব্যৱহাৰৰ কাৰণে (Books are for use)
২। প্ৰতিজন পাঠকৰ কাৰণে (Every Reader his/her Book)
৩। প্ৰতিখন গ্ৰন্থৰ কাৰণে পাঠক (Everybook it's Reader)
৪। পাঠকৰ সময় বচোৱা (Save the time of the reader)
৫। গ্ৰন্থাগাৰ এক বৰ্ধনশীল জীৱ (অনুষ্ঠান) (Library is a growing organism)

১। **গ্ৰন্থ ব্যৱহাৰৰ কাৰণে ঃ** এই "গ্ৰন্থ" শব্দটোৰে ড° ৰংগনাথনে সমগ্ৰ পঠন সামগ্ৰী যেনে— গ্ৰন্থ, আলোচনী, খবৰ-কাগজ আৰু বৰ্তমান সময়ত প্ৰচলিত ইলেকট্ৰনিক্স সামগ্ৰী ইত্যাদিকে বুজাইছে। গ্ৰন্থ ব্যৱহাৰৰ কাৰণেহে। ই সংৰক্ষণৰ কাৰণে নহয়। অতীজত গ্ৰন্থ ব্যৱহাৰৰ সলনি সংৰক্ষণতহে বেছি গুৰুত্ব দিয়া হৈছিল। ৰজা-মহাৰজা, অভিজাত পৰিয়াল বা ধৰ্মীয় অনুষ্ঠান, মন্দিৰ ইত্যাদিত কিতাপ সংৰক্ষণ কৰি ৰাখিছিল। ইয়াক জনসাধাৰণে ব্যৱহাৰ কৰিব নোৱাৰিছিল। মুষ্টিমেয় কিছুমান লোকেহে ইয়াক ব্যৱহাৰ কৰিব পাৰিছিল। ছপাযন্ত্ৰ উদ্ভাৱনৰ পিছত এই গ্ৰন্থ উৎপাদন সহজ হৈ পৰিল আৰু ইয়াৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। গ্ৰন্থাগাৰৰ মূল উদ্দেশ্যই হৈছে গ্ৰন্থৰ ব্যৱহাৰ বঢ়োৱা।

জনসাধাৰণে সহজতে পাব পৰা বা যাব পৰা ঠাইত গ্ৰন্থাগাৰ নিৰ্মাণ হ'ব লাগে আৰু ইয়াক আটক ধুনীয়াকৈ সজাই ল'লে পঢ়ুৱৈসকল গ্ৰন্থাগাৰৰ প্ৰতি আকৰ্ষিত হৈ পৰে। শান্ত পৰিৱেশ, মুকলি বতাহ আৰু পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা থকা গ্ৰন্থাগাৰৰ প্ৰতি পঢ়ুৱৈৰ আকৰ্ষণ বৃদ্ধি হয়। ৰাজহুৱা গ্ৰন্থাগাৰ জনসমাৱেশ থকা ঠাইত, স্কুল-কলেজৰ গ্ৰন্থাহাৰ শিক্ষাৰ্থীৰ লক্ষ্যস্থানত আৰু চৌহদৰ মধ্যম স্থানত স্থাপন হ'ব লাগে। গ্ৰন্থাগাৰৰ কাৰ্য বেলিকাও পাঠকৰ উপযোগী হ'ব লাগে। পাঠকৰ অনুপযোগী অৰ্থাৎ গ্ৰন্থাগাৰলৈ যাব নোৱাৰা সময়ত গ্ৰন্থাগাৰ মুকলি কৰি ৰাখিলে তাৰপৰা কোনেও সেৱা লাভ কৰিব নোৱাৰে। গ্ৰন্থাগাৰৰ কিতাপ ৰখা ৰেক্সমূহ নিকা, সুবিধাজনক আৰু মজবুত হোৱা ভাল। গ্ৰন্থাগাৰৰ কৰ্মচাৰীৰ বিশেষ অৰ্হতা আৰু গুণৰ প্ৰয়োজন। কৰ্মচাৰীসকল নম্ৰ আৰু পাঠক বৎসল হ'ব লাগে। পাঠকৰ সেৱাই গ্ৰন্থাগাৰ কৰ্মচাৰীৰ ধৰ্ম হোৱা উচিত।

২। **প্ৰতিজন পাঠকৰ কাৰণে ঃ** এই বিধিয়ে পাঠকৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ ওপৰত গুৰুত্ব দিছে। প্ৰত্যেক পাঠকে তেওঁলোকৰ প্ৰয়োজনীয় কিতাপ পোৱাটো এটা জন্মগত অধিকাৰ বুলিয়ে ক'ব পাৰি।

প্ৰাচীন কালত গ্ৰন্থাগাৰত সৰ্বসাধাৰণৰ প্ৰৱেশৰ অধিকাৰ নাছিল। গণতন্ত্ৰ প্ৰৱৰ্তনৰ ফলত দেশৰ শাসন আৰু উন্নয়নত জনসাধাৰণ অংশীদাৰ হৈ পৰিল। সফল গণতন্ত্ৰ আৰু ইয়াৰ প্ৰগতিৰ কাৰণে শিক্ষিত, জ্ঞান আৰু দক্ষ নাগৰিকৰ আৱশ্যক। জ্ঞানী আৰু দক্ষ নাগৰিক গঢ়িবলৈ হ'লে শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাটো আৰু প্ৰত্যেক শিক্ষানুষ্ঠানত এটা উচ্চমানৰ গ্ৰন্থাগাৰ প্ৰতিষ্ঠা কৰাটো

চৰকাৰ আৰু সমাজৰ দায়িত্ব।

আৱশ্যকীয় সমস্ত গ্ৰন্থ ক্ৰয় কৰাৰ সামৰ্থ্য কোনো গ্ৰন্থাগাৰৰে নাই। যিহেতু গ্ৰন্থাগাৰ এক আৰ্থিক লাভহীন ব্যয়বহুল প্ৰতিষ্ঠান। সেয়েহে সীমিত আৰ্থিক সম্বলেৰে যাতে যথোপযুক্ত আৰু প্ৰয়োজনীয় গ্ৰন্থহে ক্ৰয় কৰা হয় তাৰ প্ৰতি সচেতন হোৱা দৰকাৰ। সকলো গ্ৰন্থাগাৰতে পাঠকৰ প্ৰয়োজনীয়তাই অগ্ৰাধিকাৰ পাব লাগে। পাঠক চাহিদাবিহীন গ্ৰন্থ সংগ্ৰহ এক অপচয়হে মাত্ৰ। আচলতে পৰ্যাপ্ত আৰু দক্ষ কৰ্মচাৰীৰ যোগেদিহে প্ৰতিজন পাঠকৰ কাৰণে গ্ৰন্থ সম্ভৱ হয়। আনহাতে প্ৰত্যেক গ্ৰন্থাগাৰতে প্ৰসংগ সেৱা (Reference Service) থকাটো অতি জৰুৰী। প্ৰসংগ সেৱা থকা গ্ৰন্থাগাৰত পাঠকসকলে তেওঁলোকৰ মনৰ পছন্দৰ কিতাপ পোৱাত সহজ হয়।

পাঠকৰ প্ৰয়োজনীয় সকলো পঠন সামগ্ৰী এটা গ্ৰন্থাগাৰত নথকাটোৱে স্বাভাৱিক। এই অভাৱ পূৰণ কৰিবলৈ স্থানীয়ভাৱে গ্ৰন্থাগাৰবিলাকে বুজাবুজিৰে পৰস্পৰৰ মাজত গ্ৰন্থভাগ বটোৱাৰা (Inter-Library Loan)ৰ ব্যৱস্থা কৰি পাঠকক প্ৰয়োজনীয় গ্ৰন্থ লাভ কৰাত সহায় কৰিব পাৰে।

প্ৰতিটো গ্ৰন্থাগাৰৰ সেৱাসমূহ বা সুবিধাসমূহ সকলো পঢ়ুৱৈৰ দৃষ্টি গোচৰৰ ব্যৱস্থা কৰিব লাগে।

৩। **প্ৰতিখন গ্ৰন্থৰ কাৰণে পাঠক ঃ** এই বিধিয়ে গ্ৰন্থাগাৰ এটাৰ প্ৰত্যেকখন গ্ৰন্থৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। একো একোখন গ্ৰন্থৰ সৃষ্টি হয় একোজন লিখকৰ বহুত কষ্ট আৰু জীৱনজোৰা অধ্যৱসায়ৰ ফলত। গতিকে প্ৰত্যেকখন গ্ৰন্থৰে মূল্য আছে। সেয়েহে গ্ৰন্থাগাৰৰ প্ৰত্যেকখন গ্ৰন্থই যাতে উপযুক্ত পাঠকৰ হাতত পৰে তাৰ ব্যৱস্থা কৰাটো গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীৰ দায়িত্ব। বিভিন্ন পন্থা অৱলম্বন কৰি প্ৰত্যেক গ্ৰন্থই পাঠক প্ৰাপ্তিৰ ব্যৱস্থা কৰিব পৰা যায়। তাৰ ভিতৰত মুক্ত প্ৰৱেশ (Open access) ব্যৱস্থা অতি উত্তম। মুক্ত প্ৰৱেশ ব্যৱস্থাই পাঠকক সংগ্ৰহৰ মাজলৈ সোমাবলৈ স্বাধীনতা প্ৰদান কৰে। গ্ৰন্থাহাৰত একেই বিষয়ৰ গ্ৰন্থবোৰ সংলগ্নভাৱে সজাই লখা হয়। পাঠকে মনে বিচৰা গ্ৰন্থখন নাপালেও বিকল্পৰূপত আন এখন গ্ৰন্থ লৈ সন্তুষ্টি লাভ কৰিব পাৰে। নতুন সংগ্ৰহৰ তালিকা পাঠকৰ দৃষ্টিগোচৰ কৰি; নতুন সংগ্ৰহৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি আৰু সচৰাচৰ পাঠকৰ নজৰত নপৰা অব্যৱহৃত গ্ৰন্থৰ সাময়িক প্ৰদৰ্শনী পাতিও গ্ৰন্থৰ ব্যৱহাৰ বঢ়াব পাৰি। প্ৰসংগ সেৱাৰেত গ্ৰন্থৰ প্ৰতি পাঠকৰ হাবিয়াস বঢ়াব পাৰি। নতুন সদস্য এটা গ্ৰন্থাগাৰলৈ প্ৰথমতে আহোতে তেওঁলোকক গ্ৰন্থাগাৰৰ নিয়ম কানুন বা সুবিধাসমূহ বা কিতাপবোৰ সজোৱাৰ ধৰণ আদি বুজাই দিব লাগে। (Orientation or Reader's Advisory Service)

৪। **পাঠকৰ সময় বচোৱা ঃ** সময় অমূল্য সম্পদ। গ্ৰন্থাগাৰলৈ অহা প্ৰত্যেকগৰাকী পাঠক ব্যস্ত লোক। পাঠকৰ প্ৰয়োজনীয়তা পূৰণত লেহেম কৰা অনুচিত। পাঠকৰ সময় বচোৱাৰ কাৰণে গ্ৰন্থাগাৰত ভালেমান কাৰ্যকৰী ব্যৱস্থা থাকে। শ্ৰেণী বিভাজন আঁচনি অনুসৰি ৰেকত গ্ৰন্থ সজোৱা, সুসংহত কেটেলগ্ ব্যৱস্থা, প্ৰসংগ সেৱা আদি অনেক উপায়েৰে বিলম্বৰোধ কৰিব পাৰি। কম্পিউটাৰৰ ব্যৱহাৰে পাঠকৰ সময় বচোৱা কাৰ্য অধিক সহজসাধ্য কৰি তুলিছে। মুক্ত প্ৰৱেশ ব্যৱস্থাই পাঠকৰ সময় বচোৱাত বহুত সহায় কৰে। কাৰণ ইয়াৰ যোগেদি মাজৰ মানুহ নোহোৱাকৈয়ে পাঠকে নিজ হাতেৰে গ্ৰন্থ লাৰি-চাৰি চাই নিৰ্বাচন কৰিব পাৰে। গ্ৰন্থ বিতৰণ (issue/return) প্ৰণালীও সূচল হোৱা উচিত। গ্ৰন্থাগাৰত পৰ্যাপ্ত পৰিমাণৰ ফলক (placard/guide/label) ব্যৱহাৰ কৰিলে পঢ়ুৱৈয়ে কিতাপ সোনকালে বিচাৰি উলিওৱাটো সহজ হয়।

৫। **গ্ৰন্থাগাৰ বৰ্ধনশীল জীৱ (অনুষ্ঠান) ঃ** জীৱজগতৰ অংগবোৰৰ নিচিনা গ্ৰন্থাগাৰো বৰ্ধনশীল। কেঁচুৱা এটা দৈহিকভাৱে আৰু মানসিকভাৱে যিদৰে বাঢ়িবলৈ ধৰে তেনেদৰে গ্ৰন্থ, পাঠক, কৰ্মচাৰী আৰু আচবাব আদিৰ বৃদ্ধিও স্বাভাৱিক আৰু তেনেকৈয়ে গ্ৰন্থাগাৰ এটাৰ কলেবৰ বৃদ্ধি হ'বলৈ ধৰে। বয়সত পূৰ্ণতা লাভৰ পিছত জীৱনৰ দৈহিক বিকাশ ৰোধ হয়, কিন্তু গ্ৰন্থাহাৰৰ বৰ্ধন কেতিয়াও ৰোধ নহয়। সংগ্ৰহৰ কলেবৰ, পাঠক, সেৱা সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰয়োজ কৰা নতুন প্ৰযুক্তি, কৌশল, কৰ্মচাৰী আৰু পৰিৱেশৰ পৰিৱৰ্তিত চাহিদাই এই বৰ্ধন নিশ্চিত কৰে।

গ্ৰন্থাগাৰ প্ৰতিষ্ঠানৰ মুহূৰ্তৰপৰাই দূৰদৰ্শিতা আৰু সু-আঁচনিৰ অতি প্ৰয়োজন। গ্ৰন্থাগাৰ ভৱনটো অতি পৰিকল্পিতভাৱে বান্ধিব লাগে যাতে ভৱিষ্যতে দীঘলে-পুতলে ওপৰ ফাললৈ সম্প্ৰসাৰণ কৰিব পৰা যায়। কম্পিউটাৰৰ ব্যৱহাৰে গ্ৰন্থাগাৰৰ সময় বচোৱাৰ উপৰিও ঠাই বচোৱা আৰু কৰ্মচাৰীৰ সংখ্যা বঢ়োৱাতে সহায় কৰিব।

ড° ৰংগনাথৰ এটা ৫ টা বিধি সাধাৰণতে গ্ৰন্থাগাৰৰ কৰ্মচাৰী গ্ৰন্থাগাৰিক আৰু প্ৰশাসনৰ প্ৰতি পৰামৰ্শ আৰু নিৰ্দেশনাৰ দৰে। এই ৫ টা বিধি অনুসৰি যদি এটা গ্ৰন্থাহাৰ চলোৱা হয় তেতিয়া গ্ৰন্থাগাৰটোৱে সফলতা লাভ কৰিব বুলি নিশ্চিত হ'ব পাৰি। সেৱাৰ মনোভাৱ এটা দৃঢ়ভাৱে লৈ যদি কামত আগবঢ়া যায় তেন্তে সফল নোহোৱাৰ কোনো প্ৰশ্নই থাকিব নোৱাৰে। □

**প্ৰাসংগিক গ্ৰন্থপঞ্জী ঃ**

*ক) ডেকা, অনিল, গ্ৰন্থাগাৰ বিজ্ঞানৰ ৰূপৰেখা, গুৱাহাটী, অন্তৰীপ, ২০০৩। খ) ৰংগনাথন, এচ্ আৰ. ফাইফ ল' অব্ লাইব্ৰেৰী চাইন্স, ২য় সংস্কৰণ, বেঙ্গালোৰ ঃ এচ্ আৰ ই. এল.এচ, ১৯৯৬। গ) কুমাৰ কিষান, লাইব্ৰেৰী মেনুৱেল, ৪ ৰ্থ সংস্কৰণ, নতুন দিল্লী বিকাশ, ১৯৯১। ঘ) লেনধিয়াৰ, বি; অনুবাদ— ভট্টাচাৰ্য, চন্দ্ৰেশ্বৰ, পুথিভঁৰালৰ সামাজিক ভূমিকা, গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৭০।*





# নাৰী নিৰ্যাতন ঃ এক চমু অৱলোকন

✍ ড° মীনা কুমাৰী দেৱী
সহযোগী অধ্যাপিকা,
অৰ্থনীতি বিজ্ঞান বিভাগ

নাৰী নিৰ্যাতন মানৱ সভ্যতাৰ এক অবাঞ্ছিত অধ্যায়। ই মানৱ সভ্যতা বিকাশৰ প্ৰায় সমান্তৰালভাৱে ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পাই আহিছে বুলি ক'ব পৰা যায়। অৱশ্যে যুগে যুগে ইয়াৰ প্ৰকাশ তথা গূঢ়তা ভিন্ন ভিন্ন হোৱাৰ বহুতো উদাহৰণ আছে আৰু বৰ্তমানো ইয়াৰ ব্যতিক্ৰম নহয়। স্ত্ৰী-পুৰুষৰ মাজত সম মৰ্যাদাৰ অভাৱেই নাৰী নিৰ্যাতনৰ মূল ভেঁটি। মানৱ সভ্যতাৰ পাতনিতে নাৰী-পুৰুষৰ মাজত ভেদা-ভেদ নাছিল। উভয়ে স্বাধীনভাৱে জীৱিকাৰ সন্ধানত খাদ্য আদি সংগ্ৰহৰ বাবে প্ৰকৃতিৰ বুকুত স্বাধীনভাৱে বিচৰণ কৰিছিল। কিন্তু কালক্ৰমত কৃষিকৰ্মৰ আৱিষ্কাৰ হোৱাত মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ ধৰিলে; সামাজিক জীৱনৰ সূত্ৰপাত হয়; ৰোপন হ'ল ব্যক্তিগত পৰিয়াল, ব্যক্তিত্ব সম্পত্তি আদিৰ ধাৰণা আৰু সূচনা হ'ল শ্ৰমবিভাজনৰ। শ্ৰম বিভাজনে লাহে লাহে নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতাৰ পথ ৰুদ্ধ কৰিবলৈ ধৰিলে। পৰিণতিত নাৰী হৈ পৰিল পুৰুষৰ ওপৰত নিৰ্ভৰশীল। শাৰীৰিক গঠন আৰু ক্ৰিয়া-কলাপৰ ভিত্তিত নাৰীয়ে পুৰুষৰ তুলনাত কিছু অসুবিধাজনক পৰিস্থিতিৰ লগত মোকামিলা কৰিব লগা হোৱাত নিজকে অৱলা দুৰ্বলা বুলি ভাবিবলৈ আৰম্ভ কৰিলে। পুৰুষসকলেও নাৰীৰ এই ধ্যান-ধাৰণাৰ সুযোগ গ্ৰহণ কৰি নাৰীক সন্তান উৎপাদনকাৰী যন্ত্ৰ তথা ভোগৰ সামগ্ৰী হিচাপে গণ্য কৰিবলৈ ধৰিলে। নাৰী পুৰুষ যে একে মানৱ সত্তা এই ধাৰণাৰ বিলুপ্ত হয়। নাৰীয়ে সমাজত নিম্ন মৰ্যাদা পাবলৈ ধৰিলে আৰু বিভিন্ন স্তৰত আৰম্ভ হ'ল নাৰী-নিৰ্যাতন। নিজৰ ঘৰখনৰপৰাই আৰম্ভ কৰি সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক, ধৰ্মীয় আদি প্ৰায় সকলো ক্ষেত্ৰতে নাৰীয়ে ভিন্ন প্ৰকাৰে নিৰ্যাতনৰ বলি হ'বলৈ বাধ্য হ'ল। আৰু এই পৰম্পৰা ধাৰাবাহিকভাৱে আজি পৰ্যন্ত চলি আছে। নাৰী যে অকল পুৰুষৰদ্বাৰাহে নিৰ্যাতিত হয় এনে নহয়। বহুক্ষেত্ৰত নাৰীয়েও নাৰী নিৰ্যাতনৰ লগত জড়িত হৈ থকা দেখা যায়। আধুনিক বৈজ্ঞানিক সভ্যতাই মানুহৰ জীৱন ধাৰণৰ ক্ষেত্ৰত আশ্চৰ্যজনক পৰিৱৰ্তন সাধিছে কিন্তু নাৰীৰ প্ৰতি সৃষ্টি হোৱা নিম্ন মৰ্যাদাৰ পৰিৱৰ্তন সাধিবলৈ সক্ষম হোৱা নাই। যাৰ বাবে আজিৰ বৈজ্ঞানিক সভ্যতাৰ যুগতো নাৰীয়ে শাৰীৰিক, মানসিক নাইবা যৌন নিৰ্যাতনৰ ভুক্তভোগী হৈয়েই আছে। ই কেতিয়াও মানৱ সভ্যতাৰ অগ্ৰগতিৰ শুভ লক্ষণ নহয়। এই সত্যৰ উপলব্ধিৰ ভিত্তিতেই নাৰী নিৰ্যাতনৰ বিৰুদ্ধে নাইবা নাৰীৰ সমমৰ্যাদা প্ৰাপ্তিৰ বাবে সমগ্ৰ বিশ্বত প্ৰায় শতিকাজোৰা আন্দোলন অব্যাহত আছে, কিন্তু ফলপ্ৰাপ্তি হোৱা বুলি ক'ব পৰা নাযায়। দেশীয়, আন্তৰ্জাতিক আদি বিভিন্ন পৰ্যায়ত এইক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে, অনুষ্ঠান-প্ৰতিষ্ঠান গঢ় লৈ উঠিছে, প্ৰতিবাদী আন্দোলন, প্ৰতিবাদী দিৱস উদ্‌যাপন কৰা হৈছে, কিন্তু নাৰী নিৰ্যাতন হ্ৰাস হোৱাৰ পৰিৱৰ্তে বাঢ়িহে আছে বুলি ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত প্ৰকাশ পাইছে। আমাৰ ভাৰতবৰ্ষতো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। আমাৰ দেশৰ কেন্দ্ৰীয় চৰকাৰৰ নাৰী আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ তথ্যৰপৰা জানিব পৰা যায় যে আমাৰ দেশত প্ৰতি ৫৪ মিনিটত এটা ধৰ্ষণ, ৪৩ মিনিটত এটা অপহৰণ, ২৫ মিনিটত এটা যৌতুকৰ বাবে বোৱাৰী হত্যা হয়। আমেৰিকাৰ দৰে উন্নত দেশতো প্ৰতি ৪ টা পৰিয়ালৰ এটাত নাৰী নিৰ্যাতন এক স্বাভাৱিক ঘটনাত পৰিণত হৈছে। পৃথিৱীৰ প্ৰতি তিনিগৰাকী মহিলাৰ ভিতৰত এগৰাকী নিৰ্যাতিত হয় অতি আপোনজনৰ হাতত বা স্বামীৰ হাতত।

পুৰুষ প্ৰধান সমাজৰ ধ্যান-ধাৰণা চিন্তা-চৰ্চা নাইবা ধৰ্মীয় ৰীতি-নীতি আদিৰ ভিত্তিত গঢ় লৈ উঠা মানসিকতাৰ বাবে নাৰী জাতিয়েও নাৰী নিৰ্যাতনৰ বিৰদ্ধে আজিও সচেতন হৈ উঠা নাই আৰু শিক্ষিত-অশিক্ষিত সকলো শ্ৰেণীৰ নাৰীয়ে নিৰ্যাতনৰ বলি হৈ আছে। পৰিয়াল বা নিজৰ মান-মৰ্যাদা হানিৰ ভয়ত নাইবা মৰম-চেনেহৰ বান্ধোনত নাৰীয়ে প্ৰায়েই সকলো ধৰণৰ নিৰ্যাতন সহি যায়, ব্যক্ত নকৰে নাইবা আইনী ব্যৱস্থাৰ আশ্ৰয় ল'বলৈ ইচ্ছা প্ৰকাশ নকৰে।

বৰ্তমানৰ মুদ্ৰাভিত্তিক অৰ্থনীতি নাইবা সমাজ ব্যৱস্থাই নাৰীসকলক ঘৰখন পৰিচৰ্যাৰ মাজত আবদ্ধ নাৰাখি বাহিৰলৈ ওলাই যোৱাৰ প্ৰেৰণা যোগাইছে সঁচা, কিন্তু কৰ্মস্থলীও নাৰী নিৰ্যাতনৰপৰা মুক্ত নহয়। কৰ্মস্থলীত প্ৰায়ে সহকৰ্মী বা প্ৰশাসনীয় যন্ত্ৰৰদ্বাৰা যৌন নিৰ্যাতনৰ মুখামুখি হ'ব লগা হয়। যাৰ ফলত অৰ্থ উপাৰ্জনৰ তাগিদাতকৈ নিৰাপত্তা অধিক গুৰুত্বপূৰ্ণ হৈ উঠে। ইয়াৰে পৰিণতিত নাৰীসকল হ'ল দাৰিদ্ৰতম শ্ৰেণীৰ ব্যক্তি। অৰ্থনৈতিক দাসত্ব নাৰী নিৰ্যাতনৰ এটা প্ৰধান কাৰণ আৰু ই শাৰীৰিক মানসিক আদি বিভিন্ন দিশত নিৰ্যাতন চলায়, নাৰীসকলৰ মনত হীনমন্যতাৰ সৃষ্টি কৰে আৰু প্ৰতিবাদৰ পথ ৰুদ্ধ কৰে। কৰ্মক্ষেত্ৰত নাৰী নিৰ্যাতন মানৱ অধিকাৰৰ পৰিপন্থী। ই আমাৰ দেশৰ সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰসমূহ উপভোগৰপৰা ব্যাহত কৰিছে। থোৰতে, নাৰী নিৰ্যাতনৰ এই দিশটোৰ পৰিণতি যে অতি জটিল তথা ভয়াৱহ তাত কোনো সন্দেহৰ অৱকাশ নাই।

কৰ্মস্থলীত নাৰী নিৰ্যাতন ৰোধ কৰিবলৈ নাইবা নাৰীক নিৰাপত্তা দিয়াৰ উদ্দেশ্যে তথা নাৰীক সুবিধা তথা সন্মানজনক কামৰ পৰিৱেশ প্ৰদান কৰাৰ লক্ষ্যৰে বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইবোৰৰ ভিতৰত Sexsual Harrasment At Work Place (Prevention, Prohibition and Redressal) Act, 2013 উক্ত আইনখন বিশেষভাৱে উল্লেখযোগ্য। উক্ত আইনখনে কৰ্মস্থলীত কি ভাৱে নিৰ্যাতন সংঘটিত হয় বা কৰ্মস্থলীত নাৰী নিৰ্যাতনৰ বিৰুদ্ধে ল'বলগীয়া ব্যৱস্থা আদিৰ বিষয়ে স্পষ্ট নিৰ্দেশ ডাঙি ধৰিছে।

উক্ত আইন অনুসৰি কৰ্মস্থলীত তলত উল্লেখ কৰা অবাঞ্ছিত কাৰ্যসমূহ যৌন-নিৰ্যাতন হিচাপে গণ্য কৰা হয়—

১। শাৰীৰিকভাৱে স্পৰ্শ কৰা বা স্পৰ্শ কৰাৰ চেষ্টা কৰা।

২। যৌন সম্পৰ্ক স্থাপনৰ বাবে অনুৰোধ কৰা বা বাধ্য কৰা।

৩। অশ্লীল ছবি বা কিতাপ প্ৰদৰ্শন কৰা।

৪। যৌন ৰসাত্মক মন্তব্য বা শব্দ উচ্চাৰণ কৰা।

৫। যিকোনো যৌনভংগী বা যৌন গন্তীৰ শাৰীৰিক বা মৌখিক আচৰণ বা উচ্চাৰণ কৰা বা ইংগিত দিয়া।

এইবোৰৰ উপৰিও কৰ্মক্ষেত্ৰত উদ্ভৱ হোৱা বিশেষ পৰিস্থিতি কিছুমানক যৌন নিৰ্যাতনৰ ঘটনা বুলি বিবেচিত হয়। উদাহৰণস্বৰূপে—

১। নিযুক্তি বা কামৰ বিশেষ দায়িত্ব অৰ্পণৰ ক্ষেত্ৰত দৃষ্টিকটুভাৱে যদি মহিলাক অগ্ৰাধিকাৰ দিয়া বা প্ৰাধান্য দিয়া হৈছে বুলি ধাৰণা কৰা যায়।

২। কামৰ দায়িত্ব পালনৰ ক্ষেত্ৰত যদি অবাঞ্ছিত বা অনাৱশ্যকীয়ভাৱে অসুবিধাৰ দৃষ্টি কৰা হয় বা নীতি বৰ্হিভূতভাৱে দায়িত্ব অৰ্পণ কৰা হয়।

৩। বৰ্তমানৰ কৰ্ম মৰ্যাদা বা ভৱিষ্যতৰ পদোন্নতিৰ ক্ষেত্ৰত যদি ভাবুকি প্ৰদান কৰা হয়।

৪। অবাঞ্ছিতভাৱে কামত হস্তক্ষেপ কৰিলে।

৫। মহিলা কৰ্মীৰ শাৰীৰিক বা মানসিক স্বাস্থ্য স্খলনৰ পৰিৱেশ বা পৰিস্থিতিৰ সৃষ্টি কৰিলে।

চমুকৈ ক'বলৈ হ'লে ওপৰত উল্লিখিত যিকোনো পৰিৱেশ বা পৰিস্থিতিৰ চৰকাৰী-বেচৰকাৰী বা যৌথ খণ্ডৰ যিকোনো প্ৰতিষ্ঠানতে উদ্ভৱ হ'লে, তাক যৌন নিৰ্যাতনৰ গণ্ডীৰ ভিতৰত আনি বিহিত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ উক্ত আইনখনে জাৰি কৰিছে। তদুপৰি ক্ৰীড়া প্ৰকল্প, ষ্টেডিয়াম, নাৰ্চিহোম ইত্যাদিবোৰো কৰ্মস্থলীৰ অন্তৰ্গত বুলি গণ্য কৰিছে আৰু উক্ত আইনখন ইবোৰতো প্ৰযোজ্য হ'ব বুলি উল্লেখ আছে। মুঠতে সংগঠিত অসংগঠিত সকলো পৰ্যায়ৰ কৰ্মস্থলীত নিয়োগ হোৱা সকলো ধৰণৰ মহিলা কৰ্মীয়ে উক্ত আইনখনৰ প্ৰয়োজন সাপেক্ষে আশ্ৰয় ল'ব পাৰে।

উক্ত আইনখনে কৰ্মস্থলীৰ প্ৰশাসনীয় মূৰব্বীৰ বাবে তলত উল্লেখ কৰা কৰ্তব্যবোৰ অৰ্পণ কৰিছে।

১। মহিলা কৰ্মীৰ বাবে নিৰাপদ আৰু সুবিধা তথা সন্মানজনক পৰিৱেশ তথা কামৰ অনুকূল পৰিৱেশ সৃষ্টি কৰা।

২। নাৰী নিৰ্যাতন হিচাপে গণ্য কৰা বিষয় বা ঘটনাবিলাকৰ সকলো ব্যক্তিৰ চকুত পৰাকৈ জাননী ফলক প্ৰদৰ্শন কৰা।

৩। আভ্যন্তৰীণ অভিযোগ শুনানি কমিটি Internal Complain Committee গঠন কৰা

৪। কমিটিৰ সদস্যসকলৰ নাম, ঠিকনা আৰু যোগাযোগৰ বাবে ফোন নম্বৰৰ জাননী ফলক প্ৰদৰ্শন কৰা।

৫। যৌন নিৰ্যাতনৰ ফলত অভিযুক্তই কেনেধৰণৰ শাস্তি পাব পাৰে তাৰ জাননী ফলকৰ ব্যৱস্থা কৰা বা প্ৰচাৰ কৰা।

৬। শুনানি কমিটিৰ নিৰ্দেশ অনুসৰি অভিযুক্তৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা।

৭। ভুক্তভোগীয়ে বিচৰা ধৰণে শুনানি কমিটিৰ পৰামৰ্শ অনুসৰি সহায়-সহযোগিতা আগবঢ়োৱা।

৮। শুনানি কমিটিৰ পৰামৰ্শৰ ভিত্তিত, ভুক্তভোগীয়ে নিৰ্যাতনৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি, যদি সাময়িকভাৱে ছুটী বিচাৰে নাইবা নিজৰ বা অভিযুক্তৰ অস্থায়ীভাৱে বদলি বিচাৰে তাৰ প্ৰতি সঁহাৰি জনোৱা।

মুঠতে নিৰ্যাতিতাক সৰ্বোচ্চ প্ৰকাৰে অনুসন্ধান চলি থকা সময়ছোৱাত শুনানি কমিটিৰ পৰামৰ্শ অনুসৰি নিৰাপত্তা প্ৰদান কৰা মূৰব্বীগৰাকীৰ মূল দ্বায়িত্ব।

এইখিনিতে আভ্যন্তৰীণ শুনানি কমিটিখনৰ গঠন আৰু কাৰ্যক্ষমতা সম্পৰ্কে তলত চমু আভাস দিয়া হ'ল।

আভ্যন্তৰীণ অভিযোগ শুনানি কমিটিৰ নেতৃত্বৰ বাবে অনুষ্ঠানৰ জ্যেষ্ঠ মহিলা কৰ্মী এগৰাকীক নিযুক্ত কৰিব লাগে আৰু তেওঁক Presiding Officer বুলি অভিহিত কৰা হয়। Presiding Officer গৰাকীয়ে অন্যান্য সদস্যসকলৰ সহায়-সহযোগিতাত নিৰ্যাতনৰ অভিযোগৰ সত্যতা সম্পৰ্কে ৭০ দিনৰ ভিতৰত অনুসন্ধান কৰি প্ৰতিবেদন অনুষ্ঠানৰ মূৰব্বীৰ হাতত অৰ্পণ কৰিব লাগে। মূৰব্বীয়ে কমিটিৰ নিৰ্দেশ বা পৰামৰ্শ অনুসৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাটো বা শাস্তি প্ৰদান কৰাটো বাধ্যতামূলক। কমিটিখনে অভিযোগ মিছা বুলি প্ৰমাণিত হ'লে অভিযোগকাৰীক শাস্তি বিহিত পাৰে। আনহাতে অভিযোগকাৰী আৰু অভিযুক্তক আলোচনা আদিৰ মাধ্যমত মিলামিছা বা সমিলমিল সিদ্ধান্তলৈ আনিব পাৰে। কমিটিখনত Presiding Officerঅৰ বাহিৰে সৰ্বনিম্ন দুজন সদস্য থাকিবই লাগিব। ইয়াৰে এজন অনুষ্ঠানৰ বাহিৰৰ হ'ব লাগিব আৰু তেওঁৰ নাৰীৰ প্ৰতি বিশেষ সহানুভূতি বা অভিজ্ঞতা থাকিব লাগিব। সাধাৰণতে বাহিৰৰ সদস্যগৰাকী কোনো NGO আদিৰ হোৱাটো বাঞ্ছনীয়। কমিটিখনৰ মুঠ সদস্যৰ সৰ্বমুঠ কিমান মহিলা সদস্য থাকিব লাগে তাক স্পষ্টভাৱে আইনখনে উল্লেখ কৰা নাই। নিৰ্যাতিতাই নিৰ্যাতন সংঘটিত হোৱাৰ তিনি মাহৰ ভিতৰত অভিযোগ উপযুক্ত প্ৰমাণ সহকাৰে উত্থাপন কৰিব লাগিব। অৱশ্যে নিৰ্যাতনৰ প্ৰকাৰ বা পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি অভিযোগ কৰা সময়সীমা বৃদ্ধি কৰাৰ ব্যৱস্থা নথকা নহয়। যৌন নিৰ্যাতন হোৱা বুলি উপলব্ধি কৰি মহিলা কৰ্মীৰ যিকোনো আত্মীয় ব্যক্তি বা বন্ধুবৰ্গয়ো অভিযোগ উত্থাপন কৰিব পাৰে আৰু নিৰ্যাতিতাই যদি পুলিচৰ সহায় বিচাৰে তেন্তে এই ক্ষেত্ৰত কমিটিখনে অনুষ্ঠান প্ৰতিষ্ঠানৰ মূৰব্বীক সহায়ৰ হাত আগবঢ়াবলৈ নিৰ্দেশ দিব পাৰে।

চমুকৈ ক'বলৈ হ'লে কৰ্মস্থলীত নাৰীৰ যৌন নিৰ্যাতনৰ হ্ৰাস কৰিবলৈ তথা যৌন নিৰ্যাতনৰপৰা মুক্ত কৰি মহিলাসকলৰ কৰ্মপ্ৰেৰণা বৃদ্ধি কৰিবলৈ উক্ত আইনখনে যথেষ্ট ব্যৱস্থা প্ৰদান কৰিছে। কিন্তু পৰিতাপৰ বিষয় এইয়ে যে প্ৰতিষ্ঠানৰ মূৰব্বীসকল বেছিভাগ ক্ষেত্ৰত আইনখন কাৰ্যকৰী কৰিবলৈ তৎপৰ হোৱা দেখা নাযায়। যিবোৰ ক্ষেত্ৰত কমিটিখন গঠন কৰা হয় সেইবোৰে কাৰ্যক্ষেত্ৰত নামমাত্ৰহে মাথোন। আনহাতে মহিলা কৰ্মীসকলো আইনখনৰ প্ৰতি সজাগ নহয়। পৰিচালক আৰু কৰ্মী উভয়ৰে আওকাণ কৰা মনোবৃত্তিৰ বাবে আইনখনৰ সম্ভাব্য ফলপ্ৰাপ্তি হোৱা দেখা নাযায়।

সামৰণিত ক'ব পাৰি যে নাৰী নিৰ্যাতন কৰ্মক্ষেত্ৰতেই হওঁক বা পাৰিবাৰিক বা সমাজৰ বিভিন্ন স্তৰতে হওক— ই মানৱ সভ্যতাৰ পৰিপন্থী তথা অভিশাপ। পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৱে যে ইয়াৰ কুফলৰ প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে ভূক্তভোগী তাত কোনো সন্দেহ নাই। প্ৰতিকাৰৰ বাবে আগ্ৰহী নহ'লে, সচেতন নহ'লে আইনে প্ৰতিৰোধ কৰিব নোৱাৰে যিহেতু আইন বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব পুৰুষ-মহিলা নিৰ্বিশেষে বিভিন্ন ব্যক্তিৰ হাততে অৰ্পিত হয়। আইন মাথো পথ নিৰ্দেশকহে, ফলাফল সমাজৰ প্ৰতিজনৰ ওপৰত নিৰ্ভৰশীল।□



# সাংস্কৃতিক সমন্বয়ৰ থলী— হাজো

✍ দিপংক নাৰায়ণ ঠাকুৰীয়া
প্ৰাক্তন ছাত্ৰ

কোচ, আহোম আৰু মোগল— তিনিটা প্ৰধান ৰাজবংশৰৰ শাসনৰ সময়ছোৱাত এক গুৰুত্বপূৰ্ণ ঠাই হিচাপে চিহ্নিত হোৱা হাজো এখন বৈচিত্ৰ্যপূৰ্ণ ঠাই। এসময়ত হাজোত প্ৰচলিত হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দেৱদাসী নৃত্যক অসমৰ প্ৰসিদ্ধ সত্ৰীয়া নৃত্যৰ অনুপ্ৰেৰণা বুলি বহু পণ্ডিতে মতপোষণ কৰিছে। প্ৰাচীন ভাৰতৰ বিখ্যাত ধৰ্মগুৰু শংকৰাচাৰ্য আৰু তেওঁৰ ভাতৃ প্ৰখ্যাত বৌদ্ধ ধৰ্মগুৰু ধৰ্মকীৰ্তিৰ জন্মস্থানো কোনো কোনো পণ্ডিতে হাজোতেই আছিল বুলি ক'ব খোজে। হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, কমলেশ্বৰ, জয় দুৰ্গা মন্দিৰ, কামেশ্বৰ মন্দিৰ, গণেশ মন্দিৰকে ধৰি কেইবাখনো তীৰ্থস্থানেৰে সমৃদ্ধ হাজো। এই তীৰ্থস্থানসমূহৰ উপৰি পাখামেলা গোসাঁই, দুমুখীয়া গোসাঁইথান আদি আৰু বহু ধৰ্মীয় ক্ষেত্ৰ হাজোত আছে। মহাপুৰুষ শংকৰদেৱৰ নিৰ্দেশানুসৰি তেওঁৰ প্ৰিয়শিষ্য মহাপুৰুষ মাধৱদেৱে ছমাহ থাকি স্থাপন কৰা হাজোৰ ঐতিহাসিক 'ধোপৰগুৰি' সত্ৰও অসমৰ এখন উল্লেখযোগ্য সত্ৰ। এই সত্ৰতে আছে গুৰুজনাৰ পৱিত্ৰ 'পদচিহ্ন' যুগল। এইসমূহ পবিত্ৰ তীৰ্থস্থানৰ উপৰি হাজোৰ আন এক গৌৰৱৰ স্থান হ'ল 'পোৱামক্কা' দৰগাহ। সন্তপুৰুষ গিয়াছুদ্দিন আউলিয়াৰ স্মৃতিত স্থাপিত আৰু পৱিত্ৰ মক্কাৰ কাহিনীৰ সৈতে বিজড়িত পোৱামক্কা সমগ্ৰ বিশ্বৰ ইছলামধৰ্মী ৰাইজৰ বাবে এখন পবিত্ৰ পূণ্যভূমি। পোৱামক্কা দৰ্শন কৰিলে পবিত্ৰ মক্কাৰ চাৰিভাগৰ এভাগ পূণ্য অৰ্জন কৰিব পাৰি বুলি মানুহে আজিও বিশ্বাস কৰে। মাঘ মাহত হোৱা অগণন তীৰ্থযাত্ৰীৰ সমাৱেশৰ বাবে এই স্থানত হোৱা অনুষ্ঠানক 'মাঘী মেলা' হিচাপে অভিহিত কৰা হৈছিল। মাঘৰ দোমাহীৰ দিনাৰপৰা আৰম্ভ হয় তীৰ্থযাত্ৰীৰ লানি নিছিগা সোঁত। মাঘৰ দোমাহীৰ দিনা হয়গ্ৰীৱ মাধৱ মন্দিৰত অনুষ্ঠিত হয় বিখ্যাত 'বুলবুলি চৰাই'ৰ যুঁজ। মাঘ বিহুৰ কেইদিন হাজোৰ প্ৰতিটো চ'কতে জ্বলোৱা হয় প্ৰকাণ্ড গাগছৰ ডালপাতেৰে একোটা 'ধুনি'। 'ধুনি'ৰ জুইৰ উত্তাপ লৈ তাৰ চাৰিওকাষে অনুষ্ঠিত হয় নাৰিকল যুঁজ, কণী যুঁজ ইত্যাদি। গোটেই মাঘৰ মাহটোত তীৰ্থযাত্ৰীয়ে হাজোত ভিৰ কৰি থাকেহি। একেদৰেই একে সময়তে হাজোৰ আন এক উল্লেখযোগ্য ধৰ্মীয় অনুষ্ঠানো আৰম্ভ হয়। সেয়া হৈছে ঐতিহ্যমণ্ডিত 'পোৱামক্কা' দৰগাহৰ পবিত্ৰ 'উৰুচ মেলা'। সমন্বয়ৰ বাতাবৰণ সৃষ্টিৰ উদ্দেশ্যেৰেই 'পোৱামক্কা' দৰগাহত উৰুচ মেলাৰ আয়োজন কৰা হয়। এইখিনিতে আৰু এক উল্লেখযোগ্য কথা এয়ে যে এই মাঘ মাহৰ সময়তে চুবুৰীয়া ভূটানৰপৰা ভূটীয়াসকলো হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ আহে। ভূটীয়াসকলে হয়গ্ৰীৱ মাধৱ মন্দিৰক বৌদ্ধ ধৰ্মৰ এখন তীৰ্থস্থান বুলি গভীৰভাৱে বিশ্বাস কৰে। এনেদৰে হাজো মাঘৰ সময়ত হিন্দু, ইছলাম আৰু বৌদ্ধধৰ্মৰ তীৰ্থযাত্ৰীৰ মহামিলনৰ পবিত্ৰভূমিত পৰিণত হয়। স্বাভাৱিকতে সম্প্ৰীতিৰ মিলনতীৰ্থলৈ ৰূপান্তৰ হোৱা হাজোৰ এই ধৰ্মীয় মেলাক এক সাংগঠনিকভাৱে পৰিচালনা কৰি হাজোক আৰু অধিক উজলাই তুলিবলৈ আৰু হাজোৰ মহামিলনৰ মহান বাণী সমগ্ৰ বিশ্বৰ আগত বিয়পাই দিবলৈ ১৯৯২ চনত সমগ্ৰ ৰাইজে এটা নতুন কাম আৰম্ভ কৰিলে। ১৯৯২ চনত সমগ্ৰ ভাৰতত যেতিয়া ধৰ্মীয় উত্তেজনাই সাম্প্ৰদায়িক ৰূপ ধাৰণ কৰিছিল, সেই তেতিয়া হাজোৰ সমন্বয়ৰ বাণীৰে সমাজত শান্তি-শৃংখলা বজাই ৰাখিবলৈ এক বলিষ্ঠ বাতাবৰণ সৃষ্টি কৰিছিল। হাজোৰ সামাজিক-সাংস্কৃতিক দিশত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা 'মণিকূট সাহিত্য সমাজ'ৰ উদ্যোগত এই প্ৰচেষ্টাক সাৰ্থকৰূপ দিবলৈ পৰিকল্পনা কৰা হ'ল। হাজোৰ মাঘীমেলাক 'মণিকূট উৎসৱ' হিচাপে নতুনকৈ নামকৰণ কৰা হ'ল। উৎসৱ পৰিচালনা কৰিবলৈ মণিকূট সাহিত্য সমাজে ৰাইজৰ সহযোগত এখন পৰিচালনা সমিতি গঠন কৰিলে। প্ৰথমবাৰ গঠন হোৱা এই সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে ড° প্ৰবীণ চন্দ্ৰ দাস আৰু বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়া। মূল সমিতিৰ স'তে আৰু নখন উপ-সমিতিও গঠন কৰা হৈছিল। এই উৎসৱত আয়োজন কৰা প্ৰদৰ্শনীৰ জৰিয়তে হাজোৰ কুটীৰ শিল্পসমূহৰ প্ৰচাৰৰো ব্যৱস্থা কৰা হৈছিল। আজি বিভিন্ন ঠাইত একোটা মহোৎসৱ পাতি অঞ্চলটোক বিভিন্নভাৱে আকৰ্ষণৰ ব্যৱস্থা কৰাৰ যি প্ৰচেষ্টা আৰম্ভ হৈছে, সেই একে প্ৰচেষ্টা ১৯৯২ চনতে হাজোত 'মণিকূট উৎসৱ'ৰ জৰিয়তে মণিকূট সাহিত্য সমাজে আৰম্ভ কৰিছিল। এই মণিকূট উৎসৱৰে এটা প্ৰধান অংশ হ'ল 'সমন্বয় শোভাযাত্ৰা'— যি শোভাযাত্ৰা হ'ল হাজোৰ সমন্বয়ৰ জ্বলন্ত নিদৰ্শন, যিয়ে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰে যে হাজোৰ সমন্বয়ৰ বাৰ্তা কৃত্ৰিম নহয়, ইয়াৰ আছে এক ঐতিহাসিক সুদৃঢ় ভেঁটি। কথিত আছে, অতি পুৰণি দিনত পোৱামক্কা দৰগাহ পৰিচালনা সমিতিৰ মুৰব্বী অৰ্থাৎ খাদিমগৰাকীয়ে তেওঁৰ লগৰীয়া সদস্যবৰ্গক লৈ মাঘৰ এক তাৰিখে পদব্ৰজে মাধৱ মন্দিৰলৈ আহে আৰু মাধৱ মন্দিৰৰ দলৈ তথা অন্যান্য পৰিচালনা সমিতিৰ সদস্যসকলক লগ ধৰি বিহুৰ শুভেচ্ছা জনায় আৰু মত বিনিময় কৰে। ১৯৯২ চনত এই ঐতিহাসিক সভ্যতাৰ ওপৰত ভেঁটি কৰি আৰম্ভ কৰা হয় 'সমন্বয় শোভাযাত্ৰা'ৰ; যাৰদ্বাৰা সমগ্ৰ 'মণিকূট উৎসৱ'কে এক মিলনৰ থলী হিচাপে পৰিণত কৰিবলৈ প্ৰয়াস কৰা হয়। কিন্তু বিভিন্ন কাৰণত এই উদ্দেশ্য সাৰ্থক হোৱা দেখা নগ'ল যদিও বিগত কেইবছৰমানৰপৰা হাজো আঞ্চলিক ছাত্ৰ সন্থা আৰু উন্নতি সভাৰদ্বাৰা এই উৎসৱৰ এক অন্যতম কাৰ্যসূচী 'সমন্বয় শোভাযাত্ৰা'ৰ আয়োজন সফলভাৱে কৰি অহা হৈছে। ❑





# পদ্মনাথ গোহাঞিবৰুৱা আৰু তেওঁৰ সৃষ্টিৰাজি

✍ জাহ্নৱী দাস
সহকাৰী অধ্যাপিকা (অংশকালীন)
অসমীয়া বিভাগ

উনবিংশ শতিকাৰ শেষ ভাগত যিকেইগৰাকী সাহিত্যসেৱীয়ে সাহিত্যৰ সেৱা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভেঁটি সুদৃঢ় কৰিবলৈ যত্নপৰ হৈছিল তেওঁলোকৰ ভিতৰত 'পদ্মনাথ গোহাঞিবৰুৱা' অন্যতম। অসমীয়া ভাষা-সাহিত্যৰ এক যুগ সন্ধিক্ষণত তেওঁৰ জন্ম হৈছিল। প্ৰাচীন সম্ভ্ৰান্ত এটি আহোম পৰিয়ালত 'পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম হয়। 'মোৰ সোঁৱৰণী'ত 'গোহাঞিবৰুৱাই' নিজৰ জন্ম সম্পৰ্কে কৈছে—

'ঘিণাৰাম গোহাঞিবৰুৱা দেউতা আৰু লক্ষ্মীদেৱী আইতাৰ পৰম পৱিত্ৰ মিলনৰ ফলস্বৰূপে উত্তৰ লখিমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাঁৱৰ ১৭৯৩ শকৰ ২৯ আঘোন মঙ্গলবাৰে মাজনিশা মোৰ জন্ম বুলি মোৰ সোঁৱৰণী বা জন্ম পত্ৰিকাত লিখা আছে, তাতে কন্যাৰাশিস্থিত শ্ৰীপদ্মনাথ বুলি মোৰ নামকৰণ লিপিবদ্ধ হৈছে।' (গোহাঞিবৰুৱা, পৃঃ ২)

মৌজাদাৰৰ ঘৰৰ ল'ৰা হিচাপে পদ্মনাথে বৰ উলহ-মালহেৰে ল'ৰালি দিনবোৰ অতিবাহিত কৰিছিল। স্থানীয় উত্তৰ লক্ষীমপুৰৰ চহৰীয়া পঢ়াশালিত ১৮০১ শকত আঠ বছৰ বয়সত গোহাঞিবৰুৱাৰ বিদ্যাৰম্ভ হয়। কহিমা হাইস্কুলৰপৰা ১৮১০ শকত তৃতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত কহিমা গৱৰ্ণমেণ্ট ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক পদত নিযুক্ত হয়। ১৮৯৬ চনৰ ২৬ ডিচেম্বৰ তাৰিখে কহিমাৰপৰা বদলি হৈ আহি তেজপুৰ নৰ্মাল স্কুলৰ প্ৰধান শিক্ষকৰ কাৰ্যভাৰ গ্ৰহণ কৰে। তাতে কাম কৰি থাকোঁতেই পিতৃ-মাতৃৰ আদেশ মতে জাঁজী চাউদাং বৰুৱাৰ ঘৰৰ জীয়ৰী 'লীলাৱতী'ক বিয়া কৰায়। লীলাৱতীৰ মৃত্যুৰ পিছত তেওঁ "হীৰাৱতী" নামে আন এগৰাকী কন্যাক বিয়া কৰায়।

অনাৰেৰী মেজিষ্ট্ৰেট হৈ থাকোতে ১৯৩১ চনৰপৰা 'গোহাঞিবৰুৱা' হাৰ্ণিয়া ৰোগত আক্ৰান্ত হয় আৰু ১৯৪৬ চনৰ ২০ এপ্ৰিলত তেজপুৰতেই নৰদেহ পৰিত্যাগ কৰে।

'পদ্মনাথ গোহাঞিবৰুৱা'ৰ সৃষ্টিৰাজিৰ গভীৰতা আৰু অসমীয়া সাহিত্যৰ প্ৰতি কৰা অৰিহণাক কোনেও নুই কৰিব নোৱাৰে। অসমীয়া সাহিত্য জগতত লক্ষ্মীনাথ বেজবৰুৱাই 'ৰসৰাজ' উপাধি পাইছিল। আনহাতে, গোহাঞিবৰুৱাক 'পিতামহ' হিচাপে অভিহিত কৰা হৈছে। ব্ৰিটিছ চৰকাৰেও তেখেতৰ অৰিহণাৰ প্ৰতি সন্মান জনাইছিল আৰু স্বীকৃতিস্বৰূপে ১৯৩৩ চনত 'ৰায়বাহাদুৰ' উপাধিৰে সন্মানিত কৰিছিল। তেওঁ ১৯১৭ চনৰ অসম সাহিত্য সভাৰ প্ৰথম সভাপতি তথা অসমৰ প্ৰথম সাহিত্যিক পেঞ্চনাৰ। কোনো ব্যক্তি বিশেষে এনেবোৰ উপাধি আৰু স্বীকৃতি এনেয়ে নাপায়। সঁচাকৈয়ে তেখেতৰ অৰিহণা আৰু সৃষ্টিৰাজিক জাতীয় জীৱনৰ বিকাশৰ সমল নিহিত থাকিব লাগিব।

'গোহাঞিবৰুৱা' একেধাৰে ঔপন্যাসিক, নাট্যকাৰ আৰু কবি আছিল। ইয়াৰ বাহিৰেও সামগ্ৰিকভাৱে অসমীয়া সাহিত্যৰ বিকাশৰ ভেটি মজবুত কৰিছিল। তেখেতৰ প্ৰথমখন উপন্যাস 'ভানুমতী' ছোৱাছোৱাকৈ 'বিজুলী' আলোচনীৰ মাজেৰে ১৮৯০-৯১ চনত প্ৰকাশ পায়। তাৰ পিছত ১৮৯২ চনত দ্বিতীয় উপন্যাস 'লাহৰী' প্ৰকাশ পায়। গোহাঞিবৰুৱাৰ দুয়োখন উপন্যাসৰ মূলতে মানৱীয় প্ৰেম জড়িত হৈ আছে। তেওঁৰ 'ভানুমতী' বিয়োগাত্মক আৰু 'লাহৰী' মিলনাত্মক উপন্যাস।

তেখেতৰ কেইবাখনো কাব্যগ্ৰন্থও আমি পাওঁ। তেওঁৰ জাতীয় 'লীলাৱতী'ৰ মৃত্যু স্মৰণ কৰি সাংসাৰিক, আধ্যাত্মিক, দাৰ্শনিক





ভাৱধাৰাৰ অনুপম সমাৱেশেৰে অমিত্ৰাক্ষৰ ছন্দৰ অসমীয়া খণ্ডবাক্য 'লীলা' (১৮৯৯) চনত ৰচনা কৰে। তেখেতৰ আন এখন কবিতাৰ পুথি হ'ল 'জুৰণি' (১৯০০)। এই কবিতা পুথিখনিয়ে তেওঁৰ কবি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তেখেতৰ ওপৰত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ বিদ্যমান। ৰবীন্দ্ৰনাথৰ 'কণিকা' আৰু 'ক্ষণিকা'ৰ আদৰ্শ চকুৰ আগত ৰাখি তেওঁ 'জুৰণি'ৰ কবিতাবোৰ ৰচনা কৰিছিল। অৱশ্যে আন কবিৰ প্ৰভাৱো তেওঁৰ ওপৰত নপৰাকৈ থকা নাছিল।

অসমৰ ইতিহাসৰ পৃষ্ঠাৰপৰা গুৰুত্বপূৰ্ণ চৰিত্ৰসমূহ সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিবলৈ তেওঁ ইতিহাস সন্নিৱিষ্ট নাটক লিখিছিল। তেওঁৰ ঐতিহাসিক নাটক চাৰিখন হ'ল— 'জয়মতী' (১৯০৭), 'সাধনী' (১৯১১) আৰু 'লাচিত বৰফুকন' (১৯১৫)।

প্ৰতিখন নাটকতেই ত্যাগ আৰু জাতীয়তাবোধৰ বাণী নিহিত হৈ আছিল। কেৱল বুৰঞ্জীমূলক চৰিত্ৰই নহয়; পুৰাকাহিনীৰ আলমতো তেখেতে নাটক ৰচনা কৰিছিল। তেওঁৰ একমাত্ৰ পৌৰাণিক নাটখন হ'ল 'বাণৰজা' (১৯৩৩)।

'ঐতিহাসিক' আৰু 'পৌৰাণিক' নাটক লিখাৰ লগতে তেওঁ হাঁহিৰ খোৰাক দিবলৈও চেষ্টা কৰিছিল। 'লক্ষ্মীনাথ বেজবৰুৱা'ই তাহানিয়ে কৈ গৈছিল অসমীয়া মানুহে হাঁহিব নাজানে। খুব তাৎপৰ্যপূৰ্ণ কথা। গোহাঞিবৰুৱাই ভালদৰে উপলব্ধি কৰিছিল যে — মানুহৰ মন আনন্দ-স্ফূৰ্তিত থাকিলেহে কৰ্মপ্ৰেৰণা পায়. উৎসাহিত হয় আৰু সেইবাবেই তেওঁ প্ৰহসনধৰ্মী লঘু নাটক ৰচনা কৰিছিল। তেওঁৰ প্ৰহসন তিনিখন হ'ল— 'গাওঁবুঢ়া' (১৮৯৭), 'টেটোন তামুলি' (১৯০৯) আৰু 'ভূত নে ভ্ৰম' (১৯২৪)। গাওঁবুঢ়া নাটকখনে সেইসময়ৰ অসমীয়া মানুহৰ অৰ্থনৈতিক দুৰৱস্থা সুন্দৰভাৱে দাঙি ধৰিছিল। ঠিক তেনেদৰে 'টেটোন তামুলি' নাটকো লৌকিক সাধুকথাৰ ভিত্তিত ৰচিত। আনহাতে 'ভূত নে ভ্ৰম' এখন সংস্কাৰমূলক নাটক। ইয়াৰ উপৰিও তেওঁ 'শ্ৰীকৃষ্ণ' আৰু 'গীতাসাৰ' আপুৰুগীয়া গ্ৰন্থ দুখন তেওঁ ভাটি বয়সত ৰচনা কৰে।

অসমীয়া মানুহক মানসিকভাৱে সৱল কৰি তোলাই নহয়, অসমীয়া ভাষা-সাহিত্যৰ হকে কাম কৰিবলৈ আনকো সুযোগ দিছিল। কলিকতাত থকা সময়ছোৱাত তেখেতে 'কৃষ্ণপ্ৰসাদ দুৱৰা'ৰ সৈতে লগ হৈ ১৮৯০ চনত 'বিজুলী' নামেৰে মাহেকীয়া আলোচনা এখন প্ৰকাশ কৰিছিল। অসমলৈ উভতি আহি তেওঁ ১৯০১ চনত 'আসাম বন্তি' নামৰ সাপ্তাহিক কাকতখন প্ৰকাশত আগভাগ লৈছিল। আনহাতে ১৯০৭ চনত গোহাঞিবৰুৱাই 'ঊষা' নামেৰে আনখন মাহেকীয়া আলোচনী প্ৰকাশ কৰে। যিয়ে অসমীয়া সাহিত্যত নতুন যুগৰ সূচনা কৰে।

গোহাঞিবৰুৱাৰ বহুমুখী কৰ্মময় জীৱন কেৱল সাহিত্যচৰ্চাতে সীমাবদ্ধ আছিল তেনে নহয়, এজন কৃতী শিক্ষক, সমাজ সংগঠক আৰু সংস্কাৰক হিচাপেও তেখেতে যথেষ্ট বৰঙণি আগবঢ়াইছিল। নিজৰ বন্ধু ফণীন্দ্ৰ নাথ গগৈৰ সৈতে মিলি অসমীয়া ছাত্ৰ-শিক্ষকৰ চাহিদা পূৰণৰ হকে বহুতো পাঠ্যপুথি ৰচনা কৰে। তেখেতে 'সাহিত্য সংগ্ৰহ', নীতি-শিক্ষা নামেৰে পাঠ্যপুথি প্ৰণয়ন কৰে। ভূগোল বিষয়ৰ 'ভূগোল-দৰ্পন' আৰু শিক্ষা বিষয়ৰ 'শিক্ষা বিধি' নামৰ পুথি সংকলন কৰে। তেওঁ ১৮৯৯ চনত 'অসম বুৰঞ্জী' পুথিখন প্ৰকাশ কৰে। বিদ্যালয় পৰ্যায়তে যে অসমীয়া ভাষা-সাহিত্যৰ বীজ অংকুৰিত হয় তেখেতে ভালদৰে উপলব্ধি কৰিছিল। ইয়াৰ উপৰিও অসম সাহিত্য সভাৰ পৰিসৰ আৰু বিস্তৃতিতো তেওঁৰ অৱদান উল্লেখযোগ্য। কহিমাত শিক্ষকতা কৰি থকাৰ কালছোৱাত তেখেতে নগা পাহাৰতো সাহিত্য সভাৰ শাখা আৰম্ভ কৰিছিল।

উল্লিখিত আলোচনাৰপৰা এটা কথা স্পষ্ট হ'ল যে— 'পদ্মনাথ গোহাঞিবৰুৱা'ৰ সৃষ্টিৰাজি তথা কৰ্মৰাজি অতুলনীয়। সংখ্যাত যদিও তাকৰ ইয়াৰ যথেষ্ট গুণগত আৰু বৌদ্ধিক মূল্য আছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ৰ পাঠ্যপুথিৰপৰা আৰম্ভ কৰি 'গাঁওবুঢ়া'ৰ দৰে গুৰুত্বপূৰ্ণ নাটক ৰচনা তথা 'বিজুলী'ৰ দৰে আলোচনী প্ৰকাশৰপৰা নগা পাহাৰত অসম সাহিত্য সভাৰ শাখা স্থাপনৰ চিন্তা কৰাটো তেখেতৰ বৰ্ণময় কৰ্মৰ উল্লেখযোগ্য দিশ। শেষত এটা কথা ভালদৰে উপলব্ধি কৰিব পাৰি যে অসমীয়া সাহিত্যৰ আজিৰ এই সুদৃঢ় অৱস্থা ক'বলৈ গ'লে 'গোহাঞিবৰুৱাৰ সৃষ্টিৰাজি আৰু কৰ্মৰাজিৰ মিশ্ৰিত ফল। তেখেতৰ অৱদানে জনসমাজত কেৱল জাতীয়তাবাদী ভাৱধাৰাৰ চিন্তা উদ্ৰেক কৰাই নহয়; অসমীয়া সাহিত্যৰ গতি আৰু দিশ নিৰূপণ কৰি আহিছে।□

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

*গোহাঞিবৰুৱা, পদ্মনাথ— 'মোৰ সোঁৱৰণী', ১৯৭১*
*ভৰালী, শৈলেন — 'অসমীয়া ঐতিহাসিক উপন্যাস', ১৯৮৭*
*মহন্ত, পোনা — 'প্ৰসংগ ঃ নাটক', ১৯৯৩*
*শৰ্মা, সত্যেন্দ্ৰনাথ — 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', ২০০৪*

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত মানৱতাবাদ

✍ জুমী বৰ্মন
সহকাৰী অধ্যাপিকা (অংশকালীন),
অসমীয়া বিভাগ

**চন্দ্ৰকুমাৰ আগৰৱালা ঃ**

'জোনাকী'ৰ নিৰ্মল পোহৰত কাব্য কানন মুখৰিত কৰি তোলা 'প্ৰতিমাৰ খনিকৰ' চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হয় ১৮৬৭ খৃষ্টাব্দত তেজপুৰ মহকুমাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মাজানত। চন্দ্ৰকুমাৰ আগৰৱালাৰ পিতৃৰ নাম আছিল হৰিবিলাস আগৰৱালা।

অসমীয়া কাব্য সাহিত্যৰ ৰোমাণ্টিক কবিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ নাম প্ৰাতঃস্মৰণীয়। 'বনকুঁৱৰী' নামৰ কবিতাটোৰ মাজেদি চন্দ্ৰকুমাৰ আগৰৱালাদেৱে অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক কবিতাৰ প্লাৱন আনে। জোনাকীৰ স্নিগ্ধ জোনাকত চন্দ্ৰকুমাৰ আগৰৱালাই ৰোমাণ্টিচিজমৰ সোণালী পথেৰে জয়যাত্ৰা আৰম্ভ কৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ পুথি দুখন— 'প্ৰতিমা' (১৯১৪) আৰু বীণবৰাগী (১৯২৩)। প্ৰতিমা আগৰৱালাৰ প্ৰথম কাব্য সংকলন। 'প্ৰতিমা' সন্দৰ্ভত বেজবৰুৱাদেৱে মন্তব্য আগবঢ়াইছিল 'প্ৰতিমাখন সৰু কিন্তু নিভাঁজ সোণৰ'। তেখেতৰ দ্বিতীয় কাব্যপুথি হ'ল 'বীণ বৰাগী'। বীণ বৰাগীত বাহ্যিক জগতৰ সৌন্দৰ্য সুষমাতকৈ কবি অন্তৰ্জগতৰ প্ৰতিহে ধাবিত হৈছে। কাব্য দুখনিয়ে চন্দ্ৰকুমাৰ আগৰৱালাৰ উজ্জ্বল কবি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। চন্দ্ৰকুমাৰ আগৰৱালা জোনাকী কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু আদৰ্শ সংস্থাপক। 'অসমীয়া', 'সাদিনীয়া অসমীয়া' আৰু 'তিনিদিনীয়া অসমীয়া' আগৰৱালাদেৱেই প্ৰতিষ্ঠা কৰিছিল আৰু পৰিচালনাও কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ বাঁহী কাকতৰ লগত চন্দ্ৰকুমাৰ আগৰৱালা নিবিড়ভাৱে জড়িত আছিল। ১৯৩৮ খ্ৰীষ্টাব্দত চন্দ্ৰকুমাৰ আগৰৱালাদেৱে ইহলীলা সম্বৰণ কৰে।



চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাসমূহক মুখ্যতঃ দুটা ভাগত ভগাব পাৰি—

(ক) প্ৰকৃতিপ্ৰীতি

(খ) মানৱধৰ্মী ভাৱাপন্ন (মানৱতাবাদী)

**মানৱতাবাদ ঃ**

মানৱতাবাদ হ'ল মানুহৰ মানসিক আৰু বৌদ্ধিক জগতত আলোড়নৰ সৃষ্টি কৰা এটা বিশেষ ধৰণৰ মতবাদ। ইউৰোপৰ নৱজাগৰণৰ ফলত মানৱতাবাদৰ জন্ম হয়। লেটিন ভাষাৰ বিশ্বজনীন গুণ থকাৰ বাবে মানৱতাবাদে অতি সহজে বিশ্বৰ জনসাধাৰণৰ মন কঁপাই তুলিবলৈ সক্ষম হৈছিল। ইউৰোপীয় নৱজাগৰণে বিশ্বৰ বৌদ্ধিক জগতত যি বৈপ্লৱিক আলোড়নৰ সৃষ্টি কৰিছিল, তাৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰিছিল। প্ৰাচীন চিন্তাধাৰাৰ প্ৰাচীৰ ভাঙি সংস্কাৰৰ মায়াজালৰ জড়তা ভাঙি পশ্চিমীয়া জ্ঞানৰ মুক্ত দুৱাৰেৰে ভুমুকি মৰাৰ প্ৰয়াস কৰিছিল। ভাৰতীয় নৱজাগৰণৰ যোগেদি পাশ্চাত্য চিন্তাজগতৰ চিন্তাধাৰাৰ পৰিস্ফুৰণ ঘটিল। যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মনৰো পৰিৱৰ্তন হয়। মানুহৰ অনুসন্ধিৎসু মনে নজনাক জানিবলৈ বিচাৰে। ইউৰোপৰ নৱজাগৰণে তৎকালীন ধৰ্ম-সংস্কাৰ, জ্ঞান-বিজ্ঞান প্ৰচলিত বিশ্বাস আৰু বৌদ্ধিক চিন্তাধাৰাৰ এক বিপ্লৱৰ সৃষ্টি কৰাৰ ফলত জ্ঞান-বিজ্ঞানৰ উৎকৰ্ষ সাধনৰ বাবে মানুহৰ চিন্তাধাৰাত নৱ মূল্যায়নৰ উন্মেষ ঘটে। তাৰ ফলস্বৰূপে মানুহে পাৰ্থিৱ জীৱন আৰু পৰমাৰ্থিক চিন্তাধাৰা যে মানুহৰে সৃষ্টি এই চৰম সত্যক উপলব্ধি কৰে। পৃথিৱীখন মানুহৰ বাবেই মানুহৰদ্বাৰাই পৰিচালিত হয় সেইকথা হৃদয়ংগম কৰিলে। মানৱতাবাদে ঈশ্বৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে মানুহৰ ব্যক্তিগত অনুভূতি, সুখ-দুখ আদি মানৱীয় সত্তাৰ ওপৰত অধিক গুৰুত্ব দিলে। ইউৰোপৰ নৱজাগৰণৰ প্ৰভাৱ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে সীমামূৰীয়া ৰাজ্য অসমতো পৰিছিল। চন্দ্ৰকুমাৰ আগৰৱালা আছিল এই নতুন চিন্তাধাৰাৰ প্ৰধান হোতা।

**চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত মানৱতাবাদ ঃ**

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ মূল আকৰ্ষণ হ'ল গভীৰ মানৱতাবাদ। মানুহৰ প্ৰতি থকা প্ৰেম ভালপোৱা আগৰৱালাদেৱৰ কবিতাৰ মূল উপজীব্য। আগৰৱালাদেৱে তেখেতৰ কবিতাত স্বৰ্গৰ দেৱতাৰ আসনত পৃথিৱীৰ মানুহক থাপন কৰিলে। কবিৰ দৃষ্টিত মানুহেই শ্ৰেষ্ঠতম দেৱতা। কবি সুন্দৰৰ পূজাৰী। তেখেতৰ মতে সত্য আৰু সুন্দৰৰ প্ৰভেদ নাই। মানৱৰ মহত্ব আৰু দেবত্ব কবিৰ মন দাপোনত প্ৰতিবিম্বিত হৈছে। তলত চন্দ্ৰকুমাৰ আগৰৱালা দেৱৰ মানৱ বন্দনা আৰু 'বীণ বৰাগী' কবিতাৰ মাজেৰে মানৱতাবাদ কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰিবলৈ যত্ন কৰা হ'ল—

**মানৱ বন্দনা কবিতাত মানৱতাবাদ ঃ**

'মানৱ বন্দনা চন্দ্ৰকুমাৰ আগৰৱালাৰ এটা উৎকৃষ্টতম মানৱতাবাদী কবিতা। কবিতাটোৰ মাজেৰে কবিয়ে মানুহ যে সকলো বস্তুৰ মূল সম্পদ তাক প্ৰতিপন্ন কৰিছে। কবিয়ে মানৱ সত্তাৰ মহত্ব উপলব্ধি কৰি মানৱৰ মাজত ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিছে। কবিয়ে মানুহক সাধাৰণ মানৱৰপৰা তুলি নি ঈশ্বৰৰ আসনত উপস্থাপন কৰিছে। কবিৰ দৃষ্টিত মানুহতকৈ আন শ্ৰেষ্ঠ দেৱতা নাই। মানৱ বন্দনাৰে পৃথিৱীখন স্বৰ্গতকৈয়ো শ্ৰেষ্ঠ বুলি অভিহিত কৰিছে। কবিয়ে কৈছে—

"মানুহেই লগ মানুহেই সংগ
মানুহেই পৰাৎপৰ
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

চন্দ্ৰকুমাৰ আগৰৱালাদেৱে মানুহৰ মহত্ব আৰু মানুহৰ প্ৰতি থকা মৰম বেথাত অভিভূত হৈ পৰিছে। কবিৰ মতে মানৱী কৰ্মৰেই মানৱী জনম উটুৱাই দিব লাগে। মানুহে মানুহৰ মৰম-ভালপোৱা বুজিব লাগে। কবিয়ে বিশ্বাস কৰে যে মানুহৰ কৰ্ম মৰমতেই মানুহৰ ধৰ্ম লুকাই থাকে। সেয়েহে কবিয়ে কৈছে—

"মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।"

কবিৰ দৃষ্টিত পৃথিৱীখনেই স্বৰ্গ। মানুহৰ নিজা ঘৰ আৰু পৃথিৱীখন স্বৰ্গতকৈয়ো অধিক শ্ৰেষ্ঠ। মানুহতকৈ শ্ৰেষ্ঠ দেৱতা নাই। সেয়ে কবিয়ে পাদ্য-অৰ্ঘ্য লই মানুহেই মানুহক পূজা কৰিবলৈ আহ্বান জনাইছে।

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।"

বীণ বৰাগী কবিতাত মানৱতাবাদ ঃ

'বীণ বৰাগী' চন্দ্ৰকুমাৰ আগৰৱালাৰ এটা অন্যতম কবিতা। এই সুদীৰ্ঘ কবিতাটোৰ মাজত ঈৰ্ষা-অসূয়া, উচ্চ-নীচৰ ভেদাভেদ আদি কপটতা পৰা সংসাৰৰ প্ৰতি তীব্ৰ বিতৃষ্ণা আৰু এখন নতুন সমাজ গঢ়াৰ বাসনা প্ৰকাশ পাইছে। কবিয়ে 'বীণ-বৰাগী'ত নিজে বৰাগীৰূপে থিয় দি প্ৰাণৰ বীণখনিক অন্তৰৰ সমস্ত দুখ-বেদনা উজাৰি দিব পৰা নিৰাপদ আশ্ৰয়স্থল বুলি অভিহিত কৰিছে।

মানৱতাৰ জয়গান গোৱা কবিয়ে কিন্তু মানুহৰ স্বাৰ্থপৰতা, নিৰ্মমতা, নিষ্ঠুৰতা দেখি বিদ্ৰোহী হৈ উঠিছে। এইখিনিতে চন্দ্ৰকুমাৰ আগৰৱালা ৰোমাণ্টিক মানৱতাবাদৰপৰা আঁতৰি আহি আধুনিক বাস্তৱবাদী সাহিত্যিকসকলৰ দৰে বাস্তৱিক মানৱতাবাদৰ কাষ চাপি অহাৰ উমান পোৱা যায়।

বাস্তৱৰ মানুহ স্বাৰ্থপৰ, নীচ মনোবৃত্তিৰ, দুৰ্বলীয়ে বলীৰ ওপৰত, নিধনীক ধনীয়ে কৰা শোষণ, অত্যাচাৰে কবি হৃদয়ত তোলপাৰ লগাইছিল। কবিয়ে অতিষ্ঠ হৈ কৈছে—

"মানুহে মানুহে পৰতকৈ পৰে
এক্কেৰি মৰমো নাই
নিছলা দুখীয়া দেখিলে ঘিণায়
ডাঙৰৰ ডাঙৰ ভেম।"

সমাজৰ উচ্চস্তৰৰ মানুহৰ ভণ্ডামী আৰু অমানৱীয় চিন্তাধাৰাৰ প্ৰতি মানৱপ্ৰেমী কবি অতি মৰ্মাহত হৈছে। কবিয়ে উপলব্ধি কৰিছে মানুহেই মানুহৰ পৰম শত্ৰু।

"কুটুমেই ৰান্ধে, কুটুমেই বাঢ়ে
কুটুমেই কুটুমক খায়
কুটুমৰ তেজেৰে বন্তি জ্বলালে
মজিয়া ভকেভকায়।"

মানুহৰ প্ৰতি মানুহে কৰা অন্যায়, অত্যাচাৰ, অবিচাৰত কবিৰ

প্ৰাণে হাহাকাৰ কৰি উঠিছে। উচ্চ-নীচৰ ভেদাভেদ, পাপ আৰু ছলনাৰ মায়া জালেৰে আৱৰা সমাজ কবিৰ কাম্য নহয়। পৃথিৱীৰ মানুহৰ মংগলৰ কাৰণে কবিয়ে সকলো কৰিব পাৰে। ধনী-দুখীয়া একাকাৰ কৰি কবিয়ে সাম্যবাদৰ সৃষ্টি কৰিব বিচাৰে। সেয়েহে কবিয়ে ঘোৰ প্ৰলয়ৰ ভয়ংকৰ দিন আহি পাপীৰ ত্ৰাস সৃষ্টি কৰাটো কামনা কৰে।

"আঙুলি বুলাব জনা হ'লে আজি
পেলালোহেঁতেন টানি"
হিমালয়ৰ চূড়া বুৰালোহেঁতেন
উচালি কলীয়া পানী।"

সংসাৰ মাত্ৰাৰ নানা ঘাত-প্ৰতিঘাতে ক্লান্ত কৰা কবিয়ে বীণৰ সুমধুৰ সুৰৰ মাজত বিচাৰি পাইছে সংসাৰৰ জালা-যন্ত্ৰণা লাঘৱ কৰিব পৰা পৰম শক্তি। সেয়েহে কবি প্ৰাণে বীণখনিতে কাতৰভাৱে নিজকে সমৰ্পণ কৰিছে এনেদৰে—

"দুখ ভাগৰৰ অন্ত তোমাতেই
সন্তাপ আঁতৰাই নিয়া
তোমাতেই আশ্ৰয়, তোমাতেই নিৰ্ভয়
তোমাতেই নিচুক হিয়া।"

মানৱ জীৱনৰ অন্ত নাই। কবিয়ে উপলব্ধি কৰিছে যে, তেওঁ সুখ, আনন্দ, নতুন পৃথিৱীৰ সন্ধান আদি বিচাৰি মিছাতে সময়বোৰ নষ্ট কৰি আছে। ইমান স্বাৰ্থ, অহংকাৰ, অনাচাৰ আদি সংসাৰখন বুৰাই পেলোৱা বাবে কবিয়ে প্ৰকৃত সত্যৰ সন্ধান পোৱা নাছিল। কিন্তু যেতিয়া কবিৰ ৰহস্যবাদী চেতনাই কবিৰ হৃদয়ত দোলা দি যায় তেতিয়া কবিয়ে উপলব্ধি কৰিছে—

"অনন্ত ভঁৰাল মোৰ
শস্য সাঁচি থওঁ
অসীমৰ পথাৰত বীজ সিঁচি দিওঁ"

অসীমৰ উপলব্ধিত কবিৰ হৃদয় প্ৰসাৰিত হৈছে। কবিৰ দৃষ্টিয়ে অনন্তৰ বাট বিচাৰি পাইছে লগতে কবিয়ে উপলব্ধি কৰিছে জীৱনৰ চৰম সত্য হৈছে মৃত্যু।

পাৰ্থিৱ জীৱনৰ দুখ-কষ্টই কবিক জুৰুলা কৰি পেলাইছে। সংসাৰৰ মানুহৰ অৰ্থনৈতিক, নিষ্ঠুৰতা, অন্যায়ৰ মনোভাৱ, ধৰ্মৰ নামত অধৰ্মৰ বেহা আদি কবিৰ অসহ্য যন্ত্ৰণাত পৰিণত হৈছে। কবিৰ হৃদয় বাৰে বাৰে হাহাকাৰ কৰি উঠিছে। সেইবাবে কবিয়ে কৈছে—

"নোৱাৰো ব'ব বেজাৰৰ ভাৰ
দিয়া পাতলাই দিয়া
গোটেই সংসাৰ দুখৰ বোজাটো
নহয় যে এলাপেচা।"

কবিয়ে আধুনিক চিন্তাধাৰাৰে প্ৰথমতে মানৱ পূজাৰ মংগল কামনা কৰি মানৱতাৰ জয়গান গাইছে। কবিয়ে পৃথিৱীক স্বৰ্গৰ থাপলৈ তুলি নি স্বৰ্গক নমাই আনিবলৈ মানুহক আহ্বান জনাইছে এনেদৰে—

"পৃথিৱীক তোলা স্বৰ্গৰ থাপলৈ
স্বৰ্গক নমাই আনা
সৰগ নহয় দূৰদূৰণিৰ
বাহিৰৰো নোহে জানা।"

শেষত কবিয়ে অজ্ঞতাৰ সাগৰ সাতুৰি-নাদুৰি দিব্য দৃষ্টিৰে পৃথিৱীখন লক্ষ্য কৰিছে। কবিৰ মন সাগৰ ধীৰে ধীৰে প্ৰভাৱান্বিত হৈ অসীমৰ সমুদ্ৰত বুৰ গৈছে। কবিৰ সত্ত্বা পৰম সত্ত্বাৰ লগত একাত্ম হৈ যোৱাত কবিয়ে কৈছে—

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
মুণ্টক আকুল মাত
মোৰ চিন্তাতেই গুড় ৰহস্যৰ
সত্য হক প্ৰতিভাত।"

তেজীমলা কবিতাত মানৱতাবাদ ঃ

চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ 'তেজীমলা' এটা উৎকৃষ্ট মানৱতাবাদী কবিতাৰ আগৰৱালাদেৱে অতি প্ৰাকৃত পৰিৱেশ সৃষ্টিৰে তেজীমলা কবিতাটো ৰচনা কৰিছে। তেজীমলাৰ করুণ কাহিনীক প্ৰকৃতিৰ ৰূপ আৰু আশ্ৰয়দাত্ৰী প্ৰেক্ষাপটত অংকন কৰা হৈছে। কবিতাটোত প্ৰকৃতিৰ মনোৰম চিত্ৰনেৰে আৰম্ভ হৈছে যদিও আৰম্ভণিৰপৰাই পাঠকৰ মনত এক করুণ সুৰ ধ্বনিত হৈছে। তেজীমলা কবিতাৰ মাজেৰে আগৰৱালাদেৱে মানুহৰ শঠতা আৰু নীচতা দেখুৱাইছে। যুগে যুগে সৰল প্ৰাণৰ মানুহে স্বাৰ্থপৰ, নীচ মনোবৃত্তিৰ মানুহৰ হাতত কেনেদৰে লাঞ্চিত, উৎপীড়িত হৈ আহিছে তাকে তেজীমলা কবিতাৰ মাজেৰে সুন্দৰকৈ প্ৰতিফলিত কৰিছে।

হৃদয়হীন মানৱ সমাজৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি তেজীমলা প্ৰকৃতিৰ বুকুত আশ্ৰয় লৈছে। প্ৰকৃতিয়ে তেজীমলাক আঁকোৱালি লৈছে আৰু প্ৰকৃতিৰ মাজতে তেজীমলাৰ নৱজীৱন আৰম্ভ হৈছে। প্ৰকৃতিৰ লগত তেজীমলা একাত্মভাৱে সোমাই পৰিছে—

"শতেক বান্ধেৰে তলীৰে সইতে
বান্ধিলে নিছিগা কৰি
ধুমুহা-বতাহে খং-ৰাগে আৰু
কিটো নো কৰিব পাৰি?"

স্বাৰ্থান্বেষী মানুহে তেজীমলাক কৰা কবি হৃদয়ত তোলপাৰ লগাইছে। তেজীমলাৰ অৱস্থা দেখি কবি শোকাভিভূত হৈ কৈছে —





"মানুহৰ চোতালত মাধুৰী ফুলিলে
মানুহে নিচিনা হায়।
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।"

হৃদয়হীন মানুহৰ নিষ্ঠুৰতাই আৰু প্ৰতাৰণাই তেজীমলাক বিদ্ৰোহীনী কৰি তুলিছে—

"হাতো নেমেলিবি ফুলো নিচিঙিবি
ক'ৰে নাৰৰীয়া তই
মানুহে ফুলৰ কিজানে আদৰ
তেজীমলাহে মই।"

মানুহে মানুহক কৰা অন্যায়ৰ প্ৰতিবাদকল্পে কবিয়ে 'তেজীমলা'ক প্ৰতিষ্ঠা কৰিছে। জীৱনৰ পূৰ্ণতা দিয়ে মানুহৰ প্ৰেমে।

"মোৰ চেতনাৰ এই অন্ধ বিশাল নদীৰ
ঘাটে ঘাটে
ফুল হৈ ফুলি ৰোৱা তেজীমলা।"

**সামৰণি ঃ**

অসমীয়া ৰোমাণ্টিক কাব্যৰ ইতিহাসত চন্দ্ৰকুমাৰ আগৰৱালা এটা উজ্জ্বল নক্ষত্ৰ। আগৰৱালা অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম প্ৰৱৰ্তক। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত ৰোমাণ্টিক কবিতাৰ প্ৰায়বোৰ লক্ষণে বিদ্যমান। তেখেতৰ প্ৰায়ভাগ কবিতাৰ কেন্দ্ৰস্থভাৱ হ'ল মানৱ প্ৰেম। মানুহৰ প্ৰতি থকা গভীৰ প্ৰেম তেখেতৰ কবিতাত প্ৰকাশ পাইছে। সেয়েহে তেখেতে মানৱতাবাদী কবিৰূপে খ্যাতি অৰ্জন কৰিছে। মানৱজীৱন ক্ষণস্থায়ী, কিন্তু প্ৰেম চিৰস্থায়ী সেই কথা কবিয়ে গভীৰভাৱে উপলব্ধি কৰিছে। কবিয়ে মানৱ প্ৰেমৰ জয়গান গাইছে। তেখেতৰ কবিতাত প্ৰকাশ পোৱা মানৱ প্ৰেমক মুহূৰ্তকালীন আকৰ্ষণ নহয়। ই কবি মনৰ এক স্বতঃস্ফূৰ্ত অনুভূতি। সুন্দৰৰ আৰাধনা আৰু মানৱ বন্দনাৰ আদৰ্শেৰে মানুহক দেৱতাৰ শাৰীত প্ৰতিষ্ঠা কৰাই আছিল কবিৰ মূল উদ্দেশ্য। মানৱ বন্দনা, বীণ বৰাগী আৰু তেজীমলা কবিতাৰ মাজত কবিৰ মানুহৰ প্ৰতি থকা গভীৰ প্ৰেম স্পষ্টভাৱে প্ৰকাশ পাইছে। মুঠতে প্ৰথম অসমীয়া ৰোমাণ্টিক কবি হিচাপে আৰু মানৱতাবাদী কবি হিচাপে চন্দ্ৰকুমাৰ আগৰৱালাদেৱে অসমীয়া কাব্য সাহিত্যৰ ভঁৰাললৈ যি উৎকৃষ্ট অৱদান দি থৈ গ'ল তাৰ বাবে তেখেত আমাৰ মাজত চিৰস্মৰণীয় হৈ থাকিব। ❑



# সুৰেন দাস মহাবিদ্যালয়ৰ মনত পৰা দিনবোৰ

✍ দ্বিজেন ভৰালী
প্ৰাক্তন ছাত্ৰ

কুমাৰিলা ভট্টপাদ, কবিবৰ অনন্ত কন্দলী, দুৰ্গাবৰ আদি স্বকীয় মহিমাৰে মহিমামণ্ডিত বিদগ্ধ পণ্ডিত প্ৰবৰৰ জন্ম স্থান তথা শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ভট্টদেৱ, চৈতন্যদেৱ, কপিল মুনি, গৌতম বুদ্ধ, আজান ফকিৰ আদি মহামানৱসকলৰ পদৰেণুপুষ্ট ইতিহাস প্ৰসিদ্ধ ঠাই হাজো অঞ্চলৰ অন্যতম একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হ'ল 'সুৰেন দাস মহাবিদ্যালয়'। পূৱ দিশত ঐতিহাসিক সত্ৰানুষ্ঠান 'ধোপৰগুৰি সত্ৰ' আৰু উত্তৰ দিশে বৈ যোৱা 'লখাই তৰা' নৈখনে অনুষ্ঠানটিৰ সৌষ্ঠৱ বহুগুণে বঢ়াইছে। দক্ষিণ-পশ্চিম দিশে শস্য-শ্যামলা খেতিপথাৰ আৰু গছ-গছনিৰে পৰিৱেষ্টিত নিৰ্জনতাৰ পৰিৱেশে অধিক শুৱনি কৰি তুলিছে। পশ্চিম দিশত অনুষ্ঠিত হৈছিল অসম সাহিত্য সভাৰ পঞ্চষষ্ঠিতম হাজো অধিৱেশন। ঠাইখনে নাম পাইছিল 'সমন্বয় ক্ষেত্ৰ'।

১৯৭৯ চনৰ ২৯ আগষ্ট। হাজো অঞ্চলৰ কাৰণে সৌভাগ্যময় সেই দিনটোতে শুভাৰম্ভ হৈছিল হাজো মহাবিদ্যালয়ৰ। ইয়াৰ আগতে পাঠদান কাৰ্যৰ শুভাৰম্ভণী কৰিছিল কৃতী শিক্ষক তথা সমাজ সেৱক হিচাপে পৰিচিত স্বৰ্গীয় কণ্ঠিৰাম দাসদেৱে। প্ৰথমে হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান ভৱনৰ কাষৰ শ্ৰেণীকোঠাত পাঠদান হৈছিল যদিও পাছলৈ দক্ষিণ দিশে তাল বৃক্ষৰ তলত থকা হোষ্টেলৰ কোঠালৈ স্থানান্তৰ হয়। এই সময়খিনিত হাজো অঞ্চলৰ ভালেকেইগৰাকী স্বনামধন্য ব্যক্তিৰ আশাশুধীয়া নেৰানেপেৰা প্ৰচেষ্টা, অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়তহে মহাবিদ্যালয়খন পৰিচালিত হৈছিল। পাছলৈ ধোপৰগুৰি সত্ৰৰ ১৪ বিঘা ৩ কঠা ৭ লেচা মাটিৰ ওপৰত হাজো অঞ্চলৰ কৃতি তথা লব্ধ প্ৰতিষ্ঠ ব্যৱসায়ী স্বৰ্গীয় সুৰেন দাসৰ সোঁৱৰণত পৰিয়ালবৰ্গই মহাবিদ্যালয়খনৰ কাৰণে এটি সুন্দৰ ভৱন নিৰ্মাণ কৰি দিয়ে। শিক্ষানুৰাগী ৰাইজেও পৰিয়ালটিৰ এই মহান প্ৰচেষ্টাৰ শলাগ লৈ 'হাজো আঞ্চলিক মহাবিদ্যালয়' নামটি সলনি কৰি 'সুৰেন দাস মহাবিদ্যালয়' ৰাখে। মহাবিদ্যালয়খনৰ নৱনিৰ্মিত ভৱনটিৰ আধাৰশিলা স্থাপন কৰিছিল ইং ১৯৮২ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° যামিনী মোহন চৌধুৰীয়ে। ১৯৮৬ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে এই ভৱনটিৰ শুভ উদ্বোধন কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য শ্ৰীযুত জ্যোতি... মেধিয়ে। ১ নং হাজো গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ তৰফৰপৰাও উক্ত মহাবিদ্যালয়খনত উল্লেখযোগ্য অৰিহণা যোগাই আহিছে। বৰ্তমান এই অনুষ্ঠানটিৰ জৰিয়তে হাজো ৰাইজৰপৰা সংগৃহীত ধনেৰে বিজ্ঞান ভৱন নিৰ্মাণ কৰা হৈছে।

১৯৮৯ বৰ্ষত সুৰেন দাস মহাবিদ্যালয়ৰ স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকত নাম ভৰ্তি কৰিছিলো। উক্ত বৰ্ষতে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মোক সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰে। দায়িত্ব অৰ্পিত হোৱাত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ সমস্যাসমূহৰ সমাধানৰ কাৰণে প্ৰচেষ্টা চলোৱাৰ ক্ষেত্ৰত গভীৰভাৱে সোমাই পৰিবলগীয়া হৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিভাগৰ সঞ্চালক ... প্ৰবীণ চন্দ্ৰ দাসৰ প্ৰচেষ্টাত ১৯৯০ চনৰ পোন প্ৰথমবাৰৰ বাবে সুৰেন দাস মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা যোজনা (N.S.S.) গোটৰপৰা কেৰালাৰ ত্ৰিচুৰাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সংহতি শিবিৰ



সুৰেন দাস মহাবিদ্যালয় আলোচনী

(National Intigration Camp)ত যোগদান কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত লোহিত চন্দ্ৰ তালুকদাৰৰ তত্ত্বাৱধানত যোৱা দলটিত সুৰেন দাস মহাবিদ্যালয়ৰ ১ জন, টিহু মহাবিদ্যালয়ৰ ৩ জন, নলবাৰী মহাবিদ্যালয়ৰ ৩ জন মুঠ ১০ জনীয়া এটি দল যোৱা হৈছিল। সমুদ্ৰতীৰৰ শাৰী শাৰী নাৰিকল গছেৰে পৰিপূৰ্ণ মনোৰম কেৰালাত ২০ দিনীয়া অভিজ্ঞতাৰে ক'ব বিচাৰো সেই অঞ্চলৰ জনসাধাৰণৰ অকৃত্ৰিম সামাজিক দায়বদ্ধতাই এটা কথাই সোঁৱৰাইছিল যে কেৰেলাবাসী সঁচাকৈয়ে এশ শতাংশই শিক্ষিত। মুচি-মেটৰ, থেলাৱালা-ৰিক্সাৱালা, ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰপৰা মন্ত্ৰী পৰ্যায়লৈকে সকলোৰে মাৰ্জিত ব্যৱহাৰে আমাক বিমোহিত কৰিছিল। গুৰুবায়ুৰাপ্পান মন্দিৰৰ ওচৰতে শিবিৰ অনুষ্ঠিত হোৱা স্থান শ্ৰীকৃষ্ণ মহাবিদ্যালয়ৰ শৃংখলাজনিত পৰিৱেশ ভাবিবলগীয়া। আশা ৰাখিছো আমাৰ মহাবিদ্যালয়খনো তেনে এটি পৰিৱেশ সৃষ্টি হোৱাৰ পথত আগবাঢ়ি যাব নিশ্চয়। সুৰেন দাস মহাবিদ্যালয় N.S.S. গোটৰ তৰফৰপৰা ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মিলি মাজে-সময়ে হাজো অঞ্চলৰ সত্ৰানুষ্ঠান, মঠ-মন্দিৰ আদিত বিভিন্ন সমাজ সেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। এনেকুৱা কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ N.S.S.গোটৰ ছাত্ৰ-ছাত্ৰীসকলেহে হাজোলৈ আহি সহায়-সহযোগিতা আগবঢ়াইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত সুৰেন দাস মহাবিদ্যালয়ৰপৰা আমাৰ কাৰ্যকালতে পোনপ্ৰথমবাৰৰ বাবে যোগদান কৰাৰ সুযোগ পাইছিলো।

সুৰেন দাস মহাবিদ্যালয়ত অতিবাহিত হোৱা দুই-এটি বেদনা গধুৰ দিনৰ কথা মনত পৰিলে বৰ্তমানেও কেনেবা কেনেবা লাগি উঠে। অধ্যাপক স্বৰ্গীয় প্ৰসন্ন কুমাৰ চহৰীয়াৰ ঐকান্তিক তথা অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰে শক্তিশালী ফুটবল দল গঠন কৰিও অৱশেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্টত কিঞ্চিত প্ৰশাসনিক ভুলৰ কাৰণে যোগদান কৰাৰ পৰা বঞ্চিত হ'ব লগা ঘটনাটোত আক্ষেপ লাগিছিল যদিও পাছৰ সময়ছোৱাত যোগদান কৰাৰ খবৰে স্বস্তি আনিছে। ৰেগিং নামৰ বৰবিহ বৃক্ষৰ গজালি এটি সুৰেন দাস মহাবিদ্যালয়টো শিপাবলৈ ধৰাত সেইটো নিঃশেষ কৰিবলৈ কঠোৰ পদক্ষেপ লৈ যত্নপৰ হোৱা মুহূৰ্তত এজন জ্যেষ্ঠ ছাত্ৰই এজনী নৱাগতা কনিষ্ঠা ছাত্ৰীক কোঠাত আৱদ্ধ কৰি ৰেগিংৰ অত্যাচাৰ চলাই থকা অৱস্থাত বাধা প্ৰদান কৰোতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা ছাত্ৰক মাত্ৰ ৭ দিনৰ কাৰণে মহাবিদ্যালয়ৰপৰা বহিস্কাৰ কৰা হৈছিল। মনত পৰিলে ভাল লাগে তেতিয়া, যেতিয়া ড° আলী আকবৰ হুছেইনৰ তত্ত্বাৱধানত অবিভক্ত কামৰূপ জিলা ভিত্তিত দমদমা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ বুটলিবলৈ পাইছিলো। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত অংশ লৈ শ্ৰেষ্ঠ তাৰ্কিক বঁটা লাভ কৰাৰ লগতে কবিতা আবৃত্তি, থিতাতে লিখা চুটি গল্প, আকস্মিক বক্তৃতা, কুইজ আদি প্ৰতিযোগিতাত প্ৰথম হোৱাৰ উপৰিও সৰ্বোচ্চ বঁটা বিজেতা হিচাপে আন এটি বিশেষ বঁটা পোৱাৰ সৌভাগ্য ঘটিছিল।

মহাবিদ্যালয়খনৰ সমস্যাসমূহক লৈ মাজে মাজে অধ্যক্ষৰ লগত ছাত্ৰ একতা সভাৰ থকা-খুন্দা নলগাকৈ থকা নাছিল। ফলত অসম চৰকাৰৰ ৰাজ্যিক মন্ত্ৰী, মহাবিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিনিধি, ৰাইজৰ প্ৰতিনিধি আৰু ভৱন দাতাক লৈ সাধাৰণ সভা অনুষ্ঠিত কৰি সমস্যাসমূহৰ সমাধানৰ পথ উলিয়াবলৈ আলোচনা কৰা হৈছিল। সেই আলোচনাৰ সুফল মহাবিদ্যালয়খনে পোৱা বুলি উন্নীতকৰণ প্ৰক্ৰিয়াবোৰ দেখিলে অনুমান কৰিব পৰা যায়।

যথেষ্ট কম সংখ্যক ছাত্ৰী-ছাত্ৰীৰে আৰম্ভ হোৱা মহাবিদ্যালয়খন বৰ্তমান বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ হোৱাৰ লগতে শৈক্ষিক মানদণ্ড আন কোনো প্ৰতিষ্ঠিত মহাবিদ্যালয়তকৈ কম নহয়। এইখন মহাবিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱাৰ ভালেমান উদাহৰণ আছে। এইটো সম্ভৱ হৈছে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ কৰ্তব্যনিষ্ঠা তথা দায়িত্ব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ একাগ্ৰতা ও নিষ্ঠাৰ কাৰণে। ❑

# আজিৰ সমাজত নাৰী

দীপামণি ভৰালী হাটখোৱা
পুথিভঁৰাল সহায়িকা

নাৰী সহনশীল, নাৰী অবলা। সৃষ্টিৰ অনাদি কালৰেপৰা নাৰীসকল কোনো গুণে কম নহয়। আজিৰ নাৰী চাৰিবেৰৰ মাজত সোমাই নাথাকি বিভিন্ন কামত ব্যস্ত হৈ স্বাৱলম্বী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছে। শিক্ষা, প্ৰযুক্তিবিদ্যা, কাৰিকৰী সকলো দিশতে মহিলাসকল আগবাঢ়ি গৈছে।

প্ৰাচীন কালৰেপৰা এটা কথা চলি আহিছে যে যিখন ঘৰত বোৱাৰীজনীক সন্মান দিয়া নহয়, সেই ঘৰখনত লক্ষ্মীদেৱীয়ে কেতিয়াও বাস নকৰে। এজনী ছোৱালীয়ে বহুত আশা লৈ স্বামীগৃহলৈ যায়। বৰ্তমান আমাৰ সমাজত নাৰীক যি পাৰিবাৰিক অত্যাচাৰ কৰে, গাত কেৰাচিন তেল ঢালি জুই লগাই দিয়ে। কিন্তু এতিয়া পাৰিবাৰিক নিৰ্যাতনৰপৰা ৰক্ষা পাবলৈ মহিলা সুৰক্ষা আইন ২০০৫ চনৰ দোহাই দি কৈছে যে ভাৰতীয় মহিলাক বিবাহসূত্ৰে লাভ কৰা ঘৰত থকাৰ অধিকাৰ প্ৰদান কৰিছে।

আমাৰ সমাজত কন্যা সন্তান জন্ম দিয়া এগৰাকী মাতৃক ভাল চকুৰে চোৱা নহয়। কিছুমান পৰিয়াল আৰু স্বামীয়ে তাইক শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ কৰে। কিন্তু পুৰুষসকলে বুজি নাপায় যে পুৰুষজনৰ ক্ৰ'মজমৰ দ্বাৰাহে সন্তানটিৰ লিংগ নিৰ্ণয় হয়। এইসকল লোকক বাৰু কোনে চকু মেল খোৱাব? এইসকল লোকে দেৱী পূজা কৰাৰ অৰ্থ আছে নেকি?

আজি আমাৰ চৰকাৰখনে ছোৱালী/মহিলাবিলাকক বহু সুবিধা দিছে তেনেস্থলত এচাম লোকে নাৰীক মানুহৰ মৰ্যাদা দিব নোখোজে। তেওঁলোকে কন্যা সন্তানক সন্তানৰ মৰ্যাদা দিবলৈ কৃপণালি কৰে কিয়?

২০১৫ চনত "বেটী বচাও, বেটী পঢ়াও" আঁচনিয়ে নাৰীৰ অগ্ৰগতিত গুৰুত্ব দিছে।

বৰ্তমান সময়ত নাৰীসকলক সুৰক্ষা দিয়াৰ হেতুকে নিৰাপত্তাৰ আঁচনি গ্ৰহণ কৰা হৈছে। তৎসত্ত্বেও আজিৰ সমাজত নাৰী/মহিলাগৰাকী সুৰক্ষিত নহয়।

২০১২ চনত দলগাঁৱৰ সমীপত চিকণ মাটি চাহ বাগিছাত টেট শিক্ষয়িত্ৰী অপৰাজিতাক দলবদ্ধ ধৰ্ষণ কৰা হৈছিল।

২০১৩ চনৰ ১৬ ডিচেম্বৰৰ নিশা সংঘটিত দিল্লীত নিৰ্ভয়া হত্যাৰ ঘটনা। আৰু ইয়াৰ প্ৰতিবাদত বৃহৎ আন্দোলনৰ সৃষ্টি হৈছিল আৰু নাৰীৰ মৰ্যাদা নিৰাপত্তা, স্বাধীনতা আৰু অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত নাৰী শক্তিয়ে নেতৃত্বকাৰী ভূমিকা গ্ৰহণ কৰিছিল। মুম্বাইতো এগৰাকী তৰুণী ফটো সাংবাদিকক ধৰ্ষণ কৰা হৈছিল। এই ধৰ্ষণ তথা হত্যাৰ ঘটনাৰ পিছত সকলো সচেতন নাৰীয়ে সমাজত নাৰীৰ নিৰাপত্তাৰ বাবে জোৰদাৰ আন্দোলন চলাইছিল। আৰু এই আন্দোলনৰ কাৰণে বহুতো ধৰ্ষণকাৰী তথা হত্যাকাৰীয়ে উপযুক্ত শাস্তি পাইছে।

সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল, "কুসংস্কাৰ হ'ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ বোজা।" আজি আমাৰ সমাজত ডাইনীৰ সন্দেহত বহুতো মহিলাক হত্যা কৰা হৈছে। উদাহৰণস্বৰূপে গহপুৰৰ হেলেম চাহ বাগিছাৰ এগৰাকী বৃদ্ধাক ডাইনীৰ সন্দেহত হত্যা কৰা হৈছিল।

নাৰীৰ কথা আলোচনা কৰোতে মোৰ মনলৈ আহিছে মহাভাৰতৰ দ্ৰৌপদীৰ কথা। যেতিয়া ধৃতৰাষ্ট্ৰ ৰাজসভাত পাণ্ডৱসকলে কৌৰৱৰ লগত পাশাখেল খেলোতে পণ্যসামগ্ৰীৰ দৰে বাজি ধৰিছিল আৰু বাজিত হৰাত কৌৰৱসকলে ৰজঃস্বলা অৱস্থাতে দ্ৰৌপদীক ৰাজসভাত সকলোৰে সন্মুখত বিবস্ত্ৰা কৰিবলৈ





প্ৰচেষ্টা কৰিছিল। সেই সময়ত ধৃতৰাষ্ট্ৰক ধৰি বহুকেইজন লোক ৰাজসভাত আছিল কিন্তু কোনেও একো পদক্ষেপ লোৱা নাছিল। একমাত্ৰ ভগৱান শ্ৰীকৃষ্ণই অসহয়া দ্ৰৌপদীক ৰক্ষা কৰি নাৰীৰ সন্মান ৰক্ষা কৰিছিল।

আজিৰ যুগত আমাৰ মহিলাসকল পুৰুষৰ সমানে আগবাঢ়ি গৈছে। কলা, সাহিত্য, সংস্কৃতি, ফুটবল, বেডমিন্টন, বক্সিং, টেনিছকে ধৰি বিভিন্ন দিশত নিজৰ লগতে ৰাজ্য বা দেশৰ নাম জিলিকাবলৈ সক্ষম হৈছে।

সুন্দৰী প্ৰতিযোগিতাত ২০১৬ চনত প্ৰথমবাৰৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে এফ বি বি মিছ ইণ্ডিয়া, সন্মান লাভ কৰিবলৈ অসমীয়া যুৱতী প্ৰিয়দৰ্শনী চেটাৰ্জী, বক্সিঙত অংকুশিতা বড়ো, টেনিছ তাৰকা চানিয়া মিৰ্জা। বেডমিন্টনত চাইনা নেহৱাল, পি. বি. সিন্ধু।

এখন ৰাজ্যৰ বিকাশৰ স্বাৰ্থত মহিলাসকলৰ বহুখিনি অৱদান আছে। এখন ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰটো মহিলাসকলৰ অৱদান পুৰুষৰ তুলনাত কম নহয়। মহিলাসকলৰ স্বাৱলম্বনৰ ক্ষেত্ৰত চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। গ্ৰামাঞ্চলৰ মহিলাসকলে আত্মসহায়ক গোট খুলি দৰিদ্ৰতাৰ কবলৰপৰা নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰি আহিছে। ❑



# কাটিং আৰু টেইলৰিং

✍ ধৰিত্ৰী দাস
প্ৰশিক্ষক, কাটিং আৰু এম্ব্ৰইডাৰী

পোছাকে মানুহৰ লজ্জা নিবাৰণৰ উপৰি সৌন্দৰ্য্য বৃদ্ধি কৰে। মানৱ সভ্যতাৰ উন্নতিৰ লগে লগে মানুহে বিভিন্ন ধৰণৰ পোছাক পিন্ধিবলৈ ল'লে। লাহে লাহে মানুহে নিজৰ পছন্দ বা ৰুচি-অভিৰুচি অনুসৰি বিভিন্ন আকৃতিৰ পোছাক তৈয়াৰ কৰিবলৈ জনা হ'ল।

পোছাক তৈয়াৰ কৰোতে এটা কথাত গুৰুত্ব দিব লগা হয় কিদৰে পোছাকটো পিন্ধোতাজনৰ শৰীৰত খাপ খাই যায়। এই পৰিপ্ৰেক্ষিতত কাটিং আৰু টেইলৰিং বিদ্যাই গুৰুত্ব লাভ কৰে। "টেইলৰ" শব্দটো ১২৯৭ খ্ৰীষ্টাব্দত অক্সফোৰ্ড (Oxford) অভিধানত প্ৰথম প্ৰকাশ পায় আৰু এই শব্দটো ফৰাচী শব্দ "টেইলাৰ"ৰ পৰা আহিছে, যাৰ অৰ্থ কাটিবলৈ ("to cut")



টেইলৰিং বিদ্যাটো মধ্যযুগৰ। দ্বাদশ আৰু চতুৰ্দশ শতিকাৰ ভিতৰত পশ্চিম ইউৰোপত টেইলৰিঙে বিভিন্ন ৰূপ ল'বলৈ আৰম্ভ কৰে।

ইয়াৰ আগতে মানুহে নিজৰ শৰীৰটো ঢাকিবলৈ এখন কাপোৰেৰে সাধাৰণ পোছাকটো তৈয়াৰ কৰি লৈছিল। পোছাক তৈয়াৰ কৰোতাজনে ব্যক্তিগত ৰুচিৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাছিল।

আমাৰ দেশ ভাৰতবৰ্ষখন বিভিন্ন জাতি-জনজাতিৰে পৰিপূৰ্ণ দেশ। সেয়েহে নিজা নিজা পৰম্পৰা আৰু ৰুচি-অভিৰুচি অনুসৰি পোছাকো বিভিন্ন আকৃতি-প্ৰকৃতিৰে তৈয়াৰ কৰা হয়।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ বেছিসংখ্যক লোক পোছাক তৈয়াৰ কৰাতে জড়িত হৈ আহিছে, যিহেতু ১৯৯০ চনলৈকে ভাৰতবৰ্ষৰ বস্ত্ৰশিল্প ক্ষুদ্ৰশিল্প হিচাপেহে চলি আহিছে।

বৰ্তমানৰ ভাৰতৰ চিলাই উদ্যোগটো তিনিটা ভাগত ভগাব পাৰি— ১। সৰ্বসাধাৰণৰ স্থানীয় চাহিদাৰ ওপৰত ভিত্তি কৰি গতানুগতিক বজাৰ। ২। উৎকৃষ্টমানৰ সংগঠিত ফেব্ৰিক কৰা চিলাই যত সঠিক জোখ আৰু সৌন্দৰ্যৰ প্ৰতি যত্ন লয়। ৩। তৃতীয় ভাগত আছে আগশাৰীৰ চিলাইপ্ৰতিষ্ঠান, যিসকল ফেচ্ছন ডিজাইনাৰ আৰু বিলাসী পোছাক নিৰ্মাতা। তেওঁলোকে সামাজিক ব্যক্তিত্ব, পদমৰ্যাদা আৰু সাময়িক প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি পোছাক তৈয়াৰ কৰে।

এতিয়াৰ কাটিং আৰু টেইলৰিং বিদ্যাত এই সামগ্ৰীবোৰ বিষয় সন্নিৱিষ্ট কৰি এক আধুনিক ধৰণৰ ঘৰুৱা প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা





অনুভৱ কৰা হৈছে আৰু সেই মৰ্মে পদক্ষেপ লোৱা হৈছে।

কাটিং আৰু টেইলৰিং বিদ্যাত চিলাই মেচিন, কাপোৰ, গুলী, বেজী, কেচি ইত্যাদি সামগ্ৰীৰ দৰকাৰ হয়।

হাজো সুৰেন দাস কলেজত ২০০৩ চনৰপৰা বৰ্তমানলৈ ছাত্ৰীসকলক কাটিং আৰু টেইলৰিঙৰ প্ৰশিক্ষণ দি থকা হৈছে আৰু বহুতো ছাত্ৰী এই বিদ্যাত পাৰ্গত হৈছে আৰু বহুতে এই বিদ্যাৰ ওপৰত ভিত্তি কৰি নিজৰ কৰ্মসংস্থানকে যোগাৰ কৰি লৈছে।

হাজো সুৰেন দাস মহাবিদ্যালয়ত কৃতকাৰ্যতাৰে কাটিং আৰু চিলাইৰ লগতে এম্ব্ৰইডাৰী বিষয়ত প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰীৰ সংখ্যা বাৰ্ষিক ভিত্তিত তলত উল্লেখ কৰা হ'ল।

| বছৰ | ছাত্ৰীৰ সংখ্যা |
|---|---|
| ২০০৪ | ৩৭ |
| ২০০৫ | ১০ |
| ২০০৬ | ৫ |
| ২০০৭ | ১৮ |
| ২০০৮ | ৬ |
| ২০০৯ | ২২ |
| ২০১০ | ১৭ |
| ২০১১ | ১৬ |
| ২০১২ | ১০ |
| ২০১৩ | ৩১ |
| ২০১৪ | ১২ |
| ২০১৫ | ১৯ |
| ২০১৬ | ২৫ |
| ২০১৭ | ২০ |
| ২০১৮ | ১৫ |
| **সৰ্বমুঠ** | **২৬৩** |

২৬৩ গৰাকীৰ ভিতৰত ২০০ গৰাকী ছাত্ৰীয়ে ছাৰ্টিফিকেট লাভ কৰিছে।

প্ৰমাণ-পত্ৰ গ্ৰহণ কৰা প্ৰত্যেকগৰাকী ছাত্ৰীয়ে নিজৰ প্ৰয়োজনীয় অৰ্থনৈতিক আয়-উপাৰ্জন কৰাৰ বাবে সমৰ্থ হৈছে। তাৰোপৰি, যিসকলে অৰ্থনৈতিক আয়ৰ বাবে চেষ্টা কৰা নাই, তেওঁলোকেও নিজৰ প্ৰয়োজনীয় সাজ-পোছাকখিনি ঘৰতে প্ৰস্তুত কৰি ল'বলৈ সমৰ্থ হৈছে। গতিকে, এনেধৰণৰ প্ৰয়োগ সাপেক্ষে শিক্ষাগ্ৰহণ কৰা বা গ্ৰহণৰ বাবে ব্যৱস্থা থকাটো আমাৰ বাবে বৰ্তমান সময়ত অতি প্ৰয়োজনীয় বিষয়ৰূপে পৰিগণিত হৈছে। ❑

## কৌতুক

সংগ্ৰাহক ঃ
মইনুল হ'ক
স্নাতক, ৩য় ষাণ্মাসিক

**শিক্ষক ঃ** ছিৰাজুল তোমাৰ কিবা সুধিব লগা আছে যদি সুধিব পাৰা?
**ছিৰাজুল ঃ** I don't know মানে কি ছাৰ?
**শিক্ষক ঃ** মই নাজানো
**ছিৰাজুল ঃ** তেনেহ'লে কাক সুধিম ছাৰ।

**শিক্ষক ঃ** ছিৰাজুল এনে দুটা শব্দ কোৱা যিকেইটা ছাত্ৰ-ছাত্ৰীসকলে আটাইতকৈ বেছি ব্যৱহাৰ কৰে।
**ছিৰাজুল ঃ** মই নোৱাৰিম ছাৰ।
**শিক্ষক ঃ** একেবাৰে সঠিক উত্তৰ, বহা।

# মানৱসেৱা

✍ আব্দুল গণি খান চৌ...
প্ৰাক্তন ...

মানৱ সেৱাৰ যোগেদি মানুহে এই মাটিৰ পৃথিৱীক স্বৰ্গলৈ ৰূপান্তৰিত কৰিব পাৰে। কিন্তু সম্প্ৰতি এই মহৎ গুণৰ অভাৱত পৃথিৱীয়ে তাৰ মহিমা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। স্বাৰ্থান্বেষী মানুহে মানুহৰ কথা ভাবিবলৈ বাদ দি কেৱল ধন আৰু ক্ষমতাৰ পিছত দৌৰি মানৱীয় গুণক বিসৰ্জন দিছে। আজি ভাৰতত মানৱতাৰ পতন ঘটা দেখিবলৈ পাইছো মানুহৰ মাজত পাৰস্পৰিক বুজাপৰা, সহায়-সহযোগিতাৰ অভাৱৰ বাবে। অথচ এই ভাৰতবৰ্ষতে শিৱি, বলি আদিয়ে আত্মত্যাগৰ চূড়ান্ত নিদৰ্শন প্ৰদৰ্শন কৰিছিল। মানৱসেৱাত দীক্ষিত হৈ কলিংগ বিজয়ী অশোকে এই মহামন্ত্ৰ ভাৰতৰ চুকে-কোণে প্ৰসাৰিত কৰি দিছিল। মানৱ মুক্তিৰ এই মহাবাণী তেওঁ সুদূৰ সিংহললৈ প্ৰেৰণ কৰিছিল।

ভাৰতবৰ্ষৰপৰা মানৱসেৱাৰ এই মহান আদৰ্শ নোহোৱা হৈছে। ইয়াৰ মূল কাৰণ হ'ল স্বাৰ্থপৰতা। মানুহে নিজ স্বাৰ্থৰ বাহিৰে জগতত একোকে মূল্য নিদিয়া হৈছে। দহজনৰ উপকাৰ কৰাৰ পৰিৱৰ্তে দহজনক প্ৰৱঞ্চিত কৰি নিজৰ স্বাৰ্থসিদ্ধি কৰাৰ চেষ্টাত ব্ৰতী হৈছে। আনুগত্য, কৰ্তব্যবোধ মনোবৃত্তি নাইকিয়া হৈছে। আদৰ্শৰ ঢাক-ঢোল বজাই নিজে বিলাসী জীৱনৰ পিছত ঘূৰি ফুৰিছে আৰু ইয়াৰ কাৰণে মানৱসেৱাৰ মনোভাৱ আমাৰ সমাজৰ পৰা নাইকিয়া হৈছে।

মানৱসেৱাৰ যোগেদিহে সমাজ তথা ব্যক্তিৰ সকলো প্ৰকাৰৰ মংগল হ'ব পাৰে। তাৰ বাবে সেৱাৰ মনোবৃত্তি লৈ ডাক্তৰে চিকিৎসা কৰিব লাগিব। তেওঁ কেৱল টকাৰ কথা চিন্তা কৰিলেই নহ'ব। ইঞ্জিনিয়াৰ-ঠিকাদাৰে টকাৰ ভাগ লৈ ব্যস্ত নহৈ ৰাস্তা-ঘাট, মথাউৰি, দলং নিৰ্মাণৰ প্ৰতিহে বিশেষ চকু দিব লাগিব। মানৱসেৱাৰ আদৰ্শ লৈ এইবোৰ কাম নকৰিলে কোনো উন্নয়ন সম্ভৱপৰ নহয়। চৰকাৰী চাকৰিয়ালসকলে সৰ্বসাধাৰণ ৰাইজক সেৱা কৰাৰ মনো... অৱলম্বন কৰিলেহে ৰাইজৰ কল্যাণ সাধন হ'ব। তাকে নকৰি ... ৰাইজক ডকা-হকা দি টকা ঘটিবলৈ লয় তেনেহ'লে জনসাধাৰণ... বিৰৈ-বিপত্তি নোহোৱা হ'ব। দেশসেৱকসকলে সততা ... সৰ্বসাধাৰণৰ মানুহৰ মুক্তিৰ কথা চিন্তা নকৰাকৈ কেৱল আত্ম... সিদ্ধিৰ প্ৰতি চকু দিলে তেওঁলোক মানহৰ এলাগী হওঁতে বেছি... নালাগিব। গতিকে মানৱসেৱাৰ আদৰ্শ আগত নাথাকিলে ডাক্তৰ, ইঞ্জিনিয়াৰ, ব্যৱসায়ী, শিক্ষক বা আন চৰকাৰী চাকৰিয়ালে সমাজ... উন্নতিত কোনো প্ৰকাৰৰ অৰিহণা যোগাব নোৱাৰিব।

মানৱসেৱাৰ আদৰ্শ মানুহে প্ৰকৃতি জগতৰপৰাই গ্ৰহণ কৰিব পাৰে। এই বিশাল প্ৰকৃতিয়ে সদায় পৰৰ কাৰণেই নিজকে বিলাই দিছে। শাস্ত্ৰত কোৱা হৈছে — পৰোপকৰায় ফলন্তু বৃক্ষ, পৰোপকাৰায় বহন্তি নদ্যাঃ, পৰোপকাৰয় দুহন্তি গাব পৰোপকাৰৰ্থ মিদম শৰীৰম্। প্ৰকৃতি জগতৰ এই নিঃস্বাৰ্থ সেৱাৰ মনোভাৱ মানুহে গ্ৰহণ কৰিলে প্ৰকৃতিৰ অনাবিল শান্তি মানৱ সমাজতো বিয়পি পৰিব।

ভাৰতীয় আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হ'লে সেৱাৰ মনোভাৱ আপোনা-আপুনি মনৰ মাজত গঢ় লৈ উঠিব। এই দেশ সততা, শান্তি-অহিংসাৰ আদৰ্শেৰে সমুজ্জ্বল। সেই আদৰ্শৰে অনুপ্ৰাণিত হ'লে মানৱসেৱাৰ মনোভাৱ আপোনা-আপুনি জাগ্ৰত হ'ব। মানৱসেৱাৰ বা ভাল কাম এটা কৰাৰ বাবে ভাল দিন-বাৰ চোৱাৰ দৰকাৰ নাই। সচৰাচৰ জীৱনধাৰাতে সদায় ভাল কাম কৰিবলৈ প্ৰয়াস কৰিব লাগে। ❑





# সমাজ আৰু যুৱ প্ৰজন্ম

✍ শিখৰজ্যোতি দাস
স্নাতক তৃতীয় ষাণ্মাসিক

মানুহ সামাজিক জীৱ। সমাজক বাদ দি আমি মানুহ জাতিৰ অস্তিত্বই অকল্পনীয়। এখন সমাজত প্ৰতিফলিত হয় এটা জাতিৰ সপোন। এখন সমাজে লিখি পেলায় এখন দেশৰ দস্তাৱেজ। গতিকে সমাজ— মানুহ একোটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এখন ভাল সমাজ গঠিত হ'বলৈ হ'লে সমাজখনৰ প্ৰত্যেকজন ব্যক্তিয়েই দায়বদ্ধ হ'ব লাগিব কাৰণ ব্যক্তিৰ বহুবচনেই হৈছে সমাজ। একন সুন্দৰ নিকা সমাজে এটা জাতি এখন দেশৰ ভৱিষ্যত নিৰূপণ কৰে। এখন নিকা সমাজ গঠনত কৰাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব আজিৰ যুৱপ্ৰজন্মই। আজিৰ যুৱ প্ৰজন্ম কালিৰ ভৱিষ্যত। বহুখিনি কথাই নিৰ্ভৰ কৰে আজিৰ যুৱ প্ৰজন্মৰ কৰ্তব্যৰ ওপৰত। সমাজ এখনক শুদ্ধ পথত লৈ গৈ জাতিটোক, দেশখনক বিশ্বৰ বহল দৰবাৰত চিনাকি কৰাই দিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা ল'ব পাৰে আজিৰ প্ৰজন্মই।

বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ প্ৰতিভাৰ অভাৱ নাই। সকলো সম্ভৱ এইসকলৰদ্বাৰা। ড° এ.পি.জে. আব্দুল কালামে যুৱ প্ৰজন্মক কেন্দ্ৰ কৰিয়েই আমাৰ দেশ ভাৰতবৰ্ষৰ সৰ্বাংগীন উন্নতি কামনা কৰিছিল। তেওঁ কৈছিল—আমাৰ দেশ উন্নতিৰ পথত আগবাঢ়িবলৈ হ'লে যুৱশক্তিৰ অত্যন্ত প্ৰয়োজন। যুৱপ্ৰজন্মৰ ভূমিকা হ'ব লাগিব সমাজ এখনত চলি থকা অনিয়ম-অনাচাৰবোৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা। আধুনিক শিক্ষাৰে শিক্ষিত যুৱপ্ৰজন্মই সমাজ এখনৰ সেইখিনি ব্যাধিক দূৰ কৰি এখন সুস্থ সমাজ গঠন কৰিব পাৰে। আমাৰ সমাজখন এতিয়া বিভিন্ন দিশত সন্ধিক্ষণৰ মাজত সোমাই পৰিছে। যদিও বিজ্ঞান প্ৰযুক্তিয়ে মানৱ জীৱনক অন্য এটা স্তৰলৈ লৈ গৈছে তথাপিও যেন আমি মানৱীয় প্ৰমূল্যবোধৰ দিশৰ পিনৰপৰা চাব গ'লে আকৌ আদিম অৱস্থালৈ গতি কৰি আছো। আজি মানৱতা মাৰ যোৱা যেন অনুভৱ হয় প্ৰযুক্তিৰ কৰাল গ্ৰাসত। চব যেন ব্যস্ত নিজক লৈ। কিন্তু এখন সমাজ এনেদৰে গঠিত নহয়। আমাৰ সমাজখনত এচাম মানুহে আগুৱাই গৈ আছে আৰু আন এচাম মানুহ পিছপৰি আছে। এইক্ষেত্ৰত যিটো পাৰ্থক্য তাক নোহোৱা কৰাত ভূমিকা ল'ব লাগিব যুৱপ্ৰজন্মই। আজিও আমাৰ সমাজত অন্ধবিশ্বাসে গ্ৰাস কৰি আছে। ডাইনীৰ সন্দেহত কিমান মহিলাৰ মৃত্যু হ'ল !! কিন্তু সমাজ নিমাত। আমি যুৱ প্ৰজন্মই এই অন্ধবিশ্বাসবিলাক দূৰ কৰিব লাগিব। কাৰণ আমি সত্যেক জনো। আমি জনা সত্যখিনি প্ৰচাৰ কৰিব লাগিব জনসাধাৰণৰ মাজত। যাতে সেইখিনি জ্ঞানে এইবোৰ অপৰাধ নোহোৱা কৰাত ভূমিকা লয়।

আজি যদি গোলকীয় দৃষ্টিকোণৰপৰা আমি চাওঁ তেতিয়াহ'লে আমি লক্ষ্য কৰিম যুৱ প্ৰজন্মৰ উত্থানে বহুদেশৰ ৰাজনৈতিক, সামাজিক পটভূমিয়েই পৰিৱৰ্তন কৰি পেলায়। বহু অৰাজকতামূলক পৰিস্থিতিৰ বিৰুদ্ধে যুৱ শক্তিয়ে ঐক্যবদ্ধভাৱে সংগ্ৰাম কৰি সমাজ ব্যৱস্থাক সুস্থিৰ অৱস্থাত আনিছে। উদাহৰণস্বৰূপে, ৰাছিয়াত হোৱা অৰাজকতাময় পৰিস্থিতিত কাৰখানাত কাম কৰা যুৱ শ্ৰমিকৰ দল এটাই ৰাছিয়াত বিপ্লৱৰ সূচনা কৰিছিল। এনেকুৱা বহুত উদাহৰণ পোৱা যুৱশক্তিৰ উত্থানে কেনেদৰে এখন দেশৰ প্ৰেক্ষাপটৰ পৰিৱৰ্তন কৰিব পাৰে।

আজি আমাৰ সমাজখনত ধৰ্ষণ, নিপীড়নৰ ওপৰত অত্যাচাৰ আদিৰ দৰে ঘটনাই আমাক লজ্জিত কৰি আছে। এনেবোৰ ঘটনাক নোহোৱা কৰি আমাৰ সমাজখনত নতুন পৰিৱেশেৰে পোহৰাই

তোলাৰ দায়িত্ব যুৱশক্তিৰ। ইয়াৰ বাবে প্ৰয়োজন হ'ব সুশিক্ষা আৰু নিকা মানসিকতা। যুৱশক্তিৰ প্ৰতিভাখিনিক কাৰিকৰী দিশত খটুৱাবলৈ হ'লে প্ৰতিভাখিনিৰ যাতে বিনষ্ট নহয় তাৰ ওপৰতো গুৰুত্ব দিব লাগিব।

আমাৰ সমাজত যিবিলাক অন্যায়, অনিয়ম, অনাচাৰ চলি আছে, সেইখিনিক যুৱশক্তিয়ে মযিমূৰ কৰি এখন সুস্থ সমাজ গঠন কৰিব লাগিব। যুৱ সমাজ উন্নতিৰ পিনে ধাৱিত হ'লেহে এখন সুস্থ সমাজ গঠন হ'ব।

গতিকে এখন সুস্থ, নিকা, সমাজ গঠনত যুৱ প্ৰজন্মৰ ভূমিকা যথেষ্ট আছে। ❑

## সাঁথৰ

চকা আছে গাড়ী নহয়, লগুন আছে বামুন নহয়, মাত আছে জীৱ নহয়।
উত্তৰ ঃ যঁতৰ।

যাৰ নাই আকাৰ সি নহ'লে হাহাকাৰ।
উত্তৰ ঃ পানী।







# সমাজ আৰু যুৱ প্ৰজন্ম

✍ আজিজুৰ ৰহমান
স্নাতক, প্ৰথম বৰ্ষ (বিজ্ঞান)

**আৰম্ভণি ঃ**

মানুহ সামাজিক প্ৰাণী। সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰে। আজিৰ মানুহে ৰবিনচন ক্ৰুচো বা আলেকজেণ্ডাৰ চেলকাৰ্ক হোৱাটো কেতিয়াও কামনা নকৰে। সমাজ বন্ধনৰপৰা মুক্ত হৈ, মুক্ত আকাশৰ তলত, মুক্ত পৰিৱেশত, মুক্ত জীৱন-যাপন কৰিও আলেকজেণ্ডাৰ চেলকাৰ্কেও শান্তি পোৱা নাছিল। সেয়েহে নিঃসংগ জীৱনৰ ব্যথাৰ জ্বালাত, সমাজ লাভৰ তীব্ৰ আকাংক্ষাত তেওঁৰ চিএঞৰি উঠিছিল ঃ

"Society friendship and love
Divinely Bestowed upon man;
Oh ! had the wings of a dove
How soon would I taste you again;

যুৱ সমাজৰে এটা বৃহৎ অংশ। প্ৰতিজন যুৱ সমাজৰে একো একোজন সদস্য, ভৱিষ্যতৰ নাগৰিক, জাতিৰ ভৱিষ্যত কৰ্ণধাৰ। সেয়েহে যুৱ সমাজ বাদ দি থাকিব নোৱাৰে আৰু সমাজেও যুৱ সমাজক বাদ দি সুকীয়া এখন সমাজৰ কল্পনা কৰিব নোৱাৰে। যিহেতু যুৱ সমাজত থাকিবই লাগিব, গতিকে সমাজৰ প্ৰতিও কৰিবলগীয়া বহুতখিনি আছে। ঘৰখনৰ কাৰণে যিদৰে চিন্তা কৰিব লাগিব, সেইদৰে সমাজখনৰ কাৰণেও চিন্তা কৰিবলগীয়া আছে।

**যুৱপ্ৰজন্মৰ সমাজ নিৰ্মাতা ঃ**

যুৱ শক্তি এক প্ৰবল আৰু বিৰাট শক্তি। যুৱসকলৰ কল্পনাপ্ৰৱণ মন অসীম উচ্ছ্বাস আৰু উদ্যমেৰে ভৰপূৰ। শক্তিৰ অফুৰন্ত ভাণ্ডাৰ। উচ্ছল দেহ, উচ্ছল মন; বাহুত অসীম বল; মনত অসীম সাহস, চকুত তীব্ৰ উজ্জ্বল দৃষ্টি; বুকুত দিগন্তপ্ৰসাৰী কল্পনাৰ ৰঙীন ছবি। লক্ষ্য সাধনাৰ প্ৰবল আগ্ৰহ। জানিবলৈ ব্যগ্ৰ, চাবলৈ উদগ্ৰীৱ উৎকণ্ঠা; জ্ঞান লাভৰ তৃষ্ণা ! অনুসন্ধিৎসু চাৱনি। খোজত বিশ্ববিজয়ী ন-জোৱানৰ দপদপনি। প্ৰাণ-প্ৰাচুৰ্যৰে যুৱ সমাজ অসমী শক্তি আৰু সম্ভাৱনাৰ প্ৰতীক। তেওঁলোক সমাজৰ সদা জাগ্ৰত প্ৰহৰী। স্বাধীনতা, শান্তি, প্ৰগতিৰ কল্যাণময় আদৰ্শৰ জিলমিলনিয়ে তেওঁলোকৰ দৃষ্টিপটত জীৱন্তকৈ দাঙি ধৰে একোটা সৰ্বাংগসুন্দৰ, সুখ আৰু সমৃদ্ধিৰে ভৰা মধুৰ জীৱন, একোখন সমৃদ্ধিশালী সমাজ, দেশ। সেয়েহে সমাজৰ অন্যায়, অসত্যতা দেখিলে তেওঁলোক হয় জ্বালামুখীৰ দৰে উগ্ৰ; তাৰ প্ৰতিকাৰ বিচাৰি তেওঁলোক হৈ পৰে অতিশয় অস্থিৰ, উত্তেজিত। আনহাতেদি ব্যথীৰ ব্যাথাত তেওঁলোক হয় ব্যাথাহত; দুখত হয় বেদনাহত; সুখত হয় আনন্দিত। এইখনে যুৱ সমাজ; এয়াই যুৱ প্ৰজন্মৰ স্বৰূপ; এই যুৱ সমাজেই এদিন সমাজক নেতৃত্ব দিব; সমাজৰ গুৰু ভাৰ নতশিৰে গ্ৰহণ কৰিব। এইখনে অজেয় সমাজ; এইখন সমাজৰ যি ঐক্যবদ্ধ শক্তি; তাৰ তুলনা পৃথিৱীত নাই। এইখন সমাজে যেতিয়া বিৰাট সমাজলৈ সাংগঠনিক দৃষ্টিভংগী লৈ আগবাঢ়ি আহিব, তেতিয়া সুন্দৰ নহৈ নোৱাৰে।

**সমাজলৈ যুৱ প্ৰজন্মৰ অৱদান ঃ**

অসম বানপানীৰ লীলাভূমি। অসমৰ বিভিন্ন ঠাইত প্ৰতি বানপানী হৈ লাখ লাখ মানুহ গৃহহীন হয়; লাখ লাখ মানুহ খাদ্য-সংকটৰ সন্মুখীন হৈ মৃত্যুৰ ক্ষণ গণে। এনে দুৰ্যোগৰ সময়ত ছাত্ৰসকলে সেৱাৰ আদৰ্শ সন্মুখত লৈ সৰ্বহাৰাসকলক, দুৰ্গতসকলক নানাভাৱে সহায় কৰিব পাৰে। তেওঁলোকে

দলবদ্ধভাৱে গৈ বিপন্নসকলক উদ্ধাৰ কৰিব পাৰে। তেওঁলোকে দান-বৰঙণি সংগ্ৰহ কৰি পীড়িতসকলক খাদ্য, কাপোৰ-কানিৰে সহায় কৰিব পাৰে। তেওঁলোকে ভোকত থকাবিলাক এমুঠি আহাৰ, পিয়াহত এটোপা পানী, জাৰত এখনি বস্ত্ৰ দি সহায় কৰিব পাৰে।

**সংগঠনমূলক কাম ঃ**

সমাজ সেৱাৰ অন্তৰ্গত এইবোৰ কামৰ উপৰি যুৱ সমাজে সংগঠনমূলক কামতো নানাভাৱে অৰিহনা যোগাই সমাজক পথ প্ৰদৰ্শন কৰিব পাৰে। আমাৰ গাঁওবোৰৰ যাতায়াত ব্যৱস্থা উন্নত নহয়; মানুহবোৰ স্বাস্থ্য ৰক্ষা, নীতি-নিয়মৰ প্ৰতি আগ্ৰহশীল নহয়, শিক্ষাৰ প্ৰতিও সম্পূৰ্ণ ধাউতি দেখা নাযায়; উন্নত প্ৰণালীৰ খেতি-বাতিৰ প্ৰতি মুঠেও লক্ষ্য নাই; গাঁওখনৰ উন্নয়নৰ চিন্তাও নাই। এইবোৰ ক্ষেত্ৰত সহজেই যুৱ সমাজে পথ প্ৰদৰ্শন কৰিব পাৰে। আজৰি সময়ত দলে-বলে গাঁৱলৈ গৈ গাঁওবাসী একত্ৰিত কৰি লৈ আলি-পদূলিকেইটা মেৰামতিৰপৰা ৰাইজৰ কি উপকাৰ হ'ব বুজাই মেলি হাতে-কামে মেৰামতি কৰি দেখুৱাই সামূহিক কামৰো আভাস দিব পাৰে আৰু উৎসাহো জগাই তুলিব পাৰে। ঘৰ-দুৱাৰ, আলি-পদূলিৰ পৰিষ্কাৰ, পৰিচ্ছন্নতাৰ ওপৰত, পায়খানা আদিৰ ব্যৱহাৰ, খোৱাপানী বিশুদ্ধকৰণ, ৰক্ষা-বঢ়াৰ প্ৰণালী আদিৰ ওপৰত স্বাস্থ্য কেনেভাৱে নিৰ্ভৰ কৰে সেইবোৰ প্ৰত্যক্ষ উদাহৰণসহ ৰাইজক বুজাই দি সহায় কৰিব পাৰে।

সমাজৰ পিছপৰা অৱস্থাৰ মূলতে শিক্ষাৰ অভাৱ। শিক্ষাই অজ্ঞান আন্ধাৰ দূৰ কৰি সমাজক পোহৰৰ বাটলৈ লৈ যায়। মাজে মাজে নিৰক্ষৰ লোকসকলক গোটাই লৈ আখৰকেইটা চিনাকি কৰি দিব পাৰিলে মানুহে শিক্ষাৰো মোল বুজিব আৰু নিজৰ ল'ৰা-ছোৱালীকেইটাৰ শিক্ষাৰ প্ৰতিও মানুহ আগ্ৰহশীল হ'ব।

**যুৱ প্ৰজন্মৰ সমাজ সংস্কাৰ ঃ**

সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰাৰ ক্ষেত্ৰত যুৱ সমাজে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। বিভিন্ন তিথি-পাৰ্বন, উৎসৱ আদিত সহযোগিতা কৰি, ৰাইজৰ মাজত নতুনৰ আদৰ্শ দাঙি ধৰিব পাৰে; মিলনৰ, একতাৰ সংহতিৰ আদৰ্শ দেখুৱাব পাৰে। সমবায়ৰ যুগ আৰম্ভ হৈছে পৃথিৱীত। বিদ্যালয়সমূহত সমবায়ৰ শিক্ষা দিয়া হৈছে। খেতি-বাতি, বেহা-বেপাৰ আদিৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকাৰ বিষয়ে যুৱকসকলে সমাজৰ কেনেদৰে উন্নতি সাধন কৰিব পাৰে তাৰ আদৰ্শ যুৱ প্ৰজন্মই দেখুৱাব পাৰে।

মুঠতে যুৱশক্তি একত্ৰিত হৈ, প্ৰবল উৎসাহ-উদ্দীপনা, প্ৰেৰণা লৈ সমাজৰ সংগঠনসমূহ কামত আগুৱান হ'ব। সেৱাৰ মনোভাৱেৰে মানুহৰ মাজলৈ আগবাঢ়ি যাব। তেতিয়া সমাজেও উৎসাহ পাব, প্ৰেৰণা পাব আৰু যুৱশক্তিৰ নেতৃত্বত মহৎ কাৰ্য সম্পাদনৰ পাছত জীৱন উছৰ্গি আগবাঢ়ি যাব।

**সামৰণি ঃ**

এইক্ষেত্ৰত যুৱ প্ৰজন্মৰ পথ-প্ৰদৰ্শকসকলৰো দায়িত্ব অসীম। যুৱ সমাজক ভুল পথেৰে, ভুলভাৱে পৰিচালিত কৰাৰ পৰিণাম গুৰুতৰ। যুৱ সমাজৰ স্বতঃস্ফূৰ্ত জীৱনীশক্তিক, কৰ্মপ্ৰেৰণাক, গতিক আৰু সৃজনী প্ৰতিভাক অতিশয় সাৱধানে পৰিচালনা কৰা উচিত। ই অবাটে যাব লাগিলে জাতিৰ, সমাজৰ, দেশৰ বিৰাট আৰু অপূৰণীয় ক্ষতি হ'ব। ❑







# বৰ্তমান সমাজত অন্ধবিশ্বাস

✍ ইমদাদ আহমেদ
স্নাতক, তৃতীয় ষাণ্মাসিক

**বৰ্তমান সমাজত অন্ধবিশ্বাস ঃ**

বৰ্তমান সমাজখন বেয়াৰ ফালে আগবাঢ়ি গৈ আছে। ইয়াৰ কাৰণ অন্ধবিশ্বাস। এটা কথা মন কৰিলে দেখা যায় যে আদিম মানুহে যিদিনাৰপৰা অঘৰী জীৱন ত্যাগ কৰি সমাজ পাতি সভ্যভাৱে জীৱন নিৰ্বাহ কৰিব লৈছিল, তেতিয়াৰপৰা অন্ধবিশ্বাসৰ সূচনাও হৈছিল। বিশ্বাসপ্ৰৱণ সমাজত লোকবিশ্বাস পৰম্পৰাগতভাৱে চলি থাকে। লোকবিশ্বাসে বহল পৰিসৰত অন্ধবিশ্বাসক সামৰি লয়। মানুহ যিমানে শিক্ষা-দীক্ষা আদিত আগবঢ়া নহওক কিয় শতকৰ ৯০ শতাংশ ভাগ মানুহে অন্ধবিশ্বাসত আস্থা স্থাপন কৰে। বৰ্তমানৰ যুগত মানুহ যিমানেই আধুনিক নহওক কিয় সকলোৱে অন্ধবিশ্বাসত আস্থা ৰাখে। একবিংশ শতিকাৰ তথ্য প্ৰযুক্তিৰ বিদ্যাৰ যুগতো অন্ধবিশ্বাসবোৰে কলুষিত কৰিছে অসমক। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে "ডিজিটেল ইণ্ডিয়া"ৰ কথা কৈছে আৰু সকলোৱে নিজৰ প্ৰফাইল ফটো ডিজিটেল কৰিব লৈছো সেই সময়ত অসমত অন্ধবিশ্বাস থকাটো আমাৰ বাবে দুৰ্ভাগ্যজনক কথা। বিজ্ঞান য'ত হৈছে তাতেই অন্ধবিশ্বাসৰ জন্ম হৈছে।

বিজ্ঞানে দ্ৰুতগতিত আগুৱাই যোৱাৰ পিছতো বহুতো ঠাইত শিক্ষাৰ পোহৰ পৰাগৈ নাই। ইয়াৰ কাৰণ অন্ধবিশ্বাস যে অকল অশিক্ষিত ঠাইত শিপাইছে তেনে কথা নহয়, শিক্ষাৰ পোহৰ পৰা উন্নয়নশীল দেশবোৰও এই অন্ধবিশ্বাসৰ বলি হৈ আছে। ডাইনী হত্যা এবিধ অন্ধবিশ্বাস মহামাৰী ৰূপত দাঁত নিকটাই গিজগিজাই আছে আমাক তাচ্ছিল্য কৰি। জীৱশ্ৰেষ্ঠা মানৱ তহঁত পশুতকৈ অধম।

এটা দৃষ্টিকোণৰপৰা চাবলৈ গ'লে সমগ্ৰ আধুনিকতাবাদৰ প্ৰক্ৰিয়াটোক ভেঙুচালি কৰি আজিও জয়জয় ময়ময় হৈ খোপনি পুতি আছে মানুহৰ মনত অন্ধবিশ্বাসবোৰে।

প্ৰাক্ ঐতিহাসিককালত আৰ্যসকল ভাৰতবৰ্ষত বসবাস কৰাৰ পিছৰপৰাই ভাৰতীয় সভ্যতাৰ আৰম্ভণি বুলি ক'ব পাৰি।

আৰ্যসকলে ধৰ্মৰ জৰিয়তে ভগৱানক পূজা-পাতল আদিৰ জৰিয়তে মানুহক একত্ৰিত কৰিছিল। মানুহে যাতে বেয়া কাৰ্যত লিপ্ত নহয় হেতু ধৰ্মৰ ভয় দেখুৱাই অন্ধবিশ্বাসৰ বলি কৰিছিল।

প্ৰাক্ স্বাধীনতা কালতো আমাৰ ভাৰতবৰ্ষ অন্ধবিশ্বাসেৰে পৰিপূৰ্ণ আছিল। সেই সময়ত শিশু বধ, বাল্যবিবাহ, সতীদাহ প্ৰথা আদিৰ দৰেই জঘন্য অন্ধবিশ্বাসৰ বলি হৈ নিষ্পাপ শিশু, ফুলকুমলীয়া কন্যা সন্তানৰ নিৰ্মমভাৱে হত্যা কৰা হৈছিল। এতিয়াও ভাৰতবৰ্ষৰ পিছপৰা ঠাইত এইবোৰ অমানৱীয় কাৰ্য সংঘটিত হৈ আছে।

ইয়াৰ কাৰণ আমাৰ সমাজত অন্ধবিশ্বাসবোৰ বিশ্বাস কৰি কিছুমান মানুহৰ মৃত্যু অনিবাৰ্য হয়। অলপতে এটা সাধাৰণতে আজিৰপৰা কিছুদিন পিছত হোৱা এটা অন্ধবিশ্বাস সকলো ঠাইতে মন চুই যোৱা এটা ঘটনা।

অসমৰ যুৱক দুজন কাৰ্বি আংলং ঠাইলৈ ফুৰিবলৈ গৈছিল। দুয়োজনে এখন ক'লা বলেৰ' গাড়ীৰে গৈ আছিল। সেই সময়ত এটা সাধাৰণ ফোন ক'লৰ বাবে অন্ধবিশ্বাসৰ বলি হৈ ৰাইজে গুৰুতৰভাৱে প্ৰহাৰ কৰে। তাৰ পিছত দুয়োজনে মৃত্যুক আঁকোৱালি লয়।

এনেকুৱা কাম আৰু দ্বিতীয়বাৰৰ বাবে নহয় যেন তাকে মই এজন ছাত্ৰ হিচাপে কও যেন কোনোৱেই যেন অন্ধবিশ্বাসৰ বলি নহয়। ❑

# ভাৰতবৰ্ষৰ সংবিধান আৰু নাগৰিকত্ব

✍ নুৰভানু খাতুন
উঃমাঃ প্ৰথম বৰ্ষ (কলা)

**ভাৰতবৰ্ষৰ সংবিধান ঃ** ভাৰতবৰ্ষৰ সংবিধানৰ "খচৰা" প্ৰস্তুত হয় ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ নেতৃত্বত। বি. আৰ. আম্বেদকাৰে ৭ জনীয়া সমিতি এখন প্ৰস্তুত কৰি ভাৰতবৰ্ষৰ জনসাধাৰণৰ হাতত অৰ্পণ কৰিছিল আৰু ই ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতবৰ্ষৰ সংবিধান হিচাপে গৃহীত হয়। ইয়াৰ খচৰাখন পিছত সংবিধান সভাই ভালদৰে পৰীক্ষা-নিৰীক্ষা কৰি ১৯৪৯ চনৰ ২৫ নৱেম্বৰত গ্ৰহণ কৰিছিল আৰু সংবিধানখন ১৯৫০ চনৰ ২৫ জানুৱাৰীৰপৰা কাৰ্যকৰী হৈছিল। সেইকাৰণে ২৫ জানুৱাৰী তাৰিখটো প্ৰজাতন্ত্ৰ দিৱস হিচাপে পালন কৰি আহিছো। ভাৰতবৰ্ষ হ'ল ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য। ইয়াত সকলো ধৰ্ম, জাতি, বৰ্ণৰ মানুহৰ সম অধিকাৰৰ কথা উল্লেখ আছে। ভাৰতবৰ্ষৰ সংবিধান মতে ভাৰতবৰ্ষৰ চৰকাৰখনো হ'ল ৰাইজৰদ্বাৰা নিৰ্বাচিত, ৰাইজৰ বাবে, ৰাইজৰ চৰকাৰ। ভাৰতবৰ্ষৰ সংবিধানত দ্বিতীয় খণ্ডত ভাৰতবৰ্ষৰ মানুহৰ নাগৰিকত্বৰ বিষয়ে উল্লেখ আছে যদিও সেয়া স্থায়ী নহয়। সংবিধানৰ ১১ নং অনুচ্ছেদ অনুযায়ী ভাৰতবৰ্ষৰ সংসদে (Supreme Legislature) ১৯৫৫ চনত ভাৰতীয় নাগৰকিত্ব আইন (Indian Citizenship Act, 1955) প্ৰণয়ন কৰে। ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে সদৌ ছাত্ৰ অসম সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ (AASU & AAGSP) লগত আলোচনা অনুষ্ঠিত হৈছিল। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ (AASU & AAGSP) লগত আলোচনাৰ অন্তত এক ঐতিহাসিক চুক্তি সম্পাদন হয় যাক কোৱা হয় "অসম চুক্তি" (Assam Accord)। উক্ত চুক্তিৰ আধাৰত ১৯৮৫ চনৰ নাগৰিকত্ব আইন (Indian Citizenship Act 1955) খন সংশোধন কৰা হয় আৰু ১৯৮৫ চনৰ নাগৰিকত্ব আইন আৰু "অসম চুক্তি"ৰ মতে এজন ব্যক্তি ভাৰতীয় বুলি গণ্য কৰা হ'ব যদিহে—

১। **জন্মগতভাৱে ভাৰতীয় ঃ** সকলো ব্যক্তি ১৯৫০ চনৰ ২৬ জানুৱাৰী বা তাৰ পিছত ভাৰতত জন্মগ্ৰহণ কৰিছে তেওঁলোকে জন্মসূত্ৰে ভাৰতীয় নাগৰিক হ'ব যদিহে তেওঁৰ পিতৃ-মাতৃ যিকোনো এজন ভাৰতীয় নাগৰিক।

২। **বংশানুক্ৰমে ঃ** যিসকল ব্যক্তি ১৯৫০ চনৰ ২৬ জানুৱাৰী বা তাৰ পিছত ভাৰতত জন্মগ্ৰহণ কৰিছে। তেওঁলোকে ভাৰতীয় নাগৰিক হ'ব, যদিহে তেওঁৰ জন্মৰ সময়ত তেওঁৰ পিতৃ-মাতৃ যিকোনো এজন ভাৰতীয় নাগৰিক হয়।

**আবেদন-পত্ৰৰ জৰিয়তে নাগৰিকত্ব লাভ ঃ**

৩। **দেশীয় স্বত্ব ঃ** যদি এজন প্ৰাপ্তবয়স্ক বিদেশী লোকে বিশেষ বিভাগত ভাৰতত থাকি ভাৰতৰ বাবে সেৱা আগবঢ়ায় আৰু ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নাগৰিকত্বৰ প্ৰমাণ-পত্ৰ বিচাৰি আবেদন কৰে আৰু যদি ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে আবেদনত সন্তুষ্ট হৈ তেওঁক নাগৰিকত্বৰ প্ৰমাণ-পত্ৰ দিয়ে তেন্তে তেওঁ ভাৰতীয় নাগৰিক হ'ব, যদিহে তেওঁ ভাৰতবৰ্ষৰ শত্ৰু দেশৰ নাগৰিক নহয়।

৪। **অসম চুক্তিৰ আধাৰত বিশেষ নাগৰিকত্ব বিধি ঃ** যিসকল ব্যক্তি ১৯৬৬ চনৰ ১ জানুৱাৰী বা তাৰ পিছত কিন্তু ১৯৭১ চনৰ ২৫ মাৰ্চৰ মাজনিশাৰ আগৰপৰা ভাৰতবৰ্ষত আছে আৰু ১৯৬৬ চনৰ প্ৰস্তুত কৰি উলিওৱা ১৯৬৭ চনৰ ব্যৱসায়িক সংসদীয় ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত আছে তেওঁলোক আৰু তেওঁলোকৰ সকলো ল'ৰা-ছোৱালী ভাৰতীয় নাগৰিক হ'ব।

গতিকে যিসকল ব্যক্তি ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগৰপৰা ভাৰতীয় বা ভাৰতবৰ্ষত স্থায়ীভাৱে বসবাস কৰি আছে তেওঁলোকৰ নাম নতুনকৈ প্ৰস্তুত কৰা এন.আৰ.চিৰ (NRC) অন্তৰ্ভুক্ত হ'ব আৰু তেওঁলোকক ভাৰতীয় নাগৰিক বুলি গণ্য কৰা হ'ব।

৫। **পঞ্জীয়কৰদ্বাৰা নাগৰিকত্ব লাভ ঃ** যিসকল ব্যক্তিৰ ওপৰত উল্লেখ কৰা সংবিধানৰ তথা নাগৰিকত্ব আইন অনুযায়ী ভাৰতীয় বুলি গণ্য কৰা নহয়, তেওঁলোকে পঞ্জীয়নৰ যোগেদি ভাৰতীয় নাগৰিক হ'ব পাৰিব, যদিহে

ক) এজন ভাৰতীয় মূলৰ লোক ভাৰতত বসবাস কৰি ৬ মাহৰ ভিতৰত নিজৰ নাম পঞ্জীয়নৰ বাবে আবেদন কৰা।

খ) এজন ভাৰতীয় মূলৰ লোক যিয়ে অবিভক্ত ভাৰতৰ বাহিৰত বসবাস কৰে। অৱশ্যে এইক্ষেত্ৰত তেওঁৰ পিতৃ-মাতৃ অথবা তেওঁৰ ককাদেউতা, আইতা যিকোনো এজন ভাৰতীয় নাগৰিক হ'ব লাগিব।

গ) যদি বিদেশী মহিলাই ভাৰতৰ পুৰুষৰ লগত বিবাহ সম্পাদন কৰে।

ইয়াৰ উপৰিও নাগৰিকত্ব আইন সংশোধিত ৬ নং অনুচ্ছেদৰ লগত সংগতি ৰাখি ৩ নং অনুচ্ছেদত ২০০৪ চনত তলত দিয়া ধৰণে সংশোধিত কৰে।

১। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰপৰা ১৯৮৭ চনৰ ১ জুলাই তাৰিখৰ আগলৈকে যিসকল লোকে ভাৰতত জন্ম লাভ কৰিছে তেওঁলোক ভাৰতীয় নাগৰিক হয়। এইক্ষেত্ৰত তেওঁলোকৰ পিতৃ-মাতৃ যিকোনো এজন ভাৰতীয় নাগৰিক হ'ব লাগিব।)

২। যিসকল ব্যক্তিয়ে ১ জুলাই ১৯৮৭ চনৰ নাগৰিকত্ব সংশোধনী আইন ২০০৩ চন কাৰ্যকৰী হোৱা তাৰিখৰ আগলৈকে ভাৰতত জন্ম লাভ কৰিছে আৰু তেওঁলোকৰ পিতৃ-মাতৃৰ যিকোনো এজন ভাৰতীয় নাগৰিক হয়।

৩। যিসকল ২০০৩ চনৰ নাগৰিকত্ব সংশোধনী আইন গ্ৰহণ কৰাৰ পিছত জন্মিছে আৰু যদি তেওঁলোকৰ পিতৃ-মাতৃৰ যিকোনো এজন ভাৰতীয় আৰু আনজন জন্ম হোৱালৈকে অবৈধ অনুপ্ৰৱেশকাৰী হিচাপে চিনাক্ত ও ঘোষিত হোৱা নাই তেন্তে তেওঁ ভাৰতীয় নাগৰিক হ'ব।

**নাগৰিকত্ব বাতিল ঃ** ১৯৫৫ চনৰ নাগৰিকত্ব আইনৰ বিধি অনুযায়ী এজন ভাৰতীয় ব্যক্তিৰ নাগৰিকত্ব বাতিল হ'ব যদিহে—

**ক) নাগৰিকত্ব ত্যাগ ঃ** যদি এজন ভাৰতীয় নাগৰিকে স্বইচ্ছাই ঘোষণা কৰি ভাৰতৰ নাগৰিকত্ব ত্যাগ কৰে; যদি ভাৰতীয় কোনো পুৰুষ-নাগৰিকে অইন দেশৰ নাগৰিকত্ব লাভ কৰে তেনেহ'লে তেওঁ নাবালাক ল'ৰা-ছোৱালীৰ ভাৰতীয় নাগৰিকত্ব লোপ পায়। কিন্তু প্ৰাপ্তবয়স্ক হোৱাৰ একবছৰৰ ভিতৰত তেওঁলোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰিব।

খ) এজন ভাৰতীয় ব্যক্তি বা লোকে যদি আবেদন, পঞ্জীয়ন অথবা স্বইচ্ছাই অন্য দেশৰ নাগৰিকত্ব লাভ কৰে তেন্তে তেওঁৰ ভাৰতবৰ্ষৰ নাগৰিকত্ব বাতিল হ'ব।

গ) যদি এজন ব্যক্তি তেওঁৰ নাগৰিকত্ব ভুৱা প্ৰমাণ পত্ৰৰদ্বাৰা লাভ কৰে।

ঘ) যদি এজন ব্যক্তিয়ে তেওঁৰ কাম-কাজ অথবা কথাৰদ্বাৰা ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰতি ১৯৮৫ চনৰ নাগৰিকত্ব সংশোধনী আইনখনক অসন্মান প্ৰদৰ্শন কৰে বা দেখুৱাই তেন্তে তেওঁৰ নাগৰিকত্ব বাতিল কৰা হয়।

ঙ) যদি যুদ্ধৰ সময়ত কোনো ভাৰতীয় নাগৰিক বা ব্যক্তিয়ে শত্ৰু পক্ষ অৰ্থাৎ শত্ৰুদেশৰ লগত ব্যৱসায় বা শত্ৰু দেশক সহায় কৰে তেন্তে তেওঁৰ নাগৰিকত্ব বাতিল হ'ব।

**পুনশ্চ ঃ** ১৯৭৯ চনত আছু আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত প্ৰথমতে বহিৰাগত পিছত বিদেশী খেদা আন্দোলন আৰম্ভ হয়। তাৰ পিছত ব্যাপকভাৱে অসমৰ সংখ্যালঘুসকলৰ নাম ভোটাৰ তালিকাত অশুদ্ধভাৱে প্ৰকাশ পোৱাৰ লগে লগে পৰৱৰ্তী ভোটাৰ তালিকাত তেওঁলোকৰ নামৰ বিপৰীতে D-Voter (সন্দেহযুক্ত) বুলি প্ৰকাশ কৰি তেওঁলোকক সাংবিধানিক মৌলিক অধিকাৰ ভেটি দিয়াৰ পৰা বঞ্চিত কৰি ৰখা হ'ল। মই জনাত ভাৰতবৰ্ষৰ সংবিধানত D-Voter বুলি কোনো সংজ্ঞা নাই। তাৰ পিছত কেন্দ্ৰীয় চৰকাৰে ১৯৮৩ চনত IMDT Act প্ৰণয়ন কৰে আৰু অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ প্ৰক্ৰিয়া ন্যায়িক পৰ্যায়ত অৰ্পণ কৰে।

২০০৫ চনৰ ১২ জুলাই তাৰিখে ভাৰতৰ উচ্চতম ন্যায়ালয়ে উক্ত IMDT Act খন খাৰিজ কৰে আৰু তাৰ পিছত ১৯৪৬ চনৰ বিদেশী আইনৰ অধীনত আকৌ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

# সমাজ গঠনত যুৱ প্ৰজন্মৰ ভূমিকা

✍ জ্যোতিৰাণী বৰ্ম
স্নাতক, ৩ য় ষাণ্মাসিক

এখন সুস্থ সমাজ যুৱ প্ৰজন্মৰ ভূমিকা অবিহনেই কল্পনা কৰিব নোৱাৰি। যিহেতু আজিৰ যুৱ প্ৰজন্মক কাইলৈ দেশৰ ভৱিষ্যত বুলি কোৱা হয়।

সমাজ গঠনত যুৱ প্ৰজন্মৰ ভূমিকা তলত সংক্ষেপে আলোচনা কৰা হ'ল—

১। **অন্ধবিশ্বাস নিৰ্মূল কৰা** ঃ বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানে যথেষ্ট অগ্ৰগতি লাভ কৰিলেও কিছুমান জনসাধাৰণৰ আগত অন্ধবিশ্বাস এটা ব্যাধিৰ ৰূপত প্ৰত্যাহ্বান হিচাবে থিয় দিছে। সেয়েহে বৰ্তমান সময়ৰ যুৱ প্ৰজন্মই অন্ধবিশ্বাস নিৰ্মূল কৰিবলৈ জনসাধাৰণক সচেতন কৰিব লাগে আৰু ডাইনি হত্যা, চমৎকাৰী বাবাৰ চমৎকাৰ, ভূত-প্ৰেতৰ বিশ্বাস ইত্যাদি অন্ধবিশ্বাসৰ বিৰুদ্ধে মাত মাতিব লাগে।

২। **মূল্যবোধৰ শিক্ষা** ঃ আমাৰ সমাজত বৰ্তমান সময়ত হিংসা-বিদ্বেষ, ধৰ্ষণ, লুণ্ঠন, হত্যা ইত্যাদি বিভিন্ন ধৰণৰ ঘটনা বেছিকৈ ঘটিবলৈ ধৰিছে। সেয়েহে যুৱ প্ৰজন্মই আমাৰ দেশৰ মানুহবিলাকক বিভিন্ন ধৰণৰ মূল্যবোধৰ শিক্ষা যেনে—সমতাৰ শিক্ষা, ভ্ৰাতৃত্ববোধৰ শিক্ষা আৰু নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

৩। **ৰাগিয়াল দ্ৰব্য সেৱন** ঃ বৰ্তমান সময়ত আমাৰ দেশৰ যুৱক-যুৱতীসকলৰ ৰাগিয়াল দ্ৰব্য সেৱন কৰাৰ প্ৰৱণতা অধিক। সেয়েহে যুৱ প্ৰজন্মই বিভিন্ন ধৰণৰ ৰাগিয়াল দ্ৰব্য যেনে— ভাং, গুট্‌খা, চিগাৰেট, মদ, ড্ৰাগছ ইত্যাদি মাৰাত্মক নিচাযুক্ত দ্ৰব্য সেৱনৰ অপকাৰৰ বিষয়ে যুৱক-যুৱতীসকলক সজাগ কৰিব লাগে আৰু এই নিচাযুক্ত দ্ৰব্য সেৱনৰ বিৰুদ্ধে কিছুমান সামাজিক কাৰ্যসূচী কৰিব লাগে।

৪। **পৰিৱেশ প্ৰদূষণ** ঃ পৰিৱেশ প্ৰদূষণ আমাৰ সমাজত এটা ভয়ংকৰ সমস্যা হিচাবে দেখা দিছে। সেয়েহে যুৱ প্ৰজন্মই পৰিৱেশ প্ৰদূষণৰ ফলত হোৱা বিভিন্ন সমস্যাৰ বিষয়ে জনসাধাৰণক সচেতন কৰি পৰিৱেশ প্ৰদূষণ নিৰ্মূল কৰিবলৈ জনসাধাৰণক বৃক্ষৰোপণ কৰিবলৈ পৰামৰ্শ দিব লাগে আৰু তেওঁলোকে নিজেও বৃক্ষৰোপণ কৰাৰ আদৰ্শ জনসাধাৰণৰ আগত দেখুৱাব লাগে।

৫। **ৰাজনৈতিক আৰু অৰ্থনৈতিক জ্ঞান** ঃ ভাৰতবৰ্ষ হৈছে এখন বিশাল গণতান্ত্ৰিক দেশ। ভাৰতবৰ্ষত বৰ্তমানেও গণতান্ত্ৰিক পদ্ধতিৰে চৰকাৰ চলি আছে। যিহেতু এখন সুস্থ সমাজ পাবলৈ এজন সুযোগ্য নেতাৰ প্ৰয়োজন। সেয়েহে যুৱ প্ৰজন্মই জনসাধাৰণক ৰাজনৈতিক জ্ঞান দিবলৈ যত্ন কৰিব লাগে আৰু তেওঁলোকে নিজেও ৰাজনৈতিক জ্ঞান ল'বলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। আকৌ আমাৰ দেশৰ আৰ্থিক উন্নয়ন কৰিবলৈ প্ৰাকৃতিক সম্পদৰ সুব্যৱহাৰ সম্বন্ধে জনসাধাৰণক অৱগত কৰিব লাগে।

ওপৰত কৰা আলোচনাৰ উপৰিও যুৱ প্ৰজন্মৰ আৰু বিভিন্ন ধৰণৰ ভূমিকা পালন কৰিবলগীয়া আছে। যেনে— যুৱ প্ৰজন্মই কিছুমান সামাজিক কাৰ্যসূচী যেনে— বানপানীত পীড়িত লোকসকলক সহায় কৰাৰ আদৰ্শ, বিশেষভাৱে সক্ষম লোকসকলক সহায় কৰাৰ আদৰ্শ, সজ-চৰিত্ৰৰ আদৰ্শ, পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীক সন্মান কৰাৰ আদৰ্শ বৰ্তমান সমাজৰ ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাব পাৰে।

ওপৰত কৰা আলোচনাৰপৰা দেখা গ'ল যে এখন সমাজত যুৱ প্ৰজন্মৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।□





# সংগীত আৰু মানৱ জীৱন

✍ চুইটি তালুকদাৰ
স্নাতক, দ্বিতীয় ষাণ্মাসিক

সংগীত বুলিলে সাধাৰণতে গীত, বাদ্য আৰু নৃত্য— এই তিনি কলাৰ সমষ্টিক বুজা যায়। ত্ৰয়োদশ শতিকাৰ সংগীতজ্ঞ শাৰংগদেৱৰ 'সংগীত ৰত্নাকৰ'ত উল্লিখিত নিম্নলিখিত স্তৱকটি এইক্ষেত্ৰত বিশেষ প্ৰণিধানযোগ্য।

গীতং বাদ্যং তথা নৃত্যং।
ত্ৰয়ং সঙ্গীতম উচ্যতে।।

মাৰ্গী সংগীত আৰু দেশী সংগীত এই দুই ধাৰাৰে সংগীতৰ প্ৰচলন হৈ আহিছে। স্বৰ্গ, মৰ্ত্য আৰু পাতাল— বিশ্বব্ৰহ্মাণ্ডৰ এই তিনিও লোকতে সংগীতৰ প্ৰৱাহ মূৰ্তমান। প্ৰাচীন কালৰেপৰা বৰ্তমানলৈ আদি মধ্য আৰু সাম্প্ৰতিক এই তিনি পৰ্যায়ত সংগীতে জোৱাৰ তুলি আহিছে।

পিছে সংগীত উৎপত্তি ক'ত, কেতিয়া, কেনেকৈ হৈছিল— এই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। সংগীত শাস্ত্ৰৰ ইতিহাস অধ্যয়নৰদ্বাৰা বুজা যায় যে সংগীতৰ উৎপত্তি প্ৰথমতে স্বৰ্গলোকত হৈছিল। প্ৰজাপিতা ব্ৰহ্মাই হেনো এই কলাৰ প্ৰথমতে সৃষ্টি কৰিছিল। ব্ৰহ্মাৰপৰা ক্ৰমে শিৱ, শিৱৰপৰা সৰস্বতী আৰু সৰস্বতীৰপৰা নাৰদে এই কলা বিদ্যা আহৰণ কৰিছিল। নাৰদৰপৰা স্বৰ্গৰ গন্ধৰ্ব, কিন্নৰ আৰু অপেশ্বৰীসকলে এই কলাৰ শিক্ষা লাভ কৰিছিল। স্বৰ্গত সৃষ্টি হ'লেও মৰ্ত্যলোকৰ বাবেও এই কলা সম্প্ৰসাৰিত হৈছিল মহামুনি নাৰদ আৰু ভৰতৰদ্বাৰা।

কোনো কোনো পণ্ডিতৰ মতে নাৰদৰ যুগ সাধনাত শিৱই সন্তুষ্ট হৈ সংগীত কলা প্ৰদান কৰিছিল। পাৰ্বতীৰ শয়ন মুদ্ৰা নিৰীক্ষণ কৰি শিৱই তেওঁৰ অংগ-প্ৰত্যংগৰ আধাৰত ৰুদ্ৰবীণা তৈয়াৰ কৰি নিজৰ পঞ্চমুখৰদ্বাৰা পঞ্চৰাগ সৃষ্টি কৰে। অৱশ্যে ষড়ৰাগৰ উৎপত্তি পাৰ্বতীৰ মুখৰপৰা হয়। শিৱৰ মুখ, পুব, পশ্চিম, উত্তৰ, দক্ষিণ আৰু আকাশ দিশৰ হোৱা বাবে ক্ৰমে ভৈৰৱ, হিন্দোল, মেঘ, দীপক আৰু শ্ৰীৰাগৰ উৎপত্তি হয়। 'শিৱ প্ৰদোষ' স্তোত্ৰ মতে ত্ৰিজগত জননী গৌৰীক সোণৰ সিংহাসনত বহুৱাই প্ৰদোষৰ সময়ত শূলপাণি শিৱই নৃত্য কৰিবলৈ ইচ্ছা কৰে। তেতিয়া দেৱ-দেৱীসকলে তেওঁক আগুৰি ধৰে আৰু স্তুতি গীত আৰম্ভ কৰে। সৰস্বতীয়ে বীণা, ব্ৰহ্মা আৰু ইন্দ্ৰই কৰতাল আৰু ভগৱান বিষ্ণুৱে মৃদংগ বজাবলৈ লয়। লক্ষ্মীদেৱীয়ে গান গাবলৈ ধৰে। এই নৃত্যময় সংগীত উপভোগ কৰিবলৈ গন্ধৰ্ব, কিন্নৰ, যক্ষ, পতগ, উৰগ, সিদ্ধ, সাধ্য, বিদ্যাধৰ আদি দেৱতা আৰু অপেশ্বৰীসকল তাত সমবেত হয়।

সংগীত দৰ্পনৰ লিখক দামোদৰ পণ্ডিতে সংগীতৰ উৎপত্তি সম্পৰ্কত এনেদৰে অভিমত ব্যক্ত কৰিছে—

দ্ৰু হিনেতয়দন্বিতষ্টং প্ৰযুক্ত ভৰতেন।
মহাদেৱস্য পুৰতস্তন্মাৰ্গস্য ৱিমুক্তদম্।।

দ্ৰুহিণ অৰ্থাৎ ব্ৰহ্মাই গৱেষণা কৰি সি সংগীত উলিয়াইছে, ভৰত মুনিয়ে মহাদেৱৰ সন্মুখত যাক প্ৰয়োগ কৰিছে, যি মুক্তিদায়ক, সেয়াই মাৰ্গী সংগীত। পৰৱৰ্তী সময়ত দামোদৰ পণ্ডিতে সংগীতৰ সপ্তস্বৰক উৎপত্তি সম্পৰ্কত এনেদৰে মত পোষণ কৰিছে যে মুছা চৰাইৰপৰা ষড়জ, চকোৱা চৰাইৰ পৰা ঋষভ, ছাগলীৰপৰা গান্ধাৰ, কাউৰীৰপৰা মধ্যম, কুলি চৰাইৰপৰা পঞ্চম, ভেকুলীৰপৰা ধৈৱত আৰু হাতীৰপৰা নিষাদ স্বৰৰ সৃষ্টি হৈছিল।

এজন ফাৰ্চী পণ্ডিতৰ মতে, হজৰত মুছা নামৰ লোক এজনে এদিন পাহাৰৰ ওপৰত তাৰ সৌন্দৰ্য্য উপভোগ কৰি থাকোঁতে

এটা দৈৱ বাণী হয়। দৈৱ বাণীত এনেদৰে কোৱা হয়— "হে সত্যবাদী মুছা, তুমি তোমাৰ লাঠীডালেৰে এই শিলটোৰ ওপৰত কোবোৱা।" দৈৱবামী অনুসৰণ কৰি মুছাই ওচৰত থকা শিলটোত লাঠীডালেৰে জোৰেৰে কোবাই দিয়াত শিলটো ভাঙি সাত টুকুৰা হৈ পৰে আৰু প্ৰত্যেক টুকুৰা শিলৰপৰা বেলেগ বেলেগ পানীৰ সোঁত বৰলৈ ধৰে। এই জলস্রোতৰপৰাই হজৰত মুছাই হেনো 'সা-ৰে-গা-মা-পা-ধা-নি' এই সপ্তস্বৰৰ সৃষ্টি কৰে।

আন এজন ফাৰ্চী পণ্ডিতৰ মতে পাহাৰৰ ওপৰত থকা মুছীকাৰ নামৰ চৰাই এটাৰ নাকৰ সাতটা বিন্ধাৰপৰা সপ্ত স্বৰৰ সৃষ্টি হয়। পাশ্চাত্য পণ্ডিত ফ্ৰয়ডৰ মতে সংগীতৰ উৎপত্তি এটা শিশুৰ দৰে মনোবিজ্ঞানৰ আধাৰত হৈছে। তেওঁৰ মতে শিশুৱে যিদৰে হঁহা, কন্দা, চিঞৰা আদি কাৰ্যবোৰ সমাধা কৰে, ঠিক সেইদৰে সংগীতৰ প্ৰাদুৰ্ভাৱো মানৱ মনত স্বতঃস্ফূৰ্তভাৱেই নিষ্পন্ন হয়।

জেম্‌চ লোঙ্গৰ মতে মানুহে প্ৰথমে কথা ক'বলৈ শিকে, তাৰ পিছত চলন-ফুৰন শিকে আৰু লাহে লাহে ক্ৰিয়াশীল হৈ স্বতঃস্ফূৰ্তভাৱে সংগীত সাধনা কৰে।

সংগীতৰ উৎপত্তি যি ধৰণেই নহওক কিয় মানুহৰ লগত যে ইয়াৰ সম্পৰ্ক মধুৰ এই কথা কোনেও নুই কৰিব নোৱাৰে। মানৱীয় ভাৱধাৰাৰ ওপৰত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা কলাটোৱেই হৈছে সংগীত। সংগীত এবিধ মনোৰঞ্জনকাৰী কলা। সুমধুৰ ধ্বনিৰে সংগীতে আনি দিয়ে মানৱ মনত বিমল আনন্দ। সংগীত সাধনাই মানুহৰ মনৰপৰা দুখ-বেদনা আঁতৰ কৰি মানুহক কৰি তোলে সুখী। ই মানৱ মনৰপৰা অপৱিত্ৰ ভাৱ আতৰাই মন প্ৰফুল্ল কৰে। লগতে দুঃচিন্তা আঁতৰ কৰি মনক সতেজ কৰি তোলে। নিত্য-নিয়মিত সংগীত চৰ্চাই মানুহক স্বাস্থ্যৰো উন্নতি সাধন কৰে। সংগীত হৈছে এক প্ৰকাৰ সাহিত্য য'ত সমাৱেশ ঘটে বিভিন্ন ৰসৰ। সংগীতত আছে সুৰ, তাল, লয়যুক্ত কাব্য সাহিত্যই হ'ল সংগীত। সংগীতৰ লগত কাব্যৰ সম্বন্ধও অতি নিকট। আন কথা ক'বলৈ গ'লে সুৰ, তাল, লয়যুক্ত কাব্য সাহিত্যই হ'ল সংগীত। সংগীতৰ লগত গণিত, বিজ্ঞান, কাৰিকৰী বিদ্যা আদি বিষয়ৰো সম্বন্ধ আছে। সংগীত স্বাভাৱিকতে বৰ আমোদজনক বিষয়। ধ্বনিৰ কম্পনৰ অনুপাতৰ লগত স্বৰৰ যি পৰিৱৰ্তন হয়, সেই পৰিৱৰ্তনে মানুহক সংগীতক কলাৰ প্ৰতি অনুৰাগী কৰি তোলে। বিজ্ঞানী আইনষ্টাইনে হেনো এনে কাৰণতে ভায়োলিন বজাবলৈ লৈছিল।

সংগীতে মানৱ মনত ভগৱৎ প্ৰীতিৰ ভাৱ জাগ্ৰত কৰে। মহামহা ঋষি-মুনিসকলে নাদ গুঞ্জন কৰে ঈশ্বৰক আৰাধনা কৰিছিল আৰু সংগীতৰ মাধ্যমেৰে ঈশ্বৰৰ সান্নিধ্য লাভ কৰিছিল। সংগীতে এগৰাকী হেনো মানুহে চৰিত্ৰৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। এগৰাকী নিয়মিত সংগীত সাধকৰ চৰিত্ৰ সদায় নিখুঁট হৈ থাকে। সংগীত হৈছে হৃদয়স্পৰ্শী সাধনা। এই সাধনাৰদ্বাৰা মানুহৰ দয়া, মমতা আদি আদায় কৰিব পাৰি।

সংগীতৰ লগত স্বাস্থ্য, ধৰ্ম, ক্ৰীড়া আদি মানুহৰ অত্যাৱশ্যকীয় বিষয়ো শৰীৰৰ অংগ চালন কাৰ্য সম্পন্ন হয়, যাৰ ফলত মানুহে নানান ধৰণৰ ৰোগৰপৰা উপশম পাব পাৰে। নিয়মিতৰূপে কণ্ঠ সংগীত চৰ্চা কৰিলে হাওঁফাওঁ আৰু হৃৎপিণ্ডজনিত ৰোগৰপৰা কিছু পৰিমাণে নিৰাময় পাব পাৰি। নিয়মিতৰূপে বাদ্যযন্ত্ৰ বজালে শৰীৰৰ অংগ-প্ৰত্যংগ হেঁচা পৰি শিৰা সম্পৰ্কীয় ৰোগৰপৰা অব্যাহতি পাব পাৰি। সংগীতৰদ্বাৰাই জনসাধাৰণক ধৰ্ম, নীতি শিক্ষা আদি মানৱীয় গুণৰ প্ৰতি আকৃষ্ট কৰিব পাৰি। শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষসকলে গীত, নাট, ভাওনা আদিৰ মাধ্যমেৰে জনমানসত ধৰ্মীয় জাগৰণ আনিছে। এই মুঠৰ ওপৰত সংগীতৰ লগত যে মানুহৰ সম্বন্ধ অতি নিবিড় এই কথা অনস্বীকাৰ্য। ❑







# লুইত কিৰণ

✍ জেহেৰুল ইছলাম
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

ইতিহাস মানে হ'ল নজনা কথাৰ ভঁৰাল। এই শব্দটো আমাৰ ভাৰতৰ প্ৰাচীন ভাষা-সংস্কৃতিৰপৰা ওলাইছে। নিজৰ জন্মভূমিৰ ইতিহাসৰ জ্ঞান থকাটো প্ৰতিজন ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য। এই জ্ঞানৰ জৰিয়তে দেশপ্ৰেম, জাতীয়তাবোধ, নিজৰ জন্মভূমিৰ প্ৰতি কৰিবলগীয়া কাম আদিৰ বিষয়ে শিক্ষা লাভ হয়।

আজিৰপৰা প্ৰায় ৮০ হাজাৰ বছৰ আগৰ কথা। অসমৰ অবিভক্ত কামৰূপ আৰু নলবাৰী জিলাৰ মাজেৰে পূৱা-পশ্চিমাকৈ ব্ৰহ্মপুত্ৰ নদীখন বৈ গৈছিল। ব্ৰহ্মপুত্ৰ নদীখনৰ আন এক নাম হ'ল "বৰলুইত"। মনকৰিবলগীয়া কথা যে এই বৰলুইতৰ বুকুত এখন দুৰ্গম ঠাই আছে। যিটো অঞ্চলৰ প্ৰতি বহুত কম মানুহৰ আকৰ্ষণ আছিল। যিখন ঠাইত সেৰেঙা জনসংখ্যা, যাতায়াতৰ ব্যৱস্থা, খোৱাপানীৰ, বিজুলী-বাতিৰ, শিক্ষাৰ আদি ব্যৱস্থা আছিল বুলি একো নাছিল। কেৱল ভূত-প্ৰেত, অন্ধবিশ্বাস, কু-সংস্কৃতিৰে ভৰা একন কংক্ৰিটৰ বাসভূমি আছিল। ইয়াৰ অন্য এটা বৈশিষ্ট্য আছিল যাদু-মন্ত্ৰ আৰু ঐন্দ্ৰজালিক বিদ্যাৰ কেন্দ্ৰস্থল আছিল। ইয়াৰ উপৰিও এই অঞ্চলখন হাবি, বননি, পথাৰ, প্ৰকাণ্ড প্ৰকাণ্ড গছ-গছনি, চৰাই-চিৰিকতি আৰু বনৰীয়া জীৱজন্তুও কিছু পৰিমাণে পোৱা গৈছিল। ইয়াৰ ভিতৰত আছিল গৰু, মহ, বনৰীয়া মহ, শিয়াল, ভালুক, একপ্ৰকাৰৰ সৰু সৰু বাঘ আৰু হাতী। কিন্তু কেইবা বছৰৰ বানপানীৰ তাণ্ডৱত সেই জীৱ-জন্তুবোৰৰ কিছুসংখ্যক নোহোৱা হৈছে। তাৰ ভিতৰত বৈ যোৱা কিছুমান প্ৰাণী হ'ল কুকুৰ, শিয়াল, ওৱাফ (এক প্ৰকাৰৰ বাঘ যাক সেই অঞ্চলৰ মানুহে ওৱাফ বুলি কয়) আদি বৰ্তমানত পোৱা যায়।

এই অঞ্চলৰ এক সুগভীৰ ইতিহাস আছে। ইয়াত এজন চিকাৰি নামৰ মানুহ আছিল। তেওঁ সৰুৰেপৰা হাবি-বনত আৰু নদীত ঘূৰি ঘূৰি হাঁহ, কুকুৰা, চৰাই-চিৰিকটি আৰু মাছ ধৰিছিল। পিছে এদিন বাৰিষা কাল, আকাশখন মেঘাচ্ছন্ন অৱস্থা। চিকাৰি আৰু চিকীৰা নামৰ দুজন মানুহে নদীত সৰু এখন নাওঁ লৈ মাছ ধৰিবলৈ যায়। গোটেই দিনৰ দিনটো মাছ ধৰি সন্ধিয়াপৰত তেওঁলোকে ঘৰলৈ উভতাৰ সময়ত দূৰৈত এখন মেটেকাৰ দম দেখা পালে আৰু দমটোৰ ফালে আগুৱাই গ'ল।

তেওঁলোকে তাত দুটা সৰু সৰু মৰম লগা দুটা জন্তুৰ পোৱালী দেখা পালে। অচিনাকি আছিল। কোনো জন্তুৰ লগত মিল নথকাৰ বাবে দুয়ো এটা এটা পোৱালী ঘৰলৈ আহিল আৰু কুকুৰাৰ গড়ালত থৈ দিলে। পিছদিনা ৰাতিপুৱা দুয়ো টোপনিৰপৰা উঠি আহি দেখে যে গড়ালটোত কোনো শব্দ নাই। দেখা পালে যে গড়ালত এটাও কুকুৰা নাই। তেতিয়া সিহঁতে পোৱালী দুটা লৈ আহিল। ৰাস্তালৈ অহাৰ পিছত গাঁওখনৰ মানুহবোৰে ক'লে, এটা বাঘৰ পোৱালী আৰু আনটো শিয়ালৰ। তেতিয়া তেওঁলোকে বুজি পালে গড়ালত কিয় কুকুৰা নাইকীয়া হৈছে। আৰু খঙত দুয়ো পোৱালী দুটা মাৰিবলৈ ধৰাত নগৰৰ মানুহে ৰাস্তাৰে গৈ থাকি সুধিলে কি কৰি আছ অ'? কি কৰি আছ অ'? তেওঁ একো বুজি নাপাই কেৱল কৈ থাকিল বাঘমাৰী, বাঘমাৰী আৰু শিয়ালমাৰী, শিয়ালমাৰী। মন কৰিবলগীয়া কথা যে তেওঁলোক দুয়ো অসমীয়া ভাষা নাজানে। তেওঁলোকে মিশ্ৰ বঙালী ভাষা কয়। মাক বঙালী আৰু অসমীয়া দুটা ভাষাৰ এটাৰ লগতো মিলাব নোৱাৰি। তেওঁলোকে কোৱা বাঘমাৰী, বাঘমাৰীৰ অৰ্থ হ'ল সিহঁতে বাঘটো মাৰি আছে আৰু শিয়ালমাৰীৰ অৰ্থ হ'ল শিয়ালটো সিহঁতে মাৰি আছে।

এনেতে এজন গাঁও ভ্ৰমণকাৰীয়ে সুধিলে এই গাঁওখনৰ নাম কি? তেওঁলোকে একো বুজি নাপালে। বুজি নাপাই ক'লে শিয়ালমাৰী, বাঘমাৰী...

তেতিয়া মানুহজনে ভ্ৰমণ কৰা ভ্ৰমণত যোৱাৰ বাবে লৈ অহা টোকাবহীত লিখি ল'লে শিয়ালমাৰী, বাঘমাৰী। আৰু এই শিয়ালমাৰী আৰু বাঘমাৰী ঠাই এখন আছে বুলি এখন টোকা লিখিলে। তেতিয়াৰপৰা নগৰ অঞ্চলৰপৰা গাঁও অঞ্চললৈ এখন এখনকৈ কেইবাজনো ভ্ৰমণকাৰীয়ে এই অঞ্চলৰ নাম বুলি জানি টোকা লিখা আৰম্ভ কৰে। তেতিয়াৰপৰা এই কংক্ৰিটৰ অঞ্চলৰ নাম শিয়ালমাৰী। আৰু এই অঞ্চলতে মোৰ জন্ম হয়। বাঘমাৰী গাঁওখন মোৰ জন্মৰ আগত লুইতৰ বুকুত বুৰ যায়। ৰৈ যায় শিয়ালমাৰী গাঁওখন।

ভাৰতবৰ্ষ ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীন হৈছিল আৰু আমাৰ গাঁওখনৰ গঠন হৈছিল ১৯৫০ চনত। পিছত চৰকাৰে এই গাঁওখনৰ মানুহবোৰক মাটিৰ আৱণ্টন পট্টা দিয়ে আৰু কেইখনমান এল.পি. স্কুল স্থাপন কৰি দিয়ে। উল্লেখযোগ্য যে চৰকাৰে স্থাপন কৰা ৱৰছলী প্ৰাথমিক বিদ্যালয়ৰ পৰা বহুতো ছাত্ৰী-ছাত্ৰীয়ে শিক্ষা লাভ কৰি বাহিৰৰ স্কুলত পঢ়িব লগাত এজন এম.ই. স্কুল স্থাপন কৰে ১৯৮৯ চনত। যাৰ নাম আছিল শিয়ালমাৰী কুৰিহামাৰী মিলন এম. ই. মাদ্ৰাছা। ইয়াৰ পিছত শিয়ালমাৰী আঞ্চলিক হাইস্কুল স্থাপন কৰে কেইজনমান জ্ঞানী-গুণী ব্যক্তিয়ে। যাৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল মনৰেজ খান। এই অঞ্চলৰ চাৰিসীমা হ'ল— উত্তৰে ন-পৰাপাম, দক্ষিণে পণ্ডিতৰ পাম, পূবে ১ নং, ২ নং দোকানীয়া গাঁও আৰু পশ্চিমে কুৰিহামাৰী।

বৰ্তমান এই দুৰ্গম অঞ্চলত কেইগৰাকীমান জ্ঞানী-গুণী ব্যক্তিয়ে শিক্ষাৰ প্ৰসাৰৰ বাবে ভাংনামাৰী-কুৰিহামাৰী জুনিয়ৰ কলেজ স্থাপন কৰে। তথাপিও এই অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে হাজো বা গুৱাহাটীৰ মহাবিদ্যালয়লৈ যায়।







# ইন্দিৰা মিৰি— এক সংগ্ৰামী সত্তা

✍ ৰেখাৰাণী কলিতা
স্নাতক, ৩য় ষাণ্মাসিক

মানৱ সভ্যতাৰ মূলতে হ'ল শিক্ষা। আদিম মানুহে প্ৰকৃতিৰপৰা আহৰণ কৰিছিল শিক্ষা। জুইৰ ব্যৱহাৰ, চকাৰ ব্যৱহাৰ বা নানান শৈল অস্ত্ৰৰ ব্যৱহাৰৰ শিক্ষা এই প্ৰকৃতিৰ বুকুৰপৰাই পাইছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহে শিক্ষাৰ প্ৰসাৰ ঘটাইছে আৰু মানৱ সভ্যতাক বহু ওপৰলৈ তুলি লৈ গৈছে। কিন্তু সামান্য মন কৰিলেই অনুভৱ কৰিব পাৰি যে সভ্যতাৰ এই অগ্ৰগতিত কেইজনমান মুষ্টিমেয় কৰ্মযোগী সাধকেহে নিৰন্তৰ প্ৰচেষ্টাত লিপ্ত হয়। আৰু সামগ্ৰিকভাৱে সমগ্ৰ সংসাৰে তাৰ ফল ভোগ কৰে।

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহকো (তেতিয়াৰ বৰ অসম) দুই এগৰাকী সমাজহিতৈষী ব্যক্তিৰ নিৰলস সাধনা, অন্তহীন উদ্যম আৰু অক্লান্ত পৰিশ্ৰমে অন্ধকাৰ আঁতৰাই পোহৰ অনাত সহায় কৰিছিল। পুৰণি বৰ অসমৰ পাহাৰীয়া জনজাতীয় লোকসকলৰ মাজত শিক্ষা সভ্যতাৰ পোহৰৰ বন্তি জ্বলোৱা এগৰাকী মহীয়সী ব্যক্তি আছিল ইন্দিৰা মিৰি। তেতিয়াৰ নেফা (North East Frontier Agency) আজিৰ অৰুণাচল প্ৰদেশৰ দুৰ্গম বাট-পথ, অটব্য অৰণ্য, যাত্ৰাৰ পথত হিংস্ৰ জীৱ-জন্তুৰ আক্ৰমণ, মহ-ডাঁহ, কীট-পতংগৰ আক্ৰমণ আদিকো নেওচি ইন্দিৰা মিৰিয়ে প্ৰাক্-স্বাধীনতা কালৰ নেফা অঞ্চলৰ অশিক্ষিত অন্ধকাৰত আচ্ছন্ন জনজাতীয় মানুহবোৰৰ মাজত শিক্ষাৰ, জ্ঞানৰ পোহৰ বিলাইছিল।

শিৱসাগৰ জিলাৰ এখন ভিতৰুৱা গাঁৱত ১৯১০ চনত জন্মলাভ কৰা ইন্দিৰা মিৰিৰ পিতৃ আছিল সোনাধৰ সেনাপতি। ইংৰাজ চৰকাৰে ৰায়চাহাব উপাধি প্ৰদান কৰা সোনাধৰ সেনাপতি আছিল আধুনিক উচ্চ শিক্ষাৰ প্ৰতি গভীৰভাৱে আগ্ৰহী। প্ৰাথমিক শিক্ষা বাংলা মাধ্যমত গ্ৰহণ কৰা ইন্দিৰা মিৰিৰ পিতৃ সোনাধৰ সেনাপতিয়ে পিছত ইন্দিৰাক কলিকতাৰ বেথুন বিদ্যালয়ত ষষ্ঠ শ্ৰেণীত নাম ভৰ্তি কৰাই দিয়ে। ১৯৩২ চনত তেওঁ কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰপৰা স্নাতক ডিগ্ৰী লয়। সেই চনতে ইন্দিৰা মিৰি বিবাহপাশত আবদ্ধ হয় বিখ্যাত মহীচন্দ্ৰ মিৰিৰ লগত। মহীচন্দ্ৰ মিৰি আছিল মিচিং সম্প্ৰদায়ৰ প্ৰথমগৰাকী বিজ্ঞান স্নাতক আৰু এগৰাকী সুদক্ষ বন বিষয়া, যি গৰাকী ব্যক্তিয়ে আজিৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক ইংৰাজ শাসনৰ কালছোৱাতে এখন অভয়াৰণ্য হিচাপে স্বীকৃতি দিবলৈ সক্ষম হোৱাই নহয়, কাজিৰঙাক বিশ্ব দৰবাৰতো স্থান দিবলৈ সক্ষম হৈছিল। কিন্তু বৈবাহিক জীৱনৰ মাত্ৰ সাত বছৰ পিছতেই ইন্দিৰা মিৰি স্বামীহাৰা হয়। ১৯৩৯ চনত মহীচন্দ্ৰ মিৰিৰ মৃত্যুৰ পাছত পিতৃ সোনাধৰ সেনাপতিয়ে ইন্দিৰাক উচ্চ শিক্ষাৰ বাবে ইংলেণ্ডৰ এডিনবাৰ্গ আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ পঠিয়ায়। শিক্ষা সাং কৰি উভতি আহি ১৯৪৭ চনৰ অক্টোবৰ মাহত তেতিয়াৰ নেফা অঞ্চলত শিক্ষা বিষয়া হিচাপে যোগদান কৰে। শিক্ষা বিষয়া হিচাপে নেফা অঞ্চলত যোগদান ইন্দিৰা মিৰিৰ জীৱনৰ এটা অতি সাহসী আৰু গুৰুত্বপূৰ্ণ সিদ্ধান্ত। সেই সময়ৰ নেফা (আজিৰ অৰুণাচল প্ৰদেশ) আছিল আধুনিক শিক্ষা সভ্যতাৰপৰা বহুত দূৰত। এখন আদিম ধ্যান-ধাৰণাৰে পৰিচালিত সমাজ। ইন্দিৰা মিৰিৰ প্ৰচেষ্টাত অঞ্চলটোত এক হাজাৰৰো বেছি বিদ্যালয় বা শিক্ষাকেন্দ্ৰ স্থাপিত হৈছিল। কৰ্মজীৱনত তেওঁ শদিয়া, শ্বিলং আদি ঠাইত কাৰ্যনিৰ্বাহ কৰাৰ লগতে ১৯৫৭ চনত যোৰহাট বি.টি. কলেজত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ এগৰাকী কাৰ্যবাহী সদস্য হিচাপে সেৱা আগবঢ়ায়। ভাৰত চৰকাৰে এইগৰাকী মহীয়সী নাৰীক

পদ্মশ্ৰী আৰু অসম চৰকাৰে শংকৰদেৱ বঁটাৰে সন্মানিত কৰিছে। ২০০৪ চনৰ ছেপ্টেম্বৰ মাহত এইগৰাকী মনীষাৰ দেহাৱসান ঘটে।

ইন্দিৰা মিৰি আজি আমাৰ মাজত কায়িকভাৱে নাই সঁচা কিন্তু আজীৱন শিক্ষাব্ৰতী এই গৰাকী মহীয়সী নাৰীৰ অৱদান আৰু সেৱা অসম বিশেষকৈ আজিৰ অৰুণাচল প্ৰদেশৰ মানুহে প্ৰতিক্ষণত সুঁৱৰিব লাগিব। কুৰি শতিকাৰ প্ৰথমভাগত, যি সময়ত উচ্চবৰ্ণৰ নাৰী সমাজেই শিক্ষা-দীক্ষাৰপৰা বঞ্চিত হৈ আছিল, সেই সময়ত সোনাধৰ সেনাপতিয়ে নিজৰ জীয়েকক কলিকতাৰ কলেজত, ইংলেণ্ডৰ এডিনবাৰ্গ আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ত শিক্ষাগ্ৰহণৰ বাবে উৎসাহিত কৰাই নহয়, হাতে-কামেও লাগিছিল। জীৱনত বহু দুখ কষ্ট আৰু যন্ত্ৰণা হেলাৰঙে সহ্য কৰা এইগৰাকী বিদূষী নাৰীয়ে নিজৰ কৰ্মৰ বাবে আত্মীয়-স্বজনৰপৰা বহু সময়ত গঞ্জনা শুনিব লগা হৈছিল। অতি শ্ৰদ্ধাৰ তথা আদৰ্শৰ প্ৰতীক আপোন পিতৃৰ মৃত্যুক্ষণতো উপস্থিত থাকিব নোৱৰা ইন্দিৰা মিৰিয়ে বৈবাহিক জীৱনৰ সুখো পোৱা নাছিল। পিতৃৰ মৃত্যু, স্বামীৰ মৃত্যু, আত্মীয়-স্বজনৰ গঞ্জনা আনহাতে বহু 'অসমীয়া' মানুহে ইন্দিৰা মিৰি এগৰাকী বঙালী প্ৰিয় বুলি দিয়া গৰিহণা আদিয়ে কিন্তু এইগৰাকী স্থিতপ্ৰজ্ঞা নাৰীক টলাব নোৱাৰিলে। মনত পূৰ্ণ উৎসাহ আৰু উদ্যম লৈ তেওঁ শিক্ষা প্ৰদান আৰু প্ৰসাৰতে ন্যস্ত হৈ থাকিল। আজি অৰুণাচলন প্ৰদেশৰ পূব অংশ, শদিয়া আদি অঞ্চলত শিক্ষাৰ যি পোহৰে জলমলাই আছে সেয়া ইন্দিৰা মিৰিৰ একক প্ৰচেষ্টাৰ ফল। ❑

(প্ৰবন্ধটো যুগুত কৰোতে অনুৰাধা শৰ্মা পূজাৰীৰ মেৰেং উপন্যাসৰ সহায় লোৱা হৈছে)

### মহৎ লোকৰ বাণী

চকুৰে নেদেখাজনক অন্ধ বুলিব নোৱাৰি, নিজৰ দোষ-ত্ৰুটিবোৰ লুকাই ৰখা জনহে প্ৰকৃতাৰ্থত অন্ধ।
— **মহাত্মা গান্ধী**

শিক্ষাৰ ঘাই শিপাডাল তিতা, কিন্তু ইয়াৰ ফল বৰ মিঠা। — **এৰিষ্টটল**



# গল্পৰ জোলোঙা

# খিৰিকীৰ সিপাৰে

✍ ভবেশ কুমাৰ চৌধুৰী
ৰসায়ন বিজ্ঞান বিভাগ

সন্ধিয়াৰ সময়; আনফালে আকৌ বাৰিষা বতৰ; এজাক বতাহে আহি গছবোৰক চুই আতৰি গৈছিলহে মাথো! বিজুলি বিভাগে বিদ্যুৎ সংযোগ নাইকিয়া কৰি দিলে। অনুৰাগে চকীখন খিৰিকীৰ কাষলৈ আনি বহি ললে। খোলা খিৰিকীৰে যিমান দুৰলৈ পাৰি চাই ৰ'ল। খন্তেক আগতে ফৰকাল হৈ থকা আকাশখনৰ য'তে ত'তে ক'লা মেঘৰ চপৰাবোৰ সিচৰতি হৈ পৰিল। এটুকুৰা মেঘ সংগোপনে আহি জোনটোৰ ওপৰেদি চুচৰি গ'ল। এনে লাগিল মেঘচপৰা জোনটোৰ আপোন কোনোবা যিয়ে বতাহ জাকৰ পৰা নিৰাপদে ৰাখিবলৈ জোনটোক এবাৰ সাৱতি ধৰিব বিচাৰিছিল, কিন্তু ব্যৰ্থ হৈছিল। লাহে লাহে গোটেই আকাশখন ক'লা হৈ পৰিছিল। মেঘবোৰৰ ফাঁকে ফাঁকে এবাৰ দুবাৰ মূৰ দুপিয়াই দেখা দিব খোজা জোনবাই জনী অৱশেষত আকাশৰ অজান আকাশৰ ঠিকনাত নেদেখা হৈ পৰিল।

গোটেই দুনীয়াৰ একেই নিয়ম নেকি? ডাৰউইনে কোৱাৰ দৰে যোগ্য জনৰ ভোগৰ বাবেহে নেকি বসুন্ধৰা? ইমান চেষ্টা কৰিও কিয় স্থিৰ হৈ উজ্বলি থাকিব নোৱাৰিলে জোনবাইজনী? ক'লা মেঘবোৰ জোনৰ পোহৰতকৈও যোগ্য নেকি আকাশৰ বাবে? কেতিয়াবা ক'লা ডাৱৰ, কেতিয়াবা জোনালী আকাশ। কিহৰ ইমান প্ৰতিযোগিতা? কিয়?

সকলো প্ৰশ্নৰ উত্তৰ পোৱা সম্ভৱ হয় জানো? অনুৰাগৰ এনে কিছুমান দৃষ্টি ভংগীৰ বাবে তাক কিছুমানে ফিল'চফাৰ বাবু আৰু কিছুমান বলীয়া প্ৰভু বুলি ইতিকিং কৰে। লগৰবোৰে তাৰপৰা আতৰি ফুৰে কিবা অপ্ৰকাশ্য বিৰক্তিত। অনুৰাগে বুজি পায় মানুহৰ তাৰ প্ৰতি থকা বিৰাগ। কিন্তু প্ৰত্যুত্তৰত তেওঁলোকৰ প্ৰতি কেতিয়াও প্ৰতিবাদৰ দৃষ্টিও নিক্ষেপ কৰা নাই সি।

ইচ্ছা কৰা হ'লে সস্তীয়া কথাৰে অস্থায়ীভাৱে সিও জয় কৰিব পাৰিলেহেঁতেন বহু মানুহৰ মন। কিন্তু সি তেনেকুৱা নহয়। কাৰণ সি জানে সস্তীয়া ভিত্তিহীন কথা অথবা প্ৰতিশ্ৰুতিয়ে বহু মানুহৰ হৃদয় ভাঙি পেলাইছে পৃথিৱীত। বিছিন্ন কৰি পেলাইছে বহুজনক সমাজৰ পৰা। যিদৰে অৱনী শৰ্মাৰ মিছা মিছা মিঠা কথাই আইনা ভঙাদি ভাগি পেলাইছিল এদিন তাৰ মাক সৰলাৰ সপোন।

দহ বছৰ হ'ল অনুৰাগে মাকৰ স'তে সিহঁতৰ নিজ গাৱঁ পূৰণি বজাৰ এৰি অহাৰ। বৰ্তমানৰ কলেজ খনত যেনেকৈ বহুতে তাক বলীয়া বুলি মাতে গাৱঁত তাক চল পালেই মানুহে জাৰজ বুলি মাতিছিল। বহুদিনলৈ সি জাৰজ মানে নাজানিছিল। কিন্তু জনা হোৱাৰ পৰা মাথো এটা প্ৰশ্নই তাক সদায় জ্বলি পুৰি ছাঁই কৰি পেলাইছিল? "কিয় দেউতাই মাক এৰি গৈছিল? কিয়?

অনুৰাগৰ মাক সৰলা। খেতিয়কৰ ছোৱালী। পঢ়া-শুনা কম। দেখাত ধুনীয়া আছিল। দেউতাকে বেছিভাগ ৰজনী শৰ্মাৰ খেতি মাতি আধি লৈ খেতি কৰে। সেই সংযোগত ৰজনী শৰ্মাৰ পুত্ৰ অৱনী কেতিয়াবা সৰলাহঁতৰ ঘৰলৈ আহে। সেই চিনাকি এসময়ত মৰমৰ বান্ধোন হৈ পৰে। পিছত সিহঁতৰ সম্পৰ্কৰ কথা গাৱঁত ৰাষ্ট্ৰ হৈ পৰে। সমাজৰ নীতি নিয়মৰ ভীৰ ভাঙি এদিন অৱনীয়ে সৰলাক চহৰলৈ পলুৱাই লৈ যায়। সৰলা আৰু অৱনীৰ জাতি নিমিলে। অৱনী শিক্ষিত। সি ভাবিছিল সি সমাজৰ দুৰ্ব্যৱস্থাক নসাৎ কৰি তিষ্ঠিব পাৰিব। বহুদিনলৈ সিহঁত সন্ধানহীন হৈ থাকিল। অনুৰাগ গৰ্ভত থকা সময়ত সৰলাক এৰি অৱনী যি ঘৰমুৱা হ'ল সি আৰু ঘূৰি নগ'ল। সৰলাই অৱনীক বিচাৰি ঘৰ ওলাইছিল। তেতিয়ালৈ

অৱনীৰ চৰিত্ৰৰ নাটকীয় পৰিবৰ্তন ঘটিছিল। অৱনীয়ে সৰলাক পত্নীৰূপে পৰিচয় দিবলৈ সাহস নকৰিলে। সৰলাই নিৰুপায় হৈ পিতৃ গৃহলৈ গুচি আহিছিল। তাতেই অনুৰাগৰ জন্ম হয়। সৰুতেই মাকক হেৰুৱাৰ পিছত দেউতাকৰ কোলাত ডাঙৰ হোৱা সৰলাই এইবাৰ অনুৰাগক ডাঙৰ কৰাৰ দায়িত্ব দিছিল দেউতাকক।

অনুৰাগ যেতিয়াই খিৰিকি খনলৈ আহি আকাশলৈ চাই তেতিয়াই প্ৰশ্ন কৰে নিজক — "অৱনী শৰ্মাই মাক পত্নী ৰূপে স্বীকৃতি নিদিয়া বাবে মই জাৰজ আৰু মা পতিতা। কিন্তু অৱনী শৰ্মাৰ বাবে অভিধানত থকা শব্দটো কি? তেওঁ কি? সমাজে প্ৰশ্ন কৰেনে?

এনে প্ৰশ্নবোৰ সি কাকো নকৰে। যাকেই কৰে সিয়ে অস্পৃশ্য সজায় সিহঁতক। সেয়ে আচল কথাবোৰ লুকুৱাই কাল্পনিক কথাবোৰ সুধে আনক। ক'লা মেঘ আৰু জোনবাইৰ কোন প্ৰিয় আকাশৰ বাবে? সেয়ে লগৰ বোৰে তাক বলীয়া বুলি ভাবে। সি কেৰেপ নকৰে।

অৱনী শৰ্মাই সৰলাক কথা দিছিল। তেওঁ সমাজৰ সকলো নিয়ম ভাঙি সৰলাৰ শিৰত সেন্দুৰেৰে ৰঙা বেলীৰ ছবি আকিব। জাতি বৰ্ণ বৈষম্য ওফৰাই সৰলাক নিজৰ কৰিব। সকলো সপোনেৰে সৰলাৰ জীৱনটো হৈ পৰিছিল বক্ৰৰেখাৰ দৰে দিশহীন। যিখন সমাজে অৱনীক উচ্চ জাতিৰ হবলৈ শিকাইছিল সেই সমাজখনে তেওঁক উচ্চ-মানৰ অধিকাৰী কৰি তুলিব নোৱাৰিলে। অৱনীয়ে পিছত নিজৰ জাতিৰ ছোৱালী বিয়া পাতিছিল। হয়তো তেওঁ তেনেকৈয়ে সুখত আছিল!

সৰলাহঁতৰ বাবে সমাজ মানে ভীষ্মৰ শৰশয্যা। বাক্যবানে অনবৰত শৰবিদ্ধ কৰে কিন্তু ধৰ্মৰ বিজয় চাবলৈ যুদ্ধ শেষ হোৱা পৰ্যন্ত তাইৰ জীয়াই থকাৰ হেঁপাহ। সৰলাহঁতৰ বাবে ঈশ্বৰ বিশ্বাসী সহাৰি। ঈশ্বৰক মনৰ সকলো কথাই খুলি কব পাৰি। ঈশ্বৰ থকাৰ কোনো প্ৰমাণ নাই। তথাপি তেওঁ সাহস যোগায়। মানুহৰ উপস্থিতিৰ প্ৰমাণ আছে। তথাপি কিয় কেতিয়াবা মানুহে মানুহৰ ভয়ৰ কাৰণ হৈ পৰে।

সৰলাই গাৱ এৰি চহৰলৈ আহিব খোজা নাছিল। কিন্তু অৱশেষত দেউতাকক গাৱত এৰি অহাৰ সময়ত সৰলাই অনুৰাগক কৈছিল —

'বাবা, সূৰ্য দেৱতাৰ মোহত মগ্ন হৈ এদিন অকুমাৰী কুন্তীয়ে কৰ্ণক জনম দিছিল। সমাজে কুন্তীক বাধ্য কৰাইছিল কৰ্ণক পানী উতুৱাই দিবলৈ। সেই সমাজে আজিও সূৰ্যক পূজা কৰে আৰু কুন্তীক প্ৰশ্ন কৰে তাচ্ছিল্যতাৰে। কিন্তু মই কুন্তী হ'ব নুখুজিলো। গাণ্ডীৱ ধাৰী অৰ্জুনৰ মা হবলৈ গৈ মই মহাৰথী কৰ্ণক হেৰুৱাৰ সাহস নকৰিলো। মই কেৱল তোৰ মা হৈ থাকিবলৈ পুণৰ বিবাহ নকৰিলো। সৃষ্টি নকৰিলো অন্য এক মহাভাৰতৰ।

অনুৰাগৰ বাবে পৃথিৱীখন ৰহস্যময় হৈ থকা নাই। প্ৰতিটো ৰহস্য ফাদিল কৰিয়েই পাইছে বৰ্তমানৰ জীৱন। এইজনেই অনুৰাগ যিয়ে প্ৰশ্নৰ দৃষ্টিৰে সমাজখনলৈ চালে হৈ পৰে কেতিয়াবা পাগল, কেতিয়াবা জাৰজ।

পূৰণি বজাৰৰ পৰা চহৰলৈ অহাৰ দিনা বাচত তাৰ গাত ভেঁজা দি শুই যোৱা মাকৰ মুখখন চাই সি আত্ম বিভোৰ হৈ পৰিছিল। আচৰিত হৈছিল কঁকাকৰ মৰমত ডাঙৰ হোৱা সময়খিনিৰ কথা ভাবি।

খিৰিকিৰে চাই থাকোতেই বৰষুণ এজাক নামি আহিল। বতাহৰ কোবত ছিটিকি অহা বৰষুণৰ টোপাল কেইটাই তাক বাস্তৱলৈ ঘূৰাই আহিল। জোনটি খিৰিকিৰ সিপাৰে থকা বাহজোপাৰ মাজেৰে সোমাই গৈছিল। এনে লাগিছিল যেন আকাশৰ পৰা নামি আহি জোনটিয়ে বাহজোপাত জিৰণি লৈছিল। প্ৰশ্নবোৰ সামৰি সি খিৰিকিখন জপাই মাকৰ ওচৰলৈ গৈ সি ক'লে —

"মা, আমি আকৌ ককাৰ লগত থাকিম। অহাকালি ওলাবা। পূৰণি বজাৰ যাম।"





# পদ্মিনী

✍ শিখৰজ্যোতি দাস
স্নাতক তৃতীয় ষাণ্মাসিক

পদ্মিনী ... নামটি যেনেকৈ মুখলগা ঠিক তেনেকৈ তায়ো ৰূপে-গুণে, কামে-কাজে গাঁৱৰ ভিতৰত আটাইতকৈ পাকৈত ছোৱালী। তাইৰ ৰূপ-গুণৰ জেউতিয়ে সকলোকে এবাৰলৈ হ'লেও চকু থৰ লগায়। সৰুতে মাক-দেউতাকক হেৰুৱাই মোমায়েকৰ ঘৰত আশ্ৰয় লোৱা পদ্মিনীৰ জীৱনৰেখাডাল ইমান সৰল নাছিল। মোমায়েকৰ ঘৰখনত তাই জনা হোৱাৰেপৰাই অনুভৱ কৰিছিল যে তাই সিহঁতৰ বাবে এটা বোজা। মামীয়েকৰ কটু কথাই তাইৰ কোমল অন্তৰখনিত আঘাত কৰিছিল। পদ্মিনীয়েও নিজকে শিল এটুকুৰা কৰি তাই পোৱা দুখবোৰ সামৰি-সুতৰি এটা মৰ্মান্তিক জীৱন-যাপন কৰি আছিল।

বকুলপুৰ গাঁৱৰে, মৌজাদাৰৰ ঘৰৰ একমাত্ৰ সন্তান ৰাকেশ উচ্চশিক্ষাৰে শিক্ষিত, সৰুৰেপৰা চহৰত ডাঙৰ হোৱা কিন্তু গাঁৱৰ মাটি-বোকাৰ সুবাস মনত ৰখা এটা ব্যতিক্ৰমী ডেকা। সি শিক্ষা সাং কৰি গাঁৱলৈ উভতি আহে আৰু আধুনিক প্ৰক্ৰিয়াৰে খেতি-বাতি কৰি নিজক প্ৰতিষ্ঠিত কৰাৰ সংকল্প লৈছিল। এদিন সি গাঁৱৰ ভিতৰতে আটাইতকৈ শুৱনি আৰু পদ্মিনীক দেখা পালে, গাঁৱৰে এঘৰৰ বিয়াত। প্ৰথম দেখাতেই ৰাকেশৰ সপোন কুঁৱৰী হ'ল পদ্মিনী। তাইৰ চকুযুৰিয়ে ৰাকেশৰ ৰাতিৰ টোপনি কাঢ়িব ধৰিলে। কিছুদিন পাছত ৰাকেশে পদ্মিনীক প্ৰেমৰ প্ৰস্তাৱ দিলে আৰু আশা কৰাভাৱেই তাই ৰাকেশক সঁহাৰি জনালে। লাহে লাহে সিহঁতৰ প্ৰেমে গভীৰ ৰূপ পালে, দুয়োটাৰে পৃথক পৃথক সপোনবোৰ এটা হ'ব ধৰিলে, সিহঁত যেন হৈ পৰিল এটি প্ৰাণৰ দুটা জীৱন। কিন্তু সিহঁতৰ বাবে ৰৈ থকা অনাকাংক্ষিত পৰিস্থিতিৰ সিহঁতে তিলমানো আভাস পোৱা নাছিল। পদ্মিনীৰ মোমায়েকে ৰাকেশক মানি লৈছিল যদিও ৰাকেশৰ ঘৰত পদ্মিনী আৰু ৰাকেশৰ প্ৰণয়ৰ সম্পৰ্ক কোনোমতেই মানি লোৱা নাছিল। কিন্তু পদ্মিনীৰ বাহিৰে অইন কাকো সপোনতো ভাৱিব নোৱাৰা ৰাকেশে মৰণপণ কৰিলে, যদি পদ্মিনী তাৰ নহয় সি আৰু জীয়াই নাথাকে। মৌজাদাৰে পুতেকক হেৰুওৱাৰ ভয়ত সিহঁতৰ বিয়াত সন্মতি দিলে। কিন্তু সিহঁতৰ বিয়াখনে এটা নতুন কাহিনীৰ পাতনি মেলালে, যিটো পদ্মিনীৰ বাবে সপোনৰো অগোচৰ আছিল। এজনী ঘাটমাউৰা ছোৱালী মৌজাদাৰৰ ঘৰৰ বোৱাৰী হোৱা ঘটনাটো গাঁৱৰ মানুহৰ বাবে আলোচনাৰ বিষয় হৈ পৰিছিল। বহুতে বু-বু-বা-বা কৰিছিল যে পদ্মিনীয়ে মৌজাদাৰৰ ঘৰলৈ সৰ্বনাশ মাতি আনিব। বিয়াৰ এমাহমান পিছতে, পথাৰত খেতিৰ কামত ব্যস্ত থাকোতে ৰাকেশক সাপে খুটিলে। সি কোনোমতে মৃত্যুমুখৰপৰা উভতি আহিল। গাঁৱৰ মানুহে আলোচনা কৰিব ধৰিলে, ইয়াৰ কাৰণ পদ্মিনী, কাৰণ তাই অমংগলীয়া। মৌজাদাৰৰ ঘৰতো এই কথাটো চলিব ধৰিলে আৰু পদ্মিনীৰ ওপৰত সিহঁতৰ বেয়াভাৱে ঠাহ খালে। ইয়াৰ কিছুদিন পাছতে মৌজাদাৰে ওচৰৰে মানুহ এঘৰৰ লগত বহুদিনৰ পৰা চলি থকা নিশ্চিত জয়ৰ মোকৰ্দমা এটাত হাৰিল। গাঁৱৰ মানুহৰ মুখে মুখে প্ৰচাৰ হৈ গ'ল এইজনী কুলক্ষিণীৰ কাৰণে এই সকলোবোৰ হ'ব ধৰিছে। তাই ঘৰৰপৰা ওলাব নোৱৰা সদৃশ পৰিৱেশ হ'ল। মানুহে তাইক দেখিলে মুখ ঘূৰাই বেলেগ ফালেদি যায়, আনকি যাত্ৰাপথত তাইক দেখিলে যাত্ৰা বেয়া হ'ব বুলি মানুহে যাত্ৰা নকৰা পৰ্যন্ত পৰিৱেশৰ সৃষ্টি হ'ল। এদিন হঠাৎ মৌজাদাৰৰ চাৰিটা হালৰ গৰু মৰি থাকিল। তেতিয়া মৌজাদাৰৰ পৰিয়ালে পদ্মিনীক অমংগলীয়া বুলি কটু কথা শুনালে আৰু ঘৰ

এৰি যাবৰ কাৰণে বাধ্য কৰালে। কিন্তু গিৰীয়েক ৰাকেশে পদ্মিনীক উভতাই আনে। পদ্মিনীয়েও ৰাকেশৰ মৰম-ভালপোৱাৰ মাজত থাকি এই সকলোবোৰ কৰ্কথনা সহ্য কৰি থাকিল। সেইবছৰে গাঁৱত ভয়ানক বানপানী আহিল আৰু গোটেই গাঁওখনে উছন্ন কৰি পেলালে। খেতি-পথাৰ, জীৱ-জন্তু চব নিঃশেষ হৈ গ'ল। বানপানী যোৱাৰ পাছত গাঁৱলৈ মহামাৰী নামি আহিল। মহামাৰীয়ে গাঁৱত ত্ৰাসৰ সৃষ্টি কৰিলে আৰু বহুত মানুহৰ চিতা একেলগে জ্বলিল। সেই মহামাৰীত মৌজাদাৰৰ ভায়েকৰ পৰিয়ালটিও নিঃশেষ হৈ গ'ল। গাঁৱৰ এই পৰিস্থিতিৰ একমাত্ৰ কাৰণ পদ্মিনী বুলি, সকলোৱে তাইক গাঁৱৰপৰা বাহিৰ কৰি দিবলৈ বিচাৰ পাতিলে। গোটেই গাঁওখনেই তাইক কটু কথাৰে বিপৰ্যস্ত কৰিলে। পদ্মিনীয়েও ভাৱিব বাধ্য হ'ল তাই সঁচাকে অমংগলীয়া নেকি? এই সকলোবোৰ তাইৰ কাৰণে নেকি? সেই সময়তে তাইৰ গিৰীয়েক ৰাকেশৰ এটা ভয়ানক দুৰ্ঘটনাত বেয়াকৈ ক্ষতি হ'ল। তেতিয়া সকলোৱে মিলি পদ্মিনীক মৌজাদাৰৰ ঘৰৰপৰা খেদি পথালে। ৰাকেশেও তাইক আৰু গ্ৰহণ কৰিবলৈ অমান্তি হ'ল। সি ভাৱিব আৰম্ভ কৰিলে— পদ্মিনী সঁচাকৈ কুলক্ষিণী। তাইৰ মোমায়েকেও তাইক ৰাখিবলৈ অমান্তি হ'ল। পদ্মিনী নিৰুপায় হ'ল— হাৰি গ'ল তাই একবিংশ শতিকাৰ এচাম অন্ধবিশ্বাসী মানুহৰ ওচৰত। তাইৰ জীৱনৰ এই কঠোৰতাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিলে। তাই চিনাকি মুখ আৰু পৰিৱেশ ত্যাগ কৰি চহৰলৈ গুচি আহিল য'ত তাই লাভ কৰিলে এখন আধুনিক মুক্ত পৃথিৱীৰ সন্ধান।❑

> নিজে অভদ্ৰ বুলি পৰিচয় নিদিয়ালৈকে তুমি সকলোকে ভদ্ৰ বুলি ভাবিবা। — মহাত্মা গান্ধী





# আত্মহত্যা

✍ নন্দিতা তালুকদাৰ
স্নাতক, প্ৰথম ষাণ্মাসিক

বীণাৰ মনত আজি বৰ আনন্দ। বহুদিনৰপৰা সাঁচি ৰখা সপোন যেন দিঠক হ'ল। বীণাৰ পুত্ৰ অমৰে আজি বিয়া পাতিলে। আজি যেন বীণাৰ উকা হৈ থকা ঘৰখন ন-বোৱাৰীয়ে ভৰি দিয়াৰ লগে লগে পোহৰ হৈছে। বীণাৰ ন-বোৱাৰীজনীৰ নামেই হৈছে দীপ্তি; যাৰ অৰ্থই হৈছে পোহৰ। বীণাৰ গিৰীয়েক অমৰ সৰু থাকোতেই বেমাৰত পৰি ভাল চিকিৎসাৰ অভাৱত ঢুকাল। সেই দিন ধৰি বীণাই যেন বুকুত শিল এটাহে কঢ়িয়াই লৈ আছিল। বীণাৰ গিৰীয়েক ঢুকুওৱা ২০ বছৰ ধৰি একমাত্ৰ পুত্ৰ অমৰক লৈয়ে জীয়াই আছে। ন-বোৱাৰীজনী অহা বাবে বীণাই যেন ইমানদিনে লগত লৈ থকা দুখ-বেদনাৰপৰা সকাহ পালে। সঁচাকৈয়ে বীণাই বোৱাৰীজনী বহুত ভাগ্যৰ বলতহে পাইছে। তাই অহাৰপৰা ঘৰখনত যেন আনন্দই আনন্দ। অমৰেও যথেষ্ট সুখী হৈছে। বোৱাৰী দিপ্তীয়ে যেন নিজৰ সৰুতেই হেৰুওৱা মাকৰ মৰমখিনি পাইছে শাহুৱেকৰ তাত।

দীপ্তিৰ দেউতাক এজন ব্যৱসায়ী লোক। দীপ্তিক জন্ম দিয়ে মাক ঢুকাইছে। তেতিয়াৰপৰা দীপ্তিক যেন দেউতাকে অলপো দুখ অনুভৱ কৰিব দিয়া নাই; দেউতাকে তাইক মাকৰ মৰমখিনি দিবলৈও চেষ্টা কৰিছে। তাইক কোনোদিনে কোনো অভাৱ অনুভৱ কৰিব দিয়া নাই। কিন্তু তাই বিয়া হোৱা দিনৰপৰা দেউতাক যেন বহুত ভাগি পৰিছে, কিবা চিন্তা কৰি থাকে। দেউতাকৰ ঘৰখন যেন অন্ধকাৰ হৈ গৈছে।

বীণাহঁতৰ সুখৰ ঘৰখনত যেন অন্ধকাৰ নামি আহিল। যেতিয়া ডাক্তৰে ক'লে যে দীপ্তিৰ সন্তান জন্ম দিব পৰা ক্ষমতা নাই। এই কথাষাৰ শুনি শাহুৱেকৰ খঙে চুলিৰ আগ পালে আৰু গিৰীয়েক অমৰেও যেন তাইক অনবৰতে কথা শুনাই থকা হৈছে। দীপ্তিয়ে এনেকুৱা হ'ব বুলি সপোনতো ভবা নাছিল। শাহুৱেকে যেন তাইক আৰু সহ্য কৰিব নোৱাৰা হৈছে। তাইক দেখিলে যেন শাহুৱেকে তাইক কুলক্ষিণী বুলি কয়। মাক আৰু পুতেকে দুয়ো লগলাগি তাইক যেন অত্যাচাৰ কৰিব ধৰিলে। তাই নিৰৱে সহ্য কৰি যায়। শাহুৱেকে পুতেকৰ দ্বিতীয় বিয়া কৰাৰ কথা ভাৱিলে আৰু তাইক গতিয়াই ঘৰৰপৰা বাহিৰ কৰি দিলে। দীপ্তিয়ে যেন আৰু জীয়াই থকাৰ শক্তি হেৰুৱাই পেলাইছে। তাই দেউতাকৰ ঘৰত এনে পৰিস্থিতিত গ'লে দেউতাকে বহুত দুখ পাব। সেয়ে তাই ৰে'ল ষ্টেচনত গৈ ৰে'ল অহালৈ অপেক্ষা কৰিলে। তাৰ পিছত এটা সময়ত ৰে'লখন আহিল আৰু তাই তাৰ আগত জঁপিয়াই আত্মহত্যা কৰিলে। অমৰে আকৌ বিয়া কৰালে। ❑

# নিঃসংগতা

✍ সুনীতা মেধি
দ্বাদশ, কলা শাখা

মিলনপুৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বিবেক বৰুৱা। বৰুৱাৰ সংসাৰত বৰুৱাৰ পত্নী আৰু একমাত্ৰ ল'ৰা সাগৰ। বেছ সুখৰ আছিল বৰুৱাৰ সংসাৰ। এইকেইদিন বৰুৱাৰ ঘৰত আনন্দৰ সীমা নাই, কাৰণ বৰুৱাৰ ল'ৰা সাগৰে মেট্ৰিক পৰীক্ষাত আটাইকেইটা বিষয়তে লেটাৰ নং পাই অঞ্চলটোৰ ভিতৰতে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

তাৰ পিছত বৰুৱাৰ মনত এটা প্ৰধান চিন্তাই ঠাই ল'লে যে, নিজৰ ল'ৰাটোক ক'ত পঢ়ুৱাব, কি কৰাব ইত্যাদি। দিন বাগৰাৰ লগে লগে সাগৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হ'ল আৰু পৰীক্ষা শেষ হোৱাৰ পিছৰেপৰা বৰুৱাৰ সময় নোহোৱা হৈ পৰিল। আজি বোলে গুৱাহাটীত ক'চিং, কাইলৈ বোলে যোৰহাটত পৰীক্ষা, পৰহিলৈ বোলে ডিব্ৰুগড়ত, মুঠতে ইফালৰপৰা সিফাললৈ বৰুৱা দৌৰি ফুৰে, লগত ল'ৰাটো। বৰুৱাৰ ইচ্ছা একমাত্ৰ ল'ৰাটো মানুহ কৰাৰ। এনেকৈ দিন বাগৰাৰ লগে লগে সাগৰে মেট্ৰিক পৰীক্ষাৰ দৰে উচ্চতৰ মাধ্যমিকতো ভাল ৰিজাল্ট কৰিলে আৰু সাগৰৰ নিজৰ সপোন, মাক-দেউতাকৰ সপোন পূৰণ কৰিবৰ বাবে সাগৰে এদিন ৰাজ্যৰ বাহিৰৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰিলে।

এনেকৈ দিন বাগৰাৰ লগে লগে সাগৰৰ নিজৰ চেষ্টা আৰু মাক-দেউতাকৰ যত্নৰ ফলত সাগৰে এটা বিদেশত উপযুক্ত কৰ্মসংস্থান পালে আৰু তাতে থাকিবলৈ ল'লে। সাগৰৰ এনেবোৰ উন্নতি দেখি বৰুৱাও গৌৰৱ অনুভৱ কৰিলে। সাগৰে বিদেশত থকাৰ পিছত প্ৰথমাৱস্থাত এবছৰ মানৰ মূৰত ঘৰত আহিল যদিও পিছত কামৰ হেঁচাত দুবছৰ, তিনি বছৰ মানৰ মূৰতহে আহিবলৈ ল'লে।

দিন বাগৰাৰ লগে লগে সাগৰে এদিন সাংসাৰিক বান্ধোনত সোমাই পৰিল আৰু পিছত সাগৰে মাক-দেউতাকক বিদেশত সাগৰৰ লগত কিছুদিনৰ কাৰণে হ'লেও মাতি পঠিয়ালে। বৰুৱা আৰু পত্নী দুয়ো এদিন বিদেশলৈ গ'ল যদিও পিছত বৰুৱাৰ তাত থাকি ভাল নালাগিল। কাৰণ সাগৰৰ ব্যস্ততা ভৰা জীৱনত মাক দেউতাকক ভালকৈ মাত এষাৰি দিবলৈও সময় নাই। নিজৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ সি অতি ব্যস্ত। ইতিমধ্যে বৰুৱাৰো চাকৰি জীৱনৰ অন্ত পৰি আহিছিল। লাহে লাহে সাগৰে মাক দেউতাকলৈ আগৰ দৰে ফোন নকৰি খবৰ কৰে কম্পিউটাৰ মণিটৰৰ কেইটমান আখৰেৰে। ঘৰত বৰুৱা আৰু পত্নী দুয়ো দুয়োৰে সংগী। টিভিয়ে সমগ্ৰ পৃথিৱীৰ খবৰ দিয়ে দুয়োকে পিছত হঠাৎ এদিন বৰুৱাৰ হাৰ্টৰ অসুখ আৰম্ভ হয় আৰু সেই অসুখতে বৰুৱাই চকু মুদিলে চিৰদিনৰ বাবে। দেউতাকৰ মৃত্যু সময়ত সাগৰ আহিব নোৱাৰিলে। বিদেশৰপৰা কেনেকৈ আহি ইমান সোনকালে। আঠদিনৰ দিনা সাগৰ আহি পালে আ দেউতাকৰ মৃত্যুত হিয়া ঢাকুৰি কান্দিলে। আনৰ চকুত চম লগাই দেউতাকৰ শৰাধ পাতিলে আৰু বাতৰি কাকতত দেউতাক মৃত্যুৰ বাৰ্তা দি দুখ প্ৰকাশ কৰিলে। লগতে দেউতাকৰ ডাঙ পেইণ্টিংখনত ফুলৰ মালা পিন্ধাই দায়বদ্ধতা আৰু স্মৃতিৰ কে টানিলে। তাৰ পিছৰপৰা শূন্য ঘৰটোত শ্ৰীমতী বৰুৱা অকলশৰী থাকিব ল'লে। সাগৰে মাজে মাজে খবৰ কৰে। অক মানুহগৰাকীৰ কাষত কোনো নাই। ওচৰৰে কাম কৰা তিৰো মালতী বায়ে ঘৰৰ কামবোৰ কৰি থৈ যায়। তায়ে এতিয়া তে জীৱন সংগী। ❑





# তিনি বান্ধৱীৰ জীৱন কাহিনী

✍ বৰ্ণালী দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

জুমি, জিনা আৰু তৃণা তিনিওজনী দশম শ্ৰেণীৰ ছাত্ৰী। তিনিওজনী পঢ়াত বেয়া নাছিল যদিও জিনা আৰু তৃণা জুমিতকৈ আগবঢ়া আছিল। মাজে মাজে তিনিজনীৰ মাজত কাজিয়াৰ সৃষ্টি হৈছিল যদিও তিনি মিনিটমানৰ পাছত সিহঁতে আকৌ একেলগ হৈছিল।

লাহে লাহে সিহঁতৰ মেট্ৰিক পৰীক্ষাৰ কাষ চাপিল, তিনিওজনীয়ে ভালদৰে পঢ়াত মনোনিৱেশ কৰিলে। তিনিওজনীৰে মাক-দেউতাকৰ বহুত আশা সিহঁতে যাতে পৰীক্ষাত ভালদৰে পাছ কৰে। তিনিওজনীয়ে পৰীক্ষা দিলে। কিছুদিন পিছত পৰীক্ষাৰ ফলাফল দিলে। জিনা আৰু তৃণা প্ৰথম বিভাগত পাছ কৰিলে আৰু জুমিয়ে মাত্ৰ দুই নম্বৰৰ বাবে দ্বিতীয় স্থানত পাছ কৰিলে। সেইকাৰণে জুমিৰ মাক-দেউতাকে তাইক বৰকৈ গালি পাৰিলে, মাক-দেউতাকৰ কথাই তাইক বৰকৈ আঘাত দিলে। একাদশ শ্ৰেণীতো সিহঁতে একেলগে নাম লগালে। এইবাৰ জুমিয়ে প্ৰতিজ্ঞা কৰিলে যে তাই জিনা আৰু তৃণা মণিহঁতৰ দৰে ভাল ফলাফল লাভ কৰিব। এইবাৰ জিনা আৰু তৃণা মণিয়েও তাইক সহায় কৰিম বুলি ক'লে। পাছত সিহঁতৰ ফাইনেল পৰীক্ষা কাষ চাপি আহিল। এইবাৰ তিনিওজনীয়ে একেলগে কষ্ট কৰিলে আৰু পৰীক্ষা দিলে। পিছত ফলাফল আহিল তিনিওজনীয়ে পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰিলে। তিনিজনীওজনীৰ মাক-দেউতাকহঁতৰ আশা বাস্তৱিত হ'ল। অৱশেষত তিনিওজনীয়ে আদৰ্শৱান ছোৱালী হৈ দেখুৱালে। ইয়াৰপৰা বুজা যায় যে চেষ্টা কৰিলে সকলো টান কাম কৰিব পাৰি। ❑

# অশৰীৰী

✍ ভুমিতা কুমাৰ
স্নাতক, দ্বিতীয় ষাণ্মাসিক

ৰাতি প্ৰায় বাৰ মান বাজিছে। ৰক্তিম আৰু ৰঞ্জনাই যেন হঠাৎ টোপনিৰপৰা সাৰ পাই উঠিল। সাৰ পায়েই দুয়ো দুয়োৰে মূৰৰপৰা তেজ ওলাই অহা দেখিলে। কিন্তু কেনেকৈ ইমানখিনি হ'বলৈ পালে দুয়ো একো বুজিব পৰা নাই। ৰক্তিমে ৰঞ্জনাক সুধিলে মূৰত কেনেকৈ আঘাত পালে? ৰঞ্জনাইও সেই একে প্ৰশ্নকেই ৰক্তিমক সুধিলে। দুয়ো গম পোৱা নাই ইমান ডাঙৰ আঘাত কেনেকৈ পালে।

ৰক্তিমে মনত পেলাবলৈ চেষ্টা কৰিলে— গধূলি ৭ মান বজাত ৰঞ্জনাক লগত লৈ গুৱাহাটীৰপৰা সি ৰাওনা হৈছিল নিজৰ ঘৰলৈ। কিন্তু হঠাৎ এখন তীব্ৰবেগী ট্ৰাক আহি তেওঁলোকৰ গাড়ীখনত সন্মুখৰপৰা খুন্দা মাৰি গুচি গ'ল। খুন্দা খাই তেওঁলোকৰ গাড়ীখন ৰাস্তাৰ কাষত থকা দ' খাৱৈ এটাত বাগৰি পৰিল। "তাৰ পিছত কি হ'ল?" বহুত চেষ্টা কৰিও ৰক্তিমে মনত পেলাব পৰা নাই। সি ভাবিলে ইমান দ খাৱৈ এটাৰপৰা নিজৰ লগতে ৰঞ্জনাক কেনেকৈ বচাব পাৰে?" কিন্তু সেইবোৰ ভাবি থাকোতেই ৰঞ্জনাই মাত লগালে— "তাত কি কৰি আছা? সোনকালে উঠি আহা হাস্পতাললৈ যাব লাগে।" আচৰিত হৈ ৰক্তিমে ভাবিলে ৰঞ্জনা ইমান সহজতে কেনেকৈ ৰাস্তালৈ উঠিলে? বেছি সময় নষ্ট নকৰি ৰক্তিমেও ৰাস্তাৰ ওপৰত উঠিলগৈ। দেখিলে এখন গাড়ী তেওঁলোকৰ ফালে আহি আছে। উপায় নাপাই সেইখন গাড়ীকে মেডিকেললৈ নিব বুলি ভাবি ৰক্তিমে ৰখাব খুজিলে। কিন্তু গাড়ীখনেও যেন দুয়োকে আওকাণ কৰি তীব্ৰ বেগেৰে কাষেৰে পাৰ হৈ গ'ল। হঠাৎ ৰঞ্জনাই পিয়াহ লগা বুলি চিঞৰি উঠিল। এটুপি পানী পাম বুলি দুয়ো এখোজ-দুখোজকৈ আগবাঢ়ি গ'ল।

ক'তো সাৰ সুৰ নাই। হয়তো সকলোৱে টোপনিত লাল-কাল দিছে। ইফালে আকাশত পূৰ্ণাংগ জোনটোক ক'লা মেঘে আৱৰি ধৰিছে। বিজুলীৰ পোহৰত দুয়ো ৰাস্তাটো কোনোমতে চিনি পাইছো... কিন্তু ক'তো পানী বিচাৰি নাপাই দুয়ো হতাশ হৈ পৰিল। তথাপি আগবাঢ়ি গ'ল, ক'ৰবাত নিশ্চয় তেওঁলোকে মানুহৰ ঘৰ পাব আৰু তাতেই পানী খাব পাৰিব।

প্ৰায় দুই-তিনিঘৰ মান মানুহৰ ঘৰত সোমাই তেওঁলোকে পানী খাব খুজিলে কিন্তু কোনো মানুহে তেওঁলোকক সঁহাৰি নিদিলে... পানীৰ আশা বাদ দি দুয়ো পুনৰ খোজ ল'লে। গৈ থাকোতে ৰক্তিমক পিছফালৰপৰা কোনোবাই মাতা যেন পালে। মাতটো একেবাৰে চিনাকি যেন লাগিল যদিও ৰক্তিমৰ বিশ্বাস হোৱা নাই... যেতিয়া পিছফালে ঘূৰি চাই ৰাকেশক দেখিলে তেতিয়া গোটেই পৃথিৱীখন ৰক্তিমৰ ভৰিৰ তলৰপৰা নোহোৱা হৈ যোৱা যেন লাগিল। কিন্তু আচৰিত হোৱাটো নেদেখুৱাই ৰক্তিমেই ৰাকেশক মাত লগালে। বহুত সময় ধৰি কথা-বতৰা কোৱাৰ পিছত ৰাকেশে নিজৰ বাটত খোজ ল'লে। ৰক্তিমে পত্নী ৰঞ্জনাক ৰাকেশৰ বিষয়ে সকলো কথা ক'বলৈ ধৰিলে। ৰাকেশ ৰক্তিমৰ ছাটোৰ দৰে আছিল। পঞ্চম শ্ৰেণীৰ পৰা দুয়ো নলে-গলে লগা বন্ধু। য'ত ৰক্তিম তাতেই ৰাকেশ।

কিন্তু দুখৰ বিষয় যোৱা সপ্তাহটোত মুম্বাইত হোৱা এক মটৰ দুৰ্ঘটনাত ৰাকেশৰ মৃত্যু হৈছিল। তেন্তে এইবোৰ কি? ... ভাবিব ধৰিলে— এমাহ আগতে অৰ্থাৎ ৰক্তিমৰ বিয়াত ৰাকেশ আহি বহুত স্ফূৰ্টি কৰিছিল। আৰু তেতিয়া সি জীয়াই আছিল। বিয়াৰ পিছত সি যেতিয়া ৰাকেশক লগ পাইছিল সেয়াই আছিল...





সিহঁতৰ শেষ দেখা। লগ পাওতে ৰাকেশে ৰক্তিমক কৈছিল যে অহা সপ্তাহৰ ভিতৰত ৰাকেশ মুম্বাইলৈ যাব। কথা মতেই মুম্বাইলৈ ৰাকেশ গৈছিল কিন্তু যি গ'ল গ'লেই। যোৱাৰ দুদিন পিছত এক মটৰ দুৰ্ঘটনাত নিহত হ'ল ৰাকেশ। ৰক্তিমৰ মনত এনে নানা প্ৰশ্নই খেলি-মেলি লগাই থাকিল।

ৰক্তিম আৰু ৰঞ্জনাই যেন নিস্তব্ধতাৰ মাজত এক সুৰ শুনিবলৈ পালে। ইফালে পূব দিশত ৰাঙলী সূৰুযেও টোপনিৰপৰা সাৰ পাই পৃথিৱীৰ সম্ভাষণ জনাব খুজিলে। হয়তো কিছু সময় পিছত গোটেই পৃথিৱীখন পোহৰ হৈ উঠিব। কিন্তু ইমান ৰাতিপুৱাই তেওঁলোকে বাৰু কাৰ সুৰ শুনিবলৈ পালে। কিছু সময় ইফালে-সিফালে চাই দেখিলে সেয়া নিবিড়। যিয়ে জীৱনত কেৱল জিনাক চিনি পাইছিল। হয়তো জিনা আনৰ হোৱাৰ দুখত সি ৰাতি নৌপুৱাওতেই গান গাব ধৰিছে। লাহে লাহে পৃথিৱীখন পোহৰ হৈ উঠিল আৰু ৰঞ্জনাই দেখিলে এটি চিনাকি পৰিৱেশ। হয়তো কেইদিনমানৰ চিনাকি। সেইবোৰ ভাবি থাকোতেই ৰক্তিমে মাত লগালে— "সেয়া নিবিড়, মোৰ ল'ৰালি কালৰ বন্ধু।" এখোজ-দুখোজকৈ আগবাঢ়ি গৈ ৰক্তিম নিবিড়ৰ কাষ পালেগৈ। ৰঞ্জনা কিন্তু চাৰিওফালৰ মনোমোহা পৰিৱেশটো চোৱাত ব্যস্ত হৈ পৰিল।

ৰক্তিম যদিও নিবিড়ৰ ওচৰত আছিল কোনেও কাকো মাত লগোৱা নাছিল। নিবিড় ব্যস্ত আছিল গীত গোৱাত। গতিকে ৰক্তিম তাৰ কাষত থিয় হৈ থাকিব বুলি অনুভৱ কৰিব পৰা নাছিল। নীৰৱতাৰ মাজত থাকি ৰক্তিম বিৰক্ত হৈ উঠিল। গতিকে নিবিড়ৰ বিষয়ে কিছু কথা কৈ নীৰৱতা ভংগ কৰাৰ কথা ভাবিলে। ৰঞ্জনাও শুনিবলৈ আগ্ৰহী হৈ পৰিল।

নিবিড় আছিল এটি মধ্যবিত্ত পৰিয়ালৰ সহজ-সৰল ল'ৰা। মাক-দেউতাক আছিল অতি ধাৰ্মিক আৰু চৰিত্ৰৱান। যেতিয়া নিবিড় নৱম শ্ৰেণী পাইছিল তেতিয়া সি পৰিল এজনী লুভীয়া ছোৱালীৰ প্ৰেমত। আৰু সেই প্ৰেমৰ কাৰণেই নিবিড়ৰ লগতে তাৰ চেনেহৰ ঘৰখন ধ্বংস হৈ গ'ল। জিনা আছিল অতি ধনী ঘৰৰ ছোৱালী। মাক-দেউতাকৰ দৰে তায়ো কেৱল টকা চিনি পাইছিল। নিবিড়ৰ প্ৰেমক জিনাই সঁহাৰি জনাইছিল যদিও তাইৰ অন্তৰত সঁচা প্ৰেমৰ ঠাই নাছিল। টকাৰে কিনিব পৰা জিনাৰ মনটো আছিল স্বাৰ্থপৰ আৰু লুভীয়া। তাই নিবিড়ক বুজি নাপালে যাৰ পৰিণতিত নিবিড় হৈ গ'ল নিঃশেষ।

নিবিড় আৰু জিনাৰ সম্পৰ্ক এটা সময়ত দুয়োৰে পৰিয়ালত গম পালে। তেতিয়া দুয়ো উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল মাত্ৰ। জিনাৰ পৰিয়ালে নিবিড়ক গ্ৰহণ কৰিব বিচৰা নাছিল যদিও জিনাই সঁচাকৈ ভাল পোৱা বুলি ভাবি গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। নিবিড়ৰ পৰিয়াল উপযুক্ত সময়ত দুয়োকে বিয়া পাতি দিম বুলি কথা দিছিল। কিন্তু সেই আশা বাস্তৱত পৰিণত নহ'ল। কিয়নো জিনাই তাক প্ৰতাৰণা কৰি এজন উকীলৰ লগত বিয়া ঠিক হৈ গ'ল। এই খবৰ যেতিয়া নিবিড়ে শুনিবলৈ পালে গোটেই সৰগখন তাৰ মূৰৰ ওপৰত ভাগি পৰা যেন লাগিল। হতাশ নহৈ মাক-দেউতাকৰ লগত সি জিনাৰ ঘৰলৈ গৈছিল যদিও জিনাৰ দেউতাকৰ কথাই তেওঁলোকক বুজাই দিছিল যে জিনাক এজন নিৰনুৱা ল'ৰাৰ লগত বিয়া দিব নোৱাৰে। নিবিড় নিৰনুৱা হৈ নাথাকে বুলি প্ৰতিজ্ঞা কৰিছিল কিন্তু তাৰ পিছতো তেওঁলোক মান্তি নহ'ল আৰু অপমান সহ্য কৰি নিবিড় মাক-দেউতাকৰ লগত ঘৰলৈ ঘূৰি আহিল।

কথামতে নিবিড় নিৰনুৱা হৈ নাথাকিল। পথাৰৰ মাটি অলপ বন্ধকত ৰাখি সি এখন দোকান খুলিলে। প্ৰথমত সি দোকানখন ভালকৈয়ে দি থাকিল। জিনাৰ কাৰণে সি বহুত কিবাকিবি কৰিলে। আৰু জীৱনত কেতিয়াও বিয়া নকৰাও বুলি প্ৰতিজ্ঞা কৰিলে। বিয়া-বাৰু, প্ৰেম-ভালপোৱা এইবোৰৰ ওপৰত তাৰ ঘৃণা উপজিল। বিয়াৰ কথা ক'লেই সি সেই ঠাইৰপৰা পলাই যায়। মাক-দেউতাকে কোনোমতেই তাক জিনাৰ কথা পাহৰাই পেলাব নোৱাৰিলে।

এদিন-দুদিন কৰি তিনি বছৰ পাৰ হৈ গ'ল। জিনাৰ বিয়া হ'ল সেই উকীলজনৰ লগতে। বিয়াৰ পিছৰপৰা নিবিড় হ'ল একেবাৰে অকলশৰীয়া। তিনি বছৰৰ আগৰপৰা যদিও জিনাৰ লগত তাৰ কোনো সম্পৰ্ক নাছিল তথাপি সি এটা আশা মনত পুহি ৰাখিছিল। তাৰ বিশ্বাস আছিল যে সি যিহেতু জিনাক সঁচা অন্তৰেৰে ভাল পাইছিল। এদিন নহয় এদিন হ'লেও সি তাইক পাব। কিন্তু সময়ৰ সোঁতত তাৰ সঁচা প্ৰেমেও হাৰ মানিলে। বিয়া যোৱাৰ দিনৰপৰা সি আগৰ নিবিড় হৈ নাথাকিল। কথা-বতৰা পাতিবলৈ যেন তাৰ সময় নাই, কোনোবাই কিবা সুধিলেও একো উত্তৰ নিদিয়ে। লাহে লাহে নিবিড় হৈ পৰিল এলেহুৱা। কাম-বন কৰিবলৈ সি একেবাৰে বাদ দিলে। খোৱা-লোৱাৰপৰা সকলো কামতে সি খেলি-মেলি লগোৱা হ'ল। তামোল মুখত নিদিয়া নিবিড়ে আজিকালি মদ নাখালে চলিবই নোৱাৰে, পকেটত থাকে একোটা চিগাৰেটৰ পেকেট আৰু যে কত কি কাম। বহুত চেষ্টা কৰিও মাক-দেউতাকে তাৰ স্বভাৱ সলনি কৰিব নোৱাৰিলে।

ধপাতৰ প্ৰতি আসক্তি বাঢ়ি যোৱাৰ ফলত নিবিড় হৈ পৰিল দুৰ্বল। লাহে লাহে তাৰ দেহত নানা বেমাৰে দেখা দিব ধৰিলে। এবাৰ বহুত দিন ধৰি কাঁহ হৈ থকাৰ ফলত নিবিড়ৰ চেহেৰাও নিশকতীয়া হৈ পৰিল। বেমাৰৰ প্ৰতি কোনো গুৰুত্ব নিদিয়াকৈ সি আগৰ দৰে মদ, চিখৰ, চিগাৰেট আদি খাই থাকিল। একমাত্ৰ পুতেকৰ এনে দুদৰ্শা দেখি মাক-দেউতাকৰ চিন্তাৰ সীমা নোহোৱা হ'ল। গতিকে তাৰ কথালৈ ভ্ৰূক্ষেপ নকৰি মাক-দেউতাকে তাৰ

কাৰণে এজনী ছোৱালী ঠিক কৰিলে। তাৰ কথা গম নোপোৱাকৈকে ছোৱালী ঘৰৰ লগত নিবিড়হঁতৰ এক সুসম্পৰ্ক চলি থাকিল। নিবিড় কিন্তু এইক্ষেত্ৰত মাক-দেউতাকৰ লগত একমত নাছিল। সি বাৰে বাৰে চেষ্টা কৰিছিল তাৰ বেয়া স্বভাৱৰ কথা ছোৱালী ঘৰত জনাবলৈ। সি ভবামতেই এদিন ছোৱালী ঘৰত তাৰ সকলো কথা গম পালে আৰু ইমান বেয়া ল'ৰা এটাৰ লগত তেওঁলোকৰ ছোৱালীজনীক বিয়া নিদিয়ে বুলি জনাই দিলে। এইবোৰ কথা শুনাৰ পিছত নিবিড় বহুত সুখী হ'ল আৰু তাৰ মাক-দেউতাকৰ অৱস্থা হ'ল বিপৰীত। তেওঁলোকৰ আশা আছিল যে তেওঁলোকৰ এজনী লখিমী বোৱাৰী থাকিব। ঘৰখন হৈ থাকিব সুন্দৰ আৰু হাঁহি-ধেমালিৰে ভৰা। কিন্তু সেই আশা কেতিয়াও বাস্তৱত পৰিণত নহ'ল। এজনী এজনীকৈ দুজনী ছোৱালীক বোৱাৰী কৰিম বুলি সি আশা কৰিছিল তেওঁলোকৰ সেই আশা কলিতে মৰহি থাকিল।

ইফালে নিবিড়ৰ কাঁহ দিনক দিনে বেছি হ'ব ধৰিলে। মাকে তাৰ কষ্ট চাই থাকিব নোৱাৰি এদিন দেউতাকক ডাক্তৰৰ ওচৰলৈ লৈ যাবলৈ গ'লে। বহুত পৰীক্ষা-নিৰীক্ষা কৰি চাই ডাক্তৰে নিবিড়ৰ দেউতাকক ক'লে যে বহুদিন ধৰি সি কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। উপযুক্ত সময়ত চিকিৎসা কৰা হ'লে হয়তো সি বেমাৰৰপৰা ৰক্ষা পালেহেঁতেন। কিন্তু বহুত দিন হোৱা বাবে এতিয়া আৰু তাক চিকিৎসা কৰিলেও ফল পোৱা নাযাব। কিয়নো লাহে লাহে ই নিবিড়ৰ কলিজা পাইছেহি। কথাষাৰ শুনাৰ লগে লগে নিবিড়ৰ দেউতাকৰ মূৰত সৰগখন ভাঙি পৰা যেন লাগিল। হতাশ হৈ তেওঁলোক ঘৰলৈ উভতিল। দেউতাকে বুজি পাইছিল যে পুতেক আৰু তেওঁলোকৰ মাজত বেছি দিন জীয়াই নাথাকে। কিন্তু এই কথা তেওঁ নিবিড়ৰ মাকৰ আগত ক'ব খুজিও ক'ব নোৱাৰিলে। চিন্তা কৰি কৰি দেউতাকো লাহে লাহে বেমাৰী হৈ পৰিল।

এমাহ-দুমাহ কৰি ছমাহ পাৰ হৈ গ'ল। ডাক্তৰে কোৱা মতে নিবিড় গুচি গ'ল বহুত দূৰলৈ। মাক-দেউতাকৰ একমাত্ৰ সন্তান নিবিড় নিঃশেষ হৈ গ'ল একমাত্ৰ জিনাৰ বাবে। পুত্ৰশোকত হঠাৎ এদিন নিবিড়ৰ দেউতাকেও মাকক অকলে এৰি চিৰবিদায় মাগিলে। অকলশৰীয়া হৈ মাক কেইদিন জীয়াই থাকিব? তিনিটা মানুহৰ ভিতৰত যেতিয়া দুজন সিপুৰীলৈ গ'লেই তৃতীয়জনেও জীয়াই থকাৰ কোনো অৰ্থ বিচাৰি নাপালে। গতিকে এদিন মাকেও বাৰীৰ পিছত থকা গছজোপাত চিপজৰী লগাই মৰি থাকিল। এনেকৈয়ে মৰিশালিত পৰিণত হ'ল নিবিড়ৰ চেনেহৰ ঘৰখন।

কথাখিনি কোৱা শেষ হোৱাৰ পিছত ৰক্তিমে দেখিলে যে নিবিড়ে ৰক্তিমে কোৱা কথাখিনি শুনি আছিল। কেতিয়ানো নিবিড় তেওঁলোকৰ কাষত আহিল তেওঁলোকে গমেই নাপালে।

ৰক্তিম আৰু ৰঞ্জনা মনে মনে থকা দেখি নিবিড়েই মাত লগালে— "তহঁতে কিয় ইমান সোনকালে ইয়ালৈ আহিলি?" একো বুজিব নোৱাৰি ৰক্তিমে ক'লে—"ক'ত অহাৰ কথা কৈছো? তইতো কেতিয়াবাই মৰিলি, এনেকৈ আমাৰ লগত কিয় লাগি আছ, তই তোৰ বাটত গৈ থাক।" কিবা এটা ওলট-পালট হোৱা বুলি ভাবি ৰঞ্জনা মনে মনে ৰ'ল, মাথো এবাৰ ৰক্তিমৰ মুখলৈ এবাৰ নিবিড়ৰ মুখলৈ চাই কথাটোৰ উমান ল'বলৈ চেষ্টা কৰিলে।

নিবিড়ে আকৌ ক'বলৈ আৰম্ভ কৰিলে— "চা ভাই, এতিয়া তই, মই আগৰ পৃথিৱীত নাই। আমি থকা পৃথিৱীখন সম্পূৰ্ণ বেলেগ। কিন্তু সেই পৃথিৱী এৰি কিয় এই পৃথিৱীলৈ আহিলি?" ৰক্তিমে আচৰিত হৈ আকৌ চিঞৰি উঠিল— "কি বলকি আছ এইবোৰ? মোৰ বহুত কাম বাকী আছে, মই এতিয়াতে মৰিব নোৱাৰো। তই তোৰ জিনাক নোপোৱা কাৰণে নিজৰ লগতে ঘৰখন শেষ কৰিলি কিন্তু ইমান স্বাৰ্থপৰ মই হ'ব নোৱাৰো। চা নিবিড়, অনৰ্থক কথা মই আগৰ পৰা বেয়া পাওঁ, গতিকে তই আৰু এইবোৰ কৈ মোক আমনি নকৰিবি।" ৰক্তিমক নিবিড়ে আকৌ বুজাবলৈ চেষ্টা কৰিলে— "চা ভাই, তই হয়তো বিশ্বাস কৰিবলৈ টান পাবি, কিন্তু সত্য কথাটোহে মই কৈছো। যদি তই মোৰ কথাখিনি বিশ্বাস নকৰ, তেন্তে ব'ল মোৰ লগত, মই তহঁতক দেখুৱাম কি সঁচা কি মিছা?"

নিবিড়, ৰক্তিম আৰু ৰঞ্জনা আগবাঢ়ি গৈ থাকিল তেওঁলোকৰ অতি চিনাকি ৰাস্তা এটাৰে। দুই-এখন গাড়ী তেওঁলোকৰ কাষেৰে পাৰ হৈ গ'ল। কিন্তু কোনেও যেন সিহঁত গৈ থকা বুলি গুৰুত্ব দিয়া নাই। ৰঞ্জনাৰ বুকুখন হঠাৎ এবাৰ চিৰিংকৈ উঠিল। গাড়ী এখনে হঠাৎ ৰক্তিমক খুন্দিয়াব খুজিছিল। কিন্তু ভগৱানৰ কি দয়া ভবাৰ দৰে গাড়ীখনে ৰক্তিমক নুখুন্দিয়ালে। এনেকৈ গৈ গৈ সিহঁতে ভৰি দিলে চেনেহৰ গাঁওখনত। অলপ গৈ সিহঁতে ৰক্তিমহঁতৰ পদূলিমুখত ভৰি দিলে। হঠাৎ ৰক্তিম আৰু ৰঞ্জনাৰ বুকুখন কঁপি উঠিল। কাৰণ তেওঁলোকে দেখিলে যে চোতালত বগা কাপোৰেৰে ঢকা দুজন মানুহক শ্মশানলৈ নিবলৈ যো-জা কৰিছে। এতিয়া আৰু বুজিবলৈ বাকী নাথাকিল যে নিবিড়ে কোৱা কথাবোৰ সঁচা আছিল।

বগা কাপোৰেৰে ঢকা মৰাশ দুটাৰ কাষত কান্দি-কাটি ৰহি আছে ৰক্তিমৰ পৰিয়াল আৰু ৰঞ্জনাৰ মাক-দেউতাক আৰু ভায়েক। সেই হৃদয় বিদাৰক দৃশ্যটো তিনিওজনে বাটৰপৰা চাই থাকিল। ওচৰ-পাঁজৰৰ মানুহবোৰো আহিছে ৰক্তিম আৰু ৰঞ্জনাক শেষবাৰৰ কাৰণে চাবলৈ। এনেতে কোনোবাই মাত লগালে— "বেছি দেৰি কৰি লাভ নাই, সোনকালে শ্মশানলৈ নিব লাগে।"

আঠজন মানুহে শৱদেহ দুটা কান্ধত তুলি লৈ গ'ল সিহঁতৰ



সুৰেন দাস মহাবিদ্যালয় আলোচনী

আগেদি। তাৰ লগত আৰু কেইবাজনো মানুহ শ্মশানলৈ গ'ল। কোনোজনে কিন্তু সিহঁতৰ উপস্থিতি অনুভৱ নকৰিলে। সিহঁতে মানি ল'বলৈ বাধ্য হ'ল— মৃত্যু অপ্ৰিয় হ'লেও সত্য। তিনিওজনৰে চকুৰে পানী নিগৰি আহিল। নিবিড় এদিন যি বাটেৰে গুচি গৈছিল আজি সেই বাটেৰে ৰক্তিম আৰু ৰঞ্জনাও বিদায় ল'লে; সকলোকে আঘাত দি। কোনো আকাৰ নোহোৱাকৈ, কোনো অস্তিত্ব নোহোৱাকৈ, স্থায়ী আৱাস নোহোৱাকৈ ৰক্তিম আৰু ৰঞ্জনা মুক্তভাৱে ঘূৰি থাকিল। মাত্ৰ অশৰীৰীবোৰৰ লগত হৃদয় খুলি দুখ-সুখৰ কথা পতাৰ বাহিৰে এতিয়া আৰু সিহঁতৰ কোনো কাম নাই। আনবোৰৰ দৰে আজি ৰক্তিম আৰু ৰঞ্জনাও একোজন অশৰীৰী। ❑

ধন হেৰালে একো নেহেৰুৱায়, স্বাস্থ্য হেৰুৱালে সম্পদ হেৰুৱায়য়, কিন্তু চৰিত্ৰ হেৰুৱালে সকলো হেৰুৱায়।

— চক্ৰেটিছ

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একে কথা।

— মিল্টন

# অতীতলৈ এভূমুকি

হিৰকজ্যোতি কলি
স্নাতক, তৃতীয় যাণ্মাসি

আকাশখন ফৰকাল হৈ আছে। এক মৃদু বতাহে শিহৰণ সৃষ্টি কৰিছে। বিকাশৰ মনটোক যেন এক দুখৰ বোজাই হেঁচি আছে। অশেষ কষ্ট কৰিও যেন সি তাৰ মনৰপৰা এই দুখ-কষ্টবোৰ গুচাব পৰা নাই। ২০ বছৰ আগৰ অতীতৰ সেই কথাবোৰ তাৰ হঠাৎ মনত পৰি গ'ল।

বিকাশ তেতিয়া চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ আছিল। সি তাৰ মাক-দেউতাকৰ লগত হাঁহি-ধেমালি কৰি দিন অতিবাহিত কৰিছিল। তিনিটা সদস্যৰে পৰিয়ালটো অতি সাধাৰণভাৱে কোনো দুখ-কষ্ট নোহোৱাকৈ আছিল। বিকাশৰ দেউতাকে খেতি-বাতি কৰি পৰিয়ালটোক পোহপাল দিছিল। দেউতাকৰ খেতিৰ কামত মাক আৰু বিকাশে সহায় কৰি দিছিল।

এদিনাখন দেউতাক পথাৰলৈ কাম কৰিবলৈ গৈছিল। কিন্তু গধূলি হ'ল দেউতাকৰ কোনো খবৰ নাই। মাক আৰু বিকাশে বহুত বিচাৰিলে যদিও দেউতাকক বিচাৰি নাপালে। তিনিদিনমান পিছত এখন দূৰৰ গাঁৱত এটা মৃতদেহ ওলোৱা বুলি খবৰ পা... চাবলৈ গৈ দেখা পাই যে সেয়া আন কোনো নহয় তা... দেউতাকৰহে মৃতদেহ।

"বোপাই', "অ' বোপাই' মাকৰ মাতত যেন বিকাশে সম্বি... ঘূৰাই পালে আৰু ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ◻





# এজাক ধুমুহা

দুলুমণি বৰ্মন
স্নাতক, পঞ্চম যাণ্মাসিক

শ্ৰেয়া আৰু স্নিগ্ধা নামৰ দুজনী বহুত ভাল বান্ধৱী আছিল। ৰূপে-গুণে দুয়োজনী একেবাৰে অপেশ্বৰীৰ দৰে আছিল। সৰুৰেপৰা শ্ৰেয়া আৰু স্নিগ্ধা একেলগে ডাঙৰ-দীঘল হৈছিল। সিহঁত পঢ়াশুনাতো বৰ চোকা আছিল। সেইবাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে দুয়োজনীকে বৰ মৰম কৰিছিল। এনেকৈয়ে সিহঁতে বহুত ভাল ফলাফল কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰিলে আৰু এখন ভাল কলেজত নামভৰ্তি কৰিলে।

এনেদৰে লাহে লাহে দিনবোৰ বাগৰিবলৈ ধৰিলে। এদিনাখন সিহঁতৰ শিক্ষক এজনে ক'লে যে ব্যৱহাৰিক পৰীক্ষাৰ বাবে কোনো এক পিছপৰা অঞ্চলৰ ওপৰত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি টোকা প্ৰস্তুত কৰিব লাগে। সকলোকে দুজন দুজনকৈ ভাগ কৰি দিয়া হ'ল। শ্ৰেয়া আৰু স্নিগ্ধা একেটা দলতে পৰিলে। দুয়োজনী এখন পিছপৰা অঞ্চললৈ যাবৰ বাবে মাক-দেউতাকৰপৰা আজ্ঞা ল'লে। প্ৰথমে মাক-দেউতাকে অলপ অমান্তি হৈছিল যদিও কলেজৰ কামৰ বাবে যাব দিবলৈ বাধ্য হ'ল।

ভীমাজুলি নামৰ ঠাই এখন বাছি লৈ সিহঁত যাবলৈ ওলাল। শ্ৰেয়াৰ দেউতাকে এজন বন্ধুৰ হতুৱাই সিহঁতৰ থকাৰ ব্যৱস্থা কৰি দিলে। এনেকৈ গৈ গৈ সিহঁত ভীমাজুলি নামৰ গাঁওখনত উপস্থিত হ'ল। গাঁওখনৰ মানুহবোৰ জনজাতীয় লোক আছিল। তাত আধুনিকতা নামৰ কোনো পৰিৱেশ নাছিল। স্কুল-কলেজৰ কোনো ব্যৱস্থা নাছিল। হয়তো শিক্ষাৰ পোহৰ নোপোৱাৰ বাবে এতিয়াও তাৰ মানুহবোৰে অন্ধবিশ্বাস, কু-সংস্কাৰ আদিবোৰ বিশ্বাস কৰিছিল। প্ৰথমে সিহঁতে এইবোৰ বৰ আচহুৱা যেন দেখি ভয় খাইছিল যদিও দুদিন মানৰ বাবে বুলি ভাবি সাহস কৰি থাকিবলৈ ল'লে।

সিহঁতে গাঁওখনৰ দুজনমান মানুহ লগত লৈ চাৰিওফালে চাবলৈ ধৰিলে। এদিন-দুদিনকৈ পাঁচ-ছয়দিন পাৰ হ'ল। সিহঁতক এনেদৰে দেখি গাঁওখনৰ কিছুমান মানুহে কিবা বেয়া কামত আহি গাঁওখন চাবলৈ ধৰা বুলি ভাবিছিল। আৰু মনে মনে প্ৰায় সংখ্যক লোকক অৱগত কৰাই সিহঁতৰ ওপৰত চকু দিবলৈ কৈছিল। অশিক্ষিত লোকসকলেও সেয়া সঁচা বুলি ভাবি লৈ দুয়োজনীৰ ওপৰত চকু দিবলৈ ধৰিলে। সেই সময়তে গাঁওখনত এটি দুটি অঘটন ঘটিবলৈ ধৰিছিল। এদিনাখনৰ কথা এঘৰ মানুহৰ শিশু এটি পানীত পৰি মৃত্যুক আঁকোৱালি লৈছিল। আধুনিক সমাজত হ'লে সেয়া এক অঘটন বুলি ধৰিলে হয়। কিন্তু অন্ধবিশ্বাস প্ৰথা এতিয়াও প্ৰচলিত বাবে সিহঁতে সেইবোৰ কিবা ভূত-প্ৰেতৰ যাদু-মন্ত্ৰৰ বাবে হোৱা বুলি ভাবিলে। তথাপিও দুদিনমান চাই ল'ব বুলি ভাবি দুজনিৰ ওপৰত মনে মনে চকু দি থাকিলে। সেই সময়তে গাঁওখনত এক নতুন অঘটন ঘটিল। এঘৰ মানুহৰ ঘৰত ৰাতি শুই থাকোতে নিজে নিজে জুই জ্বলি গোটেই ঘৰটো পুৰি গৈছিল। সিহঁতে কিন্তু সেইবোৰ কাম শ্ৰেয়া আৰু স্নিগ্ধাই কৰা বুলি ভাবি দুয়োকে মাতি আনি নানা প্ৰশ্ন কৰিবলৈ ধৰিলে। এনেকৈ প্ৰশ্ন কৰি থাকোতে গাঁৱৰ এক তান্ত্ৰিক আহি ক'লে যে সিহঁত দুটা ডাইনি সিহঁতে সেইবোৰ কৰি আছে। এই কথা শুনি দুয়োজনী বান্ধৱী অবাক হৈ পৰিল। কি কৰিব কি নকৰিব একো ধৰিবকে নোৱাৰিলে। গাঁওখনৰ মানুহবোৰেও আচল কথাটো বুজিবলৈ নিবিচাৰি সঁচাকৈ ডাইনি বুলি ভাবি দুয়োকে গছ এডালত বান্ধি মাৰপিট কৰি নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। দুয়োজনীয়ে বহুত কাকুতি-মিনতি কৰিলে যে সিহঁত ডাইনি নহয়। সিহঁতে একো কৰা নাই কিন্তু

অশিক্ষিত সমাজত তান্ত্ৰিকৰ কথাৰ আগত যেন সিহঁতৰ কথা একোৱে নহ'ল। এনেকৈয়ে মাৰোতে মাৰোতে নিষ্ঠুৰ নিয়তিৰ আগত দুয়োজনীয়ে হাৰ মানিলে।

কলেজৰ ব্যৱহাৰিক ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাওতে যে সিহঁতৰ জীৱনলৈ ধুমুহা মাতি আনিব দুয়োজনীয়ে হয়তো কাহানিও ভবা নাছিল। এনেকৈয়ে অন্ধবিশ্বাসৰ বলি সজাই দুখনকৈ ঘৰ ধ্বংস কৰি দুজনীকে মেধাৱী ছাত্ৰীৰ জীৱন শেষ কৰি পেলালে।

বৰ্তমান সমাজ ক'লৈ গতি কৰি আছে। মানুহবোৰ যিমানে শিক্ষিত নহওক কিয় বৈজ্ঞানিক পদ্ধতি প্ৰচলিত নহওক কি তথাপিও যেন কিছুমান অঞ্চলত এতিয়াও এইবোৰ প্ৰচলিত হৈ আছে। আৰু বহুত নিৰিহৰ জীৱন অকাৰণতে ধ্বংস হৈ আছে। এইবোৰ ৰোষ কৰিবলৈ শিক্ষিতসকলৰ লগতে চৰকাৰেও গুরু দিব লাগে।

ডাইনি হত্যা মহাপাপ। এইবোৰ ৰোধ কৰিবলৈ সকলোৱে একগোট হৈ ওলাই আহিব লাগে। ❑

জুইয়ে শুকান খৰি পুৰি চাই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়

— হজৰত মহম্মদ

চৰিত্ৰবান মানুহ পৱিত্ৰ জলৰ নিচিনা।

— সত্যনাথ বৰা





# মৰমৰ চকুলো

✍ মৰ্জিনা বেগম
স্নাতক, চতুৰ্থ ষাণ্মাসিক

মৰু এলেকা। মূৰৰ ওপৰত প্ৰচণ্ড ৰ'দ। ভৰিৰ তলত তপত বালি। ওচৰে-পাঁজৰে কোনো গছ-গছনিও নাই। আছে কেৱল দুয়োফালে দুখন পাহাৰ। পাহাৰ দুখনৰ মাজত কিছু সমতলভূমি। যাক এটি উপত্যকা বুলিব পাৰি। উক্ত উপত্যকাটোতে শুই আছে মাকৰ আহাৰ খাই থকা এটি পৱিত্ৰ শিশু।

শিশুটোৱে ভোক পিয়াহত কান্দিছে। কান্দি কান্দি নিজৰ কোমল গোৰোহাটোৰে মৰুভূমিৰ বালিৰ মাটিত খুন্দিয়াইছে। এনেকুৱা কৰি থাকোতে শিশুটিৰ মুখখন কেতিয়াবা ৰঙা আৰু কেতিয়াবা ক'লা হৈ পৰিছে। শিশুটিয়ে বৰ করুণভাৱে কান্দিছে। কান্দি কান্দি ভাগৰি পৰাত শিশুটিৰ কান্দোন কমি আহিছে।

বিশাল জন-মানৱহীন মৰুপ্ৰান্তৰ এই জনশূন্য স্থানত কেৱল শিশুটো আৰু শিশুটোৰ মাক। মাকেও দৌৰিছে ওচৰৰ পাহাৰখনলৈ। অসহায় মানুহজনীয়ে পাহাৰত দৌৰি দৌৰি কিবা যেন বিচাৰিছে।

পানী, হয় পানী। কাৰণ মাকজনীৰ পিয়াহ লাগিছে। পিয়াহত ডিঙি শুকাই গৈছে। সেইকাৰণে তেওঁৰ বুকুৰ গাখীৰো শুকাই গৈছে। কিন্তু নাই, এই পাহাৰৰ কোনো ঠাইতে এটুপিও পানী নাই। শিশুটিয়ে কেৱল কান্দিছে, কি যে মৰ্মভেদী সেই কান্দোন। পাহাৰৰপৰা পানী বিচাৰি বিচাৰি অৱশেষত পানী নাপাই থৰক-বৰকৈ নামি আহিছে শিশুটিৰ মাক। কান্দি কান্দি ভাগৰি ভাগৰি পৰা শিশুটিৰ ওচৰলৈ দৌৰি গৈছে তাই। তাৰ পাছত শিশুটিৰ আঁকোৱালি লৈছে। তাৰ পিছত তাক এৰি পুনৰ দৌৰিছে অন্য পাহাৰখনলৈ কিন্তু নাই, তাতো নাপালে এটুপি পানী।

শিশুটিয়ে তেতিয়াও কান্দিয়ে আছে। মাকে পুনৰ দৌৰি আহিছে কান্দি কান্দি থকা শিশুটিৰ কাষলৈ। পুনৰ দৌৰি গৈছে অন্য পাহাৰখনলৈ। এনেদৰে তেওঁ বাৰে বাৰে একেটা কামকে কৰি আছে। শক্তিহীন আৰু দূৰ্বল শৰীৰটোৰে দৌৰা-দৌৰি কৰি থাকোতেই মানুহগৰাকী কেতিয়াবা মুখ থেকেচা খাই গৰম বালিত পৰি গৈছে। কেতিয়াবা আকৌ পাহাৰৰপৰা হুৰমূৰকৈ নামোতেই তলত পৰি গৈছে। কিন্তু সেইবোৰৰ প্ৰতি কোনো কাণসাৰ নাই। অথচ এসময়ত এই দুৰ্ভগীয়া মানুহগৰাকীয়ে আছিল ৰজাৰ ৰাজকুমাৰী। ডাঙৰ-দীঘল হৈছিল ৰাজপৰিয়ালত।

হঠাৎ তেওঁৰ মনত পৰিল শিশুটোলৈ। হায়ৰে ! তেওঁৰ কলিজাৰ টুকুৰা। অবাঞ্ছিত নহয়। অনেক কামনাৰ ধন তেওঁৰ একমাত্ৰ সন্তানটি। এক বিন্দু গাখীৰটো দূৰৰ কথা এটুপি পানীও দিব পৰা নাই শিশুটিৰ শুকান মুখখনত। মাকৰ বুকুৰ আহাৰ খোৱা একেবাৰে কোমল, কম বয়সীয়া শিশু সি। পিয়াহত কিমান সময় যুঁজিব পাৰিব? মাক হৈ বাৰু কেনেকৈ সহ্য কৰিব পাৰে তাৰ এই ক্ষুধা পিপাসা ! ওচৰে-পাঁজৰেওটো কোনো নাই। কোনো ঘৰ-বাৰী, পৰিয়াল আদিও নাই। পাগলৰ দৰে হৈ মাকে কেৱল দুয়োফালে অৱস্থিত পাহাৰ দুখনলৈ দৌৰা-দৌৰি কৰিছে। আৰু বাৰে বাৰে পাছফালে মুখখন ঘূৰাই সন্তানটোলৈও চাইছে। মনে-প্ৰাণে বাৰে বাৰে মাতিছে সৃষ্টিকৰ্তা আল্লাহক। তেঁৱেইটো সৰ্বশক্তিমান। আল্লাহৰ কাৰণে সকলো সম্ভৱ। মৰুভূমিত তেঁৱেই চোন ফুল ফুলায়। ওখ ওখ পাহাৰৰ কঠিন শিলৰ বুকু ভেদ কৰি তেঁৱেইটো পানীৰ নিজৰা বোৱাই। হঠাৎ শিশুটিৰ কান্দোন বন্ধ হ'ল। মাকৰ মনটো ধমক কৰি উঠিল। হায় আল্লাহ ! কি হ'ল ! লগে লগে মাকে দৌৰি আহিল শিশুটিৰ ওচৰলৈ।

কিন্তু এইয়া কি ! বিস্ময়ত, আৱেগত মানুহগৰাকী কান্দি পেলালে। তেওঁ দেখিবলৈ পালে শিশুটোৰ ভৰিৰ গোৰোহাৰ আঘাতত মৰুভূমিৰ মাটি ফুটি কুলু কুলু কৰি উঠিল, উঠিছে এটি স্বচ্ছ পানীৰ ঝৰ্ণা আৰু শিশুটোৱে কান্দোন পাহৰি সেই ঝৰ্ণাৰ পানীৰে খেলিবলৈ আৰম্ভ কৰিছে। সেই দৃশ্য দেখি মাকগৰাকীৰ হিয়া শাঁত পৰি গ'ল। মাকে ঝৰ্ণাৰে পানী হাতত লৈ শিশুটিক খুৱাবলৈ ধৰিলে। আহ ! কি যে সুন্দৰ দৃশ্য। যেনেকুৱা শীতল এই পানী তেনেকুৱা সুস্বাদু। এয়াতো দুনীয়াৰ পানী নহয়। ক'ত এই পানীৰ উৎস?

পঢ়ুৱৈসকল এই গল্প আকাৰৰ কাহিনীটো কিন্তু কাল্পনিক নহয়। মুছলিম ইতিহাসৰ এটি ঐতিহাসিক সত্য কাহিনীহে। কাহিনীটোৰ শিশুটো হ'ল হজৰত ইছমাইল (ওনাঃ) আৰু মাকগৰাকী হ'ল হজৰত হাজেৰা (বাইবেলৰ মতে হাগাৰ) হাজেৰা আছিল মিছৰ দেশৰ ৰজাৰ ৰাজকুমাৰী। আল্লাহৰ আদেশত নবী ইব্ৰাহীমে তেওঁৰ স্ত্ৰী হাজেৰাক আৰু শিশু ইছমাইলক নিৰ্জন আৰৱ মৰুপ্ৰান্তত বনবাস দিছিল। এইটো আছিল নবীজনৰ প্ৰতি আল্লাহে কৰা এটি পৰীক্ষা। শিশু ইছমাইলৰ ভৰিৰ গোৰোহাৰ খুন্দাত মাটি ফুটি সৃষ্টি হোৱা ঝৰ্ণাটি প্ৰৱাহিত হোৱাৰ কিছুদিন পিছত কাহতান বংশৰ বানু জুৰহাম গোত্ৰৰ কেইজনমান সদাগৰ সেই পথেৰে আহি আছিল। শিশুটিৰদ্বাৰা সংঘটিত হোৱা এই অলৌকিক ঘটনা দেখি আৰু পানীৰ সুবিধা পাই তেওঁলোকে তাতে বসতি স্থাপন কৰিলে। ক্ৰমে উক্ত অলৌকিক ঘটনাটো গোটেই আৰৱতে বিয়পি পৰিল। ফলত ওজান অন্বেষণকাৰী লোকসকল আহি উক্ত মৰু এলেকাত ভৰি পৰিল আৰু নিৰ্জন জনপ্ৰাণীহীন মৰুপ্ৰান্ত হৈ পৰিল জনবসতিৰ স্থান। পানী ওলোৱা ঠাইখিনি এটি কুৱাৰ ৰূপ ল'লে। কুঁৱাৰ চাৰিওফালে মাটি আৰু শিলেৰে বেৰ দিয়া হ'ল, এই কুঁৱাটি তাহানি সৃষ্টি হোৱা দিনৰেপৰা আজিও আছে আৰু কিয়ামতলৈ থাকিব। আজিও জগতৰ কৌটি কৌটি মানুহে ইয়াৰ পানী পান কৰে। এই কুঁৱাটিৰ নামেই হ'ল পৱিত্ৰ জম্-জম্ কুৱা আৰু এই ঠাইখিনিয়ে হ'ল আৰৱৰ মক্কা চহৰ। এই চহৰখনত মানুহৰ এইয়া আদি কাহিনী আৰু পানীৰ বাবে হাজেৰাই দৌৰা দৌৰি কৰা পাহাৰ দুখনেই হ'ল চাফা আৰু মাৰওৱা। এই ঘটনাৰ অনেক বছৰৰ পাছত আৰৱৰ এই পৱিত্ৰ মক্কা নগৰীতে আৰু সেই ইছমাইলৰ বংশতে জন্ম লাভ কৰিছিল মানৱ জিন আদি জীৱজগতৰ বাবে প্ৰেৰিত হোৱা আল্লাহৰ শেষ তথা সৰ্বশ্ৰেষ্ঠ প্ৰেৰিত দূত হজৰত মহম্মদ (দঃ)।□







# কবিতাৰ কৰণি

# জনক নন্দিনী

✍ জুমী বৰ্মন
সহকাৰী অধ্যাপিকা (অংশকালীন)
অসমীয়া বিভাগ

সন্দেহৰ শৃংগত উঠি যি অগ্নিত
তুমি মোক পৰীক্ষা কৰিছিলা
সেই অগ্নিত মই মোক সপি দিলো
মই নুবুজিলো সেইয়া সতীত্বৰ পৰীক্ষা
নে মোক জীৱন্তে দাহ কৰাৰ অভিসন্ধি?
সতীত্বৰ নিৰ্মম সেই পৰীক্ষাত
মোৰ শৰীৰ দগ্ধ নহ'ল সঁচা
লাজ আৰু অপমানৰ ফিৰিঙতিয়ে
ছাঁই কৰা কলিজাটো তুমি নেদেখিলা
নে নেদেখাৰ ভাও জুৰিছিলা?
লেলিহান জুইৰ মাজত মোক এৰি দি
এবাৰলৈও বুকু কঁপা নাছিলনে তোমাৰ?
অবিশ্বাসৰ ওজন কিমান বেছি
মই নিৰ্বোধ আৰু সেইবাবেই
বজ্ৰকঠিন অগ্নিপৰীক্ষাৰ পাছতো
পুনৰবাৰ সোমাই পৰিছিলো তোমাৰ বাহুবন্ধনত
হেৰুৱাই পেলাইছিলো নিজক তোমাৰ উষ্ম আলিংগনত
নুবুজিলা হে প্ৰিয়তম
তোমাৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবেই
বুকুৱে হাহাকাৰ কৰিছিল তোমাক হেৰুওৱাৰ ভয়ত
চৈধ্যটা বছৰ তোমাৰ পৰা আঁতৰি থকা
মোৰ কল্পনাৰো অগোচৰ
নিৰ্জু, নিমাখিত হৃদয়ে বাৰে বাৰে কৈছিল
তুমিবিহীন অযোধ্যাৰ কাৰেঙতকৈ
কঠোৰ বনবাসেই শ্ৰেয়
মোৰ নিষ্কলুস প্ৰেম, মৃণ্ময় ভালপোৱা পদাঘাত কৰি
নিষ্ঠুৰতাৰ চৰমসীমা অতিক্ৰম কৰিছিলা সেইদিনা
যিদিনা অযোধ্যাৰ নাৰীগনে চাব বিচাৰিছিল
লংকাপতি ৰাৱণৰ দশমুণ্ড
তোমাক বুজাবলৈ মই অসমৰ্থ
যে মোৰ প্ৰেম, মোৰ ভালপোৱাক
কেৱল তোমাতেই আবদ্ধ
মই অসহায়, অস্থিৰ, নিৰুপায়
প্ৰেমবিহুল শূৰ্পনখাৰ ঈৰ্ষাৰ যজ্ঞত জন্মা
কলংকিত ইতিহাসৰ শেষ পৰিণতি
মোৰ গৰ্ভত একলা দুকলাকৈ বাঢ়ি অহা
তোমাৰ অনাগত ভৱিষ্যতক
কি নিৰ্দয়ভাৱে চক্ৰান্ত কৰি এৰি থৈ গ'লা
হিংস্ৰ জন্তুৰ অটব্য অৰণ্যত ❑



## সংশয়

✍ আনিচা আজমী
স্নাতক পঞ্চম ষাণ্মাসিক

নাজমিন কোন বাটেৰে যোৱা
এইটো অন্ধকাৰৰ বাট
এইটো বাটেৰে লগ পাবা মুখবোৰ
বৰ ৰংচঙীয়া
ইহঁতৰ গাত পোহৰ নাইয়ে
ইহঁতে পোহৰ নিদিয়ে নাজমিন
এই বাটেৰে নাযাবা
যোৱাত বাধা নাই
তথাপি তুমি নাচাবা
তোমাৰ ভৱিষ্যত তোমাৰ লগত আছে।
তোমাৰ ভুল পথতে
ভৱিষ্যতক তোমাৰ লগত লৈ নাযাবা
তোমাৰ ভৱিষ্যত পিছলি পৰিব। ❑

## মা

✍ কমেলা খাতুন
স্নাতক প্ৰথম ষাণ্মাসিক



মা শব্দটো যে কিমান মধুৰ !
মা বুলি মাতিলে হিয়া পৰে জুৰ।
বিপদত পৰি আমি মাতো মা বুলি
ৰাতিপুৱাতে মা মা মাতো হাত মেলি
উজুটি খালেও মা মাত মুখতে ওলায়।
দুখ পোৱাৰ যন্ত্ৰণাও নাশ হৈ যায়।
মাৰিলেও মায়ে কান্দো মা বুলি
দূৰত থাকিলেও আহো মাৰ ওচৰত
হৃদয়ত কম্পন তুলি।
মা মা মাতি নালাগে ভাগৰ।
মাৰ হিয়াত যে আছে এখনি মৰমৰ
সাগৰ !! ❑





## ব্যংগ কবিতা

✍ মইনুল হ'ক
স্নাতক ৩য় ষাণ্মাসিক

ঘড়ীটোৱে দুখ কৰে
হায় মোৰ জীৱন,
জিৰণি ল'বলৈ নাপাওঁ
নাই দিন-ৰাতি।
নাই পুৱা আবেলি
সকলো সময়তে কেৱল
থাকিব লাগে চলি।
মানুহবোৰে ইচ্ছামতে
সদায় ফুৰে ঘূৰি
খাই লৈ শুই
আৰামত থাকে ঘূৰি।
আমাক চাই শুৱে উঠে
স্কুল-কলেজত যাবলৈ
আমাক অনুসৰণ কৰে
হাতত বা টেবুলত
আমাৰ থকা ঠাই
বেৰখনো আমাৰপৰা
বাদ পৰা নাই
এইবোৰ দুখে-সুখে
থাকো কেতিয়াবা মৰি
মৰিলেওঁ হ'ব কি
মানুহে সলায় বেটাৰী। ❑

## হিন্দু-মুছলমান

✍ শ্বমেলা খাতুন
স্নাতক ১ম ষাণ্মাসিক

অসম সন্তান হিন্দু মুছলমান
একেজনীয়ে আমাৰ আই।
নাপাতো কদাপি খৰিয়াল আমি
সকলো সমান ভাই।
নেদেখো তফাৎ নাই ব্যৱধান
ধৰম মাথোন ভিন,
খাওঁ একে ভাত মাতো একে মাত
সবাতে মৰমৰ চিন।
এখনি আকাশ একে বতাহেৰে
জীৱন ধাৰণ কৰোঁ।
সাতাম-পুৰুষীয়া এখনি লুইতে
মিলনৰ সেঁতু গঢ়ে।
অসম সন্তান হিন্দু-মুছলমান
অভিন্ন আতমা প্ৰাণ। ❑



## হিন্দু আৰু মুছলমান

✍ ভূমিতা কুমাৰ
স্নাতক ৩য় ষাণ্মাসিক

একে ৰক্ত, একে প্ৰাণ
একে সুৰ, একে গান
নাই কোনো উচ্চ-নীচ
নাই কোনো ভেদাভেদ
হিন্দু আৰু মুছলমান
নামত সকলো মানৱজাতি
তেন্তে পাৰ্থক্য কিহৰ মাজত?
ক'ত বিচাৰিবা বিভেদ?
ক'ত বিচাৰিবা অমিল?
দেখাত জানো একে নহয়
দুখ-বেদনাও জানো একে নহয়
তেন্তে কিয় কৰা ভেদভাৱ?
তুমিও মানুহ, ময়ো মানুহ
সকলোৰে আশা একে দিশত
থাকিব নালাগে ভেদভাৱ
নিজৰ সকলো বুলি
ল'ব লাগে আঁকোৱালি
আজান ফকীৰ, শংকৰদেৱ
পৰমগুৰু দুয়োজনাই
সৃষ্টি কৰিলে
ধৰ্মৰ বীজ
নাছিল কোনো উচ্চ-নীচ
নাথাকিব কোনো উচ্চ-নীচ
হিন্দু আৰু মুছলমান
একেজনৰেই সন্তান ... ❑



## এখন নেদেখা নদীৰ সিপাৰে

কংগনা কলিতা
স্নাতক ৫ম ষাণ্মাসিক

মই জানো
বহুদিনৰ আগেয়ে
নদীখনে কথা কৈছিল
কিন্তু যেতিয়া সি বুজি পালে
দুখৰ প্ৰতিটো টোপাল
শব্দৰ দিগন্তৰ বাহিৰত বিলীন হৈ যায়
সি মৌনতাক আঁকোৱালি ল'লে,
তাৰ বুকুলৈ বিভিন্নজন আহিল।
ধ্বংস কৰিবলৈ সৃষ্টি কৰিলে
আৰু তাক সভ্যতা বুলি ক'লে।
তাৰ বুকুলৈ বিভিন্নজন আহিল
সেই ধ্বংসৰ অৰ্থ বিচাৰি চালে
আৰু তাক ইতিহাস নাম দিলে।
যিমানেই সময় স্থবিৰ হৈ ৰ'ল
যিমানেই পৰিবৰ্তন হ'ল
সিমানেই অপৰিবৰ্তিত হৈ ৰ'ল।
দুখৰ টোপালবোৰ
টোপে টোপে জমা হৈ
পাৰ ভাঙি বৈ যায় এদিন ...।।
এখন নেদেখা নদীৰ বুকুলৈ...।। ❑





## অনুভৱ

✍ দিশাৰাণী দাস
স্নাতক ৫ম ষাণ্মাসিক

শুধ বগা পাৰ চৰাইটোৰ দৰেই
শান্তিৰে ধৰাত জীৱন নিৰ্বাহ হওক আমাৰ
নাথাকক জঞ্জাল উচ্চ-নীচ ভাৱৰ।

তই বৰো মই কাৰ্বি সিহঁত অসমীয়া
গোষ্ঠী জাতিৰ ভিন্নতা পাহৰি
শান্তি আহক পাহাৰীয়া, নগৰীয়া চহৰীয়াৰ
বৰ অসমৰ বুঢ়া-ডেকা সমনীয়া,

গোমূৰ্খ একচাম লোকেই আজি
নিজ স্বাৰ্থ সিদ্ধিৰ হকে আনে জঞ্জাল।
ধৰ্মৰ দোহাই দি আদৰি আনে অন্ধবিশ্বাস।
সৃষ্টি কৰে ডাইনী, মনসা, দেৱ-দেৱতাৰ।
সহজ-সৰল হোজা লোকৰ
হস্তগত কৰে সা-সম্পত্তি নতুবা ভূমিৰ অধিকাৰ
নাহক আৰু দুনাই কাৰো জীৱনলৈ অন্ধবিশ্বাস
গোট গৰু গোমূৰ্খ সেই দুষ্কৃতিকাৰী
বুজাবুজিৰ অভাৱত কাৰ্বি যুৱকৰ হাতত মৃত্যু
ফুল কুমলীয়া অভিজিৎ-নিলোৎপলহঁতৰ।

সন্ত্ৰাসবাদীৰে জৰ্জৰিত অসমত
হওক হিংসাৰ অৱসান
তই হিন্দু, মই মুছলমান সিহঁত শিখ আমি খ্ৰীষ্টিয়ান
ভেদাভেদ পাহৰি উচ্চ-নীচ সামৰি
যেন একেখন নাৱৰে যাত্ৰী

আজি হত্যা, লুণ্ঠন, ধৰ্ষণ, ভণ্ডামী
পঢ়ো বাতৰিৰ প্ৰথম পৃষ্ঠাত
নাহক আৰু দুনাই নহওক অৱতৰণ
শুদ্ধ বগা পাৰ চৰাইটোৰ দৰেই
শান্তিৰে জীৱন নিৰ্বাহ হওক আমাৰ
আহক হাতে হাত ধৰি আগুৱাই যাওঁ
ভৱিষ্যত প্ৰজন্মক সুপথ দেখুৱাও,
তৰোৱাল, বন্দুক আতৰাই থওঁ,
ভৱিষ্যত প্ৰজন্মক সৎ পথ দেখুৱাও। ❑

## আস্থা

✍ শিখৰজ্যোতি দাস
স্নাতক ৩য় ষাণ্মাসিক

মোৰ প্ৰতি থকা তোমাৰ আস্থা
আৰু মোৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োজন
একমাত্ৰ তুমি বুজা ...
একমাত্ৰ তুমি !!!
ৰাতিপুৱাৰ দুবৰীদবাই নিয়ৰৰ মুকুতা পিন্ধোতে
যিদৰে বিচাৰে এটা আস্থা
ময়ো ... ... ... ...
ময়ো ... ... ... ... !!!!

অচিন ঘাটত ৰৈ থকা সপোনবোৰ
সজাবলৈ বিচাৰো এটি আস্থা।
আকাশৰ নীলাৰ মাজত বিচাৰো
তোমাক বিচাৰি পোৱাৰ আস্থা।

সেয়ে হয়তো এক অনামী শব্দই
আস্থাৰ বোকোচাত উঠি
নিশাৰ দুপৰবেলাবোৰত মোক কয়
মোৰ তোমাৰ প্ৰতি থকা ভালপোৱাটোৰেই
আস্থা।।❑

## মই আৰু মোৰ কবিতা

✍ জানমণি তালুকদাৰ
স্নাতক ৫ম ষাণ্মাসিক

এয়া মোৰ কবিতা সীমাহীন স্পন্দনৰ
স্পন্দন মোৰ আৱেগৰ
স্পন্দন মোৰ হৃদয়ৰ
স্পন্দন মোৰ আধৰুৱা সপোনৰ।

এয়া মোৰ কবিতা স্পন্দনৰ
কবিতা মোৰ বিষাদৰ নহয়
ভাষা মোৰ দুৰ্বল নহয়
হৃদয় মোৰ অৰ্ধগলিত বৰফ নহয়
সময় মোৰ নিষ্ঠুৰ নহয়।

জনম মোৰ পৃথিৱীত
কিন্তু, ভিক্ষাৰী মই প্ৰাণৰ নহয়
জীৱন মোৰ নিৰৰ্থক নহয়।

নিজ হাতে অংকন কৰিম কপালৰ ৰেখা
হে যোৱাবোৰ কপালৰ লিখন বুলি
সেমেকি নাযাও ভাগ্যক ধিয়াই।

নাৰী মই দুৰ্বলী নহয়
কবিতা মোৰ কেৱল কলমৰ নহয়
কবিতা মোৰ স্পন্দনৰ
সিৰে সিৰেৰ বৈ থকা অনুভৱৰ
কবিতা মোৰ হৃদয়ৰ।। ❑



## কুঁহিপাত

✍ খাইৰুল ইছমাইল
স্নাতক ১ম ষাণ্মাসিক

মোৰ হিয়া অহৰহ উপজিছে
তোমাক চুব লৈ
আহিছা তুমি সোণালী সাজেৰে
মৎস্যগন্ধা হৈ।

চৌদিশে তোমাৰ গুণগান
তোমাৰেই বাৰ্তা
তোমাৰ উপস্থিতিত দৃশ্য মনোমোহা
মুগ্ধ প্ৰকৃতিৰ আত্মা।

তোমাৰ আগজাননীক কুলিয়ে ক'ব
ধৰিছে কু কু বুলি
শুৱলা সংগীতেৰে তোমাক মাতিছে
শীঘ্ৰে আহিব বুলি।

ধুনীয়া তোমাৰ সেউজ বৰণ
ৰসাল তোমাৰ পাত
সুন্দৰ তুমি দেখিবলৈ বহুত
জগতে দিছে মাত। ❑





## মেঘে সলালে পোছাক

✍ নিকুমণি কলিতা
স্নাতক ৫ম ষাণ্মাসিক

কাজল মেঘে সলালে পোছাক
আকাশ নীল সাগৰ যেন
মুগ্ধ দুচকুত ওপঙি ফুৰে
শুকুলা চাদৰ নাও

কহুৱা ৰাতি বতাহ ব'লে
বতাহে মনলৈ ঢাপলি মেলে
পথাৰে পথাৰে চমকি পৰে
সেউজীয়া নদীৰ ঢল
মোক খিৰিকীৰ কাঁচত
নিয়ৰে গোপনে আঁকি দিয়ে
ধোঁৱা ধূসৰ এখন ছবি
অস্পষ্ট
কোমল কৰুণ আহিনৰ
লেণ্ডস্কেপ ! ❑



## প্ৰত্যাশা

✍ দুলুমণি বৰ্মন
স্নাতক ৫ম ষাণ্মাসিক

বিংশ শতিকা পাৰ হ'ল
সময় বহুত সলনি হ'ল
তথাপি মানুহৰ মনৰপৰা
হিংসা-দ্বেষ আঁতৰ নহ'ল।
একবিংশ শতিকা আৰম্ভ হ'ল
বিজ্ঞান বহু আগুৱাই গ'ল
হাবি-বননি ধ্বংস হ'ল
মানুহৰ জীৱনৰ নিশ্চয়তা নোহোৱা হ'ল
চাৰিওফালে কেৱল
বোমা-বিস্ফোৰণ, হত্যা, লুণ্ঠন, অপহৰণ
এয়াই নেকি সুন্দৰ মোৰ জন্মভূমি
এয়াই নেকি আমাৰ পৰিচয় ?
এতিয়া আকাশত ধোঁৱাৰ জিলিঙনি
বতাহত শুনো মৃত্যুৰ গুণগুণনি
পৰিব জানো কেতিয়াবা ওৰ
মানুহৰ ত্ৰাসৰ?
এদিন হয়তো আকাশ হ'ব ফৰকাল
পোহৰ হ'ব নিৰ্মল
নাথাকিব মৃত্যুৰ ভয়
চাৰিওফালে শুনা যাব মাথো হাঁহিৰ কল্লোল।
সেয়াই হ'ব সুন্দৰ মোৰ জন্মভূমি
সেয়াই হ'ব আমাৰ পৰিচয়। ❑

# মোৰ প্ৰেম আধৰুৱা

✍ পল্লৱী দাস
স্নাতক ৫ম ষাণ্মাসিক

তুমি এৰি যোৱা দিনটি
এখুজি-দুখুজিকৈ বহু বছৰ পাৰ হৈ গ'ল
কিন্তু এতিয়াও তোমাক পাহৰিব
পৰা নাই এতিয়াও তোমাৰ সেই
মৰম লগা মুখখনি মোৰ
দুচকুত আহি থাকে আৰু কেতিয়াবা
তোমাক বহুত ভিৰৰ মাজত
বিচাৰো কিজানি বা তোমাক
দেখা এই পাওঁ তুমি যে
আঁতৰি গ'লা আৰু ঘূৰি নাহিলা
তুমি যে আগতে মোক কৈছিলা
মই নোহোৱা হ'লে ৰাতিৰ আকাশৰ
জোনটিলৈ চাবাচোন .....
মই এতিয়াও ৰাতিৰ
আকাশৰ জোনটিলৈ চাই থাকো
জানো কিজানিবা এবাৰ তোমাৰ
মৰমলগা মুখখনি দেখায়ে পাওঁ
মোৰ প্ৰেম আধৰুৱা হৈ ৰ'ল
গুচি গ'লা তুমি বহুত দূৰলৈ
মোক অকলশৰীয়া কৰি এৰি থৈ। ❑



# সুগন্ধি পখিলা

(হীৰেন ভট্টাচাৰ্যদেৱৰ সোঁৱৰণত)

✍ হীৰকজ্যোতি কলিতা
স্নাতক ২য় ষাণ্মাসিক

কবি সুগন্ধি পখিলা
একাধাৰে গ্ৰন্থ লিখিলা
অসমীয়া ভাষা-সাহিত্যৰ উন্নতি
সাধিলা।।
মোৰ দেশত ছন্দ অংকিলা
কাব্য ৰচনা কৰি বহু সন্মান পালা
সকলোৰে হৃদয়ত স্থান ল'লা।।
সময় গতিশীল
কালগ্ৰাসত তুমিও এদিন
পঞ্চভূতত বিলীন হ'লা।।
জীৱনৰ অৱসান
চিতাৰ জুই
চকুলোৰে চকুপানী টোৱাঁই
মাগিলা বিদায়।। ❑





# বিশ্বাস



✍ মিণ্টু দাস
স্নাতক ৩য় ষাণ্মাসিক

বিশ্বাস বুলিবলৈ জানো আছে কিবা
পৃথিৱীত থকা সকলো প্ৰাণীৰে আছে জানো বিশ্বাস।
আমাৰ মাজত কি আছে, মাথো আছে বিশ্বাস।
থাকেনে বাৰু মানুহৰ ওপৰত মানুহৰ বিশ্বাস।
আছো মোৰ বিশ্বাসৰ ওপৰত
তুমি বাৰু কৰানে মোক বিশ্বাস।
শুনিছো প্ৰেমৰ আন এটা নাম হৈছে বিশ্বাস
আছেনে বাৰু তোমাৰ মোৰ ওপৰত বিশ্বাস
নাই যদি ক'ত হেৰাই গ'ল তোমাৰ বিশ্বাস
বিশ্বাস বুলিবলে জানো আছে কিবা।
মা-দেউতাই আমাক বহুত বিশ্বাস কৰে
আমি বাৰু মা-দেউতাক বিশ্বাস দিওনে
দিও কেৱল কিছুমান মিছা কথাৰ প্ৰয়াস।
বিশ্বাসৰ ওপৰত লুকাই থাকে মানুহৰ আত্মবিশ্বাস
তথাপি মানুহে মানুহক নকৰে বিশ্বাস
যদি বিশ্বাস কৰিলে হয় আজি আমাৰ সমাজত
কেতিয়াও নহ'লে হয় হাই-কাজিয়া, আত্মহত্যাৰ দৰে
অঘটন।
যদি বিশ্বাস কৰিলে হয় তেতিয়া আমাৰ সমাজখন সুস্থ
হ'লহেঁতেন।
যদিহে সুন্দৰ সমাজ এখন গঢ়িব বিচৰা
তেতিয়া হ'লে বিশ্বাস কৰিবলৈ শিকা মানুহে মানুহক।
❑

# জীৱন

✍ ৰঞ্জুমা বেগম
স্নাতক ৬ষ্ঠ ষাণ্মাসিক

জীৱন খন্তেকীয়া
কাৰ বাবে আছে কাল ৰৈ
কোনোৱেই নাজানে
সকলো ব্যস্ত এই ধৰাত
জানিও নাজানে, বুজিও নুবুজে
মাথো দৌৰিছে আগলৈ।
যান্ত্ৰিক যুগত সকলো হৈছে যন্ত্ৰ
কাৰণ স্থবিৰতাৰ আন এটা
নাম যে হ'ল মৃত্যু।
ক্ষণিকৰ পথিক আমি
জিৰাবলৈ আহো এই পৃথিৱীত
কিন্তু কাৰো যে নাই সময়,
দৌৰা-দৌৰা কেৱল দৌৰা
কাল তোমাৰ সন্মুখত।
পিছত নাজানো ইয়াৰ শেষ ক'ত? ❑



# ফাগুন

✍ ইমদাদ আহমেদ
স্নাতক ২য় ষাণ্মাসিক

চঞ্চলা ফাগুন আহিল
বসন্তৰ দুৱাৰ মেলি।
প্ৰেমৰ বতৰা কঢ়িয়াই
পুলকিত মনক দিলেহি
সুবাসেৰে ভৰাই।

ফাগুন ...
তই অহাৰ বতৰাই
তলসৰা পাতবোৰক
দিলেহি জগাই।

সোণোৱালী পাতবোৰ
ফাগুনৰ পচোৱা বতাহ জাকত
লুটি-বাগৰ খায়
কেনিনো গুচি যায়।

মায়াসনা দুপৰীয়া
ফাগুনৰ সমীৰণে বাতৰি বিলায়
মনত উৎসৱৰ মৃদংগ বজায়। ❑

পলাশ শিমলু মদাৰৰ
ৰঙা ফুলবোৰে যেন
আকাশত পাতিছে ৰঙৰ মেলা
সেইবাবেই ফাগুন
তয়ো যে ৰঙা
আকাশ পথাৰ চৌদিশ
ধূলি মাথো ধূলি।
তয়েতো বিঙিয়াই মাতিবি
আশাৰ বৰষুণ এজাক
জীপাল কৰিবহি
ধৰিত্ৰী আইক।
লাজৰ ওৰণি টানি
লঠংগা গছেও
পিন্ধিব যে
সেউজীয়া ন সাজ
ফাগুন ... চঞ্চলা
ফাগুন ... চঞ্চলা
ফাগুন ... আবিৰে ভৰা। ❑







# মাথো তোমাৰ বাবে

✍ আজম দেৱান
স্নাতক ষষ্ঠ ষাণ্মাসিক

তুমি ক'ত?
আকাশত ব'তাহত
নে শুকুলা ডাৱৰৰ মাজত।
কেতিয়াবা ভাবোঁ !
সৌ আকাশৰ অগণন তৰাৰ মাজত
তুমি আছা নেকি;
নাই, তাতেও নাই।
কেতিয়াবা ভাবো
জোনৰ আঁৰত লুকাই আছা নেকি !
তাতেও নাই।
ক'ত তুমি?
কেতিয়াবা পখিলা হৈ
ফুলে ফুলে উৰি উৰি
ফুলবোৰক সোধো তোমাৰ কথা,
কিন্তু সিঁহতে মোক জোকায়
কেতিয়াবা চৰাই হৈ উৰি উৰি
আকাশে-বতাহে
মাথো তোমাকেই বিচাৰো।
ঢুকিয়েই নাপাওঁ।
নিজৰা হৈ পাহাৰে-ভৈয়ামে
বিচাৰি বিচাৰি
সাগৰত বিলীন হৈ যাওঁ,
তথাপিও তোমাক নাপাওঁ
ক'ত আছা তুমি?
মোৰ করুণ বিননি
তুমি শুনা নাইনে?
ভাগৰি পৰিছো মই
তোমাক বিচাৰি বিচাৰি।
কেতিয়া আহিবা মোৰ কাষলৈ?
তুমি অহাৰ বাট চাই থাকিম
মই চিৰদিনলৈ। ❑



## প্ৰেয়সী

✍ নাৰ্গিছ বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

বিছাৰিছো তোমাকে জীৱনৰ লগৰী
বিচাৰিম জীৱন অন্তলৈকে,
মৰাৰ পিছতো হৃদয়ত
জীয়াই ৰাখিম তোমাৰ ভালপোৱাক।
তোমাৰ ভাৱনা হৃদয়ত উপজিলে,
মোৰ দুনয়নত চকুলো
বৰলৈ ধৰে !
এদিন যে আহিবা উভতি
মোৰ মনে ধৰে।
আছো বৈ তোমালৈ বাট চাই
অতীতৰ ভাৱনাক সুঁৱৰি
চোৱানে মোৰ হৃদয়ত জুমি,
দেখানে সাঁচি ৰখা সঁচা ভালপোৱা তুমি।
জানো জানো মোৰ সাধনাক
ল'বা এদিন আঁকোৱালি,
আৰু সিদিনাই মই ভাবিম
পৃথিৱীত সকলোতকৈ সুখী বুলি।

## অনুভৱ

✍ চামচুদ্দিন আহমেদ
স্নাতক ৩য় ষাণ্মাসিক

দুখৰ হাঁহি নুবুজা তুমি।
নুশুনা তুমি মোৰ, কলিজাৰ ক্লান্ত বিননি।
ভৰ দুপৰীয়া সময়ত
লঘোণীয়া ৰ'দত,
বলিয়া হও মই তোমাৰ হৃদয়ত।।

অনুভৱ কৰিছানে কেতিয়াবা বাৰু
শীতত বিৰিণা সমীৰণ?
দেখিছানে কেতিয়াবা আউসীত জোনাকৰ কিৰণ?
চাবাচোন এবাৰ অনুভৱ কৰি।
মোৰ হৃদয়ত ছুনামীৰ ঢৌ-টি।।







## মুখবোৰ উৰলি গৈ তেজৰ ফুলনি হ'ল

✍ মিছ ৰিতুমণি বেগম
স্নাতক ১ম ষাণ্মাসিক

নৈখনৰ ভটিয়নীত
মানুহবোৰে তেজেৰে খেলি ভাল পাইছে
তেজ দেখি নৈৰ সোঁত নিৰ্বাক-নিস্তব্ধ।

জাক জাক হাই-উৰুমি
জাক-জাক আৰ্তস্বৰ
মানুহ মৰাতো কিমান সহজ;
মুখবোৰ উৰলি গৈ তেজৰ ফুলনি হ'ল।
কান্দিও ভাল লাগে
এই কান্দোন
ভাৰবীয়াসকলৰ !!
মমতাময় মাকৰ এটা স্তন গুলীবিদ্ধ
ছিটিকি আহিল ভৰপূৰ স্তনৰ গাখীৰ
ঢলি পৰিল চিৰযুগমীয়া আই;
মুখ মেলা কণ কণ শিশুহঁতৰ মুখত
উপচি পৰিল তেজ।
নাচি থকা কলপাতবোৰ থৰ হ'ল
গাঁওবোৰ শিলনি হ'ল
উৰি ফুৰা আকাশৰ চৰাইবোৰ
হ'ল উধাও !
ফুলনিবোৰ ছাই-হালধীয়া হ'ল
গান গোৱা বন ফৰিংবোৰ জুই হ'ল।
জুই হ'ল মগজু
জুই হ'ল নদী
জুই হ'ল তেজ
জুই হ'ল কণ্ঠস্বৰ।
সৌৱা চোৱা মানুহ আহিছে
জাকে জাকে দলদোপ হেন্দোলদোপ
আমাক চাবলৈ মানুহ আহিছে।
অ' মোৰ আপোন দেশৰ
আমি মৃত নবীন গণতন্ত্ৰৰ কংকাল
দৰদাম কৰাহি
কোনে কিমান দামত কিনিব পাৰে
আমাৰ আয়ুস।
(২০১৪ চনৰ বি টি এ ডি ৰ মৃতকৰ সোঁৱৰণীত ৰচিত)



## মৰম

✍ চামচুদ্দিন আহমেদ
স্নাতক ২য় ষাণ্মাসিক

মৰম বিচাৰি
মানুহে হাবাথুৰি খায়
দুই দিনৰ মৰম দি
দলিয়াই পেলায়।
মৰম হৈছে এক উৰণীয়া পখী,
সকলোকে মৰম দিব নোৱাৰি।
মৰমৰ কাৰণে জগতখন বলিয়া,
মৰমে নামানে ধনী কি দুখীয়া।
মৰম এক স্বৰ্গীয় অনুভূতি,
তাত থাকে জোন তৰাৰ ধেমালি।

# মই কিৰণ দিম

✍ জেহেৰুল ইছলাম
উঃ মাঃ প্ৰথম বৰ্ষ (কলা শাখা)

মই কিৰণ দিম
এন্ধাৰ নাশ কৰি,
জগাই তুলিম মৰমেৰে
বিদ্যা আহৰণ কৰি।
মই কিৰণ দিম
জাতিক জগাই ৰাখিবলৈ,
ঐক্য শান্তি প্ৰগতিৰে,
আগবাঢ়ি যাম যুঁজলৈ।
মহাত্মা গান্ধীৰ আদৰ্শবাণী
মোৰ জীৱনত,
হিংসা পৰিহাৰ কৰি
শান্তি আনিম সকলোৰে মনত।
মই কিৰণ দিম
একতাৰ জয় গান গায়,
বজোৱা জয়ৰ ধ্বনি আৰু
মোৰ স'তে আহা আগুৱাই।



# হেৰোৱা সপোন

✍ জুনুৱাৰা বেগম
উঃ মাঃ প্ৰথম বৰ্ষ (কলা শাখা)

সময়ৰ সোঁতত গতি সলাই যুগৰ
তুমি জানো নোহোৱা মোৰ মৰমৰ।
সময়ে আনে যদি নতুন আশা
মৰম যদি হেৰাই যায়, দি যায় মাথো বেদনা
কিয় বাৰু সময়ে বাৰে বাৰে কৰে চালনা
সঁচা প্ৰেমৰ সঁচা মৰম কিয় তুমি নুবুজা
জীৱনত যদি হয় নিৰাশাৰ এন্ধাৰ
তথাপি জীৱন হ'বলৈ নিদিবা অসাৰ।
হেৰোৱা সপোন বিচাৰি বিচাৰি পালোনো কি
য'ত পাবা আশা বিচাৰি তাতে নিৰাশাৰ থলী
কোনেও কাকো নুবুজে আজি
নিজেইনো বুজিলে হ'বনো কি?
আশাৰ বালিৰ ঘৰ সাজিলো যতনেৰে
তাকো উৰুৱাই নিলে আজি নিয়তিয়ে নিমিষতে
সঁচা মৰমৰ নাই আজি ভৰসা
কাকো কৰিব নোৱাৰি আশা।।





# অন্ধকাৰ আইনাখনি

✍ নিশামণি কলিতা
স্নাতক পঞ্চম ষাণ্মাসিক

জীৱনটো এখন শ্লেট হোৱা হ'লে
মচি দিলোহেঁতেন জীৱনৰ
অন্ধকাৰ অধ্যায়;
নতুনকৈ লিখি দিলোহেঁতেন
জীৱনৰ সহজ বুৰঞ্জী।
কিন্তু জীৱনৰ ফলিখন যে
বৰ জটিল...।
জীৱনটো এসাগৰ পানী হোৱাহেঁতেন
ধুই নিকা কৰিলোহেঁতেন
জীৱনৰ সমাজৰ কলুৰতা
ভাগে ভাগে সজালোহেঁতেন
জীৱনৰ নতুন অংগৰাগ
কিন্তু সমুদ্ৰ
সি যে ইমান গভীৰ
কিমান বিশাল
ঢুকিব নোৱাৰো
মই যে নিৰুপায়, বৰ অসহায়
জীৱনটো এপাহ ফুল হোৱাহেঁতেন
গাঁঠিলোহেঁতেন এধাৰি হেঁপাহৰ মালা।
সুশোভিত হ'লহেঁতেন
অন্ধকাৰ আয়নাখনিতো
মোৰ আশাৰ চমকনিবোৰ
কিন্তু কি...?? ❑





# কাক যাঁচো কৃষ্ণচূড়া

✍ বৰ্ণালী দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

এতিয়া যাঁচো মই কৃষ্ণচূড়া
নিজানত নিজকে লৈ,
সময়ত কিয় নিদিলা তুমি
মনৰ কথাখিনি কৈ।
বহুতৰেই বহু আশা আধৰুৱা
দিনবোৰো যেন মৃত ভাগৰুৱা।
যৌৱনৰ ৰঙীন সপোন
কোনেনো ল'ব মোৰ বেদনা,
কাক যাঁচো মই কৃষ্ণচূড়া।❑

# অসুখী

✍ নুৰভানু খাতুন
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

তেজেৰে কথাৰে আৰম্ভ হয় প্ৰতিটো ৰাতিপুৱা প্ৰতিটো
সপোন যাত্ৰা
মই ভীষণ অসুখী হৈ পৰিম যদি
নেপাওঁ তোমাৰ মৰম
পাহৰি যাম নিজৰ নাম ঠিকনা যদি
নেপাওঁ তোমাৰ মন।
হেৰুৱাই পেলাম মাতৃভূমি নিজ স্বজ্ঞান
হেৰুৱাই পেলাম হৃদয়ৰ মৰম আৰু বিবেকৰ গভীৰতা যদি
নেপাওঁ তোমাৰ ভালপোৱা।
নদ-নদীয়ে হেৰুৱাই পেলাইছে নিজস্ব গতি
পৰ্বত-পাহাৰে পাহৰি পেলাইছে নিজস্ব উচ্চতাৰ মাপকাঠি
গছে হেৰুৱাই পেলাইছে নিজস্ব উচ্চতাৰ সংজ্ঞা
ময়ো হেৰুৱাই পেলাম নিজস্ব মাপকাঠিৰ সীমা যদি
নেপাওঁ তোমাৰ মৰম।
চৰাই হৈ উৰিম চিলা হৈ খেলিম
ভোমোৰা হৈ গুণগুনাই ফুলত পৰি মৌ-পাণ কৰিম
তোমালৈ আনিম আকাশৰ সাতৰঙী ৰামধেনু
তোমালৈ আনিম তোমাৰ মনোমোহা সপোন
যদি পাওঁ তোমাৰ মৰম
মানুহে যদি মানুহক নাপায় বুজি
জোনমণি
যদি জোনমণি হৈ নাথাকা তুমি
মই ভীষণ অসুখী হৈ থাকিম এই ধৰাত। ❑





# English Section



# Organisational Activities at Local Level in Promoting English

✍ Dr. A. A. Hussain
Associate Prof., Dept. of English

The title of the paper implies that, we, the English teachers, have to undertake some innovative steps in the form of organisational activities at local level to promote English within our own limitations. We consider ourselves to be language teachers engaged in teaching English, mostly in rural areas where exposure to English is negligible, where most of the students fail in the examinations, suffer from fear-psychosis, know little about the language and cut a sorry figure in day-to-day conversation.

Our main thrust in the paper will be the organisational activities to be undertaken as remedial measures to tackle the situation. Our methods to deal with the paper will be partly analytical and partly descriptive. And the prime aim of such organisational agenda is to establish one to one relationship between the teacher and the taught for an effective teaching.

Our hypothesis in the paper is that we are language teachers engaged in promoting language ability of our young generation specially in promoting their competency in English. Our organisational activities will be of different kind, besides devoting ourselves in the classrooms. We should come forward to render our services to our students for promoting English in which students specially of rural background and vernacular medium fail in large-scale and at the same it has been playing a vital role in building their carreer.

